সোণৰ ফুল

[১৯৭৩ চনত সাহিত্য একাডেমী আৰু ১৯৭৬ চনৰ বঁটা বিজেতা দাক্ষিণাত্যৰ সুবিখ্যাত তামিল লেখক 'একিলন'ৰ বহু প্ৰশংসিত উপন্যাস 'পোন্নন মালাৰ'ৰ মুকলি ভাঙনি।]

একিলন

অনুবাদ

দীনবন্ধু

DIRECTOR, LIBRARY ... ASSAM GUWAHATI

চন্দ্ৰ প্ৰকাশ

টিহু ✳ গুৱাহাটী

'SONAR PHUL' - An open rendering is Assamese of the Novel "Pan Molar" written by Tamil Literature 'Ekilon' and Translated by Dinabandhu. Published by Rajendra Mohan Sarma, CHANDRA PRAKASH, Tihu : Guwahati.

Price 30·00 only

প্ৰকাশক :

শ্ৰীৰাজেন্দ্ৰমোহন শৰ্মা

চন্দ্ৰ প্ৰকাশ

তিহু-৭৮১৩৭১

গুৱাহাটী-৭৮১০০১

প্ৰথম প্ৰকাশ—ডিচেম্বৰ, ১৯৮৯

মূল্য : ৩০·০০ টকা

ছপা :

ৰামকৃষ্ণ প্ৰেছ

প্ৰতাপ কুমাৰ ৰায়

১৭, ৰামধন মিত্ৰ লেন

কলিকতা-৭০০০০৪

একিলনৰ বিষয়ে—

তামিল সাহিত্যৰ সুবিখ্যাত লেখক 'একিলন'। তেখেতৰ সম্পূৰ্ণ নাম—পেৰুঙ্গালুৰ ভিঠিয়ালিঙ্গম একিলন্দম (পি. ভি. একিলন্দম) হলেও তেখেত চমুকৈ 'একিলন' বুলিহে বেছি জনপ্ৰিয়। ১৯৩৮ চনৰ পৰাই তেখেতে লিখিবলৈ আৰম্ভ কৰি এতিয়ালৈ তেওঁ প্ৰায় ৪৫ খন গ্ৰন্থ প্ৰকাশ কৰিছে। তেখেতে উপন্যাস, চুটি গল্প, প্ৰবন্ধ, নাটক, শিশু-সাহিত্য আদি বিভিন্ন গ্ৰন্থ প্ৰকাশ কৰিছে। তেখেতে এতিয়ালৈ সৰ্ব্বমুঠ আঠটা পুৰস্কাৰ পাইছে—তাৰ ভিতৰত ১৯৬৩ চনত 'বাঘৰ সন্তান' (Vengayin Maindan) নামৰ ঐতিহাসিক উপন্যাসৰ বাবে—সাহিত্য একাডেমী পুৰস্কাৰ আৰু ১৯৭৬ চনত 'চিত্ৰপ্ৰিয়ম' (Chithira-Parai) উপন্যাসৰ বাবে ভাৰতীয় জ্ঞানপীঠ বঁটা লাভ কৰে।

দুবাৰ মুখতে অনুবাদকৰ দু-এষাৰ

বহু কেইজনে বিশ্ববিশ্রুত সাহিত্যিকৰ কেইবাখনো অমৰ গ্রন্থ ইতিমধ্যে অসমীয়া ভাষাত অনূদিত হৈছে। কিন্তু, বঙালী আৰু হিন্দীৰ বাহিৰে আন আন প্রাদেশিক ভাষাৰ সাহিত্যৰ ভাঙনি এতিয়ালৈ অসমীয়াত চকুত পৰা ধৰণে হোৱা নাই। তামিলনাডুৰ বিখ্যাত লেখক 'একিলন' ইতিমধ্যে ভাৰতীয় সাহিত্যপ্রেমীসকলৰ মাজত এটা সুপৰিচিত নাম আৰু জনপ্রিয়তাৰ শীৰ্ষস্থান পোৱা লেখক। তেখতৰ কেইবাখনো উপন্যাস ভাৰতৰ বিভিন্ন প্রাদেশিক ভাষাত ভাঙনি হৈছে। তেখেতৰে অন্যতম জনপ্রিয় উপন্যাস 'পোন মালাৰ' উপন্যাসখিনি ভেষ্টা হাকিমে ইংৰাজীত 'ফ্লাৱাৰ অৱ্ গ'ল্ড' নাম দি 'ষ্টালিং প্রকাশনিৰ' দ্বাৰা প্রকাশ কৰিছে। মই তামিল ভাষা নাজানো—কিন্তু ভেষ্টা হাকিমৰ 'ফ্লাৱাৰ অৱ্ গ'ল্ড' পঢ়ি মই অভিভূত হৈ পৰিছিলো; আৰু একিলনৰ প্রতি শ্রদ্ধাৰে আকৰ্ষিত হৈ পৰিছিলো। সেয়েহে অসমীয়া সাহিত্যপ্রেমী-সকলক তামিল গ্রন্থৰ জুতি দিম বুলি, ভাবিয়ে ভেষ্টা হাকিমে কৰা ইংৰাজী ভাঙনি 'ফ্লাৱাৰ অৱ্ গ'ল্ড'টাই 'সোণৰ ফুল' নাম দি অসমীয়া ভাষাত অনুবাদ কৰিলো। যি সময়ত ভাৰতৰ বিভিন্ন প্রদেশৰ মাজত সম্প্রীতি আৰু সাংস্কৃতিক সংহতিৰ কথা বহুজনে বহুধৰণে উচ্চস্বৰে কৈ আছে আৰু দেশৰ চিন্তাশীল লোকসকলে তাৰ গুৰুত্বৰ কথাও উপলব্ধি কৰিছে—সেই সময়ত এই অনুবাদ গ্রন্থখনে অসমীয়া সাহিত্য-প্রেমী ৰাইজক তামিল সাহিত্য আৰু সমাজৰ লগত এটা চিনাকি আনি দিব বুলি ভাবিয়ে—এই কিতাপখন পাঠকৰ হাতত বিনম্র ভাৱে তুলি দিয়া হ'ল।

১

সেইয়া আছিল ইংৰাজী ডিচেম্বৰ মাহ। মাদ্ৰাজ মহানগৰীত অবিৰাম বৃষ্টিপাত হৈ আছিল। মাইলাপুৰৰ স্ত্ৰী-ৰোগৰ প্ৰাইভেট্ চিকিৎসালয়—'লক্ষ্মী নাৰ্চিং হোম' মাম্বহৰে ঠাহ খাই পৰিছিল। ডাঃ শঙ্কৰীয়ে সাধাৰণতে গধূলি ছয় বজাৰ লগে লগে নিজৰ কৰ্ত্তব্য সামৰে। কিন্তু সিদিনাখন গধূলি সাত বজাত হে তেওঁ কোনোপ্ৰকাৰে হস্পিতাল এৰিব পাৰিছিল।

তেওঁৰ ঘৰ হস্পিতালৰ পৰা মাত্ৰ দুই ফাৰ্লং দূৰত আছিল। মূৰৰ ওপৰত ছাতিটো মেলিলৈ তাই খৰ খোজৰে ঘৰলৈ উভতাৰ পথত আগবাঢ়ি ছিল। সন্মুখত থকা ৰাস্তাটোৰ বাহিৰে তেওঁ হয়তো একোকে দেখা নাছিল অথচ যি সকলে তেওঁক দেখিছিল তেওঁলোকে কিন্তু সহজতে তাইৰ পৰা দৃষ্টি আঁতৰাই নিব পৰা নাছিল। বৰ্ষণমুখৰ সেই গধূলিতো ৰাষ্টাৰ হুয়োফালৰ দোকান আৰু ঘৰবোৰৰ পৰা বহুতেই শঙ্কৰীক মুগ্ধ দৃষ্টিৰে একেথৰে চাইছিল।

শঙ্কৰীয়ে সাধাৰণতে কাচিৎ হে হাঁহে। কিন্তু, যেতিয়া তাই হাঁহে—এনেহেন লাগে পূৰ্ণচন্দ্ৰমাৰ মধুৰ জ্যোতিয়ে যেন তাইৰ ওঠত ঢৌ খেলি যায়। সুন্দৰ ভাৱে সজোৱা নাক, কোমল ওঠ যুৰিৰ ফাকেৰে জিক্‌মিকাই প্ৰকাশ পোৱা ডালিম গুটি যেন দাঁত দুপাৰি মৌৰ ভৰত ওলমি পৰা মৌ বাহৰ দৰে ডিম্পাল পৰা সজীব আৰু নিমজ গাল দুখন, জ্যামুক্ত ধেনুৰ দৰে—দীঘল ঘন ক'লা চেলাউৰিৰ তলত থকা, দেখিলেই প্ৰেমত পৰিবৰ মন যোৱাকৈ গভীৰ চকুহাল, আৰু কোমল কটাক্ষই যেন প্ৰত্যেকৰে মন চুই যায়। সোণৰ প্ৰতিমূৰ্ত্তিহে যেন প্ৰাণৰ স্পন্দন পাই উলাহতে হাঁহে।

ঘৰ পাই-দুৱাৰ মুখতে তেওঁৰ বাবেই অপেক্ষা কৰি ৰহি থকা 'সুনীয়া আমলক' দেখা পাই শঙ্কৰীৰ মনত এটা হাঁহি খেলি গ'ল। প্ৰকৃতাৰ্থত সুনীয়া আমল এতিয়া আৰু শঙ্কৰীৰ চাকৰণী হৈ থকা নাই; ইতিমধ্যে

ভাই শঙ্কৰীৰ মাতৃ সদৃশ হৈ পৰিছে। ঘৰটোৰ জিকা বেৰ বোৰ পানীৰ সৰু সৰু টোপালেৰে জিলিকি আছিল আৰু একে লেখাৰিয়ে হোৱা বৰষুণৰ বাবে মজিয়াখনো জেকা আৰু সেমেকা হৈ পৰিছিল। মুনীয়া আমলে এখন ট্ৰেতকৈ জ্বলন্ত কয়লা কেইটুকুৰামান আনি তাত অলপ ধূনাৰ গুৰি চটিয়াই দিলে। শঙ্কৰীৰ শ্বাস-প্ৰশ্বাসত ধূপ ধূনাৰ গোন্ধ লাগিল। সেইদিনাখন ডাঃ শঙ্কৰীৰ নিজৰে অলপ পানী লগা ভাব হৈছিল। আৰু সেইবাবেই তেওঁৰ সম্পূৰ্ণ বিশ্বাসী মাতৃবৎ মুনীয়া আমলে তেনে ধৰণৰ ঘৰুৱা প্ৰতিশোধক লবলৈ পাহৰি যোৱা নাছিল।

সেইখিনিয়েই একমাত্ৰ সময় যি খিনি সময়ৰ ভিতৰত ডাঃ শঙ্কৰীয়ে অলপ জিৰাব বা আৰাম কৰিব পাৰে, নাইবা বাতৰি কাকত পঢ়িব পাৰে। এইয়া তেওঁ দৈনিক সময়ৰ সালসলনি হৈ থকা কৰ্ত্তব্যৰ মাজতো নিজৰ বাবে উলিয়াই লৈছে। কিন্তু, সিদিনাখন গধূলি তেওঁ অত্যধিক ভাগৰুৱা হৈ পৰিছিল। সেয়েহে তেওঁ বাতৰি কাকত, কিতাপ পত্ৰ সকলোকে একাষৰীয়া কৈ ঠেলি থৈ চোফাখনতে দীঘলদি শুই নিজকে এৰি দিছিল।

মুনীয়া আমলে ডাক্তৰণীৰ কপালতে চেনেহেৰে হাত ফুৰাই কৈছিল— "মই আজি অলপ জলাৰ জোলকে বনাইছো। তুমি আহা আৰু তাৰেই ভাত কেইগৰাহমান খাই লোৱাহি। আৰু তুমি শোৱাৰ আগতে আদাৰ কথ অকনমান খাই লবা। দেখিবা তুমি কাইলৈ ৰাতি পুৱা সম্পূৰ্ণৰূপে সুস্থ হৈ পৰিছা।"

"দেখিছো তাই ডাক্তৰো ওপৰত ডাক্তৰ হৈ পৰিছ"—শঙ্কৰীয়ে মিচিকিয়াই হাঁহি কৈছিল।

"বুজিছা আমাৰ দিনত ইমান বেমাৰ আজাৰ নাছিল, ইমান ডাক্তৰো নাছিল। মুনীয়া আমলে উত্তৰ কৰিলে। ভাত বনাই থাকোতে তিৰোতাই সন্তান জন্ম দিছিল আৰু তেওঁলোক এবাৰ মাক হলেই নিজেই সকলো ধৰণৰ ঘৰুৱা চিকিৎসা আৰু প্ৰতিবোধকবোৰ শিকি লব লাগিছিল।"

শঙ্কৰীয়ে তাইৰ সৰ্ব্বসত্বা জুৰি এটা অনুভূতিৰ আলোড়ন অনুভৱ কৰিলে। "এই গাৱলীয়া হোজা তিৰোজনীয়েই জানো মাতৃসকলৰ সুদীৰ্ঘ পঙ্‌ক্তিত নপৰে?" ক্ষন্তেকৰ বাবে তেওঁ চকু দুটা মুদি দিলে। মুনীয়া আমলেই তাইৰ দৃষ্টিত মহান মাতৃত্বৰ প্ৰতিমূৰ্ত্তি হৈ থিয় দিলে। তাই এতিয়া আৰু তাইৰ মাক দেখিবলৈ কেনেকুৱা আছিল তাৰ এটা ছবি কল্পনাই কৰিব নোৱাৰে। কিয়নো তাই যেতিয়া নিচেই পানী কেচুৱা আছিল তেতিয়াই মাকৰ মৃত্যু হৈছিল। মাক বিলাকে এতিয়া আৰু সিহঁতৰ জীয়েকহঁতৰ বেলিকা ধাত্ৰীৰ দৰে কাম নকৰে। সময়েই সলনি হ'ল। তিৰোতাবিলাকে এতিয়া ইয়াকে ইচ্ছা কৰে যে—ডাক্তৰে অকল ঔষধৰ প্ৰেচ্‌ক্ৰিপচন লিখিয়ে নিদিয়ক—আনকি নিৰ্দ্দিষ্ট সময়ত গৈ খাবলগীয়া ঔষধখিনিও খুৱাই আহক। আৰু সিহঁতে আনকি স্বাস্থ্য ৰক্ষাৰ সাধৰণ নিয়মখিনিও মানি নচলে।

মুনীয়া আমলৰ আন্তৰিকতাক সন্মান জনাই শঙ্কৰীয়ে জলাৰ জোলেৰে সাধাৰণ ভাৱে অলপ ভাত খালে আৰু গাখীৰৰ লগত আদাৰ কণো খালে। বৰ্ষা ঋতুত শঙ্কৰীক বহুত কামেই জুমুৰি দি ধৰে আৰু কি যেন কাৰণত কোনো এক অনামী গভীৰ বেদনাই তেওঁৰ অন্তৰখনেৰ তোলপাৰ কৰে। শেষত তেওঁ গৰম কম্বলখন গায়ে মুৰে ভালদৰে টানিলৈ শুই পৰিল আৰু প্ৰায় ন বজাৰ আগতে গভীৰ টোপনিত লালকাল দিলে।

মুনীয়া আমলে যেতিয়া শুবলৈ যায় তেতিয়া নিশা দহ বাজি গৈছিল। মাজনিশা দুৱাৰত হঠাতে শব্দ এটা হ'ল। লাহে লাহে শব্দটো ৰব হ'ল। "ডাক্তৰণী আইদেউ ভিতৰত আছেনে? মই তেওঁক এতিয়াই লগ কৰিব খোজো।" মানুহজনে চিঞৰি কলে। তেওঁৰ মাতত অতিশয় ব্যগ্ৰতা ফুটি উঠিছিল।

মুনীয়া আমলে খিড়কিখন খুলিলে আৰু বাহিৰলৈ ভুমুকি মাৰি চালে। তেতিয়াও ৰৰষুণ দিয়ে আছিল। দুৱাৰত ভুকুৱাই ধুম ধুম শব্দ কৰি এজন মানুহ কাষত থিয় হৈ বৈ আছিল। "ডাক্তৰণীৰ নিজৰে

অসুখ হৈ আছে। তুমি এতিয়া তেওঁক দেখা কৰিব নোৱাৰিবা।" তাই অলপ কঠোৰ ভাৱেই মানুহজনক কলে। কিন্তু, মানুহজন আঁতৰি নগল। "দয়া কৰক আই," তেওঁ কাকুতি কৰি কলে, "অনুগ্ৰহ কৰি অলপ দয়া কৰক।"

মুনীয়া আমলে তথাপি দুৱাৰখন নুখুলিলে। খিড়িকিৰ কাষত থিয় হৈ বৰং তেওঁ মানুহজনৰ সৈতে যুক্তি তৰ্কৰ হে অৱতাৰণা কৰিলে। ঘৰৰ ভিতৰত লাইট জ্বলালে গৰাকিনী সাৰ পাই যোৱাৰ ভয়ত তাই মানুহজনক খেদি পঠাবলৈহে যত্ন কৰিলে। কিন্তু ইতিমধ্যে শঙ্কৰী সাৰ পাই উঠি বহিছিল। ঘৰলৈ সোমোৱা পথৰ লাইটটো জ্বলাই দি তেওঁ দুৱাৰখন খুলি দিলে আৰু শান্তভাৱে ডেকা মানুহজনৰ কথাখিনি শুনিলে। মানুহজন বাস্তাটোৰ মূৰৰফালে এটা সৰু জুপুৰিত থাকে। তেওঁৰ ঘৈনীয়েকে প্ৰসৱ বেদনাত অতিশয় কষ্ট পাইছে আনকি এজনী ধাইৰ আপ্ৰাণ প্ৰচেষ্টাৰ পিছতো তেওঁৰ ঘৈনীয়েক মূৰ্চ্ছা গৈছে। একমাত্ৰ আপুনিয়েই তাইক বচাব পাৰিব আইদেউ মানুহজনে অত্যন্ত অনুনয়েৰে কাকুতি কৰিবলৈ ধৰিলে। "কি জানি এতিয়ামানে তেওঁৰ জীৱন আৰু……।" তেওঁৰ মাতটি ঠোকাঠুকী হৈ ভাঙি পৰিল, তেওঁ আৰু একো কব নোৱাৰিলে।

মানুহজনে এই ঘটনাৰ বাবে ইমান হতবুদ্ধি হৈ পৰিছিল যে তেওঁ ডাক্তৰণীক নিবলৈ আনকি বিক্সাও এখন অনা নাছিল নাইবা তেওঁৰ নিজৰ বাবেও ছাটি অনা নাছিল। শঙ্কৰীয়ে থিয় হৈয়ে বিপদৰ গুৰুত্বটো বুজি ললে আৰু তেতিয়াই মানুহজনৰ সৈতে যাবলৈকে সাজু হ'ল। ইফালে বিস্ময়ত হতবাক হৈ মুখ মেলি থকা মুনীয়া আমলৰ তেতিয়াহে মুখৰ মাত ওলাল—"নাই নাই এই গভীৰ ৰাতিখন তোমাক অকলে অকলে এৰি নিব নোৱাৰো। ময়ো তোমাৰ লগত যাম" এই বুলি মুনীয়া আমলে ফট্‌কৰে হাতত ডাক্তৰণীৰ বেগটো লৈ ওলাই আহিল, আৰু নিজৰ ছাটিটোৰে মানুহজনকো কিছু ৰক্ষা কৰি ডাক্তৰণীৰ পিছ ললে। কিন্তু তেওঁ ডাক্তৰনীৰ যে নিজৰো বেমাৰ হৈ আছে আৰু

এনেকৈ ওলাই আছি যে তেওঁ বৰ ভাল কাম কৰা নাই সেইবোৰকে বলকি বলকি ওবে বাটে মুনীয়া আমলে ভোৰভোৰাই গ'ল।

ৰবযুণৰ পিছল বাটত পনীয়া বোকা গছকি গছকি নগৰৰ বস্তি অঞ্চলৰ ঠৈক বাটটোৰে তেওঁলোক জুপুৰিটো নোপোৱা পর্য্যন্ত এন্ধাৰত খুপি খুপি গৈ থাকিল। বাঁহৰ খুটাত ওলোমাই থোৱা একমাত্র হাৰিকেন লেমপ্টোৰ ক্ষীণ পোহৰেহে মাত্র ঘৰটোৰ ভিতৰত থকা তিৰোতা কেইজনীক পোহৰাই ৰাখিছিল। ডাক্তাৰণীৰ ভৰিৰ শব্দ শুনিয়ে সিহঁতে তেওঁক বাট এৰি দিলে। জেকা মাটিৰ মজিয়াৰ ওপৰত পাৰি থোৱা এখন থৈলাৰ বিচনাত তিৰোতাজনী পৰি আছিল। ধাইজনীৰ বর্ণনা আৰু নিজেও পৰীক্ষা কৰি শঙ্কৰীয়ে দেখিলে যে মাতৃহজনীৰ অৱস্থা সঁচাই ভয়ানক বিপজ্জনক। ভগৱানৰ আশীর্বাদৰ বাবে নীৰৱে এক মুহূর্ত্ত প্রার্থনা কৰি শঙ্কৰী নিজৰ কামত পিছ মুহূর্ত্ততে ব্যস্ত হৈ পৰিল।

কেই মিনিট মানৰ পিছতে মাক আৰু কেঁচুৱাৰ উভয়কে শঙ্কৰীয়ে নতুন জীৱন প্রদান কৰিলে। সদ্যজাত ল'ৰাটোৱে জীৱনৰ চিন স্বৰূপেই যেন কোহাঁ কোহাঁ কৈ কান্দি উঠিল। প্রসৱ বেদনাৰ যন্ত্রণাৰ মাজতো মাকৰ মুখখনো মাতৃত্বৰ গৌৰৱত ক্ষন্তেকৰ বাবে উজ্জ্বল হৈ পৰিল আৰু এটি ক্ষীণ হাঁহিৰ আভা তেওঁৰ ওঠত জিলিকি পৰিল।

শঙ্কৰীয়ে তাৰ পিছতো আৰু এঘন্টা সময় তাত বৈ আছিল। প্রায় নিশা তিনিটা মান বজাত তাই মুনীয়া আমলৰ সৈতে ঘৰলৈ উভতিল। ঘৰ পোৱালৈকে শান্তিৰ এটি মৃদু অনুভূতিয়ে শঙ্কৰীৰ মনত দোলা দি গৈছিল। সুকলমে নিজৰ কর্ত্তব্য সমাধান কৰাবো যে এক অনির্ব্বচনীয় আনন্দ আছে, তেওঁ এই কথা ভালদৰে বুজে। তথাপি সেই তিৰোতা-জনীৰ দুর্ব্বল মুখখনৰ প্রতিচ্ছবিটো শঙ্কৰীৰ মনৰ পৰা আঁতৰি নগ'ল। "সন্তানটো প্রসৱ কৰিবৰ বাবেই তেওঁৰ দেহত শক্তি নাই আৰুনো কিদৰে তুলি-তালি ডাঙৰ কৰিব?" তাই নিজকে নিজে প্রশ্ন কৰে।

ৰাতিপুৱা পাঁচ বজাৰ লগে লগে পূর্ব্বৰ সাধাৰণ নিয়মৰ দৰে শঙ্কৰীয়ে

গা ধুৱৰ বাবে গৰম পানীৰ ব্যৱস্থা কৰা হ'ল। গা-ধোৱাৰ পিছত তাই ধূনামুক্ত কয়লাৰ উত্তাপত চুলিখিনি শুকোৱাই ললে।

নিজ কৰ্ত্তব্যৰ কথা মনত পৰাৰ লগে লগে তাইৰ অন্তৰৰ পৰা সকলোবোৰ দুখ বেদনা যেন যাদুৰ দৰে আঁতৰি যায়। তাই খিড়িকি খন খুলি দি বাহিৰলৈ চালে। ইতিমধ্যে একেবাহে হৈ থকা বৰষুণ বন্ধ হৈ পৰিছিল। আকাশ ফৰকাল হৈ পৰিছিল। দুটা সৰু ঘন চিৰিকা চৰাই ফুলনিৰ পৰা উৰি আহি তাইৰ কোঠাত সোমাল। প্ৰকৃতিৰ এই পৰিবেশত স্বভাৱতে কৰ্ত্তব্যপৰায়ণা শঙ্কৰীৰে দেহ-মন যেন জীৱনৰ মাদকতাত ভৰি গ'ল। হস্পিতাললৈ যাবৰ বাবে তাই লগে লগে সাজু হৈ পৰিল। বস্তিৰ মানুহজন আহি ইতিমধ্যে তাইক লগ ধৰিবৰ বাবে পদুলিতে অপেক্ষা কৰি আছিল। "তোমাৰ তিৰোতাজনী এতিয়া কেনে আছে?"

"তাই এতিয়া বহু পৰিমাণে ভাল পাইছে। আপোনাক ধন্যবাদ।"

"মই নিৰ্দ্দেশ কৰা মতে ঔষধখিনি খুৱাবা আৰু অহা কাইলৈ মোক খবৰ দিবা।"

মানুহজন কিন্তু আঁতৰি ন'গল। বৰকৈ ইতস্ততঃ কৰি পকেটৰ পৰা এখন দহ টকীয়া নোট উলিয়াই আনি কঁপা কঁপা হাতেৰে আগবঢ়াই দি অস্পষ্ট ভাবে তেওঁ কলে—"ইয়াতকৈ আৰু কোনো মতে বেছি যোগাৰ কৰিব নোৱাৰিলো।"

"তুমি যোৱা আৰু সেইখিনি টকাৰে তোমাৰ ল'ৰা তিৰোতাৰ বাবে এখন গৰম কম্বল কিনাগৈ। দেখিছাই নহয়, এতিয়া বৰষুণৰ বতৰ, গতিকে তুমি তোমাৰ ল'ৰা তিৰোতা উভয়কে গৰমত ৰাখিব লাগিব।"

মানুহজনে তথাপি কৃতজ্ঞতাৰ চিন স্বৰূপে সেই খিনিকে ৰাখি থবলৈ ডাক্তৰণীক মিনতি কৰিবলৈ ধৰিলে। তাই মিছিকিয়াই হাঁহি মাৰি কলে—'পিছে তুমি আকৌ তোমাৰ টকা দহটা নোলোৱা বাবে তোমাৰ প্ৰয়োজনৰ সময়ত মোৰ ওচৰলৈ নহাকৈ নাথাকিবা। ঠিক আছে—যেতিয়া তোমাৰ বহু টকা হ'ব, তেতিয়া বাৰু মই নিজে গৈ এই টকা

খিনি তোমাৰ পৰা বিচাৰি আনিম গৈ।' এইদৰে কৈয়ে ডাক্তৰ শঙ্কৰীয়ে ৰাস্তাত খোজ দিলে আৰু পিছলৈ উভতি নোচোৱাকৈ নিজৰ পথত অগ্ৰসৰ হ'ল। মানুহজন তাতেই থিয় হৈ থাকি তেওঁ যোৱাৰ ফালে ৰ' লাগি চাই থাকিল। তেওঁৰ চকুৰ পৰা দুধাৰি লোতক স্বতঃস্ফুৰ্ত ভাৱে বৈ আহিল।

২

যি জনী তিৰোতাই এই 'লক্ষ্মী নাৰ্ছিং হোম' গঢ়ি তুলিছিল তেওঁ অৱশ্যে বহুতো লাভৰ আশাত ইয়াক সজা নাছিল। আনহাতে বিনামূলীয়া চিকিৎসা চলাবৰ বাবে এখন হসপিতাল তৈয়াৰ কৰিব পৰাৰ জোখাৰে তেওঁৰ অতিশয় ধনো নাছিল। তেওঁ সকলোবোৰ পৈতৃক সা-সম্পত্তি এই নাৰ্ছিং হোম গঢ়ি তোলোতে শেষ কৰিছিল। তেওঁ নিজেও এজনী ডাক্তৰণী আছিল আৰু তেওঁৰ জীৱনৰ সকলোবোৰ সময় ৰোগীবিলাকৰ সেৱা-শুশ্ৰূষাতে কটাই দিছিল। তেওঁ অৱশ্যে এই বাবে জনসাধাৰণৰ শুভেচ্ছাও নোপোৱা নহয়। আৰু দিন যোৱাৰ লগে লগে কেইজনমান মানৱ হিতৈষী ব্যক্তিৰ সহায়-সাহায্যত তেওঁ এইখনক এখন সুন্দৰ নাৰ্ছিং হোমত ৰূপান্তৰ কৰি তুলিছিল।

এই নাৰ্ছিং হোমত ধনী মানুহৰ বাবে চিকিৎসাৰ খৰচ অতিকৈ উচ্চ আছিল আনহাতে দুখীয়া লোক সকলৰ সাধাৰণ খৰচ আধা মান হে লোৱা হৈছিল। যদিও হস্পিতালৰ ভিতৰত বিশেষ আৰু সাধাৰণ— এই দুয়ো শ্ৰেণীৰ বিছনা আছিল কিন্তু চিকিৎসাৰ ক্ষেত্ৰত সকলোকে সমানে চোৱা চিতা কৰা হৈছিল।

এই নাৰ্ছিং হোমত আচলতে কামক হে মুখ্য স্থান দিয়া হৈছিল; টকা আছিল গৌণ। এইখন নাৰ্ছিং হোমতে শঙ্কৰীয়ে ইতিমধ্যে তিনি বছৰ কাম কৰিলে। তাইৰ নিজ দায়িত্বৰ প্ৰতি থকা উচ্চ সচেতনতা আৰু নিজ কৰ্ত্তব্যৰ প্ৰতি থকা অক্লান্ত প্ৰতিবদ্ধতাৰ মনোভাৱে তাইক

এই অনুষ্ঠানৰ মুৰব্বী গৰাকীৰ অতিশয় প্ৰিয়পাত্ৰী কৰি তুলিছিল। আনকি গভীৰ নিশাও জৰুৰী কেচৰ বাবে শঙ্কৰীয়ে একমাত্ৰ নিঃসঙ্কোচে ওলাই আহিছিল। দিন-ৰাতি যিকোনো সময়তে শঙ্কৰী হস্পিতাললৈ ওলাই আহিছিল আৰু আনন্দ মনেৰেই নিজৰ কৰ্ত্তব্য কৰি গৈছিল।

বাহিৰা ৰোগী চোৱা কামত ইতিমধ্যে সৰু সৰু ল'ৰা ছোৱালী আৰু তিৰোতাবোৰে এটা দীঘল 'কিউ' গঠন কৰিছিল। সিহঁতে ইটোৰ পিছত সিটোৱে গৈ ডাঃ শঙ্কৰীৰ পৰা প্ৰেচ্‌ক্ৰিপচন ললে গৈ। এজনী কুৰী বছৰীয়া ডেকা তিৰোতাই উজুতি খাই হঠাতে শঙ্কৰীৰ বিপৰীত কাষে থকা চকী এখনত পৰি গ'ল। তেওঁৰ পেটত কেচুৱা আছিল আৰু তেওঁ ইমান দুৰ্ব্বল আছিল যে তেওঁৰ মুখত কথাই ফুটা নাছিল, মাথো তেওঁৰ চকুত জীৱনৰ এটা ক্ষুদ্ৰ ফিৰিঙতি হে জ্বলি আছিল। তেওঁক দেখি আগদিনাখন নিশা সেই জুপুৰীটোৰ ভিতৰত চিকিৎসা কৰা তিৰোতাজনীৰ ওচৰলৈ তেওঁৰ মন ঢাপলি মেলিছিল।

ডাঃ শঙ্কৰীয়ে তিৰোতাজনীক পৰীক্ষা কৰি কলে—'তোমাৰ গাত কোনো অসুবিধা নাই তুমি মাত্ৰ সময়মতে আহাৰ আৰু পুষ্টিকৰ খাদ্য খাবা। তদুপৰি নিজেও অলপ নিজৰ যত্ন কৰিবা।' তাৰ পিছত তেওঁ এখন প্ৰেচক্ৰিপচন্ লিখি দি কলে—"ইয়াত লিখা ঔষধটো দিনত তিনিবাৰ কৈ খাবা।

"তাৰ বাৰু দাম কিমান হ'ব ডাক্তৰ ?"

"প্ৰায় পাঁচ টকাত কৈ বেছি নহয়।"

তিৰোতাজনীয়ে ডাক্তৰৰ ফালে এবাৰ নীৰৱে লক্ষ্য কৰিলে আৰু এটা শূন্য আৰু গভীৰ মৰ্মান্তিক হাঁহিৰে যেন উত্তৰ দিলে। তেওঁৰ দুচকুৰ পৰা দুটোপাল তপত চকুলো ওলাই আহিল। তাইৰ দৃষ্টি, তাইৰ কথাই আৰু তাইৰ চকুৰ চকুপানীয়ে ডাঃ শঙ্কৰীৰ অন্তৰতো আঘাত কৰিলে। তিৰোতাজনীৰ হাত দুখন নিজৰ হাতৰ মুঠিত লৈ শঙ্কৰীয়ে তেওঁক এখন চকাত বহুৱাই দি মৰমেৰে কলে—'তুমি তাৰাতাৰি কৰাৰ দৰ্কাৰ নাই অলপ বহি লোৱা।' তিৰোতাজনীয়ে ভলমূৰ কৈ বহি

পৰিল আৰু নীৰৱে কান্দিব ধৰিলে।

"পুষ্টিকৰ আহাৰ! টনিক! এইবিলাক আমাৰ হাতেৰে ঢুকি পোৱাত কৈ বহুতো ওপৰত ডাক্তৰ। আচলতে আমিতো জীয়াই থকা নাই কিয়নো আমাৰ হাঁড়ৰ মাজত জীউতো বান্ধি তাকে ৰখি আছো। পাঁচ মিনিটৰ কাৰণে হলেও আমি আমাৰ দুখ কষ্টবোৰ পাহৰি থাকিব খোজো, আৰু তাৰ ফলস্বৰূপে এয়েই আমাৰ দশা। ভাল বাৰু ডাক্তৰ" এই বুলি কৈ তেওঁ চকীৰ পৰা থিয় হ'ল—প্ৰেচ্‌ক্ৰিপচন্‌খন টেবুলতে পৰি থাকিল।

'চাও—শুনা'—। ডাঃ শঙ্কৰীয়ে কলে। 'তুমি কিন্তু তোমাৰ প্ৰসবৰ সময়ত ইয়ালৈ আহিবা। মই নিজে তোমাৰ যত্ন ল'ম।'

শঙ্কৰীৰ এই মৰমৰ কথাখিনিও কিন্তু তিৰোতাজনীৰ কানত নোসোমাল। আচলবে চকুলো টুকি টুকি তেওঁ লাহে লাহে কোঠাৰ পৰা ওলাই গ'ল।

ৰোগীবিলাকৰ সেই দীঘল শাৰীটো এটা সময়ত শেষ হ'ল। শঙ্কৰীয়ে দেখিলে যে ৰোগ দেখুৱাবলৈ অহা বেছিভাগ ল'ৰাছোৱালী আৰু তিৰোতাই পুষ্টিহীনতা ৰোগত ভুগিছে। কিন্তু এই ক্ষেত্ৰত এই হস্পিতালে মাত্ৰ সিহঁতৰ কষ্ট সাময়িক ভাৱেহে উপশম কৰিবৰ বাবে উপায় দিব পাৰে। কিন্তু ইয়াৰ কি সাধ্য আছে—যে সকলো দুখ, কষ্ট আৰু বেমাৰ আজাৰৰ মূল কাৰণ দৰিদ্ৰতাক দেশৰ পৰা নিৰ্মূল কৰিব পাৰিব?

শঙ্কৰীয়ে ৱাৰ্ড বিলাকৰ মাজত ঘূৰিবলৈ ওলাল। তেওঁৰ খোজৰ শব্দই নাৰ্চ আৰু কৰ্মী বিলাকক সচেতন কৰি তোলে। তেওঁলোকে শঙ্কৰীৰ পিচফালে সম্ভ্ৰমে থুপ খাইছি। তেওঁৰ ভদ্ৰ ব্যৱহাৰ আৰু কোমল মৰমসনা মাতে ৰোগী বিলাকৰ অন্তৰতো নতুন সাহস আৰু শক্তিৰ সঞ্চাৰ কৰে। সিহঁতৰ ৱাৰ্ডত তেওঁ সোমোৱাৰ লগে লগে ৰোগী বিলাকৰ মুখত আনন্দৰ হাঁহি বিৰিঙি পৰে।

সন্ধ্যা শেষত তেওঁ ডাঃ পাৰ্বতীৰ লগত সাধাৰণ দুই এটা কথা পতাৰ

মনেৰে অফিচ কমত সোমাল। ষাঠি বছৰৰো বেছি এই কৰ্মঠ মাহলা! গৰাকী সচাঁকৈয়ে এজনী ভাল ডাক্তৰ আৰু সমৰ্থবান শাসকো।

এনেতে টেলিফোনটো কিৰিং কিৰিং কৈ বাজি উঠিল। এই বুঢ়ী মহিলা গৰাকীয়ে বিচিভাৰ টো হাতত ললে—'বাৰু তেওঁক অতি সোনকালেই ইয়ালৈ পঠাই দিয়ক' বুলি কৈ ৰিচিভাৰটো যথাস্থানত থলে আৰু শঙ্কৰীৰ ফালে চাই কলে—"বুজিছে এটা বিৰাট জৰুৰী কেচ। আচ্ছা আপুনি যোৱাৰ আগতে অনুগ্ৰহ কৰি এই ৰোগী গৰাকীক চাই নাযাব জানো?"

"নিশ্চয় চাম"। শঙ্কৰীয়ে কলে। আৰু ওচৰত থকা নাৰ্চক এখন বিছনা সাজু কৰিবৰ বাবে নিৰ্দ্দেশ দিলে।

ক্ষন্তেক পিছতে এখন আটক ধুনীয়া গাড়ী খুউব জোৰেৰে আহি পৰ্টিকত ব'ল হি। গাড়ীৰ পৰা এজন চাকৰ আৰু ড্ৰাইভাৰ নামিল আৰু সিহঁতে প্ৰথমতে এখন বিৰাট আকাৰৰ গাদী আৰু গাৰু আদি গাড়ীৰ পৰা উলিয়াই আনিলে আৰু তাৰ পিছত সিহঁতে ফ্লাক্স, লাঞ্চৰ টোপোলা, হৰলিক্সৰ বটল এসোপামান লৈ বাৰান্দালৈ উঠি আহিল।

শঙ্কৰীয়ে ৰোগীৰ বাবে বাট চাই আছিল কিন্তু ৰোগীৰ পৰিবৰ্ত্তে এজন ধুতী আৰু চিল্কৰ দামী চাৰ্ট পিন্ধা বয়সস্থ ভদ্ৰলোক হে গাড়ীৰ পৰা নামি আহিল। "মই এজন মেনেজাৰ" তেওঁৰ পৰিচয় দিলে। "মহিলা গৰাকী এই পাবহি"। এই বুলি কৈ তেওঁ এটা উগ্ৰ চেন্টৰ গোন্ধ চাৰিওফালে বিয় পাই হসপিতালৰ ভিতৰত সোমাল।

অৱশেষত প্ৰসূতী গৰাকী তেওঁৰ মাক আৰু এজনী চাকৰণী লগত লৈ উপস্থিত হ'ল হি। গাড়ীৰ পৰা নামি আহোতে তেওঁ যন্ত্ৰণাত কেঁকাইছিল।

তেওঁ প্ৰায় শঙ্কৰীৰ বয়সেৰে আছিল আৰু দেখাতো ধুনীয়া আছিল। তেওঁৰ এজনী পাচ বছৰীয়া ছোৱালীও থকা বুলি মাকে ডাক্তৰণীক কৈছিল। শঙ্কৰীয়ে ৰোগী জনীক পৰীক্ষা কৰিলে। বোধহয় কামাক্ষী নামৰ এই প্ৰসূতীজনীয়ে তেওঁৰ দিনবোৰ বিছনাত শুই বহি আৰামেৰে

কটাই দিছিল। তেওঁৰ পেটত থকা সন্তানটো সুন্দৰ ভাৱে বৃদ্ধি পাইছিল।

'মন ডাঠ কৰা'। শঙ্কৰীয়ে কামাক্ষীক কলে। 'আজি গধূলিয়েই তোমাৰ সন্তান উপজিব।' পিছত নাৰ্চক প্ৰয়োজনীয় নিৰ্দেশ দি শঙ্কৰীয়ে হসপিতাল ত্যাগ কৰিলে।

ৰাতিপুৱাটো খুউব ক্লান্তভাৱে কাটোৱাৰ পিছত মূনীয়া আমলে তুপৰীয়া যি সাধাৰণ আহাৰ খাবলৈ দিলে সেয়ে শঙ্কৰীৰ বাবে অতি সুখাদ্য যেন লাগিল। পৰম তৃপ্তিৰে তুপৰীয়াৰ আহাৰ খোৱাৰ পিছত শঙ্কৰীয়ে এখন, মনিঅৰ্ডাৰ' ফৰ্ম পূৰাই ১০০ টকা মূনীয়া আমলক দি ডাকঘৰলৈ পঠালে। এই টকাখিনি 'টিকচিত' থকা এগৰাকী মহিলা লৈকে পঠোৱা হৈছিল। দৰ্ম্মহা পোৱাৰ দিনাই এইদৰে প্ৰতি মাহে শঙ্কৰীয়ে অতি নিষ্ঠাৰে মনিঅৰ্ডাৰ কৰি 'টিকচি' লৈ টকা পঠায়। মূনীয়া আমলে ভাৱি লৈছিল যে টিকচিৰ সেই মহিলা গৰাকী নিশ্চয় শঙ্কৰীৰ মাক।

"আইদেউ, তুমি বাৰু তোমাৰ মাক ইয়ালৈ কিয় লৈ নাহা" মূনীয়া আমলে কলে। তাত যিহেতু তোমাৰ মা আছে তেনেস্থলত তুমি বাৰু ইয়াত কিয় অকলে থাকা ?

"কেলৈ—তুমিতো ইয়াত আছা, তুমিয়েই দেখোন মোৰ প্ৰকৃত মা, গতিকে মোক আৰু অইন মাৰ কিয় প্ৰয়োজন'। মিচিকিয়াই হাঁহি শঙ্কৰীয়ে কলে। "অৱশ্যে যেতিয়া সময় হয়, তেতিয়া তেওঁ নিশ্চয় আহিব, কিন্তু এতিয়া নহয় দেই।"

শেষত ক্লান্ত আৰু শ্ৰান্ত শঙ্কৰীয়ে অৱশ অলপ ভাৱ অহাত কিছু সময় জিৰাবৰ বাবে মন কৰিলে। কিন্তু বিছানত পৰাৰ আগতে হসপিতাললৈ টেলিফোন কৰি নাৰ্চ জনীক সুধিলে—"কামাক্ষী কেনে আছে।" মই চাবি বজাত হসপিতাললৈ যাম, কিন্তু তাৰ আগতে যদি মোৰ দৰ্কাৰ হয় তেন্তে গাড়ীখন ইয়ালৈ পঠাই দিবা।"

"আপুনি এতিয়াই আহিব নোৱাৰেনে ডাক্তৰ ?"—নাৰ্চ জনীয়ে খুউব

উদ্বিগ্ন হৈ সুধিলে। "হসপিতালৰ গাড়ীখন বাহিৰত পঠোৱা হৈছে। মই ৰোগীৰ গাড়ীখনকে আপোনাৰ ওচৰলৈ পঠাই দিম। আপুনি লগে লগে আহক।"

আচলতে ডাক্তৰৰ বাবে কোনো ধৰণৰ জিৰণি বা টোপনি একোৱেই সম্ভৱ নহয়। হসপিতাললৈ আহি তেওঁ দেখিলে যে কামাক্ষীয়ে প্ৰসৱৰ বাবে বৰ কষ্ট কৰিব লগীয়া হৈছে। যদিও কামাক্ষী দেখাত যথেষ্ট বলিষ্ঠা তিৰোতাই আছিল, তথাপি তেওঁৰ মনৰ যোৰ আছিল অতিকৈ কম, অথবা সেই কষ্টখিনি সহ্য কৰিবলৈ তেওঁৰ সাহসৰ অভাৱ আছিল সেয়েহে তাই কেকনি গেঠনি পাৰি সৰু ল'ৰাছোৱালীৰ দৰে চিঞৰ বাখৰ কৰি কান্দিছিল।

ৰোগীৰ নাড়ী পৰীক্ষা কৰি শঙ্কৰীয়ে অনুভৱ কৰিলে যে কেচটো সচাঁকৈয়ে বৰ জটিল হৈ পৰিছে। সেয়েহে তেওঁ খৰধৰ কৰি অস্ত্ৰোপচাৰৰ বাবে প্ৰয়োজনীয় যন্ত্ৰপাতি যোগাৰ কৰি ললে। অপাৰেচন কক্ষৰ বাহিৰত যিবোৰ মানুহে অতিশয় উদ্বিগ্ন হৈ আছিল তেওঁলোকে গৈ ইতিমধ্যে উপস্থিত হোৱা কামাক্ষীৰ গিৰীয়েক থিকমূথিক কথাটো জনালেগৈ।

থিকমূথি সুন্দৰ সুঠাম অবয়বৰ এজন অভিজাত শ্ৰেণীৰ ব্যক্তি আছিল। দেখাত তেওঁ শান্ত আৰু গহীন গম্ভীৰ ভাৱে থকা যেন লাগিলেও তেওঁৰ চকুৰ চঞ্চল চাৱনীয়ে কিন্তু মনৰ অস্থিৰতাকে প্ৰকাশ কৰিছিল। তেওঁ তেওঁৰ মেনেজাৰ জনক ব্যৱসায়ৰ কামত লাগিবৰ বাবে টেলিফোনেৰেই নিৰ্দ্দেশ দিলে আৰু কলে—"তুমি হসপিতালৰ টেলিফোনটোও ব্যৱহাৰ কৰিব পাৰা।"

যি জন লোকে ভোজ বাজিৰ দৰে মাত্ৰ কেইটামান ঘণ্টাৰ ভিতৰতে লাখ টকা উপাৰ্জন কৰিব পাৰে, তেওঁৰ বাবে কোনো কাম নকৰাকৈ হসপিতালত বৈ থকাটো এটা বিড়ম্বনা মাথোন আৰু তেনে লোকৰ বাবে বিৰক্তি লগাটোৱেই স্বাভাৱিক।

বিবিলাক লোক বাৰাণ্ডাত অপেক্ষা কৰি আছিল তেওঁলোকে অলপ

পিছত শুনিব পালে যে কামাক্ষীৰ এজনী ছোৱালী জন্ম হ'ল। তেওঁলোকে স্বাভাবিকতে অতি আনন্দ পালে। খবৰটো শুনি থিক-মুথিয়েও অপেৰেচন কক্ষৰ ফালে খোজ ললে আৰু তেতিয়াই নাৰ্চজনীয়ে হাতত কেচুৱাটো লৈ তেওঁৰ ফালে আহি আছিল।

শঙ্কৰীয়ে ইমান সময় কামাক্ষীক বচাবৰ বাবে অতি তন্ময় হৈ লাগি আছিল আৰু তেতিয়ালৈকে তেওঁৰ মনত অকল সেই চিন্তাই হে লাগি আছিল। তেওঁ অতি মৰমেৰে প্ৰসূতি জনীক লক্ষ্য কৰিলে—কামাক্ষীৰ তেতিয়াও সংজ্ঞা ফিৰি অহা নাছিল যিয়ে নহওক বিপদটো আতৰি গ'ল।

নাৰ্চ গৰাকীয়ে কেচুৱাটোক থিকমুথিৰ হাতত তুলি দিব ধৰাৰ সময়তে শঙ্কৰীয়ে ভিতৰৰ পৰা ওলাই বাৰাণ্ডাত ভৰি দিছিল। থিকমুথিৰ মুখমণ্ডল শঙ্কৰীয়ে অতি ক্ষীণ ভাৱেহে দেখিছিল। তথাপি তেওঁৰ মনত এটা বিৰাট আলোড়ন লাগিল। শিলামূৰ্ত্তিৰ দৰে শঙ্কৰীয়ে তেওঁৰ ফালে চকুৰ নিমিহ নকৰাকৈ এখন্তেক একেথৰে চাই থাকিল। থিকমুথিয়েও তাইক দেখা পাইছিল। অতি প্ৰশংসাৰ ভাৱ আৰু অত্যন্ত ভদ্ৰতাৰে তেওঁ কলে—"ডাক্তৰ আপোনাক বহুত বহুত ধন্যবাদ। সচাঁই আমি আপোনাক ৰবকৈ আমনি কৰিছো।"

তেওঁৰ কথা শুনিবলৈ শঙ্কৰী কিন্তু তাত বৈ থকা নাছিল। তাইৰ মূৰটো টাকুৰি ঘূৰাদি ঘূৰিবলৈ ধৰিলে সেয়েহে তাই কেই খোজমান উভতি গৈ ভাৰসাম্য ৰক্ষাৰ বাবে মূৰটো বেৰত আউজাই দিলে।

৩

শঙ্কৰীয়ে সাধাৰণতঃ তেওঁৰ চিফ্‌ট শেষ হোৱাৰ পিছতো হস্পিতালত কিছু দেৰিলৈকে থাকে; কিন্তু সেই দিনাখন তেওঁ কামাক্ষীক চোৱাৰ পিছত ঘৰলৈ বেগাবেগিকৈ গুছি আহিল। সেইবাবে ডাঃ পাৰ্ব্বথীৰ মনত অলপ খোকোজা লাগিছিল। "ঘটনাটো কি? কি হ'ল?"

তেওঁ শঙ্কৰীক অপাৰেচন কক্ষত সহায় কৰি দিয়া মিনাক্ষী নামৰ নার্চ গৰাকীক কথাষাৰ শুধিলে। "ডাক্তৰক কিছু উদ্বিগ্ন দেখা গৈছিল আৰু খুউব্ তাৰাতাৰিকৈ হস্পিতাল এৰি গুচি যায়।"

মিনাক্ষীৰ বাবে এই দিনটো আছিল অবিস্মৰণীয় তাইৰ অভিজ্ঞতাত সেই কেচটো আছিল অতিকৈ আচৰিত। তাই স্বাভাবিকতে ধৰি লৈছিল যে ডাঃ শঙ্কৰীৰ বাবেও এই কেচটো নিশ্চয় তেনেকুৱাই হব। "ডাক্তৰে আচলতে কেচুৱাটোৰ জীৱন বচাবৰ বাবে যমৰ লগতে যুদ্ধ কৰিব লগা হৈছিল। গতিকে তেওঁ বোধহয় খুউব্ ক্লান্তি অনুভৱ কৰিছিল আৰু সেয়েহে সিমান সোনকালে ঘৰলৈ যাবৰ বাবে বাধ্য হৈছিল।" ডাঃ পাৰ্ব্বথীক তেওঁ কলে। চুপাৰিণটেণ্ডেণ্ট গৰাকী নীৰব হৈ আছিল। "মোক কোৱা হৈছে যে কেচুৱাটোৰ ওজন হেনো ১২ পাউণ্ড।" "হয় ডাক্তৰ" মিনাক্ষীয়ে হয়ভৰ দিলে। "আমাৰ ৰোগী-জনীৰ চহকী মহিলা। তেওঁ আনকি পৰিয়ালৰ সাধাৰণ কামখিনিও নকৰিলে চলে। এই দহ মাহ বোধহয় বিছনাত শুই শুই টনিক আৰু ভিটামিনৰ টেবলেট খাই অতি আৰামেৰে কটাই দিছিল। স্বাভাবিকতে তেওঁৰ কেচুৱাটোৰ গঠন অতি বৃদ্ধিপ্ৰাপ্ত হৈছিল।" তেওঁ কথাখিনিৰ মোখান মাৰিলে।

"বা—প···বাৰ পাউণ্ড। আচৰিত দেই।" ডাঃ পাৰ্ব্বথী অতি বিস্মিত হৈছিল। তাত জন্ম পোৱা কেচুৱাবোৰ সাধাৰণত ৪-ৰ পৰা ৭½ পাউণ্ড লৈহে ওজন হৈছিল। কেতিয়াবা ঘটনাক্ৰমেহে ১০ বা ১১ পাউণ্ডৰ এটা বা দুটা কেচুৱা জন্ম পাইছিল। কিন্তু ১২ পাউণ্ড ওজনৰ কেচুৱাৰ জন্ম তাত হোৱা নাছিল। গতিকে এই কেচুৱাটোৱে হস্পিতালখনত এটা নতুন অভিলেখ স্থাপন কৰিলে।

"ডাঃ শঙ্কৰীয়ে যে এই জীৱন দুটা বচাবৰ বাবে কি কষ্টই কৰিব লগীয়া হৈছিল?" মীনাক্ষীয়ে অতি বিস্ময়েৰে কবলৈ লৈছিল। "মই ভাৱো আমি একমাত্ৰ মাকৰ জীৱন হে ৰক্ষা কৰিব পাৰিলোহেতেন। প্ৰতিটো মুহূৰ্ত্ততে কেচুৱাটোৰ অৱস্থা অতি বেয়াৰ ফালে ঢাল খাইছিল।

কেছুৱাটি প্ৰায় নীলা হৈ পৰিছিল। কিন্তু ডাঃ শঙ্কৰীয়ে দৃঢ় বিশ্বাস আৰু স্থিৰ সিদ্ধান্তৰে কাম কৰি অতি আচৰিত ভাৱে মাক আৰু কেছুৱা উভয়েৰে জীৱন ৰক্ষা কৰিলে।"

ডাঃ পাৰ্ব্বথীয়ে শঙ্কৰীৰ এই কাৰ্য্যতে নিজকে গৌৰবান্বিতা অনুভৱ কৰিলে। আৰু শঙ্কৰীলৈ টেলিফোন কৰিলে—"হেল্লো শঙ্কৰী। হয় মই পাৰ্ব্বথীয়ে কৈছো। যোৱাকালি গধুলি তুমি ইমান তাৰাতাৰিকৈ গুচি গ'লা। ঠিক এতিয়াই অৰণ্যে মীনাক্ষীয়ে তাৰ কাৰণটো কলে।"

ৰিচিভাৰ ডাঙি লৈ পাৰ্ব্বথীৰ কথা শুনি থকা শঙ্কৰীৰ হাতখন কঁপি উঠিল আৰু মুখখনো শেতা পৰিল। মীনাক্ষীয়ে বাৰু কিৱা জানে নেকি? তাই বাৰু চুপাৰিণ্টেডেণ্টক কি কব পাৰে। শঙ্কৰী অতিশয় চঞ্চল আৰু অস্থিৰ হৈ পৰিল।

ডাঃ পাৰ্ব্বথীয়ে সেই মুৰৰ পৰা আকৌ কবলৈ ধৰিলে—"আপোনাক অভিনন্দন। আচলতে আপোনাৰ অন্তৰৰ দৃঢ় বিশ্বাস আৰু সুস্থিৰ সিদ্ধান্তৰ বাবেই আপুনি মৃত্যুকো জয় কৰিলে। আপোনাৰ এই আত্ম-বিশ্বাস, সুনিপুণ হাত আৰু তাৰ বাবে সৃষ্টি হোৱা এই নতুন অভিলেখ সচাঁকৈয়ে আমাৰ এই অনুষ্ঠানৰ বাবে গৌৰৱৰ বিষয়।"

শঙ্কৰীয়ে ৰক্ষা পৰাৰ ভাৱত এটা হুমুনিয়াহ কাঢ়িলে। পাৰ্ব্বথীৰ এই মৰমৰ মাত আৰু আন্তৰিক অভিনন্দনে হয়তো সাধাৰণ অৱস্থাত শঙ্কৰীৰ চকুত আনন্দৰ চকু পানী উলিয়ালেহেঁতেন কিন্তু থিক তেতিয়াও শঙ্কৰীৰ অন্তৰত হস্পিতালত লগ পোৱা মানুহজনৰ মুখখনে আলোড়ন তুলি আছিল।

শঙ্কৰীয়ে শোৱনী কোঠাৰ ভিতৰত সোমাই গৈ দুৱাৰখন থিলি লগাই বন্ধ কৰি দিলে। তাৰ পিছত তলৰ ড্ৰয়াৰটো খুলি কাগজেৰে মেৰাই ৰখা এখন ফটো উলিয়ালে। ফটোখন প্ৰায় এখন পোষ্ট কাৰ্ডৰ সমানে ডাঙৰ আছিল। আৱামী চকীখনত বহি লৈ শঙ্কৰীয়ে একে ধ্যানে ফটোখন চাবলৈ ধৰিলে।

ফটোখন এজন ২৪ বছৰীয়া ধুনীয়া ডেকা মানুহৰ ফটো আছিল।

হাতেৰে তেওঁ এখন সম্পূৰ্ণ নতুন চাইকেল ধৰি আছিল। তেওঁৰ মুখমণ্ডল আছিল নোদোকা আৰু ঘূৰণীয়া। চকু দুটা আছিল উজ্জ্বল। তেওঁৰ ওঠ জুৰি আছিল ডাঠ আৰু ঘন। শঙ্কৰীয়ে ফটোখন অতি সূক্ষ্মভাৱে লক্ষ্য কৰিলে যেন তেওঁ সেই মুখখনত কিবা এটা পঢ়িবহে খুজিছে। বাস্তৱিকতে মানুহজন অতি ধুনীয়াই আছিল, কিন্তু……।

শঙ্কৰীয়ে ফটোৰ ডেকাজনৰ বয়সৰ লগত আৰু দহ বছৰ যোগ কৰি মানুহজনৰ মুখখনৰ আন এটা প্ৰতিচ্ছবি আনিবলৈ যত্ন কৰিলে। আকৌ এবাৰ তাই কামাক্ষীৰ স্বামীৰ মুখখন মনত কৰিলে। আৰু তেওঁক দহ বছৰ কমকৈ ভাৰি তেওঁৰ মুখত এটা প্ৰতিচ্ছবি নিজৰ মনৰ মাজতে তুলিবলৈ যত্ন কৰিলে।

আত্মবিশ্বাস, স্থিৰ সিদ্ধান্ত, অধ্যৱসায় এইবোৰ গুণকে নাৰ্চিংহোমৰ চুপাৰিণটেনডেণ্টে শঙ্কৰীক অভিনন্দন জনোৱাৰ সময়ত উল্লেখ কৰিছিল। ফটোখনত থকা ডেকা মানুহজনৰ গাতো এই আটাইবোৰ গুনেই আছিল।

তেওঁৰো শঙ্কৰীক লাভ কৰাটোহে আছিল জীৱনৰ স্থিৰ লক্ষ্য। আৰু তেওঁ যে তাত কৃতকাৰ্য্যতা লাভ কৰিব পাৰিব তাৰ বাবে আছিল অন্তৰত গভীৰ বিশ্বাস। আৰু হেজাৰ উপায়েৰে শঙ্কৰীক লাভ কৰিবৰ বাবে তেওঁ প্ৰচেষ্টাও চলাইছিল।

শঙ্কৰী আছিল দেউতাকৰ একমাত্ৰ ছোৱালী। আদৰৰ একমাত্ৰ ধন, চকুৰ মনি আৰু দেউতাকৰ এই উদাৰ মৰমৰ মাজত তাই লাহে বনৰ মুকলি মুৰীয়া চৰাইৰ দৰে অতি সহজ সৰল আৰু সুখে সন্তোষে ডাঙৰ-দীঘল হবলৈ ধৰিলে। কিয়নো তেতিয়া তাই জীৱনৰ ফাকি ফুকা বোৰৰ লগত পৰিচয় হোৱা নাছিল। সম্পূৰ্ণ প্ৰস্ফুটিত গোলাপ ফুলটিৰ দৰে তাই আছিল ধুনীয়া—যিয়ে এবাৰ তাইক দেখিছিল তেওঁলোকৰ বাবে তাইৰ দেহৰ সৌন্দৰ্য্য আছিল বিস্ময়ৰ আধাৰ। আনকি এতিয়াও ডাঃ শঙ্কৰীৰ স্বাভাৱিক সৌন্দৰ্য্যই মানুহক হতাশাৰ হুমুনিয়াহ কাঢ়িবলৈ বাধ্য কৰাইছিল।

স্কুলত পঢ়ি থাকোতে তাইৰ বান্ধৱী সকমুয়ে কৈছিল—"বুজিছা শঙ্কৰী, মই যদি এজন শিল্পী হিছাপে জন্ম ললোহেতেন তেনেহলে মই তোমাৰ এখন প্ৰতিচ্ছবি আঁকিলোহেতেন, কবি হোৱা হলে তোমাৰ সৌন্দৰ্য্যক লৈ মই কৱিতা লিখিলোহেতেন। সচাঁই তুমি ইমান ধুনীয়া।"

টিকচিৰ স্কুলত পঢ়ি থাকোতে আৰু পিছত মাদ্ৰাজৰ মেডিকেল কলেজত পঢ়ি থাকোতে ক'ত ডেকাই তাইক পাবৰ বাবে যত্ন কৰি শেষত ব্যৰ্থতাৰ হুমুনিয়াহ কাঢ়িবলগীয়া হৈছিল। তেনেহলে কেনেকৈ বাৰু—খ'ত ইমান বিলাক ডেকা পৰাজয় হ'ল তাত একমাত্ৰ মূৰ্ত্তীয়ে কৃতকাৰ্য্য হ'ল? তেওঁ আছিল অতিশয় অধ্যৱসায়ী লোক। সেই সময়ত তেওঁ কলেজ হোষ্টেলত থাকি পঢ়া এজন ছাত্ৰ আছিল। এদিনাখন এটি সুন্দৰ ৰাতিপুৱা তেওঁ শঙ্কৰীক দেখা পাইছিল, আৰু তেতিয়াৰ পৰাই তেওঁ তাইৰ মনোযোগ আকৰ্ষণ কৰিবৰ বাবে যি কৰিব লাগে সেই সকলোবোৰ কৰি গৈছিল আৰু তেওঁ এইদৰে প্ৰায় এবছৰ ধৰি শঙ্কৰীৰ পিছত লাগি থাকিল।

এইটো কিন্তু সাধাৰণ ডেকাবোৰে সুন্দৰী গাভৰুৰ মন পাবৰ বাবে কৰা সেই স্বাভাৱিক প্ৰচেষ্টা নাছিল। মূৰ্ত্তী আছিল অতিশয় ধনী লোক আৰু তেওঁ তাইক জয় কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ পৰিছিল। তেওঁ ঘৰলৈ চিঠি লিখিছিল যে হোষ্টেলত পৰিবেশন কৰা খাদ্যবোৰ ভাল নহয় গতিকে তেওঁ নিজকৈ থাকিব খোজে। আৰু সেই মৰ্মে তেওঁ শঙ্কৰী অহা যোৱা কৰা পথৰ কাষত এটা ঘৰ ভাৰা কৰি এজন ৰান্ধনি ৰাখি ৰাজকুমাৰৰ দৰে থাকিবলৈ ললে।

প্ৰায় এবছৰৰ পিছত তেওঁৰ প্ৰচেষ্টাৰ ফল ধৰিল। শংকৰী আছিল বুঢ়া পিতৃৰ অতি আদৰৰ ছোৱালী। সক কালতে মাক ঢুকোৱাৰ বাবে শংকৰীয়ে দেউতাকৰ পৰা পাইছিল যথেষ্ট সুবিধা আৰু সুযোগ। তেওঁ ৰেলওৱে অফিচৰ এজন সাধাৰণ তৃতীয়া কেৰাণী আছিল। আনহাতে মূৰ্ত্তীৰ আত্মবিশ্বাস তথা আত্মপ্ৰত্যয় আৰু শক্তি সামৰ্থ্যৰ আধাৰ আছিল টকা।

শংকৰীয়ে কিন্তু মূৰ্থীৰ এই কৃতকাৰ্য্যতাৰ গোপন ৰহস্যৰ কথা ঘুৰ্ণাক্ষৰেও জনা নাছিল। দুখীয়া মানুহৰ জীয়ৰী হিচাপে তেওঁ কেতিয়াও টকাৰ মূল্যৰ কথা উপলব্ধি কৰিব পৰা নাছিল। সেই কম বয়সতে মূৰ্থীয়ে তাইৰ মুৰত সোমাই দিছিল ভবিষ্যতৰ সু-মধুৰ স্বপ্ন। তুমি বাৰু কিয় এনেদৰে টকাবোৰ উৰাই দিছা ?” এদিনাখন শংকৰীয়ে মৃদু প্ৰতিবাদ কৰিলে। “এইয়াটো কোনো কথা নহয় শংকৰী। তুমি যেতিয়া আমাৰ ঘৰত মোৰ সৈতে থাকিবলৈ ল’ৱা তেতিয়াহে তুমি মোক বুজিব পাৰিবা। মই একমাত্ৰ তোমাক চোৱাৰ আনন্দ লাভৰ কাৰণে তোমাৰ শৰীৰৰ ওজনৰ জোখাই সোণ দিব পাৰো।” তেনে কথাত শংকৰীৰ মনো উৰি যায় সেই সুখৰ স্বপ্ন ৰাজ্যলৈ।

“মই দেউতাই নজনাকৈ মাৰ পৰা টকা পাওঁ আৰু মা দেউতাই নজনাকৈ খুড়াৰ পৰা তাতোকৈও বহুত টকা পাওঁ। খুড়াৰ কোনো সন্তান নাই, সেই কাৰণে খুড়াই সকলো আশা ভাৰসা মোৰ ওপৰত ৰাখিছে। মা, দেউতা, খুড়া সকলোৱে মই পৰীক্ষাত কৃতকাৰ্য্য হোৱাটোৰ বাবে অতি উদ্বিগ্ন। অৱশ্যে মই পাচ কৰিম। ইতিমধ্যে মই ফলাফলৰ কথা জানোৱেই ”

‘কেনেকৈ’ ? শংকৰীয়ে সুধিলে।

“মোক অভিনন্দন জনোৱা সকলৰ ভিতৰত তুমিয়েই নিশ্চয় প্ৰথম হ’বা ” তেওঁ কলে।

শংকৰীৰ মনত কথাবোৰ কিবা সাঁথৰ সাঁথৰ যেন লাগিছিল। মূৰ্থীয়ে তাইৰ কানৰ কাষত ফুচফুচাই আৰু কিবাকিবি কলে। মূৰ্থীয়ে তেওঁৰ এজন ঘৰুৱা শিক্ষকৰ কাহিনীও কৈছিল যিজনক তেওঁৰ পিতৃ-মাতৃয়ে এটি শকত দৰমহা দিছিল। “গতিকে মই পাছ কৰাটো তেওঁৰহে এটা ডাঙৰ দায়িত্ব।”

“শিক্ষকতাৰ দৰে মহান পদত অধিষ্ঠিত শিক্ষকসকলেও কি এনে কাম কৰে ?” তাই বিস্ময়ত হতবাক হৈ পৰিছিল।

“কেলৈ এই কতবাত জানো তুমি গৌৰাবান্বিত হব নোৱাৰা যে মই

অকল ধনীয়েই নহয় বিশ্ববিদ্যালয়ে দিয়া এটা উচ্চ ডিগ্ৰীও মোৰ আছে।”—মূৰ্খীয়ে সুধিলে।

এৰা, মূৰ্খী কৃতকাৰ্য্য হ'ল। অকল কলেজৰ পৰীক্ষাতে তেওঁ কৃতকাৰ্য্য নহ'ল, শংকৰীৰ জীৱনৰ ওপৰতো তেওঁ কৃতকাৰ্য্য হ'ল।

শংকৰীয়ে ফটোখনৰ বিপৰীত ফালে লক্ষ্য কৰিলে “তোমাৰেই চিৰদিন মই” তাত লিখা আছিল। চকুপানীৰে তাইৰ চকুজুৰি টলমল কৰিব ধৰিলে। “এইজন মানুহ সেই একেজন ব্যক্তি নে ?” শংকৰীয়ে ভাৱিলে আৰু গভীৰ হুমুনিয়াহ কাঢ়ি চোফাখনত হেলা দি ৰহিল।

৪

পিছদিনাখন ৰাতিপুৱা। নিশাৰ অন্ধকাৰ আঁতৰাই আকাশৰ মেঘ ফালি নবাৰুণৰ নতুন পোহৰ চাৰিওফালে বিয়পি পৰিছিল।

শংকৰীয়ে খিড়িকিৰে বাহিৰলৈ চালে। বাগিছাখনত জকমক কৈ ফুলবোৰ ফুলি উঠিছিল চঞ্চল হৈ। হাঁহি থকা আকাশৰ তলেৰে এছটা ডাৱৰ কৰবালৈ উৰি গৈছিল।

এনেকুৱা ৰাতিপুৱাবোৰত শংকৰীয়ে পূৰ্ব্বতে বিষণ্ণ বদনে অতীত দিনৰ মধু স্মৃতিবোৰ মনত পেলাইছিল। কিন্তু, এতিয়া চকুপানী টুকিবলৈ তাইৰ চকুত আৰু চকুপানী নাই। মন গহনৰ ভাৱবোৰ তাই নিজৰ মনতে সামৰি ললে। সূৰ্য্যৰ পোহৰ ক্ৰমে ক্ৰমে তীব্ৰ হৈ খিড়িকিৰে সোমাই পৰিছিল। জীৱন নাটত নিজৰ ভাও দিবলৈ তাই সংকল্প কৰি দিনটোক স্বাগতম জনালে। বেদনাৰ হুমুনিয়াহ কাঢ়ি বহি থাকিবলৈ তাইৰ হাতত আৰু সময় নাই। জীৱন সদায় নিৰ্বিকাৰ। দুঃখ বেদনাত বিলাপ কৰি থাকিলেও জীৱন তাৰ নিজস্ব গতিত আগবাঢ়ি যাবই। জীৱনে তেওঁক উদাৰ ভাৱে যি দিব তাকে তাই প্ৰতি মুহূৰ্ত্তে গ্ৰহণ কৰিব। জীৱনৰ এই নতুন সোৱাদৰ তৃপ্তিয়ে যেন তেওঁৰ মন ভৰাই গ'ল।

গা ধুই আহি তাই আইনাখনৰ সন্মুখনত বহি ললে। আৰু তাত সাৱধানে চুলিখিনি ঠিক কৰি লৈ প্ৰয়োজনীয় অংগ সজ্জা কৰি ললে। সৌন্দৰ্য্য বৃদ্ধি হবৰ বাবে যিবোৰ কৰাৰ দৰ্কাৰ সেইবোৰৰ যিখিনি সম্ভৱ তাই আটাইখিনিয়ে কৰি ললে।

জীৱনৰ এনে এটা সময় আছিল, যেতিয়া অকল তাই মূৰ্ত্তীক আকৰ্ষণ কৰাৰ বাবেই সৌন্দৰ্য্য চৰ্চা কৰিছিল। এতিয়া কিন্তু তাইৰ এই সৌন্দৰ্য্য চৰ্চা এটা বিশেষ কাম হৈ পৰিছে। নিজৰ তৃপ্তি আৰু গৌৰবৰ বাবে তাই এতিয়া এইবোৰ কাম কৰে। আত্মবিশ্বাসৰ মিচিকি হাঁহিৰে তাই যেতিয়া ওৱাৰ্ড বিলাকৰ ভিতৰত প্ৰৱেশ কৰে ৰোগী বিলাকৰ ভাৱ হয় যেন—ৰূপ সৌন্দৰ্য্যৰ অধিষ্ঠাত্ৰী দেৱীয়েহে যেন তেওঁলোকক পৰিদৰ্শন কৰিছে। বহুতেই কোৱা মেলা কৰে যে ডাঃ শংকৰীয়ে হেনো ৰোগ উপশম কৰাৰ কিবা যাদু জানে। আচলতে একমাত্ৰ তাইহে—তাইৰ এই কৃতকাৰ্য্যতাৰ গোপন ৰহস্যৰ কথা জানে। তাই জানে যে তাইৰ সৌন্দৰ্য্যৰ উজ্জ্বলতাইহে ৰোগীবিলাকক এনেদৰে সুন্দৰভাৱে প্ৰভাৱান্বিত কৰে। ভগৱানৰ এই মহান দানৰ বাবে তাই অতি নম্ৰভাৱে ভগৱানক ধন্যবাদ জনায়।

অন্য ৰোগীবিলাকক যি আদৰ যত্ন লয় সেই একেই যত্ন আৰু সেৱাৰে তাই কামাক্ষী আৰু তাইৰ কেচুৱাটোবো যত্ন ললে। কিন্তু কামাক্ষী আৰু তাইৰ মাকে তাইক ভগৱান প্ৰেৰিত বুলিয়ে বিবেচনা কৰিছিল। সিহঁতে তাইক কেনেকৈ ধন্যবাদ জনাব তাৰ কথাই ভাবি উলিয়াব পৰা নাছিল। সিহঁতে মাত্ৰ যিবিলাকে কামাক্ষীক চাবলৈ হস্পিতাললৈ আহিছিল সেই সকলোবিলাকৰে আগত ডাঃ শংকৰীৰ কথা কৈছিল যে তাইৰ দৰে আৰু কোনো ভাল ডাক্তৰ নাই।

কামাক্ষীৰ গিৰীয়েক প্ৰতিদিনে গধুলি তাইক চাবলৈ হস্পিতাললৈ আহিছিল আৰু ডাক্তৰ শংকৰীক এবাৰ লগ পাবলৈ তেওঁ অধীৰ হৈ পৰিছিল। কিন্তু এই চাৰিদিনৰ ভিতৰত এবাৰো তাইক দেখা নেপাই হতাশ হৈ পৰিছিল।

পঞ্চম নিদাখন বাতিপুৱা শংকৰীয়ে কামাক্ষীৰ কোঠাৰ ফালে খটখটি ফালে খটখটি বগাই আগবাঢ়ি গৈছিল। নাৰ্চ বিলাকে তেওঁৰ পদধ্বনি শুনিয়েই তেওঁ অহা খবৰটো সকলোকে দিবলৈ আৰম্ভ কৰিলে। যেতিয়া তাই কামাক্ষীৰ কোঠাত প্ৰৱেশ কৰিলে ঠিক তেতিয়াই কামাক্ষীৰ মাকে আইনাৰ গ্লাচ এটাত কিবা অলপ ঢালি দিয়া দেখা পালে। আৰু তাইক দেখা পোৱাৰ মুহুৰ্ত্ততে পৰস্পৰে পৰস্পৰৰ চকুলৈ চাই দোষী দোষী মনোভাৱেৰে মূৰ নত কৰিলে। বিস্ময়ত শংকৰীয়ে এই বয়সস্থ মহিলা গবাক্ষীৰ ওচৰলৈ গৈ হাতখনত থাপ মাৰি ধৰিলে। "এইয়া কি ?" তেওঁ সুধিলে। সিহঁতে কিন্তু নীৰৱ হৈ পৰিল।

যেতিয়া তাই পানীয়খিনি সুঙি চালে বিৰক্তিত তাইৰ মুখখন কোঁচ খাই পৰিল। কিন্তু তাই অতি ভদ্ৰ ভাৱেই কলে—"অ তাৰমানে আমাৰ চিকিৎসাত সন্তুষ্ট নহৈ আপুনি আপোনাৰ নিজা ঔষধকে দিছে।

"সাধাৰণতেই আমি এইটো দিওঁ" কম্পিত ভাৱে মাকে কলে।

"এইবোৰ বাৰু আপোনালোকে কৰ পৰা পায় ?" শঙ্কৰীয়ে সুধিলে। আকৌ নীৰৱতা। শঙ্কৰীয়ে লাহে লাহে বটল আৰু গ্লাচটো টেবুলৰ ওপৰত থলে।

"প্ৰত্যেকৰে অতিমাত্ৰা বেয়া" শঙ্কৰীয়ে কলে। "আনকি ঔষধবো। অনুগ্ৰহ কৰি এই বটলটো আঁতৰাই লৈ যাওঁক। এইবোৰ বস্তু কেতিয়াও হস্পিতললৈ অনা উচিত নহয়।"

শঙ্কৰীৰ বৰ খং উঠিছিল। এই নাৰ্চিং হোমত তেওঁলোকক যিহেতু ইমান সুন্দৰ ভাৱে যত্ন লোৱা হৈছে তেনেস্থলত ব্ৰাণ্ডিৰ বটল অনাৰ দৰ্কাৰ কি ? আৰু মাদক দ্ৰব্য নিষেধ আজ্ঞা বলবৎ কৰা স্বত্বেও কি সাহসত তেওঁলোকে সেইয়া হস্পিতাললৈ লৈ আহিল ? কিন্তু খোলা ভাৱে কথা নোকোৱা এই তিৰোতাজনীক বেছি আৰু কিবা কিৰি কৈ সময় অপচয় কৰাৰ প্ৰয়োজন নাই বুলি শঙ্কৰীয়ে বিবেচনা কৰিলে। আৰু যেতিয়া তাই কোঠাৰ পৰা ওলাই আহিবৰ বাবে সাজু হৈছিল তেতিয়াই এটা শিশুৰ 'মা' বুলি মতা এটা কোমল শব্দ শুনিবলৈ পালে।

তাই উভতি চাই দেখিলে যে এজনী সৰু ছোৱালীয়ে কামাক্ষীক সাৰটি ধৰিছে। ছোৱালী জনীৰ কোমল মিঠা মাত আৰু অবোধ শিশুৰ নিষ্পাপ মুখখনে শঙ্কৰীক সকলো বোৰ পাহৰি যাবলৈ বাধ্য কৰিলে। তাই যে আচলতে 'ডিউটিত' থকা এজনী ডাক্তৰনী সেই কথা প্ৰায় পাহৰি যোৱা যেন হ'ল। "হেৰা, মইনাজনী তুমি মোৰ ওচৰলৈ আহিবা?" তাই সৰু ছোৱালী জনীক আহ্বান জনালে। ছোৱালী জনীয়ে এবাৰ তাইৰ ফালে চালে আৰু শঙ্কৰীক সম্পূৰ্ণ বিশ্বাসী বুলি বিবেচনা কৰি তাইৰ ওচৰলৈ দৌৰি আহিল আৰু লাজতে মুৰ নত কৰি থিয় হ'লহি।

শঙ্কৰীয়ে তাইক দুহাতেৰে সাৰটি ধৰিলে আৰু মৰমতে চুমা খাই সুধিলে "তোমাৰ নাম কি?" 'ৰাধা'—ছোৱালী জনীয়ে কলে।

"বাহ—কি, সুন্দৰ নাম। তুমি বাৰু তোমাৰ সৰু ভনীজনীক দেখিছানে? তাইক বাৰু তুমি কিমান ভাল পোৱা?"

"ওহোঃ—মোকটো ভন্টি নালাগে। মোক এজন সৰু ভাইটিহে লাগে। ৰাধাই মুৰ জোকাৰি জোকাৰি প্ৰবল ভাবে বিৰোধিতা কৰি কথাখিনি কলে। কোঠাত থকা প্ৰত্যেকৰে হাঁহি উঠিল। "বাৰু বাৰু—পিছৰ বৰে তুমি এজন সৰু ভাইটি পাবা। "ডাঃ শঙ্কৰীয়ে কলে। ৰাধাই মুৰ জোকাৰিলে আৰু সোনকালে এজন সৰু ভাইটি পোৱাৰ আশাত তাই জ্ঞানীৰ দৰে আত্মসন্তুষ্টিৰ হাঁহি মাৰিলে।

"গুড্ মনিং ডাক্তৰ। এটা মিঠা মাতেৰে কোনোবাই শঙ্কৰীক—সম্ভাষণ জনালে। শঙ্কৰীয়ে ৰাধাক চুমা খাই অতি মৰমেৰে কোলাৰ পৰা নমাই দি মুৰ ডাঙি চালে। এজনী প্ৰায় কুৰি বছৰীয়া অভিযাত গাভৰু ছোৱালী তেওঁৰ সম্মুখত থিয় হৈ আছে। "মোৰ ননদ—ৰাজেশ্বৰী" কামাক্ষীয়ে পৰিচয় কৰি দিলে। ৰাজেশ্বৰীয়ে কলে যে শঙ্কৰীৰ কথাৰ বাহিৰে আন কাৰো কথাই এই কেইদিন তেওঁলোকৰ ঘৰত প্ৰাধান্য পোৱা নাই। গতিকে তেনে এজন ডাক্তৰনীক তেওঁলোকৰ চিকিৎসক হিচাপে পাই তেওঁ গৌৰৱ আৰু আনন্দ অনুভৱ কৰিছে।

শঙ্কৰীয়ে হঠাতে মনত পেলালে যে বাধাই ইতি মধ্যে তাইৰ প্ৰায় দহ মিনিট সময় লৈ গ'ল। তেওঁ ছোৱালী জনীক গা-মুৰ পিছি মৰমেৰে হাত ফুৰাই দি কোঠাৰ বাহিৰ হৈ আহিল।

শঙ্কৰীয়ে যেতিয়া ঘৰ পালে তেতিয়া মুনীয়া আমলে তাইক দুপৰীয়াৰ আহাৰ হিচাপে সাধাৰণ অথচ সুস্বাদু খাদ্য পৰিবেশন কৰিলে। খাই বৈ শঙ্কৰীয়ে চোফা এখনত আৰাম কৰি বহি লৈ—ইতিমধ্যে পঢ়ি থকা এখন কিতাপ হাতত তুলি ললে। কিতাপ পঢ়াই হৈছে তাইৰ একমাত্ৰ চখ। বন্ধু বান্ধৱীৰ ওচৰত বিচৰাৰ দৰে তাই কিতাপৰ পাতত‍ে উপদেশ বিচাৰি পায়। সেই দিনাখন আবেলি কিন্তু তাই পঢ়াত যত্ন কৰিও মন বহুৱাব নোৱাৰিলে। কিতাপ নন মেলি লোৱাৰ লগে লগে তাই মাথো বাধাৰ হাঁহি থকা মুখখন হে দেখিবলৈ পালে। এই সৰু ছোৱালী—জনী তাইৰ পিতাকৰ হুবহু প্ৰতিমূৰ্ত্তিৰ দৰে আছিল।

প্ৰতিদিনে তাই কিমানবোৰ সৰু লৰা ছোৱালী লগ পায়। কিন্তু এই ছোৱালীজনী! কিয় বাৰু তাই এনেকৈ তাইৰ মনোযোগ কাঢ়ি নিছে?

প্ৰকৃততে এইটো এটা সাঁথৰেই আছিল। হস্পিতালৰ ৰেজিষ্টাৰ বহীত তাই কামাক্ষীৰ স্বামীৰ নামটো পঢ়ি চাইছিল। তাত লিখা আছিল 'K-Thirumurthi'. আনহাতে তাইৰ যৌবনৰ সংগীত নাম আছিল—'K-Gurumurthi'. নাম দুটাৰ আদ্যক্ষৰ একেই। নামটোৰ পিছৰ শব্দ দুটাও একেই। নাম দুটা একে যেনেই লাগে। ৰেজিষ্টাৰত নাম ভৰ্ত্তী কৰা কেৰাণী জনীয়েই কিজানি এই ভুল কৰিলে।'

তেওঁৰ বাবে এই কথা টোৰ সত্যাসত্য প্ৰমান কৰাটো অতি সহজ আছিল। কিন্তু সেইয়া তাই নকৰিলে। যি প্ৰশ্নই তাই নকৰক, যি ধৰনৰ আগ্ৰহকেই তাই নেদেখুৱাওক তথাপি ই বহুতকে কৌতুহলী কৰি তুলিব। তাই ভাৱিছিল সেই পৰ্ব্ব কোনোৱাদিনাই শেষ হৈছে। তাই আছিল এনে এজনী তিৰোতা যিয়ে, নিজৰ সকলো ধৰনৰ দুখ—দৈন্য কিম্বা অভাব অভিযোগ বোৰ অকল নিজৰ বাবেই ৰাখে। পিছ দিনাখন কামাক্ষীয়ে তাইৰ কেচুৱাক লৈ নাৰ্চিং হোম এৰি ঘৰলৈ গুচি

গ'ল। "কিন্তু,—কোন আছিল এই কামাক্ষী? আৰু কোন আছিল এই থিকমূৰ্থি।" এই প্ৰশ্নবোৰ তেতিয়াও মঁথৰ হৈয়ে আছিল। একমাত্ৰ ৰাধাইহে তেতিয়াও তাইৰ চিন্তাত স্থান পাই আছিল।

কিতাপখনতে মনোযোগ দিবৰ বাবে তাই আকৌ যত্ন কৰিলে। এনেতে টেলিফোনটো বাজি উঠিল—"ডাঃ শঙ্কৰী নে?" গহীন গম্ভীৰ মাতেৰে কোনোবাই সুধিছিল।

"হয়, মই শঙ্কৰীয়েই কৈছো।"

'মই, মূৰ্থীয়ে কৈছো'—চিনাকি মাতেৰে মানুহজনে কবলৈ ধৰিলে' আৰু অকনো বিৰাম নোহোৱাকৈ তেওঁ অতি উল্লাসেৰে কিৰাকিৰি কৈ যাবলৈ ধৰিলে। অৱশেষত তেওঁ শঙ্কৰীৰ পৰা উত্তৰ পাবৰ বাবে অলপ থমকি ৰ'ল। শব্দ বিচাৰি শঙ্কৰী কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিল। কি কব তাই যেন ভাবিয়েই নাপালে। কিন্তু, মুহূৰ্ত্তৰ ভিতৰত তাই যে সিদ্ধান্ত লবই লাগিব।"

৫

এইয়া আছিল মাৰ্জিত ৰুচিৰে সজোৱা সুন্দৰ এটি সৰু কোঠা। কোঠাটোৰ ভিতৰত মাত্ৰ এখনেই টেবুল। টেবুলৰ ওপৰত দুটা টেলিফোন আৰু হিচাপৰ দুখন ডাঙৰ বহী। আৰু এই টোৱেই আছিল মূৰ্ত্তীৰ অফিচ। এই সৰু কোঠাটোত সোমালে কোনেও কেতিয়াও ব্যৱসায় জগতত মূৰ্থীৰ যে কি অখণ্ড প্ৰতাপ তাৰ একো গমকে নাপায়। মূলধন নোহোৱা ডাঙৰ ডাঙৰ চিনেমা প্ৰযোজক, বণিজৰ বস্তু খালাচ কৰিবলৈ হাতত টকা নথকা ডাঙৰ সদাগৰ বিলাক আৰু অকল মুখৰ কথাকে মূলধন হিচাপে লৈ লাখ লাখ টকাৰ দালাল কৰা মুনাফালোভী দালালবোৰেহে একমাত্ৰ মূৰ্থীৰ শক্তি সামৰ্থ্যৰ কথা গম পাইছিল।

শীত তাপ নিয়ন্ত্ৰিত কৰা সৰু কোঠাটিৰ পৰাই মূৰ্থীয়ে তেওঁৰ ইচ্ছানুসাৰে ব্যৱসায় চলায়। তেওঁৰ সন্মুখত থকা টেলিফোন দুটা যেন

পুতুলা নচুওৱা ছুডাল দীঘল বচি আৰু মূৰ্থীয়ে নিজৰ কোঠাত বহি এই বচি ছুডাল হাতত লৈ নিজ ইচ্ছামতে পুতলাবোৰ নচুৱায় বা শাসন কৰে। আৰু সিহঁতৰ ভাগ্যৰ ফলবোৰ টেবুলত থকা বহী ছুটাত খচ-খচকৈ লিখি থৈ যায়।

তেওঁৰ এই ব্যৱসায় প্ৰতিষ্ঠানৰ নাম হৈছে 'মা-মূথি-নিগম'। থিয়াগৰ নগৰৰ এটা সৰু বাংলাত এই প্ৰতিষ্ঠান অৱস্থিত। মিঃ মূৰ্থীৰ খুলশালিয়েক চাবপাথীয়ে ইয়াৰ মেনেজাৰ হিচাপে কাম-কাজ সুন্দৰ ভাৱে পৰিচালনা কৰিছে। চাবপাথি অকল মেনেজাৰেই নহয় তেওঁ থিৰ-মূৰ্থীৰ সকলো কামৰে সো হাত স্বৰূপ। এই প্ৰতিষ্ঠানৰ কৰ্মী সমূহে তলৰ মহলত কাম কৰে।

কোনোবাই মূৰ্থীক দেখা কৰিব লাগিলে প্ৰথমতে তেওঁ চাবপাথিক সাক্ষাৎ কৰিব লাগিব তাৰ পিছত তেওঁ মূৰ্থীৰ ব্যক্তিগত সচি্ৱ নগৰ থিম্ৰ লগত কথা হ'ব লাগিব। কিন্তু থিৰোমূৰ্থীয়ে যদি নিজে কাৰোবাক বিচাৰে তেন্তে তেওঁক অতি ওতাতৈয়াকৈ এই ব্যক্তি ছুজনৰ লগত পৰিচয় কৰি দিয়া হয়।

থিৰমূৰ্থীয়ে যেতিয়া আৱেলি ভাত খাবলৈ গৈছিল তেতিয়া তেওঁ জানিব পাৰিছিল যে কামাক্ষীয়ে কেচুৱাটি লৈ পিছ দিনাখন ঘৰলৈ উভতি আহিম। তেওঁৰ ভনীয়েক ৰাজেশ্বৰীয়ে সকলো সময়তে ডাঃ শঙ্কৰীক প্ৰশংসা কৰিছিল! আৰু তেওঁলোকৰ ঘৰুৱা ডাক্তৰ হিচাপে নিযুক্ত কৰিবলৈ পৰামৰ্শ দিছিল।

"তেওঁৰ হাতত যাছুৰ স্পৰ্শ আছে। তেওঁৰ ব্যৱহাৰ অতি সুন্দৰ আৰু অন্তৰখনো সোনৰ দৰে···।" আনকি সৰু ৰাধাজনীয়েও ডাক্তৰৰ ওচৰত মন্ত্ৰমুগ্ধ হৈ পৰিছিল। তাই দেবতাক মূৰ্থীক তাইৰ ঠানাক ঠুমুক মাতেৰে ডাক্তৰে কেনেকৈ মৰমেৰে আকোৱালি লৈ চুমা খাইছিল সেই বিষয়ে বৰ্ণনা কৰিছিল। মূৰ্থীয়ে এই সকলোবোৰ কথাই অত্যন্ত মনোযোগেৰে শুনিছিল।"

শঙ্কৰীৰ 'সোণৰ অন্তৰ'ৰ বিষয়ে লেখমানো ভাবিবৰ বাবে মূৰ্থীৰ

অবকাশ নাই। তেওঁ মাত্র তেওঁৰ সম্মুখত দেখিছিল এটি সোণৰ জীয়া নাৰী প্ৰতিমূৰ্ত্তি। "এৰা তেওঁক আমি আমাৰ ঘৰুৱা ডাক্তৰ হিচাপে লব লাগিব।" তেওঁ ভনীয়েকক কলে।

অফিচ পোৱাৰ লগে লগে তেওঁ ডাক্তৰ শঙ্কৰীলৈ টেলিফোন কৰিলে "মই থিৰুমূৰ্থীয়ে কৈছো। থিক এই মুহূৰ্ত্তত আপোনাক কিদৰে ধন্যবাদ জনাব লাগে তাৰ ভাষা নাই নেজানো! কিন্তু মই আপোনাৰ ঘৰলৈ নিজে গৈ আপোনাৰ এই মহান উপকাৰৰ বাবে শলাগ লব পাৰিলে সুখী হলোহেতেন। বাৰু এই গ'ধুলিতে আপোনাক লগ কৰিব পাৰো নে?"

শঙ্কৰী নিমাতে আছিল। টেলিফোনৰ তাৰৰ মাধ্যমেতে অন্ধকাৰ অতীতৰ কথাহে তাই যেন শুনিব পাইছিল। এটা দৃঢ় আৰু মনোমুগ্ধকৰ কণ্ঠ। সেই কণ্ঠ—যি কণ্ঠক তাই ইমান ভাল পাই আহিছে। এওঁ জানো সেই একেই গুৰুমূৰ্থি হ'ব পাৰে? শঙ্কৰীৰ মনত খোকোজা লাগে।

"নাই নাই আপুনি ইমান দূৰ অহাৰ বাবে কষ্ট কৰিব নালাগে।" শঙ্কৰীয়ে কলে।

"এই কননো কি কষ্ট? আচলতে মই আপোনাক ব্যক্তিগত ভাৱে লগ ধৰি ধন্যবাদ জনাব নোৱাৰিলে মনৰ শান্তি নাপাম। আশাকৰো আজি গধূলি আপোনাক লগ পাম?" কোন? থিৰুমূৰ্থী…গুৰুমূৰ্থি? কোনজন বাৰু? শঙ্কৰীয়ে নিজেই বাৰে বাৰে তাকে সুধিলে। কিন্তু অতি শান্ত ভাৱে শেষত উত্তৰ দিলে—"ঠিক আছে আহিব।" এই বুলি কৈ ৰিচিভাৰটো যথাস্থানত থৈ দিলে।

সেইদিনা গধূলি হোৱাৰ আগে আগে শঙ্কৰীৰ ঘৰৰ সম্মুখত এখন গাড়ী আহি শব্দ কৰি ৰৈ গ'ল। লগে লগে শঙ্কৰীয়ে দেখিবলৈ পালে যে থিৰুমূৰ্থীৰ ড্ৰাইভাৰ জনে থেৰো গেৰোকৈ হাতত এটা ফলমূলৰ ডাঙৰ টোপোলা কঢ়িয়াই লৈ আগবাঢ়ি আহি আছে। মূৰ্থী তেওঁৰ পিছে পিছে। পিন্ধনত এটা চাৰ্ট আৰু ধুতি। দেখাতেই অতি সভ্য

আৰু ধুনীয়া যেন লাগে। তেওঁ নিজেও এই দেহশ্ৰীৰ বাবে আত্মসচেতন আৰু খোজ কাটলতো যেন সেই অভিমান ফুটি ওলাইছে। শঙ্কৰীয়ে বহিবৰ বাবে তেওঁক এখন চকীলৈ ইঙ্গিত কৰিলে আৰু তেওঁ নিজেও অলপ দূৰত থকা আন এখন চকীত বহি ললে। নিজে কবনোৱৰবাকৈয়ে শঙ্কৰীয়ে তেওঁক লক্ষ্য কৰিব ধৰিলে। তাইৰ চকুৱে তেওঁৰ সোঁ চকুৰ কাষত থকা কটা দাগটো অন্বেষণ কৰিলে। গুৰুমূৰ্থিৰো এটা কটা দাগ আছিল। এইজন মানুহৰ কিন্তু চকুৰ ভ্ৰূ বিলাক ক'লা আৰু ঘন। তেওঁৰ সেই সৰু কটা দাগটো নাই। শঙ্কৰীৰ এই নিৰ্ভিক আৰু তীক্ষ্ণ দৃষ্টিত তেওঁ অসহজ অনুভৱ কৰিলে।

তেওঁ কৃতজ্ঞতাৰ চেতনাত আত্মবিমুগ্ধ হৈ খলখলকৈ শঙ্ককৰীক ধন্যবাদ দিবলৈ ধৰিলে। "আচলতে মই আপোনাক কেনেকৈ ধন্যবাদ জনাম ভাষাই বিচাৰি পোৱা নাই।"

"কোনো দৰ্কাৰ নাই"—শংকৰীয়ে কলে। "নাছিং হোমৰ অন্য এজন ডাক্তৰৰ দৰে মই মাথোঁ মোৰ কৰ্তব্য কৰিছো।" "কিন্তু আপোনাৰ দৰে এনে এজনী ডাক্তৰ থকাৰ কাৰণেই এই হস্পিতালৰ ইমান সুনাম আছে। নহয় জানো?" মূৰ্থীয়ে কলে।

"আপুনি বাৰু এইবোৰ কিয় আনিলে?" ফলমূলৰ টোপোলাটোৰ ফালে আঙুলিয়াই শংকৰীয়ে সুধিলে। "মই কোনো দান গ্ৰহণ নকৰো। যদি আপুনি মন কৰিছে তেতিয়া হলে নাছিং হোমলৈ এটা বৰঙনি দিব পাৰে।" থিৰো মূৰ্থীয়ে লক্ষ্য কৰিলে যে তেওঁ যদি নাছিং হোমলৈ এটা শকত বৰঙনি আগ বঢ়ায় তেন্তে তেওঁ তাক গ্ৰহণ কৰিবলৈ হয়তো দ্বিধা বোধ নকৰিব। তেওঁ শংকৰীৰ ফালে আগ্ৰহেৰে চালে। শংকৰীৰ মনটো হঠাতে স্কুলত পঢ়া দিন বোৰলৈ উভতি গ'ল। তাই দেখিলেযে হাঁহি থকা মুখৰ গুৰুমূৰ্থিহে যেনিবা তাইৰ সন্মুখত বহি আছে। পিছ মুহূৰ্ত্তে তেওঁ আত্মসচেতন হৈ পৰিল। প্ৰাক মূৰ্থীক সুধিলে—"আপুনি বাৰু বাধাক কিয় নানিলে?" "আপুনি বাধাৰ হে ডাক্তৰ। প্ৰকৃতপক্ষে আপুনি এতিয়া আমাৰ ঘৰৰেই ডাক্তৰ। মই আশা কৰোঁ আপোনাৰ

ইয়াত আপত্তি কৰিব লগা নাই ?” “আপত্তি নাই। কিন্তু মই প্ৰাইভেট চিকিৎসা কৰিবলৈ সময়েই নাপাওঁ নহয়।” তাইৰ উত্তৰত প্ৰতিশ্ৰুতি থকা যেন পাই মূৰ্থীয়ে কলে “আপোনাৰ যেতিয়াই সময় হয়, তেতিয়াই গলেই যথেষ্ট হ’ব। আমাৰ ঘৰত গাড়ীৰ কোনো অভাব নাই। আপোনাক যেতিয়াই এখন গাড়ীৰ দৰ্কাৰ তেতিয়াই আপোনাৰ দুৱাৰ মুখত আমাৰ গাড়ী হাজিৰ হবহি।”

শংকৰী মুগ্ধ হ’ল। “নাৰ্ছিং হোমলৈ এক হাজাৰ টকা দিলে হব নে ?” তেওঁ সুধিলে। শংকৰীয়ে নিজা কান দুখনকে যেন বিশ্বাস নকৰিব। বোধহয় এই মানুহজন অতি চহকী আৰু অন্তৰখন চাগৈ তাতোকৈ বেচি মহৎ।

“ধন্যবাদ” মিচিকিয়াই হাঁহি শান্ত ভাৱে উত্তৰ দিলে।

এই হাঁহিত থিৰো মূৰ্থীৰে নিজকে হেৰুৱাই পেলোৱাৰ অৱস্থা। এনে সময়তে মুনীয়া আমলে হাতত দুকাপ গৰম কফি লৈ সোমাল। লেনিবা এইটো এটা প্ৰয়োজনীয় বিৰতি।

মূৰ্থীয়ে কোঠাটোৰ চাৰিওফালে খুটিনাটি মাৰি লক্ষ্য কৰিলে। যদিও কোঠাটো সাধাৰণ ভাৱে সজোৱা হৈছে তথাপি, ইয়াত সুন্দৰ বস্তু বিলাক সুন্দৰ ভাৱে সজোৱা বাবে কোঠাটো আকৰ্ষণীয় হৈ পৰিছে। “এইজনী তিৰোতাই জীৱনক সুন্দৰ কৰাৰ কলা কৌশল জানে।” তেওঁ নিজে নিজে সিদ্ধান্ত কৰিলে। তেওঁ এটা লেফাফা উলিয়াই লৈ তাত দহখন এশ টকীয়া নোট ভৰাই তাক সম্মানেৰে সংকৰীৰ ফালে আগবঢ়াই দি কলে—“অনুগ্ৰহ কৰি এইখিনি লওক চোন।

“এয়া কি ?”

“ইয়াৰ ভিতৰত এহেজাৰ টকা আছে।” শংকৰীয়ে লেফাফাটো নোলোৱাকৈকলে “কিয় ? আপুনি দেখোন অহা কাইলৈ নিজে গৈ টকাখিনি নাৰ্ছিং হোমত দি আহিবগৈ পাৰে।”

“এইখিনি টকা হস্পিতালৰ বাবে নহয়। আপোনাৰ বাবেহে। মই হস্পিতালৰ বাবে বেলেগকৈ এমন চেক্ পঠিয়াম।

শংকৰীৰ পেটে পেটে ৰৰ খং উঠিছিল। কিন্তু তেওঁ অতি শান্ত ভাৱেই তেওঁৰ ফালে চালে "ডাক্তৰ" মুখিয়ে কলে "আপুনি সিখিনি কৰি দিলে তাৰ বাবে মই আপোনাক এইখিনি দিয়া নাই। আপুনি আপোনাৰ যি সহায় মোৰ দৰ্কাৰ হব তাৰ আগধন স্বৰূপেহে এই টকা দিছো। অনুগ্ৰহ কৰি ইয়াক গ্ৰহণ কৰক। আপুনি গ্ৰহণ নকৰিলে মোৰ প্ৰতি অসম্মান কৰা হ'ব।"

"আপোনাৰ এই দান গ্ৰহণ কৰাটো মোৰ কাৰণে অসম্মানৰ কথা।" শংকৰীয়ে প্ৰতিবাদ কৰিলে। "আপুনি মোক বুজি পোৱা নাই ডাক্তৰ।" তেওঁ কলে। "মই এটা দিনত যিমান পাব লাগে তাৰ দুগুণ আৰ্জো। অনুগ্ৰহ কৰি এই টকা গ্ৰহণ নকৰি মোৰ অন্তৰক আঘাত নিদিব আৰু আপোনাৰ মূল্যবান সেৱাৰ পৰাও মোক বঞ্চিত নকৰিব। মোৰ সৈতে, মোৰ পৰিয়ালৰ সৈতে হোৱা এই বন্ধুত্ব আপোনাৰ বাবেও সুবিধাজনক হ'ব।"

তেওঁ টকাৰ লেফাফাটো শংকৰীৰ হাতত জোৰকৈ গুজি দি খৰ খোজেৰে কোঠাৰ পৰা বাহিৰ হৈ ওলাই গ'ল। শংকৰীয়ে অল্প পিছতে গাড়ী খনৰ গুচি লোৱাৰ গুম গুমনি শুনিবলৈ পালে। মুনীয়া আমলে কিন্তু কোঠাৰ ভিতৰত কি ঘটনা ঘটি গ'ল সেই সম্পৰ্কে একোকে না-জানিলে। তাইৰ চিন্তা ভাবনাত একমাত্ৰ শংকৰীহে থাকিল। সেই নিশা কিন্তু শংকৰীয়ে শুবও নোৱাৰিলে, টোপনিও নাহিল। গুৰুমূৰ্ত্তিও এ সময়ত টকা এহেজাৰ তাইৰ হাতত গুজি দিছিল। সেইয়া কিন্তু বহু, বহু দিন আগতে।

শংকৰীয়ে গুৰুমূৰ্ত্তীৰ বিষয়ে থিৰুমূৰ্ত্তীক প্ৰশ্ন কৰাৰ কথা অনুভব কৰিছিল। ঠিক তেতিয়া টেলিফোনৰ ক্ৰিৰিং ক্ৰিৰিং শব্দই তেওঁৰ চিন্তাত ব্যাঘাট জন্মালে। থিৰুমূৰ্ত্তীয়ে টেলিফোনত কৈছিল "অনুগ্ৰহ কৰি আপুনি এই টকা খিনি আপোনাৰ হিচাপত লিখি নথব। এইটো মোৰ হিচাপ বহীটো ভৰোৱা হোৱা নাই আৰু কোনেও এই বিষয়ে জনাৰ আৱশ্যক নাই।"

শংকৰীয়ে তেওঁক গুৰুমূৰ্থিৰ বিষয়ে একো নসুধিলে। ডায়েৰীত তাই মাত্র লিখি থলে—"এটা ঘোচৰ ১০০০'০০ কলা টকা।" তাৰ পিছত তেওঁ টকা খিনি কাপোৰ থোৱা আলমাৰীৰ গোপন ড্রয়াৰত ভিতৰত থৈ সাৱধানে তলা লগাই বন্ধ কৰি দিলে।

শংকৰীয়ে টকাৰ মূল্যৰ কথা জানিছিল। অথচ তাই এই কথাও উপলব্ধি কৰিছিল সে ধন হীন মানুহ মৃতপায় বুলি যি এটা তামিল ভাষাত প্ৰবচন আছে সেইয়াও প্রকৃততে এটা ব্যঙ্গ হে। প্রকৃততে মৃত শৰীৰৰ বাবে ই এটা প্ৰচণ্ড ঠাট্টা। প্রতিদিনে লগ পোৱা হেজাৰ হেজাৰ ভোকাতুৰ মানুহ প্রকৃততে একোটা জীৱন্ত মৰাশ। সিহঁতৰ কোনো সম্মান নাই, সংস্কৃতি নাই, শিক্ষা নাই, জ্ঞান নাই, নাই কোনো জীৱন ধাৰণৰ পথ। মৰাশবোৰে অন্ততঃ ভোক অনুভৱ নকৰে, কিন্তু এই উশাহ লব পৰা অস্থি চৰ্ম্মসাৰ চুচৰি বাগৰি ফুৰা জীৱন্ত মৰাশবোৰে অতৃপ্ত ভোকৰ জুইত সিহঁতৰ আত্মাবোৰকে ধ্বংস কৰিছে।

গতিকে যদিহে তাই দিনত হেজাৰ হেজাৰ টকা উপাৰ্জন কৰা বুলি গৌৰব কৰি ফুৰা মানুহ এজনৰ পৰা এহেজাৰ টকা ঘোচ লয় সি কিবা মন কৰিব লগীয়া কথা হবনে? নাই তাই তেনেকুৱা মানুহৰ প্ৰতি বিবেকৰ ধনিষ্ঠ মানো দংশন অনুভৱ-নকৰাকৈ এক লাখ টকাও গ্ৰহণ কৰিব পাৰে।

মহা নগৰীৰ দুৰ্গন্ধময় গলিৰ পৰা সেই ডেকা মানুহজন ঘৈণীয়েকৰ সৈতে খুড়ীৰ ৰাতিপুৱাই শংকৰীকে দেখা কৰিবলৈ আহিছিল। তিৰোতা-জনীয়ে তাইৰ সৈতে কেচুৱাটোকো লৈ আহিছিল—কেচুৱাটোৰ হাড়-ছাল এক লগ হৈ পৰিছিল।

'তুমি ল'ৰা তিৰোতাৰ বাবে গৰম কম্বল কিনিলানে?' শংকৰীয়ে সুধিলে।

মানুহজন নীৰবে থাকিল। সকৈকে হাঁহি মুখ খজুৱাই বিপাওত পৰি সি অস্পষ্ট ভাৱে কলে—"কেচুৱাটোৰ কাৰণে গাখীৰেই নাই আৰু......।"

আনৰ প্ৰতি সৰ্বদা সহানুভূতিশীল শংকৰীয়ে মানুহজনৰ পুতো লগা অৱস্থাটো বুজি পাই তৎক্ষণাত বিষয়বস্তুৰ পৰিবৰ্ত্তন কৰি তেওঁৰ বোজগাৰৰ বিষয়ে সুধিব ধৰিলে।

মানুহজনৰ নাম আছিল ৰঞ্জন। সি চাইকেলৰ দোকান এখনত কাম কৰি মাহিলী মাত্ৰ পঞ্চাশ টকা উপাৰ্জন কৰে। তাৰ পৰা সি ঘৰ ভাৰাৰ বাবদ দহ টকা দিব লাগে। গতিকে বাকী থকা চল্লিশ টকাৰেহে সি কোনোমতে ঘৰ চলাব লাগে।

শংকৰীয়ে তিৰোতাজনীৰ ফালে লক্ষ্য কৰি কলে "তেনেহলে আমি এওঁৰ বাবে এটা ভাল সুবিধা চাব লাগিব। পিছে তুমি দেখোন তোমাৰ নামটো নকলাই।"

'দান লক্ষ্মী' তিৰোতাজনীয়ে উত্তৰ দিলে।

এটা করুণ উপলব্ধিৰ আঘাতত শংকৰীৰ চকুৰ পতা গভীৰ হ'ল। ভাত কাপোৰৰ অৰ্দ্ধমৃত এই তিৰোতাজনীৰ নাম 'দানলক্ষ্মী'! ধনৰ অধিষ্ঠাত্ৰী দেৱী। কি যে নিদৰুণ বাস্তৱ! সঁচা কথা তাইঁৰ মিচিকনিত এতিয়াও উজ্জ্বলতা আছে। তাইৰ নম্ৰ ব্যৱহাৰত আৰু অনুজ্জ্বল চকুহালিত আনক মুগ্ধ কৰাৰ ক্ষমতা আছে, তাইৰ মিঠা বৰনীয়া দেহৰ দেই যোৱা চালত মসৃণতা আছে। যদিহে তাইৰ দেহৰ শিৰা-উপশিৰাত আৰু অলপ তেজ থাকিলহেতেন তেন্তে তাইক সঁচাকৈয়ে ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী বুলিয়ে কব পৰা গল হেতেন। কিন্তু এই দুখীয়া অৰ্দ্ধমৃত তিৰোতাজনীৰ নাম 'দান লক্ষ্মী'। ধনৰ লক্ষ্মী। কি যে প্ৰহসন। শঙ্কৰীয়ে হাঁহিবই নে কান্দিবই ভাবিয়েই নাপালে। সঁচা কথা যদিহে এই তিৰোতাজনীৰ টকা থাকিলহেতেন তেন্তে তাইৰ দেহশ্ৰীও থাকিলহেতেন আৰু তাইৰ স্তনত কেচুৱাৰ বাবে অফুৰন্ত গাখীৰো থাকিলহেতেন।

"এই কেচুৱা ল'ৰাটোৱে তোমালোকৰ সৌভাগ্য ওভতাই আনিব" শঙ্কৰীয়ে কলে। 'তোমালোকে অতি সোনকালে মা লক্ষ্মীৰ আশীৰ্বাদ পাবা। তেওঁৰ কৃপাত তোমালোকৰ ঘৰ ধন ধানেৰে উপচি পৰিব।'

দেখাত মাত্র দুষাৰ সুখকৰ মিঠা কথা কিন্তু, এনে বাক্য দুটাৰো কি যে অসাধাৰণ শক্তি। দানলক্ষ্মীয়ে যেন নিস্তেজ প্ৰাণত আশাৰ বেঙনি দেখিলে। তাইৰ চকুৰেদি দুধাৰি আনন্দৰ চকুলো বাগৰি গ'ল। আৰু ৰঙ্গন? কৃতজ্ঞতা প্ৰকাশৰ অন্য একো উপায় নাপাই সি ডাক্তৰনীৰ চৰণত উবৰি হৈ প্ৰণাম জনালে।

'মা আপুনিয়ে আমাৰ দেৱী লক্ষ্মী স্বৰূপ। আপুনিয়ে আমাৰ ঘৰৰ গোসাঁনী। আপুনি যেতিয়া আছে তেতিয়া আৰু আমাৰ একোৰে অভাব নাই। গদ্‌গদ্ চিত্তে কথাখিনি কৈ সি লাহে লাহে নিৰ্ব্বাক হৈ পৰিল। আৰু দানলক্ষ্মীৰ বাবে? তাইৰ বাবে শঙ্কৰী যেন এজনী সাধাৰণ মৰণশীল মানুহ নহয়, তেওঁ যেন তেজ মঙহৰ সাক্ষাত লক্ষ্মী স্বৰূপা গোসাঁনী।

'ৰঙ্গন' শঙ্কৰীয়ে কলে। 'তুমিটো চাৰ্কেলৰ ফেক্টৰীত কাম কৰিব ৰাতিপুৱা ন বজাত হে যোৱা। গতিকে থিক সাতটাৰ পৰা ন বজালৈ ৰাতিপুৱা দুঘণ্টা আৰু ঠিক সেইদৰে গধূলি এঘণ্টামান মোৰ বাগিছাখনত কাম কৰিব নোৱাৰানে?'

'মোৰ ল'ৰা সঁচাই ভাগ্যবান'—দানলক্ষ্মীয়ে স্বগোক্তি কৰি ল'ৰাটোৰ কপালত খৰধৰকৈ এটা চুমা খালে।

কৃতজ্ঞতাত অভিভূত হৈ ৰঙ্গনে কলে—'নিশ্চয় মা।' মই আজিৰ পৰাই কাম আৰম্ভ কৰিম।'

অলপ পিছতে ৰঙ্গন আৰু তাৰ ঘৈনীয়েক উভতিল, সিহঁতৰ হাতত, আপেল, আঙুৰ আৰু কমলাৰ এটা ডাঙৰ টোপোলা। যাওঁতে বাটত ৰঙ্গনে কলে—'বুজিছা ল'ৰাৰ মাক সচাঁকৈয়ে ভগবান আছে। দান-লক্ষ্মীয়ে কলে ভগৱান আচলতে এই তিৰোতাজনীৰ অন্তৰতে আছে।'

সিহঁত যোৱাত শঙ্কৰীয়ে নিজৰ কোঠাত সোমাল আৰু অলপ পিছতে গভীৰ অধ্যয়নত নিবিষ্ট হৈ পৰিল। ইতিমধ্যে তেওঁ 'পুষ্টিসাধনৰ' ওপৰত গবেষণা আৰম্ভ কৰিছিল আৰু তাৰ বাবে বহু সংখ্যক কিতাপ পত্ৰও সংগ্ৰহ কৰিছিল। তাইৰ ইচ্ছা—পুষ্টিকৰ অথচ সুলভ দামৰ

খাদ্য দ্ৰব্যৰ ওপৰত এখন কিতাপ লিখা।

হঠাতে মুনীয়া আমলে শঙ্কৰীৰ ওচৰলৈ আহিল আৰু কলে— 'কোনোবা এজন মানুহ আহিছে।' আৰু শঙ্কৰীৰ হাতত মানুহজনৰ 'ভিজিটিং কাৰ্ডখন' দিলে।

'থিৰোগ্‌ননম'—'টিৰুচি'—তাই পঢ়িল। আৰু লগে লগে তাইৰ মুখখন উজ্জ্বল হৈ পৰিল।

খৰধৰকৈ টেবুলত সিচৰিত হৈ থকা কিতাপ কাগজবোৰ পৰিপাটিকৈ থবলৈ ধৰি তাই কলে—'তেওঁক ভিতৰলৈ আহিব দিয়া।' বোধহয় তেওঁ কথাষাৰ অন্যমনস্ক ভাৱে কৈছিল কিয়নো তেওঁৰ শোৱনী কোঠাত কেতিয়াও কাকো দেখা নকৰে। মুনীয়া আমলে ভাবিলে। 'তই দেখোন থিয় হৈ থাকিলি ? যা আকৌ মানুহজনক আহিবলৈ কগৈ।' মুনীয়া আমল আচৰিত হৈ কোঠাৰ পৰা ওলাই গ'ল।

শঙ্কৰীয়ে আইনাখনৰ সন্মুখত থিয় হৈ নিজকে এবাৰ চালে। চুলিত গুজি লোৱা গোলাপ ফুলটো কানৰ কাষতে দেখা পোৱাত তাইৰ নিজৰ ওপৰত প্ৰতীতি জন্মিল।

তাই উভতি চালে। দুৱাৰৰ সন্মুখত থিয় হৈ জোটা খুলিবলৈ থিৰোগনমে মন কৰিছে। "সোমাই আহা—জোটা খোলাৰ কথা তুমি ভাবিব নালাগে।" স্বতঃস্ফূৰ্ত্ত আনন্দৰ এই উক্তি তাইৰ নিজৰ বাবেও কিবা নতুন বোধ হ'ল।

ইস্ত্ৰি নথকা আহল-বহল পাইজামা পিন্ধা থিৰুগনম নীৰৱে কোঠাৰ ভিতৰত সোমাল আৰু চকি এখনত বহি পৰিল। তেওঁৰ বয়স প্ৰায় ত্ৰিশ বছৰ। সাধাৰণ উচ্চতা আৰু মিঠাবৰণীয়া এই মানুহজনৰ কপালখন কিছু পৰিমাণে বহল। তেওঁ চকিখনত স্থিৰ হৈ বহিছিল। তথাপি শঙ্কৰীৰ সন্মুখত নিজকে তেওঁ অপ্ৰস্তুত যেন অনুভৱ কৰিছিল আৰু তাৰ বাবেই তেওঁ যেন তলৰ ফালে লক্ষ্য কৰিলে।

"মই যে ইয়াত আছো তুমি বাৰু কেনেকৈ জানিলা ? তুমি জানো মাদ্ৰাজত আছা ?" শংকৰীয়ে সুধিলে।

মোৰ অফিচ দিল্লীত। অফিচৰ কামতে মই বহুতো ঘূৰিব লগীয়া হওঁ। আজি এসপ্তাহ আগতে মই মাদ্ৰাজলৈ আহিছো। সিদিনাখন টেলিফোন ডাইৰেক্টৰীখনৰ পাত লুটিয়াই থাকোতেহে হঠাতে তোমাৰ নামটোও পালো।”

“তেনেহলে তুমি দেখোন মোক এবাৰ ফোন কৰিবই পাৰিলাহেতেন।”

“অন্য হোৱা হলে তাকেই কৰিলেহেতেন আৰু তেতিয়াহলে তুমিও হয়তো ক'লাহেতেন—‘কোন থিৰুগনম’ মইতো তেওঁক চিনি নেপাওঁ নাইবা…।”

“হৈছে হৈছে ইমান সাৱধান মানুহ বুলি নেদেখুৱালেও হ'ব। প্ৰত্যেকটো কামতে তুমি যে কি সাৱধান সেইয়া মই জানো। পিছে মই জানো। পিছে মই মেডিকেল কলেজত পঢ়ি থকাৰ সময়ত এবাৰ দেখা হোৱাৰ পিছত এইয়া প্ৰথম বাৰ আমি ল'গ হৈছো নহয় জানো?”

“প্ৰায় পাঁচ বছৰ অতীত হৈ গ'ল। থিৰুগনমে অজানিতে এটা হুমুনিয়াহ কাঢ়িলে।

“তুমি বোধহয় মোক খং কৰিছা। নহলেনো তুমি এই সুদীৰ্ঘ পাঁচ বছৰে মোক পাহৰি থাকিব পাৰানে?”

থিৰুগনমে লাহে লাহে মূৰ দাঙি তাইৰ চকুৰ ফালে গভীৰ দৃষ্টিৰে চালে। আৰু চকুৰ ভাষাৰেই যেন প্ৰশ্ন কৰিলে ‘এই কথাৰ বাৰু অৰ্থ কি?’ তেওঁ আকৌ তলমূৰ কৰিলে।

‘অনুগ্ৰহ কৰি এক মিনিট ব'ৰা দেই।’ এই বুলি কৈ শংকৰীয়ে তৰাতাৰিকৈ ভিতৰলৈ সোমাই গ'ল।

যাওঁতে বতাহত তাইৰ চুলিত থকা গোলাপৰ পৰা পাহি এটা উৰি আহি থিৰুগনমৰ কোলাত পৰিল। অতি আলফুলে তেওঁ গোলাপৰ পাহিটো হাতত তুলি ললে। কিমান মধুৰ, কিমান কোমল এই গোলাপৰ পাহিটি। তেওঁ নাকেৰে গোন্ধ শুঙি চালে। আকৌ এবাৰ তেওঁ হুমুনিয়াহ কাঢ়িলে। ট্ৰে এখনত কেইটামান আপেল লৈ শংকৰী ভিতৰলৈ সোমাই আহিল। তেওঁ যে গোলাপৰ পাহিটি অতি সাৱধানে হাতৰ মুঠিত আলফুলে ৰাখিলে শংকৰীয়ে কিন্তু দেখাকে নাপালে।

৭

কিছুমান মানুহ আছে তেওঁলোকে এটি মাত্র দৃষ্টিৰ দ্বাৰাই আনৰ মনৰ গুপ্ত আনন্দ বা বেদনাৰ খবৰো পায়। ঠিক তেনে ধৰণৰ গুপ্ত খবৰ এটাই মৃনীয়া আমলে শংকৰীৰ উজ্জ্বল মুখমণ্ডলত প্ৰতিভাত হোৱা দেখিবলৈ পালে।

শংকৰীয়ে এই নাৰ্চিংহোমত ডাক্তৰ হিচাপে অহাৰ বহু আগৰে পৰাই তাই এই ঘৰত কাম কৰিছিল। কিন্তু ইমান দিনে তেওঁ কোনো কাহানিও শংকৰীৰ চকুত এনে উজ্জ্বলতা দেখা নাছিল। থিৰুগনমৰ ফালে চাই তাই যেতিয়া তেওঁৰ চকুত নিজৰ চকু থাপে কি যেন এক অবুজ আনন্দৰ শিহৰণত তাইৰ সমগ্ৰ মুখ আৰু চকুহানি উজ্জ্বল হৈ পৰে।

শংকৰী এজনী সম্পূৰ্ণ পুৰঠ গাভৰু। সেই হিচাপে তাইৰ মুখৰ মিচিকি হাঁহি, চঞ্চল খোজকাটল আৰু মুখৰ মধুৰ কথাই তাইৰ জীৱন যৌৱনৰ শক্তি সামৰ্থ্যৰ কথাই সূচায়। কিন্তু তথাপি যেন কিবা এক অনামী বেদনাই তাইক সদায় খেদি ফুৰে।

মৃনীয়া আমলে তাইৰ এই দুখৰ কাৰণ কি হব পাৰে তাৰ ভাষা বিচাৰি নাপায়। তথাপিও তাই বুজি পাইছে—শংকৰীয়ে সাহসেৰে এই বয়সতেই বেদনাৰ মুক্তিৰ পথ খেদি ফুৰিছে।

থিৰুগনমৰ ভিজিটিং কাৰ্ডখন দেখিয়েই তেওঁ যে কি লৰা ধপৰাকৈ টেবুল পৰিপাটি কৰিবলৈ লাগি গৈছিল। আৰু যত কোনো মানুহক দেখা সাক্ষাৎ কৰা নাই তেনে মানুহক এক মুহূৰ্ত্তও ইতস্ততঃ নকৰাকৈ তেওঁক তাইৰ শোৱনী কোঠালৈ মাতি পঠিয়াইছিল। আৰু মুখত কেনে উজ্জ্বল হাঁহি লৈ প্ৰায় দেও দিয়ে তাই তেওঁৰ কাৰণে কফি তৈয়াৰ কৰিবলৈ পাকঘৰৰ ভিতৰলৈ সোমাই গৈছিল। শংকৰীৰ খোজ কাটল আৰু মুখৰ এই সাধাৰণ পৰিবৰ্ত্তনটো কিন্তু মৃনীয়া আমলৰ দৃষ্টিৰ পৰা সাৰি নগল। তেওঁ যেন গোপন ৰহস্যৰ কথা বুজি পাইছিল।

মূনীয়া আমলে তাইৰ ওচৰলৈ গৈ সুধিলে 'এই ভদ্রলোকজনৰ বাবে মইও কিবা কিবি বনাম নে ?'

শংকৰীয়ে তীক্ষ্ণ দৃষ্টিৰে মূনীয়া আমলৰ ফালে চালে। সিহঁতৰ ঘৰত কোনো আলহীকে কোনো দিন সোধপোচ কৰা হোৱা নাই। চাবি চকুৰ মিলনত দুয়ো যেন এই কথাই বুজি পালে।

শংকৰীয়ে হাঁহি হাঁহি কলে—'নিশ্চয় তুমি যি ইচ্ছা কৰা তাকেই বনোৱা। মইও তেওঁক সুধিম।

সেইদিনাখন অবেলিয়েই থিৰুগনম দিল্লীলৈ উভতি যোৱাৰ কথা আছিল, কিন্তু তেওঁ শংকৰীক নাথাকিম বুলি কব নোৱাৰিলে। 'পিছে তুমি কি চাকৰী কৰিছা মোক হলে এতিয়াও একো কোৱাই নাই দেই' শংকৰীয়ে কথা আৰম্ভ কৰিলে। থিৰুগনমে তৎক্ষণাত উত্তৰ নিদিলে। কিছু সময় তেওঁ ইতস্ততঃ কৰি কলে—'মই এটা ডাঙৰ ঔষধৰ কোম্পানীত চাকৰী কৰো ; দেশৰ বিভিন্ন ঠাইত ঘুৰি ফুৰি কোম্পানীৰ ঔষধবোৰৰ বিক্ৰীৰ তদাৰক কৰিব লাগে। বস্তুৰ দাম কমাই তাৰ বিক্ৰী বৃদ্ধি কৰাই আমাৰ কোম্পেনীৰ প্ৰধান পৰিকল্পনা।' তেওঁ ঔষধ কোম্পেনীটোৰ নামো কলে। শংকৰীয়ে জানিছিল যে সেই ঔষধ কোম্পেনীটোৱে ভাল ঔষধ তৈয়াৰ কৰে। থিৰুগনমে তাত কাম কৰা বাবে তাই ভাল পালে।

"অৰ্থাৎ এতিয়া আমাৰ দুয়োৰো কাম দুটা পৰস্পৰ সম্পৰ্ক থকা। তোমাৰ ঔষধৰ কোম্পেনীটো প্ৰকৃততে বৰ ভাল। আজিৰ এই ভেজাল ঔষধৰ দিনতো তোমাৰ কোম্পেনীটোৱে কিন্তু ভাল ঔষধ তৈয়াৰ কৰাত গুৰুত্ব দিছে।"

'আৰু সেই কাৰণেই আমাৰ কোম্পেনীটোৱে লোকচান ভৰাৰ আশংকাত কঁপিব লগা হৈছে।' থিৰুগনমে কলে। "আমাৰ ঔষধৰ গুণবোৰ যে ইমান উচ্চ ধৰণৰ তাৰ কাৰণ কি জানা ? আমাৰ কোম্পেনীৰ মুৰব্বীজন প্ৰকৃততে বিশেষ ব্যক্তিত্ব সম্পন্ন মানুহ। আচলতে তেনে সৎ আৰু মহৎ ব্যক্তিৰ পৰাহে ভাল কাম আশা কৰিব পাৰি।

কিন্তু, আমাৰ দেশত বৰ্ত্তমান কোনো মানুহে তেনে ব্যক্তিৰ প্ৰতি যত্নবান নহয়।”

শংকৰীয়ে থিকগনমৰ মূল্য ভালদৰেই বুজিছিল। তেওঁৰ কথাত তাই অলপ যন্ত্ৰণাও বোধ কৰি সুধিছিল ‘এটা ভাল কোম্পেনীয়ে কিয় লোকচান হোৱাৰ আশংকাত কঁপিব লাগে বাৰু?’

‘চমুকৈ কবলৈ হলে স্বাৰ্থপৰ—ব্যৱসায়ীবোৰে অতি নিম্ন খাপৰ ভেজাল বস্তু তৈয়াৰ কৰিয়ে তাৰ ওপৰত লাভবান হয় আৰু আটাইতকৈ বেয়া কথা হৈছে যে—সেই অসৎ চৰিত্ৰৰ মানুহবিলাকে সিহঁতে পাব নলগীয়া প্ৰতিৰক্ষাও পায়। ভণ্ডামি আৰু শঠতাই আজি ব্যৱসায় জগত চানি পেলাইছে।

এই কথাত শংকৰীয়ে মনত এটা আঘাত অনুভৱ কৰিলে। তেওঁৰ কথাবোৰ যেন তাইৰ বিবেক বিন্ধি সৰকি গ’ল। থিকমুখিয়ে দিয়া সেই টকা এক হেজাৰৰ কথা তাই মনত পেলালে।

তেওঁ আকৌ আৰম্ভ কৰি কলে—“শংকৰী তুমি বোধহয় নাজানা যে The bane of imitation is not contained to mediciner? ইয়েই হৈছে সকলো সমাজ জীৱনৰ মূল। যি জন ৰাজনীতিবিদে সাম্যবাদৰ বক্তৃতা দিয়ে তেওঁৰ কিন্তু চাৰিটা বংশধৰ ভালদৰে চলিবৰ বাবে সম্পত্তি আছে, যি জন কৰ্মচাৰীয়ে অফিচৰ কাগজত পৰিকল্পনাৰ বিষয়ে গধুৰ প্ৰবন্ধ লিখে, তেওঁ কিন্তু নিজৰ কাৰণে সুউচ্চ বৃহৎ অট্টালিকা সাজিছে, বৃহৎ ব্যৱসায়ীবোৰে বস্তুত ভেজাল কৰে, ক’লা টকাৰ কাৰবাৰ কৰে, উদ্যোগপতি বিলাকে উচ্চপদস্থ বিষয়াক হাতৰ মুঠিত ৰাখে। কৰ্মচাৰী বিলাকে কাম নকৰাকৈ জীয়াই থাকিব খোজে, ভুৱা কথা, ভুৱা বাতৰি কাকত, ভুৱা চিনেমাৰ দৃশ্য—এইবোৰেই আমাক, আমাৰ সামাজিক অস্তিত্বক দিনে দিনে ধ্বংসৰ গৰাহলৈ লৈ গৈছে।”

“তোমাৰ কথা-বতৰাৰ পৰা তোমাক কিন্তু ঔষধ কোম্পেনীৰ ৰিপ্ৰেজেন্‌টেটিভ যেন নালাগে। হাইস্কুলত পঢ়া দিনত কৈও এটা উচ্চ আদৰ্শৰ বাবে কাম কৰি থকা যেন হে লাগে।

"মই দেশখনত ইমূৰ-সিমূৰ ঘূৰি আছো। অৱশ্যে এনে নহয় যে দেশখনত আগতে কোনো ধৰণৰ কলুষতা নাছিল। এতিয়া কিন্তু দেশৰ সৰ্বত্ৰতে এজনে অন্যজনক মিছলীয়া, ঠগ, প্ৰৱঞ্চক সাজিছে অথবা প্ৰৱঞ্চনা প্ৰতাৰণাৰ বিৰুদ্ধে মাত মাতিবলৈ ভীৰু, কাপুৰুষ সাজিছে। টান কথা অথবা বেয়া শব্দ কব লগীয়া হোৱা বাবে তুমি মোক বেয়া নেপাবা। আচলতে আজিৰ বহুতো মানুহেই সিহঁতৰ বিবেক, বিবেচনা সকলো বিসৰ্জন দি নিজকে বেশ্যাত পৰিণত কৰি ভোগ-বিলাসৰ চমু পথ লৈছে।" কথা কৈ থাকোতে থিৰুগনমৰ মুখখনো খণ্ডতে ৰঙা হৈ পৰিছিল। শংকৰীয়ে তেওঁৰ মুখৰ এই পৰিৱৰ্ত্তনবোৰ অতি সূক্ষ্ম ভাৱে লক্ষ্য কৰিছিল। অকনমান হাঁহি শংকৰীয়ে কলে—"এজন ব্যৱসায়ীয়ে জানো ইমান সোণকালে ধৈৰ্য্য হেৰুৱাটো উচিত ?"

'এই পৃথিৱীত সকলোৰেই ব্যৱসায়। তুমি আৰু মই শ্ৰম বিক্ৰী কৰিছো। কোম্পেনীৰ মালিকে ঔষধ বিক্ৰী কৰি জীৱিকা আৰ্জিছে কিন্তু তেওঁ যদি সেই নকল ঔষধ তৈয়াৰ কৰি সেইবোৰ খাটি দামতেই বিক্ৰী কৰি ঔষধৰ মানদণ্ড যদি নিম্ন কৰে—সেইয়া হৈছে বেশ্যালী। যিজন মানুহে তিৰোতাক সতী, সাধ্বী আৰু পৱিত্ৰ হিচাপে পাবলৈ বিচাৰে তেৱেঁই হয়তো খোলাকৈয়ে তিৰোতাৰ ব্যৱসায়কে দিনে দিনে বৃদ্ধি কৰিছে।" এসময়ত কঠিম দাৰিদ্ৰ্যৰ গৰাহত পৰা থিৰুগনমৰ প্ৰতি শংকৰীৰ আছিল অপৰিসীম শ্ৰদ্ধা। বাতৰি কাকত বিক্ৰী কৰা হকাৰ হিচাপে কাম কৰিয়েই এই মানুহজনে এসময়ত স্কুলত নাছল দি পঢ়িছিল। অৱশ্যে সেই সময়ত শংকৰীয়ে থিৰুগনম আৰু তেওঁৰ মাকৰ জীৱন সংগ্ৰামৰ দুখ যাতনাৰ কথা উপলব্ধি কৰিব পৰা নাছিল। এতিয়া কিন্তু সচাঁকৈয়েই তাই সকলোবোৰ নিজ হৃদয়ৰ হাড়ে হিমজুৱে হৃদয়ঙ্গম কৰিছে।

"তাৰ মানে তুমি মানুহৰ শাৰীৰিক বেমাৰৰ বাবে ঔষধ বিক্ৰী কৰাটোত সন্তুষ্ট নহয়। তুমি চাগে মানবীয় প্ৰৱঞ্চনাবোৰ নাশ কৰিবলৈহে ঔষধ দিবলৈ ভাল পাবা। পিছে মই হতভাগিনী হলে

মানুহৰ শৰীৰৰ বেমাৰ চিকিৎসা কৰা এজনী সাধাৰণ ডাক্তৰণীহে। অৱশ্যে আমি তোমালোকৰ ঔষধ কোম্পেনীৰ বহু ঔষধে হস্পিতালত ব্যৱহাৰ কৰিছো। আমাৰ হস্পিতালৰ মূৰব্বী জনীও তোমালোকৰ কোম্পেনীৰ মালিকৰ দৰে মহৎ তিৰোতা।"

"সেই বুলি মই আক, তোমাৰ ওচৰত ঔষধ বিক্ৰীৰ বাবে অহা বুলি ধৰি নললবাচোন।"

'তেনেহলে কিয় আহিছা?' শংকৰীয়ে সুধিলে।

খিৰুগনমে ইমান সময় শংকৰীৰ চকুৰ ফালে চায়েই কথা পাতি আছিল। কিন্তু, শংকৰীয়ে প্ৰশ্ন কৰাৰ লগে লগে চকুহাল তেওঁ মাটিৰ পিনে নমাই ললে। সামাজিক বিষয়ৰ ওপৰত তেওঁ যি সাহসেৰে ইমান সময় তাইৰ সৈতে কথা পাতিছিল সেই সাহস যেন তেওঁৰ হেৰাই গ'ল। সৰুকৈ এটা হুমুনিয়াহ কাঢ়ি তেওঁ কথা বন্ধ কৰি নীৰৱে থাকিল।

'কাৰণটো কি?' শংকৰীয়ে আকৌ সুধিলে।

'নাই একো কাৰণ নাই। বহু দিন আগতেই মই তোমাৰ সৈতে হাৰি গৈছো। আমি নীৰৱে থকাই ভাল। পিছে মোৰ হলে দেৰি হ'ল। যদি ভাত হ'ল তেতিয়াহলে খাই বৈ তোমাক এবাৰি আশীৰ্ব্বাদ দি মই যাবই পাৰো।"

"সচাঁকৈয়ে তুমি মোক অন্তৰৰ পৰা পৰা আশীৰ্ব্বাদ দিবানে?"

"নিশ্চই দিম। তোমাক মোৰ প্ৰেম গ্ৰহণ কৰিবলৈ যি ব্যক্তিগত প্ৰচেষ্টা কৰিছিলো তাত মই হাৰ মানিছো। কিন্তু, মোৰ প্ৰতি তোমাৰ ভালপোৱা আছে। এই ভালপোৱাৰ প্ৰকৃতি যিয়েই নহওক মই কিন্তু সেইয়া পাইছো। গতিকে তাৰ বাবে মই জানো কৃতজ্ঞতা প্ৰকাশ নকৰিম?"

"আজি বাৰু কিমানখিনি পালা?

"তোমাৰ ধৈৰ্য্যৰ ওপৰত পৰীক্ষা লোৱাৰ দৰে মই ইতিমধ্যে বহু বিষয়ৰ বহু কথাই কলো। তুমি সেইবোৰ নীৰৱে শুনিছা। তুমি অকল সময়ৰ অপচয় কৰাই নহয়, দুপৰীয়াৰ ভাত সাজো তুমি খুৱাইছা।

এইবোৰেই জানো তোমাৰ ভালপোৱাৰ বহিঃপ্ৰকাশ নহয় ?”

হঠাতে কিবা এটা কথা মনত পেলাই শংকৰীয়ে তেওঁক সুধিলে—“তুমি বিয়া কৰালানে ?'

'তুমি একা ?'

'মোৰ নামফলি থকা নামৰ আগত ‘মিচ্’ বুলি লিখা থকা তুমি জানো দেখা নাই ?'

“যদিহে মতা মানুহৰ বেলিকাও তেনে কিবা এটা বিশেষ উপশব্দ থাকিল হেতেন তেনেহলে মইও মোৰ ভিজিটিং কাৰ্ডত থকা নামটোৰ আগত লিখি ললোহেতেন।”

'তেনেহলে তুমি কেতিয়াকৈ বিয়া পতাৰ কথা ভাবিছা ?'

'তুমি একা ?'

'চোৱা আমি আকৌ কাজিয়া কৰিবলৈ আৰম্ভ কৰি দিলো। ইতিমধ্যে মই দেখোন তোমাক কৈছোৱেই যে মই কেতিয়াও বিয়াত নবহো।' “মই যেতিয়া বিয়া পাতিম তোমালৈ নিশ্চয় এখন নিমন্ত্ৰনী পত্ৰ পঠিয়াম। এই মুহূৰ্ত্তত মোৰ বাবে মোৰ চাকৰীটোৱেই বহুত। বহুঠাই চাব লাগিব, বহু মানুহক লগ পাব লাগিব, বহুতো জয় আৰু বহুতো পৰাজয়ো পাব লাগিব—গতিকে বিয়াৰ কথা ভাবিবলৈ মোৰ সময় ক'ত ?”

“সিমান সহজে তুমি কিন্তু এৰাই যাব নোৱাৰা।” শংকৰীয়ে কলে।

“কিন্তু ইয়াত বাহিৰে মোৰ অন্য উপায় নাই। আচলতে মই পৰাজয় গ্ৰহণ কৰিবলৈ ভীষণ টান পাওঁ।”

শংকৰীয়ে আৰু বেছিকৈ কিবা কৈ তেওঁক আঘাত দিবলৈ ভাল নাপালে। সেয়ে কলে ‘বলা ভাত খাওঁগে।’ দুয়ো খাবৰ বাবে উঠি গ'ল।

তেওঁ নিজেই খিকগমমক খোৱাৰ বস্তুবোৰ যতনাই দিলে। অথচ ভাই হলে নিজে নাখালে। খিকগনম সোণকালে গুচি গ'ল।

শংকৰীও 'লাঞ্চ' খাই ললে আৰু হাত মুখ ধুৱৰ বাবে টেপৰ ওচৰলৈ গ'ল। তাতে তাই এখন সোট মোচ খাই ভাজ লাগি থকা চিঠি এখন পৰি থকা দেখিবলৈ পালে। চিঠিখন থিকগনমৰে আছিল। থিকগনমৰ কাম কাজত তেওঁৰ ওপৰৰ অফিচাৰে সন্তুষ্ট হোৱা বুলি জনাই তেওঁৰ বন্ধু এজনে প্ৰশংসা কৰি এই চিঠিখন লিখিছিল। থিকগনমেও যে তাৰ উত্তৰ দিছিল তাৰ ইঙ্গিতো তাত আছিল।

চিঠিখন নিশ্চয় তেওঁৰ পকেটৰ পৰাই পৰিছিল। চিঠিখন পঢ়ি শংকৰীয়ে কিন্তু মানসিক আঘাত পালে। থিকগনমৰ বাবে হয়তো চিঠিখন সিমান দৰ্কাৰী নাছিল, কিন্তু তাইৰ বাবে আছিল অতি দৰ্কাৰী।

চিঠিখনে তেওঁ যো প্ৰকৃততে কোন সেই কথাটো প্ৰকাশ কৰিছিল। তেওঁ নিশ্চিত ভাৱে ঔষধ বিক্ৰী কৰা এজেণ্ট নহয়। তেনেহলে তেওঁ কিয় বাৰু তাইক ফাকি দি গ'ল। এইয়া কি তাই ডাক্তৰণী হোৱা বাবেই ?

তাই এবাৰ তেওঁলৈ অতি সোণকালে ফোন কৰি তেওঁৰ এই ভুৱাটো ধৰা পেলোৱাৰ কথা জনাবলৈ মন কৰিলে। কিন্তু শেষত তাই সেইয়া নকৰিলে। 'তেওঁৰ বাবে এই চিঠিখন বৰ দৰ্কাৰী নহয় তেনেহলে মই বাৰু তেওঁক কিয় এই বিষয়ে জনোৱা উচিত ? এই কথাই তেওঁক মনত আঘাত হে দিব।' তাই নিজকে নিজে কলে।

তেওঁ এতিয়া বহু উচ্চতাত আৰোহণ কৰিছে। এনে এটা সময়ো আছিল যি সময়ত কঠিন দাৰিদ্ৰতাই তেওঁৰ জীৱন অভিশপ্ত কৰি তুলিছিল। এতিয়া সেইজন মানুহেই কিন্তু দেশৰ পৰা দৰিদ্ৰতা নাশ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা হৈছে। শংকৰীৰ কানত যেন এই মানুহজনে যে উপকথাৰ নায়কৰ দৰে প্ৰত্যাহবান দি সাহসেৰে কৈছে "মই সমগ্ৰ পৃথিৱীৰ পৰাই দাৰিদ্ৰতা দূৰ কৰিম।"

সেইদিনাখন শংকৰীৰ মনটো আনন্দতে ভৰি আছিল। আৰামী চকি খনত বহিলৈ তাই আগৰ দৰে সেইদিনাখন আৰু বাতৰি কাকত আলোচনীৰ ওপৰত মনোযোগ দিব নোৱাৰিলে। অতীতৰ বিস্মৃত হুৰলৈ ধৰা স্মৃতিবোৰ বাৰে বাৰে মনত পেলাই, থিৰুগনমৰে দিবাস্বপ্ন ৰচি ৰচি তাই যেন প্ৰেম-ভালপোৱাৰ জগতখনত নীৰৱে হেৰাই গ'ল।

থিৰুগনম আছিল বাতৰি কাকত বিক্ৰী কৰা এজন 'হ'কাৰ'। চাৰ্কেলৰ টিলিঙা বজাই এই ল'ৰা জনেই প্ৰতিতো ৰাতিপুৱাতে সেই সময়ত সিহঁতৰ ঘৰত খবৰকাগজ দি গৈছিল হি। গধূলী আকৌ ঘৰুৱা শিক্ষকৰ ভূমিকা লৈ—এই মানুহজনেই চাৰিটা ল'ৰা-ছোৱালী পঢ়ুৱাবলৈ প্ৰতি গধূলী ওলাই গৈছিল। অথচ তেৱেঁই আকৌ স্কুল-কলেজৰ প্ৰতিতো শ্ৰেণীতে সদায় প্ৰথম হৈয়েই উত্তীৰ্ণও হৈছিল। এই ডেকা-জনেই—এসময়ত শংকৰীৰ ফালে অন্তৰৰ আকুল দৃষ্টিৰে চাইছিল আৰু চকুৱে চকুৱে পৰিলে নম্ৰভাৱে চকু নমাই নিছিল। একেজন থিৰুগনমৰে এনে বহু ৰূপ, বহুতো মুহূৰ্ত্ত।

যদিও তেওঁ শংকৰীৰ ওচৰ সম্পৰ্কীয় আত্মীয়ই আছিল—তথাপি তেওঁ সদায় নিজকে তাইৰ পৰা এটা নিৰ্দিষ্ট ব্যৱধানত ৰাখিছিল। তাইৰ দেউতাক—যদিও ৰেলওৱে অফিচৰ এজন সাধাৰণ কেৰাণীয়েই আছিল তথাপি প্ৰতি মাহৰ এক তাৰিখে নগদ দৰ্ম্মহা পোৱা বাবেই নেকি শংকৰীৰ দেউতাকে কিন্তু নিজকে এজন ধনী-মানী ব্যক্তি বুলিয়েই গণ্য কৰিছিল।

তামিলনাড়ুৰ প্ৰচলিত সামাজিক ৰীতি অনুসাৰে থিৰুগনমে তেওঁৰ পাৰিবাৰিক সম্বন্ধৰ বলত স্বাভাৱিকতে শংকৰীৰ দৰাৰ প্ৰাৰ্থীত্বও দাবী কৰিব পাৰিছিল। কিন্তু, শংকৰীৰ দেউতাকৰ বাবে থিৰুগনম আছিল—এজন নিতান্ত সাধাৰণ অচিন 'হকাৰ' হে। এই ল'ৰাজন আৰু তেওঁৰ মাকৰ দুখ-কষ্টৰ জীৱন যাত্ৰাই এই বুঢ়া মানুহজনক তেওঁলোকৰ প্ৰতি বিদ্বেষী কৰিহে তুলিছিল। ঠিক সেই মুহূৰ্ত্ততে তাই তাইৰ বিগত জীৱনৰ তিনিটা অধ্যায়ত থিৰুগনমে লোৱা ভূমিকাৰ কথা মনত

পেলাইছিল।

সেই সময়ত তাই গুৰুমূৰ্থিৰ প্ৰতি লাহে লাহে অনুৰক্ত হৈ পৰিছিল। গুৰুমূৰ্থিৰ প্ৰতি থকা তাইৰ এই অন্তৰৰ অনুৰাগ ক্ৰমাৎ ভাল পোৱাৰ ফালে ঢাল লৈছিল। গুৰুমূৰ্থিৰ সৈতে এটি আবেলি সুন্দৰভাৱে কটাই— গধূলি সময়ত ঘৰলৈ উভতিছিল। মনৰ উচ্ছ্বাস আৰু অন্তৰৰ অধীৰ আনন্দত মতলীয়া হৈ তাই লয়লাগে খোজ কাঢ়ি আহি আছিল।

সেই পথৰেই চাৰ্কেল লৈ অহা থিৰুগনমে তাইক ল'গ পাই— ঘপকৈ তাইৰ কাষতে চাৰ্কেলখন ৰাখি থিয় হ'ল। সেইদিনাখন কিন্তু, থিৰুগনমৰ চকুত সেই আকুল আগ্ৰহৰ দৃষ্টি নাছিল, নাছিল তাৰ মুখত সাধৰণতে লাগি থকা সেই লাজুক লাজুক ভাব। অতি পোণ আৰু স্পষ্টভাবেই সি তাইৰ চকুলৈ চাইছিল আৰু শংকৰীহে সেইদিনাখন তলমূৰ কৰিব লগাত পৰিছিল। তেওঁ কৈছিল—'শংকৰী, তোমাক কিবা কিবি সুধিব লগীয়া হোৱা বাবে ক্ষমা কৰিবা। আচ্ছা—তুমি জানো গুৰুমূৰ্থীক বিয়া কৰাবা?"

শংকৰী খণ্ডতে কঁপিছিল। তেতিয়া তাই আছিল মাত্ৰ ষোল্ল বছৰীয়া এজনী ষোড়শী গাভৰু। কি উত্তৰ দিব তাই ভাবি পোৱা নাছিল।

"তেওঁৰ লগত যে তোমাৰ তোমাৰ বন্ধুত্ব আছে—এই কথা তোমাৰ দেউতাৰাই জানে নে?"

নীৰবে নাকি শংকৰীয়ে ভাবিছিল—"ইয়াৰ তো সাহস কম নহয়?'

'তুমি তোমাৰ ৰূপ-সৌন্দৰ্য্যৰ প্ৰতি সচেতন হোৱাটো ভাল। এই-খিনি সময়ত তুমি নিশ্চয় কিছু সতৰ্ক আৰু সাৱধান হব লাগিব। এই কথা মই তোমাৰ আৰু তোমাৰ পৰিয়ালৰ ভালৰ কাৰণেই কৈছো। কাৰণ মই তোমাৰ সম্পৰ্কীয়……।"

'থিৰুগনম'—শংকৰীয়ে খণ্ডতে চিঞৰি দিছিল। "মই তোমাতকৈ এই পৃথিৱীখন কিছুভালকৈ চিনি পাও।" থিৰুগনমে দমি নগৈ অবিৰাম কৈ গৈছিল। "তুমি কিন্তু, গুৰুমূৰ্থি ইঁতৰ জগতখনৰ কথা

একোকে নাজানা। সীমা পাৰহৈ যাবলৈ নিদিবা। সতর্কভাৱে লক্ষ্য কৰা। তুমি কোনখিনি সচাঁ আৰু কোনখিনি অভিনয় বা মিছা সেই কথা নিশ্চয় জানিব লাগিব। মই তোমাক সাৱধান কৰি দিছো—মনত ৰাখিবা।' এই বুলি কৈ থিৰুগনম স্বইচ্ছাৰে চার্কেল চলাই নিজৰ পথেৰে আঁতৰি গ'ল।

শংকৰীয়ে কিন্তু, এই সাৱধান বাণী তেওঁৰ বিৰুদ্ধেহে কামত লগালে।. পিছদিনাখন ৰাতিপুৱা তেওঁ যেতিয়া সিহঁতৰ ঘৰলৈ 'পেপাৰ' দিব গ'ল—তাইৰ দেউতাকে কলে—"আজিৰ পৰা তুমি আৰু আমাক পেপাৰ যোগান ধৰিব নালাগে। মই নিজেই ব্যৱস্থা লম।" এই বৃদ্ধ মানুহজনৰ চকুতো এটা সন্দেহ জাগিছিল।

"তেওঁ মোক সঁচা আৰু মিছাৰ পার্থক্য বুজি লবলৈ উপদেশ দিছিল; মই কিন্তু বাস্তৱক্ষেত্রত মিছাখিনিকে গ্রহণ কৰি সঁচাখিনিক ত্যাগ কৰিলোঁ। শংকৰীয়ে পিছত নিজে এই কামৰ বাবে অনুশোচনাত দগ্ধ হৈছিল।

আনহাতে গুৰুমূৰ্থিয়ে তাইক—জীৱনৰ আটাইতকৈ ডাঙৰ আৰু কঠোৰ শিক্ষাকে দি গ'ল—যি শিক্ষা তাই আৰু জীৱনত কোনো দিনেই পাহৰিব নোৱাৰিলে।

হঠাৎ, এদিনাখন তাইৰ দেউতাক ট্রেইন দুর্ঘটনাত মৃত্যু বৰণ কৰিলে। সেই বিপদৰ সময়তো থিৰুগনমে তাইৰ ওচৰত থিয় হৈছিল হি, তাইৰ দেউতাকৰ শ-দাহত সহায় কৰিছিল হি। অন্যবোৰ আহিছিল সৌজন্যৰ খাতিৰত—তাইৰ দুখত সাধাৰণভাৱে অলপ চকুপানী টুকিয়ে তেওঁলোক আঁতৰিও গ'ল।

"এতিয়া তোমাৰ চকুপানী টুকিবলৈ সময় নহয়।" থিৰুগনমে তাইক কৈছিল। তুমি মোৰ মাৰ লগত আহা আৰু আমাৰ লগতে থকাহি। আমি দুয়োজনেই মাউৰা—এতিয়া তুমি তৃতীয়জন হবা।"

তেওঁ যেতিয়া 'মাউৰা' শব্দটো কৈছিল, তেতিয়াহে তাই তাইৰ সেই ভীষণ অসহায় অৱস্থাটোৰ কথা উপলব্ধি কৰিব পাৰিছিল। এৰা,

তাই যে মা দেউতা কেউ কিছু নোহোৱা হোৱা—ভীষণ অসহায়া এজনী মাউৰা ছোৱালী। তাই হুক-হুকাই কান্দি দিছিল।

থিকগনমে কৈছিল—চোৱা, তুমি এতিয়া মোৰ মাৰ লগলৈ অহাই ভাল। আমাৰ লগত থাকিলে তোমাৰ কোনো ভয় নাই, তোমাৰ ইচ্ছামতে পঢ়া-শুনাও কৰিব পাৰিবা। তোমাৰ দেউতাৰাই এৰি যোৱা টকাখিনিও তোমাৰ সহায় হ'ব। মা আৰু মই নিশ্চয় তোমাক লগা বাকীখিনি দিব পাৰিম।"

"অস্—মোক অকনমান অকলে থাকিব দিয়াচোন।" শংকৰীয়ে খঙতে চিঞৰি দিছিল।

'মূৰ্খ'—তেওঁ নিজৰ মনতে ভোৰভোৰালে। "আমি কিন্তু, তোমাক এনেকৈ অসহায়া অৱস্থাত অকলে এৰিব নোৱাৰো।"—তেৱোঁ খঙৰেই উত্তৰ দিছিল। "এ সময়ত মই যেতিয়া তোমাক সাবধান কৰি দিছিলো —তেতিয়া কিন্তু তুমি মোক দূৰলৈ ঠেলি পঠাল। এতিয়া, তোমাৰ লগত কিন্তু তোমাৰ দেউতা নাই। তোমাৰ যৌৱন আৰু সৌন্দৰ্য্যই হৈছে তোমাৰ প্ৰধান শত্ৰু। গতিকে তোমাক আৰু অকলে এৰিব নোৱাৰি।"

"মই তোমাৰ লগত কিয় যাম? আৰু মই যদি যাওঁ—তুমি ভাবিছা নেকি যে এদিনাখন মই তোমাক বিয়া কৰাম। সেইয়া কেতিয়াও নহয়; হব নোৱাৰেও।"—এই কথাষাৰ শুনি তেওঁ যে অন্তৰত মৰ্ম্মান্তিক আঘাত পাইছিল—শংকৰীয়ে এতিয়াও সেই কথা ভালদৰে মনত পেলাব পাৰে। কিন্তু, তেওঁ বাৰু কেনেকৈ বুজিব—সেই সময়ত কিয় যে তাই তেনে কথা ক'ব লগীয়া হৈছিল। একমাত্ৰ তাইয়ে জানে ইয়াৰ প্ৰকৃত কাৰণ।

"শংকৰী, এই মৃতকৰ ঘৰত মই তোমাৰ সৈতে বিয়াৰ কথা বতাৰা আলোচনা কৰিবলৈ অহা নাই। তোমাৰ যাকে মন যায় তাকেই তুমি বিয়া কৰাবা পাবা। কিন্তু, এতিয়া এই মুহূৰ্ত্তৰ পৰা তোমাক আশ্ৰয় আৰু নিৰাপত্তাৰ প্ৰয়োজন। তুমি মোক ঘৃণা কৰিব পাৰা, কিন্তু মোৰ

মাকো জানো তুমি ঘৃণা কৰিবা ? তেওঁ তাইক সুধিছিল।

"মোক কাকো একো দৰ্কাৰ নাই।" তাই অতি কক্ষ ভাৱে উত্তৰ দিছিল।

"তুমি গুৰুমূৰ্থিৰ ঠিকনাটো জানানে ? তেওঁ যতে নাথাকক মই তেওঁক বিচাৰি আনিম; আৰু তোমাক বিয়া কৰাবলৈ মই ৰাজি কৰাম।"

"নাই। মই কাকো বিয়া নকৰাও।"

তেনেহলে তাই গুৰুমূৰ্থিকো ঘৃণা কৰে নেকি ? থিৰুগনমে বিস্মিত হৈ নীৰবে ভাবিছিল।

"মই, তোমাক অনুৰোধ কৰিছো, মোক আৰু বিয়াৰ কথা নকৰা।" শংকৰীয়ে তেওঁক কৈছিল।

"তেনেহলে তুমি মোক এটা প্ৰতিশ্ৰুতি দিবানে ?" তেওঁ তাইক সুধিছিল। তুমি মোৰ ওচৰত প্ৰতিজ্ঞা কৰা যে—তুমি কেতিয়াও আত্মহত্যা নকৰা। আৰু সেই প্ৰতিশ্ৰুতি পালেই মই এতিয়াই গুচি যাম।

শংকৰীয়ে এই কথাত তেওঁৰ ফালে ক্ষন্তেকৰ লাগি চালে। তেৰো অতি কঠোৰ দৃষ্টিৰেই তাইৰ ফালে লক্ষ্য কৰি কলে—"ও কোৱা—এই প্ৰতিজ্ঞা থাকিল।"

তথাপি তাই কেই মূহুৰ্ত্তমান থৰ হৈ ঠিয় হৈ থাকিল আৰু তাৰ পিছত তাই কেতিয়াও আত্মহত্যা নকৰোঁ বুলি থিৰুগনমক কথা দিলে।

থিৰুগনমে তেতিয়াহে মনত শান্তি পালে। "ঠিক আছে—তুমি যি ইচ্ছা তাকে কৰা। কিন্তু, মনত ৰাখিবা—তোমাৰ বাবে আমাৰ ঘৰৰ দুৱাৰ সদায় খোলা আছে।" এই বুলি কৈ তেওঁ গুচি গ'ল।

সেই মাহতে তাই ঘৰ খালি কৰি তাইৰ কলেজৰ অধ্যক্ষৰ ওচৰলৈ গুচি গ'ল। আৰু তাৰ কিছু দিন পিছত তাই—মেডিকেল পঢ়িবৰ বাবে মাদ্ৰাজলৈ গ'ল।

মাদ্ৰাজত থকা সময়তে থিৰুগনমে তাইক তৃতীয়বাৰ লগ ধৰিব

গৈছিল। "চোৱা, মই তোমাক যেনেকৈ প্ৰতিশ্ৰুতি দিছিলো—ঠিক তেনেকৈ মই এতিয়াও জীয়াই আছো।" হাঁহি হাঁহি তাই কৈছিল।

"তুমি যে অকল নিজেই জীয়াই আছা এনে নহয়; আনকো জীয়াই থাকিবৰ বাবে সহায় কৰিব পৰাৰ সাহসো এতিয়া তোমাৰ হৈছে; আৰু সেই কথাহে মোৰ বাবে বৰ আচৰিত।" তেওঁ হাঁহি হাঁহি উত্তৰ দিছিল।

সেই সময়ত তেওঁৰ স্বাস্থ্যৰ উন্নতি হৈছিল; চেহেৰা পাতি অতি সুন্দৰ হৈ পৰিছিল। তেওঁক সম্পূৰ্ণ উন্নতশীল এজন সুন্দৰ ব্যক্তি যেন লগা হৈছিল। পঢ়াশুনাৰ অন্ত পেলাই সেই সময়ত তেওঁ চাকৰীৰ অনুসন্ধান কৰি আছিল। তেতিয়াও কিন্তু তাইৰ প্ৰতি তেওঁৰ চকুত সেই একেই অধীৰ আগ্ৰহৰ দৃষ্টিয়েই আছিল। "তোমাৰ যে কেতিয়া পঢ়াশুনা শেষ হব, আৰু মই যে কেতিয়া চাকৰী পাও…। চকু অবনত কৰি তেওঁ কৈছিল।

"মোৰে শপত, সেই কথা আৰু নকৰা।"—তাই কাতৰ ভাৱে অনুৰোধ কৰিছিল।

তাৰ পিছৰ পৰা—এই সুদীৰ্ঘ সময়ত তেওঁ আজিহে—তাইৰ ওচৰলৈ আহিল। যদিহে তেওঁ সেই কেইবছৰমান আগতে—তাইৰ পৰা জোৰ কৰি সেই প্ৰতিজ্ঞা আদায় নকৰিলেহেতেন তেনেহলে তাই হয়তো তেতিয়া অধ্যক্ষৰ ঘৰলৈ নগৈ—কাবেৰী নদীৰ পানী লৈহে গ'লহেতেন। আজিও যে তাই জীয়াই আছে—তাৰ একমাত্ৰ কাৰণ হ'ল তেওঁ—থিৰুগনম। কিন্তু, কি কাৰণত যেন তাই তেওঁক বিচৰাখিনি দিব পৰা নাই। বোধহয় তাই হয়তো বেলেগ ধৰণৰ এজনী আচৰিত ছোৱালী।

"তেওঁ আকৌ কেতিয়া আহিব?" তাই নিজকে সুধিলে। ঘড়িৰ কালে চোৱাত দেখিলে—সেইয়া তাইৰ হস্পিতাললৈ যোৱাৰ সময় হৈছে। মুনীয়ামলে এপিয়লা কফি দি গ'ল।

"হেল্লো—ডাক্তৰ!" তাইক আৰু তিনি কাপ কফি বেছিকৈ আনিব দিয়ক। কোনোবাই অতি উচ্ছাসেৰে সম্বোধন কৰি তাইক কলে।

মূৰ ডাঙি চাই তাই দেখিবলৈ পালে—থিকমূৰ্থিৰ ভনীয়েক ৰাজেশ্বৰী, কণমানী ৰাধাকলৈ দুৱাৰদলি পাইছেহি। সিহঁতৰ পিছত—ৰাজেশ্বৰীৰ ভীনদেও—চেবাপানী—হাতত এখন নিমন্ত্ৰণী পত্ৰ।

শংকৰীয়ে চিঠিখন পঢ়ি চালে। আৰু ৰাধাক কোলাত লৈ—চুমা এটা খাই সুধিলে—"তেনেহলে তুমি তোমাৰ সৰু ভন্টিৰ গণনিৰ উৎসৱত নিমন্ত্ৰণ কৰিবলৈ আহিলা?"

'ও'—ছোৱালীজনীয়ে সৰুকৈ উত্তৰ দিলে। শংকৰীয়ে নিজৰ কফি কাপকে ৰাধাক দি দিলে। অলপ পিছত তেওঁলোক বৈ থকা গাড়ীত উঠি গুচি গ'ল। শংকৰীয়ে গাড়ীখন যোৱাৰ শব্দ শুনিলে।

সকলো গজালিয়ে সিহঁতৰ গুটিৰ পৰা জন্ম লাভ কৰে, আৰু যেতিয়া গজালিৰ ডালপাত ধৰে তেতিয়াহে সিহঁতৰ নিজস্ব বৈশিষ্ট্য সমূহ চকুত পৰে। প্ৰকৃতিৰ এই সহজাত প্ৰবৃত্তিৰ তাড়নাতে তাই ৰাধাৰ ফালে আকৰ্ষিত হৈছিল। তাই দেখিছিল—ছোৱালীজনী ঠিক তাইৰ দেউতাক থিকমূৰ্থিৰ দৰে; থিকমূৰ্থিৰ আকৌ তাইৰ পুৰণি বন্ধু গুৰুমূৰ্থিৰ লগত সাদৃশ্য আছে। এতিয়া যদিও এই মূৰ্থি দুজনৰ—কোনোজনৰ লগতেই তাইৰ কোনো সম্বন্ধ নাই—তথাপি তাই যেন ৰাধাৰ প্ৰতি কোনো এক অহেতুক আকৰ্ষণ অনুভৱ কৰে।

ৰাধাৰ মুখৰ ফালে চাই শংকৰীয়ে তেওঁলোকক সুধিছিল—"আপোনালোকৰ পৰিয়ালত গুৰুমূৰ্থি নামৰ কোনোবা এজন মানুহ আছিল নেকি—যিজন এসময়ত টিকচীও আছিল?"

"আপুনি—গুৰুমূৰ্থিক জানে নেকি?" ৰাজেশ্বৰীয়ে উৎসাহেৰে সুধিছিল।

"হয়—গুৰুমূৰ্থিও ৰাজেশ্বৰীৰ ককায়েক আছিল। থিকমূৰ্থি আৰু গুৰুমূৰ্থি দুয়োজনে আছিল জজা ভাই-ককাই।" চেবাপাথীয়ে উত্তৰ দিছিল।

"তেওঁক আপুনি চিনি পাইছিল নেকি?" ৰাজেশ্বৰীয়ে পুনৰায় সুধিছিল।

"তেওঁ যেতিয়া কলেজত পঢ়ি আছিল তেতিয়া তেওঁ আমাৰ ঘৰৰ প্ৰায় ওচৰতে থাকিব লৈছিল। আৰু তেতিয়া তেওঁ মাজে সময়ে আমাৰ ঘৰলৈও গৈছিল।" গহীন ভাবেৰে শংকৰীয়ে উত্তৰ দিছিল।

"তেনেহলে—মই সম্পূৰ্ণ নিশ্চিত যে—আপুনি যেতিয়া পোণ প্ৰথম-বাৰ থিৰুমূৰ্থিক দেখিছিল তেতিয়া আপোনাৰ মনত প্ৰবল সন্দেহ হৈছিল। বাস্তবিকতে তেওঁলোকৰ মাজত ইমান সাদৃশ্য যে—তেওঁলোকৰ ৰুচি, তেওঁলোকৰ চেহেৰা, পোছাক-পৰিচ্ছদ আনকি তেওঁলোকৰ চৰিত্ৰ আৰু অভ্যাসৰে মিল আছে।"

"তেওঁলোকৰ চৰিত্ৰ আৰু অভ্যাসবো মিল আছে।"—শংকৰীয়ে নিজে নিজে কথাষাৰ মনতে আওৰালে। তাই গুৰুমূৰ্থিৰ অভ্যাসৰ কথা কিছুদূৰ জানিব পাৰিছিল। কিন্তু, থিৰুমূৰ্থিৰ কথা তাই সিমান নাজানে।

"হতভগীয়া গুৰুমূৰ্থিয়ে আমাক যে হঠাতে এনেকৈ এৰি গ'ল।" ৰাজেশ্বৰীয়ে গভীৰ দুখেৰে কলে। "তেওঁ যেতিয়া বৰ্মাত আছিল—তেতিয়া তেওঁক কোনোবাই গুলি কৰি মাৰিলে! কাৰণ কি আছিল আমি নাজানো—। টকা অথবা তিৰোতা। কোনোটোৰ প্ৰতিয়েই তেওঁ সাবধান নাছিল।"

তেওঁ বিয়া কৰাইছিল নেকি?" শংকৰীয়ে আগ্ৰহেৰে সুধিছিল। কাৰণ এসময়ত তাই—নিজে তেওঁৰ পত্নী হোৱাৰ আশা কৰিছিল।

"বিয়া? তেওঁৰ দহবছৰীয়া ল'ৰাটো এতিয়াও ককা দেউতাকৰ লগত আছে। গুৰুমূৰ্থিয়ে আনকি টিৰুচীক যোৱাৰ আগতেই বিয়া কৰাইছিল।" ৰাজেশ্বৰীয়ে উত্তৰ দিলে।

চেৰাপাথীয়ে ৰাজেশ্বৰীক সময়ৰ কথা মনত পেলাই দিলে। কিয়নো তেওঁ নিজৰ পৰিয়ালৰ বিষয়ে ইমান খোলা ভাৱে সকলো কথা কোৱাটো মনে মনে ভাল পোৱা নাছিল। "আপুনি কিন্তু গণনাৰ দিনাখন বাব দেই।" তেওঁ শংকৰীক অনুৰোধ কৰি কলে আৰু যাবলৈ থিয় হ'ল।

"এৰা, আমি পোন প্ৰথম আপোনাক হে নিমন্ত্ৰণ কৰিব আহিছো।" ৰাজেশ্বৰীয়ে কলে। "এতিয়া আন আন দৰ্কাৰী মানুহ বোৰক নিমন্ত্ৰণ

কৰিবলৈ যাম।" এই বুলি কৈ আধাক হাতত ধৰি লৈ ৰাজেশ্বৰী গুচি গ'ল।

হস্পিতাললৈ যোৱাৰ সময় হৈছিল। তেওঁলোক উঠি যোৱাৰ লগে লগে শংকৰীয়ে ফুটপাথৰ ওপৰেৰে খোজ কাঢ়ি হস্পিতাললৈ বাওনা হ'ল। ইতিমধ্যে তেওঁ অধৈৰ্য্য আৰু অস্থিৰ হৈ পৰিছিল। ৰাজেশ্বৰীয়ে কৈ যোৱা কথাবোৰে তেওঁৰ অন্তৰত খুন্দিয়াই আছিল।

গুৰুমুখি আৰু নাই। টকা অথবা তিৰোতাই তেওঁক মাৰিলে। তেওঁ আনকি ট্ৰিকচিলৈ যোৱাৰ আগতেই বিয়া কৰাইছিল। তেওঁৰ ল'ৰা এতিয়া দহ বছৰীয়া। এই সৰু ল'ৰাটো এতিয়া তাৰ ককা দেউতাকৰ লগত আছে। গুৰুমুখিৰ তিৰোতাজনীও নিশ্চয় তাতেই আছে। অথচ তেওঁ কিন্তু শংকৰীক নিজকে অবিবাহিত বুলি কৈছিল আৰু তাইক বিয়া কৰাবলৈ তেওঁ কথাত দিছিল।

হস্পিতালত তাই মানুহৰ জীৱনক লৈ কাম কৰা বুলি ভাবি— নিজৰ কৰ্ত্তব্যত যিমান পাৰে সিমান মনোযোগ দিবলৈ যত্ন কৰিলে। কিন্তু, তাইৰ ভাববোৰক তাই সংযত কৰিবলৈ টান পালে। এইয়া অৱশ্যে গুৰুমুখিৰ বাবে দুখ বা বেদনা নহয়; তাইৰ বিগত জীৱনৰ লজ্জাজনক বদনাম এটাৰ যন্ত্ৰণাদায়ক অনুভূতিয়েহে তাইক বৰ পীড়া কৰিছিল।

খিকমুখিয়ে ফোনেৰে তাইক—সেইদিনাখনৰ ৰাবে চুটি লৈ হলেও পিছদিনাখন তেওঁৰ ঘৰত হব লগা উৎসৱত যোগ দিবলৈ কৈছিল। "এই জনীটো আপোনাৰে ছোৱালী, আপোনাৰে ঘৰ, গতিকে আপুনি এই উৎসৱলৈ নিজে আহি নিজ চকুৰে চোৱা উচিত।" তেওঁ শংকৰীক কৈছিল।

যেতিয়া তাই তেওঁৰ ঘৰলৈ গ'ল—তেতিয়াহে মাত্ৰ তাই উপলব্ধি কৰিব পাৰিলে যে প্ৰকৃততে খিকমুখি কিমান ধনী মানুহ, কিমান মুক্ত হস্তে যে তেওঁ ধন খৰচ কৰিবও পাৰে। তেওঁ যেনেকৈ তেওঁৰ এই দ্বিতীয় সন্তানটোৰ গণনা উৎসৱত ধন খৰচ কৰিছে সিমান ধন আগৰ

দিনৰ আটাইতকৈ জাকজমক প্ৰিয় সম্ৰাটজনেও খৰচ কৰিলেহেতেন নে—এই কথাত তাইৰ সন্দেহ হৈছিল।

দুৱাৰ-ডলিতে ৰাজেশ্বৰী আৰু চেৰাপাথীক মুখ্য কৰিলৈ এটা ডাঙৰ দলে আলহী সকলক স্বাগত জনাবলৈ বৈ আছিল। অভ্যাগত সকলৰ শক্তি আৰু সামৰ্থ অনুসাৰে তেওঁলোকৰ স্বাগত সম্ভাষণো বেলেগ বেলেগ ধৰণৰ আছিল। অতি দৰ্কাৰী সকলক মিঠা মাত আৰু প্ৰীতিপূৰ্ণ আলিঙ্গনেৰে স্বাগত অভিনন্দন জনোৱা হৈছিল। আন কিছুমানক আকৌ যান্ত্ৰিক হাঁহি অথবা মূৰ দুপিয়াই হে অভিনন্দন কৰা হৈছিল।

শংকৰীক কিন্তু এনেধৰণে আদৰণি জনোৱা হৈছিল যে—প্ৰতিজন মানুহৰে তেওঁৰ প্ৰতি মনোযোগ আকৰ্ষিত হৈছিল। তেওঁক দেখাৰ লগে লগে স্বয়ং থিকমুথি নিজেই দুৱাৰ মুখলৈ ঢাপলি মেলি আহিছিল। ৰাজেশ্বৰীয়ে তেওঁক আকোৱালি ধৰিছিল। আৰু ঠিক তেতিয়াই শংকৰীৰ চকু জলক তবক লগাকৈ কেইবাটাও কেমাৰাই ক্লিক ক্লিক শব্দ কৰি উঠিছিল।

"এইজনী নিশ্চয় চিনেমাৰ বিখ্যাত নায়িকা"—কোনোবাই কৈছিল। লগে লগে কেইবাহালো চকুৰ অনুসন্ধানী দৃষ্টি তেওঁৰ ফালে আগবাঢ়ি গৈছিল। যি বিলাকে তেওঁক দেখিলে তেওঁলোকে কিন্তু সোনকালে দৃষ্টি উভতাই আনিব নোৱাৰিলে। সিহঁতে চকুৰ নিমিষো মাৰিব পাহৰি গ'ল। আনকি ৰাজেশ্বৰীৰো ঈষৎ ঈৰ্ষা উপজিল। শংকৰীৰ আগমনিয়ে আলহী সকলৰ মাজত আনিদিয়া এই অস্বাভাৱিক আলোড়ন—থিকমুথিৰ মানস পটতো অঁকা গ'ল।

যিটো কোঠাত বিশিষ্ট ব্যক্তি সকলৰ অভ্যৰ্থনাৰ বাবে আচুতিয়াকৈ ৰখা হৈছিল—সেই কোঠাত শংকৰী প্ৰৱেশ কৰা সময়ত দুজন ব্যক্তিয়ে উপহাৰৰ উভৈনদীৰ বিষয়ে আলোচনা কৰি আছিল। তেতিয়াহে তাইৰ মনত পৰিছিল যে—উপহাৰ হিচাপে তাইৰ একো অনাই নহ'ল। তাই দামী উপহাৰ বোৰলৈ এবাৰ লক্ষ্য কৰিলে। আচলতে সেইবোৰ কোনো কেচুৱাৰে একো কামত নাহে; মাত্ৰ চ' কেচ হে অলংকৃত

কৰিব পাৰে।

তাইৰ চিন্তা তৎক্ষণাত হৃষ্পিতালত উদং গাৱে পৰি থকা শিশুবোৰ লৈ ঢাপলি মেলিলে—যি বিলাক শিশুৱে নিতান্ত প্ৰয়োজনতো গৰম কাপোৰৰ অভাবত শীতত কষ্ট পাই কান্দি আছিল।

কিছুমান আলহীয়ে তেওঁলোকৰ পৰিয়ালো লগত লৈ আহিছিল। থিৰুমূৰ্থিয়ে তেওঁলোকক শংকৰীৰ সৈতে পৰিচয় কৰাই দিছিল আৰু কৈছিল যে—এই ভোজমেলৰ বাবে তেওঁলোক তেওঁৰ ওচৰত ঋণী। কিয়নো একমাত্ৰ ডাঃ শংকৰীয়েহে মাক আৰু কেঁচুৱা উভয়কে আসন্ন মৃত্যুৰ পৰা ৰক্ষা কৰিছিল। আৰু এতিয়া তেওঁ—তেওঁলোকৰ ঘৰুৱা চিকিৎসক। আচলতে তেওঁৰ হাতত যাদুৰ পৰশ আছে—তেওঁ আলহী বোৰক উচ্ছ্বাসেৰে কৈছিল।

"তেওঁৰ হাতত আছে যাদু যাৰ দ্বাৰা তেওঁ মুহূৰ্ততে ৰোগ নিৰাময় কৰে—আৰু আছে এখন সুন্দৰ মুখ যিয়ে আনিব পাৰে সৌভাগ্য"—কোনোবা এজন আলহীয়ে কৈছিল। তাত থকা অন্যান্য মহিলা বিলাকে আচৰিত ভাবে তাইৰ ফালে চাই ভাবিছিল—কোনো সোণ-ৰূপৰ অলংকাৰ নিপিন্ধাকৈ তাইনো কেনেকৈ এখন সাধৰণ কপাহী শৰীৰে নিজকে ইমান সুন্দৰী আৰু মোহনীয়া কৰি তুলিব পাৰিলে।

তালৈ অগ্ৰ ৰাজনৈতিক ব্যক্তি, চিনেমা প্ৰযোজক, ধনী সদাগৰ আৰু অন্যান্য দৰ্কাৰী আলহিৰ সৈতে শংকৰীক পৰিচয় কৰি দিয়া হৈছিল। আৰু তেতিয়া তাই উপলব্ধি কৰিব পাৰিছিল যে—থিৰুমূৰ্থি আচলতে তাই কল্পনা কৰাত কৈ বহুত বেছি প্ৰভাৱশালী ব্যক্তি।

যদিও বহুতেই তাইক দেখিছিল—অভিনেতা নাগাপ্পাই কিন্তু তেওঁৰ দৃষ্টি তাইৰ ওপৰত প্ৰতি মুহূৰ্ত্ততে নিবিষ্ট কৰি ৰাখিছিল। শেষত তেওঁ ৰাজেশ্বৰীৰ ওচৰলৈ উঠি গ'ল—আৰু তাইৰ কানে কানে কিবা এটা কলে। তাইয়ো লগে লগে শংকৰীৰ ওচৰলৈ দৌৰি আহিল। আৰু শংকৰীক কিবা কিবি ফুচফুচাই সুধিলে; আৰু নাগাপ্পাৰ ওচৰলৈ উভতি আহি তেওঁকো ফুচফুচাই কলে। সেই সময়ত নাগাপ্পাই কোনো এজন

চিনেমা প্ৰযোজকৰ লগত কিছু উত্তেজিত ভাৱে কথা পাতি আছিল।

তেনেকুৱা এটা বৃহৎ পাৰ্টিত এনেধৰণৰ এটা গোপন আলোচনাই ওচৰত থকা সকলো বিলাক মানুহৰে কৌতূহল উদ্রেক কৰিলে। এজন আলহীয়েটো নাগাপ্পাক স্পষ্টকৈ সুধিলে—"কি হে কি কথা ?"

"কেইবা বছৰো আগতে মেডিকেল কলেজত মঞ্চস্থ হোৱা এখন নাটক চাবলৈ গৈছিলো। এই মহিলা গৰাকীয়ে—সেই নাটকত এনেকুৱা সুন্দৰ অভিনয় কৰিছিল যে—মই আজিও তাক পাহৰিব পৰা নাই। আচলতে মই এইজনী মহিলাই সেই একে গৰাকী অভিনেত্ৰী হয় নে নহয় তাক হে খাটাং হব খুজিছিলো"—তেওঁ কলে।

"মোৰ কাৰণে এইটো এটা অতীত কাহিনি ; যেয়ে আছিল মোৰ জীৱনৰ প্ৰথম আৰু শেষ অভিনয়।" তাই উত্তৰ দিলে।

"আৰু সেই প্ৰথম অভিনয়ে আছিল যথেষ্ট ; নহয় জানো ?" অভিনেতা গৰাকীয়ে উত্তৰ দিলে। "চিনেমাৰ লাখটকীয়া বহুতো নায়ক-নায়িকাই তেনে ধৰণৰ অবিস্মৰণীয় অভিনয় কৰিব নোৱাৰিব।"

"যেনেকৈ চিনেমা জগতত তেনে ধৰণৰ দুলাখ টকীয়া অভিনেত্ৰী আছে তেনেকৈ কেইশমান টকাও উপাৰ্জ্জন কৰিব নোৱাৰা বহুতো সু-অভিনেত্ৰীও আছে। শংকৰায়ে কৈছিল। 'মই তেনেকুৱা কেইবা জনীৰ কথাও জানো'—তেওঁলোক মোৰ ওচৰলৈ চিকিৎসাৰ বাবে আহে।"

থিৰুমূৰ্থিয়ে নাগাপ্পাৰ ফালে বিজিতৰ দৃষ্টিৰে চাই হাঁহিলে। অভিনেতা গৰাকীৰ অহংকাৰ যেন ক্ষুণ্ণ হ'ল। "এইজনী তিৰোতা যিয়ে মাহত আনকি পাঁচ শ টকাও নাপাই—তেওঁ মোক এনে কথা কবলৈ স্পৰ্দ্ধা।"—তেওঁ নিজৰ মনতে ভাবিলে। তেওঁ তাইৰ ফালে স্থিৰ দৃষ্টিৰে চালে-যেনিবা তেওঁ সেই দৃষ্টিৰে তাইৰ গৌৰবো নাশ কৰিব। প্ৰয়োজকজনক লাহেকৈ ঠেলা এটা মাৰি কাণৰ কাষত তেওঁ কিবা ফুচফুচাই কবলৈ আৰম্ভ কৰিলে।

শংকৰীয়ে কেচুৱাটো বোৱাৰ মনেৰে ৰাজেশ্বৰীৰ সৈতে ভিতৰ

মহললৈ খোজ দিলে। কেচুৰাটো বাধাৰ সৈতে খেলি আছিল। বাধাৰ সৈতে কটোৱা সেই কেইটামান মুহূৰ্ত্তই তাইৰ অন্তৰত স্বৰ্গীয় আনন্দৰ সৃষ্টি কৰিলে।

ভোজটো সচাঁকৈয়ে অতি সুন্দৰ আছিল ; ক'তো প্ৰাচুৰ্য্যৰ অভাব ঘটা নাছিল। কিন্তু, আলহি সকলৰ অতি কম সংখ্যক লোকে খোৱাৰ ভাও জুৰি দুই এটা কিবা মুখলৈ নিলে ; বেছি ভাগ পুষ্টিকৰ খাদ্যই খোৱা টেবুলৰ কাঁহিত পৰি ৰ'ল। কিয়নো তেওঁলোকক তেনে ধৰণৰ অতি ভাল খাদ্য খাবলৈ তেওঁলোকৰ ঘৰুৱা চিকিৎসক সকলে মানা কৰিছিল।

ডিনাৰৰ অন্তত যেতিয়া সকলোবোৰে জিৰনি লৈ আছিল তেতিয়া শংকৰীয়ে ৰাজেশ্বৰীক সুধিলে—"তোমালোকে বাৰু দ্বিতীয়টো শিশুৰ গণনা উৎসৱতো ইমান খৰচ কৰিছা কিয় ? মই আকৌ ভাবিছিলো যে —মাত্ৰ কেইজনমান ওচৰ সম্পৰ্কীয় লোক আৰু নিৰ্ব্বাচিত বন্ধু-বান্ধৱীৰ দ্বাৰা ই এটা সৰু পাটিহে হ'ব।"

ৰূপৰ চিক্‌মিকনি টুলি হো হো কৈ হহাঁ এটা হাঁহি আছিল ৰাজেশ্বৰীৰ প্ৰথম উত্তৰ। যদিও তাইৰ পোছাক, তাইৰ কথা বতৰা, হাঁহি আৰু প্ৰেমাৰথিনিয়ে তাইক অতি কৃত্ৰিম যেন কৰি তুলিছিল তথাপি শংকৰীৰ মনত তাইক এজনী সহজ সৰল সৰু ছোৱালী যেন হে লাগিছিল।

"এটা সন্তানৰ নামত এটা পাৰ্টি—সেইটোৱে তাৰ একমাত্ৰ দৰ্কাৰী বা শেষ কথা নহয়।" ৰাজেশ্বৰীয়ে কৈছিল। আলহি সকলৰ কিমান জনেই বাৰু কেচুৱাটো অথবা মাকজনীক দেখিছে বুলি আপুনি ভাবিছে ? তাই হাঁহি হাঁহি আকৌ কলে। "ডাক্তৰ আপুনি এই পৃথিৱীখনৰ বাট পথবোৰৰ প্ৰতি কিমান অজ্ঞ! মোৰ দাদাই—ভোটৰ খেলাত জয়ী হবলৈ—দুয়োটা পাৰ্টিৰ নেতাকে নিৰ্ব্বাচনৰ খৰচৰ বাবে গোপনে টকা দিয়ে। গতিকে যিজনে নিৰ্জ্জিকক কিয় দাদা কিন্তু সদায় প্ৰতিৰক্ষিত হৈ থাকে আৰু বেছি শক্তিমন্ত হৈ পৰে। ডাক্তৰ মাছ

খৰিদ্দৰ বাবে বৰশীত সক মাছৰ টোপ দিয়া হয়। কিছুমানক টকাৰে, বস কৰা হয়, কিছুমানক ভয় দেখুৱাই আৰু কিছুমানক মোৰ হাঁহিৰেই প্ৰলোভিত কৰা যায়। এই পাৰ্টিটো হৈছে—মানুহক আমাৰ টকা, প্ৰভাব আৰু প্ৰতিপত্তিৰে প্ৰভাৱ পেলোৱাৰ বাবে।"

আঁকৰীৰ দৰে মুখ মেলি শংকৰীয়ে নীৰবে কথাবোৰ শুনিছিল। আৰু বহুদিন আগতে—থিকগনমে তাইক কোৱা এষাৰ কথা মনত পেলাইছিল—"তুমি গুৰুমূৰ্ত্তি হঁতৰ জগতখনৰ কথা একোকে নাজানা। সদায় নিজকে তুমি মষ্টম আৰু চকুমেলি চলিবা।"

তাই যেতিয়া উভতিল, ৰাজেশ্বৰীয়ে তাইক পদূলী মুখলৈ আগবঢ়াই দি থিকমূৰ্থিৰ গাড়ীখনত তাইক পঠাই দিলে।

৯

থিকমূৰ্থিৰ শীততাপ নিয়ন্ত্ৰিত কাৰ্য্যালয়ত—দিল্লী অথবা বোম্বাইৰ বৃহৎ হোটেলে যি বোৰ সুবিধা দিব নোৱাৰে তেনে সকলোবিলাক আধুনিক সা সুবিধাৰ ব্যৱস্থা আছিল। ই আছিল কোডাইকনল আৰু কুট্টলমৰ দৰে ঠাণ্ডা আৰু মনোমোহা আৰু বাঙ্গালোৰৰ দৰে আনন্দদায়ক।

থিকমূৰ্থিয়ে তেওঁৰ এই বিলাসী কাৰ্য্যালয়ত তেওঁৰ বন্ধু-বান্ধৱৰ বাবে নিশা প্ৰায় নিয়মিত ধৰণে খুৱাপানৰ উৎসব পাতিছিল। সেইদিনা নিশাও তেওঁৰ ঘৰত পাৰ্টি শেষ হোৱাৰ পিছত তেওঁ ইয়ালৈ আহিল।

তেওঁৰ এই কাৰ্য্যালয়লৈ যি কেইজন মুষ্টিমেয় নামী দামী অভিজাত লোক আহিছিল—সেই সকলৰ ভিতৰত প্ৰধান আছিল—ভেলাম্মি। ক'লা শকত কৈ এজন ভোগী লোক—যিয়ে থিকমূৰ্থিৰ লগত লাখ লাখ টকাৰ লেনদেন কৰিছিল।

"এই সকলোবোৰৰ দ্বাৰা আপুনি আমাক কিয় প্ৰলোভিত কৰিছে ?" ভেওঁ ঠাট্টা কৈছিল। "আমি যেতিয়া আমাৰ সক গাওবোৰলৈ উভতি যাম তেতিয়া এই সকলোবোৰ শান্তি আৰু স্ফূৰ্ত্তিৰ বাবে হতাশ

কাঢ়িবলৈ ? এইবোৰ এনে এখন ডাঙৰ মহানগৰত—আপোনাৰ দৰে ব্যক্তিৰ বাবে খুবেই ভাল। কাৰণ আপুনি মুহুৰ্ত্ত মাৰিলেই ইয়াত আপোনাৰ সকলোবোৰ দৰ্কাৰী বস্তুৱেই পাই।

"আপোনাৰ কিন্তু এখন গাড়ী আছে"—অন্য এজন মনত পেলাই দিলে। 'গাড়ীখনত জাপ মাৰি উঠক তাৰ পিছত ঘণ্টাত আদশী মাইল বেগেৰে গাড়ী চলাই দিয়ক—বচ মুহূৰ্ত্তৰ ভিতৰতে আপুনি এইখিনি পাই গ'ল। অন্যথা আপোনালোকৰ চহৰত এখন বিমানঘাটী পাতিব লাগে বুলি এটা ডাঙৰ জনমত গঠন কৰক।"

কণ্টাকটৰ সুন্দৰমে মাজতে মাত লগালে "কেলৈ—ইয়াতে এটা ডাঙৰ বিল্ডিং নাসাজে কিয় ? অৱশ্যে বিল্ডিং এটা খৰিদ কৰাই ভাল হব।"

ইয়েই কেইজন মানৰ মনত এই মহানগৰীৰ পোৱা আনন্দ উপভোগৰ সামগ্ৰীৰ প্ৰতি লালায়িত কৰিলে কিয়নো তেওঁলোকে এইবোৰ তেওঁলোকৰ সৰু চহৰ বা গাওঁবোৰত নেপায়। এৰ সচাঁকৈয়েটো এই স্বাৰ্থপৰ ধন লিপ্সু মানুহবোৰেই টো মা ধৰিত্ৰীৰ সকলোবোৰ সম্পত্তি আত্মসাৎ কৰি গোটেই পৃথিৱীকে বন্ধা সাজিছে।

'হে ভাই ! এই যে কি জীৱন !' তেওঁলোকত এজনে হুমুনিয়াহ কাঢ়ি কলে। "ইমান বিপদ বিঘিনি আৰু কষ্টৰ মাজেৰে উপাৰ্জ্জন কৰা টকাবোৰ আৰু বেঙ্কত ৰাখি থব নোৱাৰি। ইয়াৰ দ্বাৰা সোণো কিনিব নোৱাৰি অথবা সুৰক্ষিত কৈও ৰাখিব নোৱাৰি। সময়ত ই হয়তো হালধীয়া হৈ যাব নাইবা ভাঙি ছিঙি ক্ষয় হব। "তাতোকৈ এইবোৰ মাটি কিনাত খৰচ কৰক বন্ধু মাটি কিনক"—অন্য এজনে কলে। "কিন্তু, মনত ৰাখিব যি কোনো মাটি নহয়। একমাত্ৰ মাদ্ৰাজ মহানগৰীৰ মাটি। কাৰণ আজিকালি ইয়াৰ মাটি সোণত কৈও বেছি মূল্যবান হৈ পৰিছে।

"যদিহে আপুনি মাদ্ৰাজত ঘৰ কিনিব খোজে তেতিয়াহলে এতিয়াই, অতি সোণকালে কিনক" থিকমুখিয়ে কলে। "ঘৰৰ দাম এতিয়া ৰকেটৰ

দৰে দিনে দিনে উৰ্দ্ধমুখী হৈছে—অৱশ্যে এইবোৰো আমাৰ দৰে মানুহৰ কাৰণেই হৈছে। আধাতকৈও বেছি টকা—কলা টকাৰ পৰাই পৰিশোধ কৰা হয়।

"নহব—ধন্যবাদ"—ভেলাস্মীয়ে তৎক্ষণাত কলে। "মোৰ পৰিবাৰৰ পৰা কোনে বাৰু ইমান প্ৰশ্নৰ আক্ৰমণৰ সন্মুখীন হব?"

সেই দলটোত—এজন চিনেমা প্ৰয়জকো আছিল। থিৰুমুৰ্থিৰ পৰা চিনেমাৰ বাবে আৰ্থিক সাহায্য পোৱাৰ আশাত—তেওঁ থিৰুমুৰ্থিৰ পিছত লাগি আছিল। থিৰুমুৰ্থিকো বিভিন্ন ক্ষেত্ৰত প্ৰয়োজকৰ সহায় লাগে বাবে—টকা-পইচাৰ বিষয়টো তেওঁৰ সন্মুখত তেওঁ দোলাই ৰাখিছিল।

যেতিয়া তেওঁৰ বন্ধু সকলে কলা টকাক বগা কৰাৰ বুদ্ধি পাঙিব ধৰিলে তেতিয়া প্ৰয়োজক জনে আৰু নিজকে ধৈৰ্য্য ধৰি ৰাখিব নোৱাৰিলে। "সেই টকা চিনেমা এখনতে ন খটুৱায় কিয়?"—তেওঁ পৰামৰ্শ দিলে। আৰু তেতিয়া হলে আপোনাৰ হাজাৰ হাজাৰ টকা লাভো হব।"

থিৰুমুৰ্থিক ইয়ে কিছু বিৰক্ত কৰিলে। আৰু খোচ মাৰা ধৰণে তেওঁ কলে—"হয়, তেতিয়া হলে আপুনি হয়তো লাখ টকা পাবাও পাবে অথবা পথৰ ভিক্ষাৰীটো পৰিণত হব পাবে।"

তেওঁ অধিক শান্তভাৱে কবলৈ ধৰিলে। "আপুনি মাদ্ৰাজলৈ আহক বা নাহক—কিন্তু, কথা হ'ল আপোনালোকৰ ঠাইতো মাদ্ৰাজৰ আনন্দ আৰু উপভোগৰ সমলবোৰ থাকিব লাগিব। ঠিক আছে আমি এটা ভাল পৰিকল্পনা কৰি সিদ্ধান্ত লও আহক। আপোনালোকৰ গাওঁবোৰত ভাল স্কুল-কলেজ নাই। আৰু সেইবোৰৰ বিষয়ে আমি মূৰ খামোৱাবো কোনো দৰ্কাৰ নাই। আমি তাত ধুনীয়া ধুনীয়া থিয়েটাৰ হল বনাও। তাত কোনো ভাল ঘৰ নাই। ঠিক আছে— আমি তাতে ডাঙৰ হোটেল বনাও আহক। মই ইয়াৰ পৰা আপোনা লোকক সকলো সহায় দিম। আৰু দেখিব যে—আপোনালোকৰ

সপোন অতি সোণকালে দিঠকত পৰিণত হব।"

কণ্টাকটৰ সুন্দৰমৰ মনত এইটো এটা বৰ ভাল পৰিকল্পনা যেন লাগিল। কিয়নো সেই সময়ত তেওঁৰ ব্যৱসায় ক্ৰমে মন্দা হৈ পৰিছিল। ইতিমধ্যে তেওঁ তেওঁৰ ভাল নামটিও হেৰাই পেলাইছিল। অৱশ্যে আন কেইজনমান লোকৰ সৈতে তেওঁ আগৰ সুনাম উদ্ধাৰ কৰিব পাৰিছিল যদিও—তেওঁ ঘৰ খাজিবলৈ লোৱা আন কিছুমান ঠিকাত ক্ষতিপূৰণ নহ'ল। তেওঁ ভয় কৰিছিল যে—সিহঁত হয়তো যি কোনো মুহূৰ্ত্ততে ভাঙি পৰিব পাৰে। কিন্তু, ঘৰ খাজিবলৈ অনা চিমেণ্ট কিছুমান তেওঁ গোপনে বিক্ৰী কৰি বহুতো কলা টকা উপাৰ্জ্জন কৰিছিল।

"আপুনি যেতিয়া এটা নতুন ব্যৱসায় আৰম্ভ কৰিব তেতিয়া আপুনি আকৌ এটা একাউণ্ট খুলিব নালাগিব জানো?" ভেলাম্মীয়ে সুধিলে। "মই কিন্তু আজিলৈ এক পইচাও টেক্স দি পোৱা নাই।"

"আপোনালোকে সেইবোৰ চিন্তা কৰিব নালাগে।" থিৰুমুৰ্থিয়ে হাঁহি হাঁহি কৈছিল। বোম্বাইত মোৰ এনে কিছুমান লোকৰ সৈতে চিনাকি আছে যি সকলে ক'লা ধোৱাবো বগা কৰি দেখুৱাব পাৰে। আমিও সেইটো ব্যৱস্থা কৰিম, যদিহে আপোনালোকে তেওঁ লোকৰ পৰা এটা ঋণ লয়। মাত্ৰ আপোনালোকে মোক—আপোনালোকৰ প্ৰতিৰক্ষাৰ দুৰ্ভেদ্য দুৰ্গ বুলি বিশ্বাস স্থাপন কৰক।"

তেওঁলোকে যে থিৰুমুৰ্থিক বিশ্বাস কৰে তাত অৱশ্যে কোনো সন্দেহ নাই। আনকি অতি কৃপণ লোকজনেও এক লাখ টকা তেওঁৰ ওচৰত বিনা চুক্তিৰে এৰি আহিলেও সময়ত নিজৰ ঘৰত সেই টকা উভতাই পাব।

"বাক—বাক—এতিয়া ব্যৱসায় সংক্ৰান্ত কথাবোৰ পাহৰি অলপ ফুৰ্ত্তিকে কৰা যাওক। আপোনালোকে বাক কি ভাল পাব? গান নে নাচ?" থিৰুমুৰ্থিয়ে সুধিলে।

সম্পূৰ্ণ আচৰিত হৈ অতিথি বিলাকে ইজনে সিজনৰ মুখৰ ফালে

চোৱাচুই কৰিলে। আজি সন্ধ্যাৰ ভাগত হোৱা পার্টিত জানো নাচ-গান হোৱা নাছিল ?

"নাচ !—ইয়াত ?" এজনে সুধিলে।

"এৰা ইয়াতেই।—আধা ঘণ্টাৰ ভিতৰতেই বুলি কম নে ?" থিকমুথিয়ে চিনেমা প্রয়োজক জনৰ ফালে চালে।

"কিয় নহব—।" চিনেমা প্রয়োজক জনে তৎক্ষণাত উত্তৰ দিলে। "মই পার্টিটোলৈ টেলিফোন কৰোঁ।"

অভ্যাগত সকল পৰম উৎসুক হৈ বহি থাকিল। বাস্তবিকতে ই এটা সুবার্ভ ভোজ হৈ পৰিছিল। থিকমুথিয়ে তেওঁলোকৰ জীৱনত ৰসৰ সঞ্চাৰ কৰিব। প্রথম বাৰৰ বাবে কুপথত ভৰি দিয়া লোকজনে পোৱা অভিজ্ঞতাৰ দৰে তেওঁলোকৰো দেহমনত এটা অদ্ভুত ধৰণৰ ৰোমাঞ্চৰ পিৰ্ পিৰণি উঠিল।

"এইবোৰ বৰ অসভ্যালি হব।" এজনে কলে।

"উৰ্ব্বশী সচাঁকৈয়ে ইন্দ্রৰ সভাত নাচিছিল।" অন্য এজনে কলে।

এনেতে টেলিফোনটো বাজি উঠাত চিনেমা প্রয়োজক জনে—হাতখন আগবঢ়াই দিলে। থিকমুথিয়ে ৰিচিভাৰটো ললে। সকলোবোৰে ফোনেৰে অহা এজনী তিৰোতাৰ চিঞৰ শুনিবলৈ পালে। থিকমুথিৰ মুখখন লাহে লাহে শেভা হৈ পৰিল। টেলিফোনৰ দ্বাৰা তিৰোতা গৰাকীয়ে অতি উষ্মাৰে চিঞৰি চিঞৰি কোৱা কথাবোৰে অভ্যাগত সকলকো কিংকর্ত্তব্যবিমূঢ় কৰিলে। তেওঁলোকে আনকি তিৰোতাজনীৰ হা-হুমুনিয়াহ আৰু কান্দোনো শুনিব পাইছিল।

থিকমুথিৰ চকু খঙৰ ৰঙা হৈ পৰিছিল। এজনী মাইকী মানুহে তেওঁক এনেকৈ তেওঁৰ বন্ধুসকলৰ সন্মুখতে ঠাট্টা কৰিব। তেওঁ টেলিফোনতে অকণমান হাঁহিবৰ যত্ন কৰিলে। আৰু কৃত্রিম স্নেহেৰে কলে—"চাওগুনা অলপ সৰুকৈ কোৱাচোন। আমাৰ ঘৰুৱা কথাবোৰ ইমান ডাঙৰ কৈ আলচ কৰাৰ কাৰণ কি ? মই এতিয়া ব্যৱসায় সংক্রান্ত এখন ডাঙৰ আলোচনাৰ মাজত আছো। তুমি জানো এতিয়াই এখন

কাজিয়া আৰম্ভ কৰিবা ?”

“বৰ সুন্দৰ ঘৰ। তুমি তেনেকৈ কৰলৈ লাজ পোৱা নাইনে ?”

“ৰবাচোন পিচে পৰে আমি সেইবোৰ শান্ত ভাবে আলোচনা কৰি যি হয় এটা সিদ্ধান্ত লম বাৰু। প্লিজ—অলপ ধৈৰ্য্য ধৰা। লাগিলে তুমি যি কোৱা মই তাকেই কৰিম বাৰু !” থিকমূথিয়ে কৈছিল।

“মোক মাৰি পেলোৱা আৰু কবৰ দিয়া। আৰু তাকে কৰিবলৈয়ে তোমাক মোক লাগে আৰু তাকো তুমি এতিয়াই এই মুহূৰ্ত্ততে কৰিব লাগিব।”

“ঠিক আছে, মই বাৰু তাকেই কৰিম। কিন্তু তাকে কৰিব লাগিলেও তুমি ৰাতিপুৱালৈ নিশ্চয় বাট চাব লাগিব।” তেওঁ এনেকৈয়ে কব বুলি ভাবিছিল। কিন্তু, তাৰ সলনি তেওঁ অতি নম্ৰভাবে কলে—“বাৰু—কাইলৈ ৰাতিপুৱা পোণ প্ৰথমে তোমাক মই দেখা কৰি কথা হম।” এই বুলি কৈ তেওঁ টেলিফোনৰ ৰিচিভাৰটো থৈ দিলে। টেলিফোনটো ক্ৰিং ক্ৰিং কৈ পুনৰ বাজি উঠিছিল—কিন্তু তেওঁ তাক আৰু গুৰুত্ব নিদিলে।

“বাহিৰত আপোনাৰ শক্তি সামৰ্থ্য যিমানেই নহওক কিয়—ঘৰত কিন্তু মানুহ তিৰোতাৰ দাস।” তেওঁ অতি কৰুণভাৱে কলে।

“সেইজনী তেন্তে আপোনাৰ পৰিবাৰেই আছিল। তেওঁৰ এজন বন্ধুৱে হাঁহি মাৰি সুধিলে। অন্য বোৰেও হাঁহিব ধৰিলে। থিকমূথি নাৰ্ভাচ হৈ পৰিল।

“গতিকে গীত বা নৃত্য এতিয়া আৰু কোনোটোৱেই নহব।” ভেলাস্মীয়ে লাহে লাহে কৈ যাবৰ বাবে থিয় হ'ল। “মোৰ জনীও ঠিক এনেকুৱাই। তাই যদি এইবোৰৰ অকণমানো সুংসূত্ৰ পাই তেন্তে তেৱো মোক ভাল নাচ দেখুৱাই দিব।”

বিৰক্তি পাই অভ্যাগত সকল গুচি গ'ল। যদিও তেওঁলোক ভাল বন্ধুৱেই আছিল তথাপি থিকমূথিক তেওঁলোকে অলপ ভয় কৰিছিল। তেওঁলোকৰ স্ফূৰ্তিবাজ প্ৰফুল্ল গৃহস্থ এনেকৈ উপায়ন্তৰ হৈ খণ্ডাল বাদত

পৰিণত হোৱাত তেওঁলোকে ভীত বিহ্বল হৈ পৰিছিল।

তেওঁ এতিয়া অকিচত অকলশৰীয়া হৈ পৰিল আৰু উন্মাদৰ দৰে ইফালসিফাল কৰিব ধৰিলে। "এইটো এটা বৰ লাজলগা কথা—ভীষণ লজ্জাকৰ।"—তেওঁ মনে মনে ভোৰভোৰালে। "মই, যি জন ব্যক্তিয়ে নিজক নিজে এই মহানগৰীৰ এজন প্ৰথম শ্ৰেণীৰ অত্যন্ত দৰ্কাৰী লোক বুলি গণ্য কৰাব পাৰিলো আৰু মোৰ আঙুলি ঠাৰেৰে বহুতকে ঘূৰাব পাৰো—তেনে এজন ব্যক্তিক তাইৰ দৰে এজনী সাধাৰণ ছোৱালীয়ে ঠাট্টা কৰিব।" খঙৰ কোবত তেওঁৰ দাঁতো কৰমৰাই উঠিল। তেওঁ বহাৰ পৰা উঠিল আৰু উদ্‌ভ্ৰান্তৰ দৰে কোঠাটোত ইফাল সিফাল ঘূৰিব ধৰিলে। তেওঁ যেন ফোনেৰেই তাইক গালিগালাজ কৰিব। কিন্তু, প্ৰকৃততে তেওঁ যিটো নম্বৰ ডায়েল কৰিলে—সেইয়া আছিল শঙ্কৰীৰ ফোনৰ নম্বৰ। ফোনত তেওঁ তাইৰ নিদ্ৰাজড়িত কণ্ঠ শুনিবলৈ পালে।

"ডাক্তৰ—হয়, মই থিকমূৰ্থিয়ে কৈছো। এটা ভীষণ জৰুৰী কেচ। আৰু তাত আপুনি মোক নিশ্চয় সহায় কৰিব লাগিব।" তেওঁ তাইক কলে।

"ঘৰত কাৰ বেমাৰ হৈছে?"

"ঘৰৰ কাৰো নহয়। যদিহে আপুনি আহিব পাৰে তেন্তে মই নিজে আপোনাক ব্যক্তিগতভাৱে সেই কথা কব পাৰো।" তেওঁ কলে।

শঙ্কৰীয়ে ঘড়ীটোৰ ফালে চালে। নিশা এক বাজিছিল। "এনেকুৱা সময়ত কিয় এই আহ্বান!" তাই ভাবিলে।

"মই আপোনাক নিজে গৈ লৈ আহিম!" তেওঁ কলে।

"ক্ষমা কৰিব। মই এই সময়ত যাব নোৱাৰিম। কাইলৈ বাতি-পুৱাহে যাব পাৰিম।" শঙ্কৰীয়ে কলে।

"মই তাইক সঁচা কথাটো কোৱাটো উচিত নাছিল।" তেওঁ নিজকে কলে। শঙ্কৰীৰ এই দৃঢ়তা আৰু স্বাবলম্বীতাই তেওঁৰ মন তিক্ত কৰিলে। আহিবলৈ কৰা তাইৰ এই অস্বীকাৰ—তেওঁৰ বাবে এটা প্ৰত্যাহ্বান হৈ পৰিল।

পিছদিনাখন খুউব ৰাতিপুৱাতে—শঙ্কৰীয়ে যেতিয়া বাথৰুমত সোমাই গা-ধুই আছিল—তেতিয়া মুনীয়ামলে আহি থিকমুথি অহা খবৰটো দি গ'ল। লগে লগে শঙ্কৰী—মাজনিশা থিকমুথিয়ে কৰা টেলিফোনটোৰ কথা মনত পৰিল। আৰু এই ব্ৰহ্ম মুহূৰ্ত্তে তেওঁ নিজে আহি উপস্থিত। নিশ্চয় কিবা বিশেষ দৰ্কাৰী বিষয়। তাই ভাবিলে।

অপেক্ষাৰ প্ৰতিটো মুহূৰ্ত্তই থিকমুথিৰ বাবে একো একোটা যুগ যেন বোধ হৈছিল। তেওঁ অতি তত্তাতয়াকৈয়ে আহিছিল আনকি গাড়ীখনৰ ড্ৰাইভাৰ জনকো তেওঁ লগত অনা নাছিল। তেওঁ এক চেকেণ্ডৰ ভগ্নাংশৰ সমান সময়ো তাইৰ বাবে বৈ থাকিবলৈ ভাল পোৱা নাছিল। তেওঁ জীৱনত কোনো কাৰণতে কাৰোবাবে কেতিয়াও বৈ থকা নাই। অথচ এই আত্মগৰ্ব্বী ছোৱালী জনীয়ে তেওঁক বৈ থাকিবলৈ বাধ্য কৰিছে। ঠিক আছে—মই এদিন তাইক মোৰ বাবে বৈ থাকিবলৈ বাধ্য কৰাই—ইয়াৰ ক্ষতিপূৰণ লম'—তেওঁ নিজকে কলে।

ঠিক তেতিয়াই দুৱাৰৰ পৰ্দ্দাখন দাঙি শঙ্কৰীয়ে অভিনন্দন সূচক এটি মিচিকি হাঁহিৰে তেওঁৰ আগত থিয় হ'ল হি। তাইক দেখাৰ লগে লগে তেওঁৰ মনৰ পৰা সকলোবোৰ খং যেন আতৰি নোহোৱা হৈ গ'ল। তাই চুলিখিনি অতি সুন্দৰ কৈ বান্ধি ৰাখিছিল। আৰু সযত্নে পিন্ধা তাইৰ পোছাক বোৰে—তাইৰ সৌন্দৰ্য্যৰ জেউতী যেন বৃদ্ধিহে কৰিছিল। যদিও তাই পিন্ধা শাৰীখন এখন সাধাৰণ কপাহী শাৰীহে আছিল।

সত্তকুসুমিত গোলাপৰ পাহি নিয়ৰৰ টোপালেৰে জাতিষ্কাৰ হৈ উঠাৰ দৰে সত্তস্নাতা শঙ্কৰীকো অতিপাত ভাল লগা হৈ পৰিছিল। থিকমুথিয়ে আগতে তাইক এনেকুৱাকৈ ৰাতিপুৱাতে কেতিয়াও দেখা নাছিল। সেয়েহে তেওঁ ভাবিলে যে—তেওঁৰ বাবেহে শঙ্কৰীয়ে এনেকুৱাকৈ সাজি-কাছি তেওঁক দেখা কৰিছে। তাইৰ এই সৌন্দৰ্য্যত মোহগৈ—তালৈ

তেওঁ কিয় আহিছিল সেই কথা থিকমুথিয়ে পাহৰি গ'ল।

"কাৰ বেমাৰ হৈছে ?" থিকমুথিৰ ৰক্তবৰ্ণ চকু আৰু কল্ম চুলিৰ ফালে দৃষ্টি ৰাখি শঙ্কৰীয়ে সুধিলে।

"কাৰ নো হ'ব—মোৰ, মোৰেই অসুখ হৈছে।" তেওঁ কলে। "যদিহে তুমি মোৰ যত্ন লোৱা, তেন্তে তুমিয়েই মোক বচাব পাৰা।"

কথাবোৰ শঙ্কৰীৰ বাবে কিবা সাঁথৰ যেন লাগিল। "কেই মিনিটমান মই তোমাৰ লগত অত্যন্ত ব্যক্তিগত কথা অলপ পাতিব পাৰোনে ?" মুথিয়ে সুধিলে। "লোকে কয় যে—ডাক্তৰ আৰু উকীলক হেনো কেতিয়াও মিছা কথা কব নেপাই। মোৰ ক্ষেত্ৰত তুমি কিন্তু দুয়ো বিধৰে ভূমিকা লব লাগিব।"

ডাঠ পৰ্দ্দাৰে আবৰা বাৰান্দাৰ এটা আচুতীয়া কোঠালৈ—শঙ্কৰীয়ে তেওঁক লৈ গ'ল। কোঠাটোত মাত্ৰ এখন টেবোল আৰু দুখন চকীহে আছিল। এই কোঠালিটোতে ডাঃ শঙ্কৰীয়ে ৰোগী বিলাকক পৰীক্ষা কৰে।

"ডাক্তৰ—তুমি এইখন মহানগৰীত কলেজত পঢ়া দিনৰে পৰা আছা। আৰু জীৱনৰ বিভিন্ন ক্ষেত্ৰত তুমি বিভিন্ন মানুহৰ সান্নিধ্যতো আহিছা। গতিকে তুমি এজনী অভিজ্ঞতা থকা ছোৱালী বুলিয়েই মই ভাবো। গতিকে মই আশা কৰোঁ যে—মই তোমাক যি কথা এতিয়া কম সেই কথা শুনি তুমি আচৰিত নহবা। তুমি জানা যে মই এজন সঁচাকৈয়ে বৰধনী মানুহ। ইচ্ছা কৰিলেই মই সকলো পাব পাৰো। কেতিয়াবা আনন্দ উপভোগৰ বাসনাই মোকো বিয়াকুল কৰি তোলে। আৰু তেনে ধৰণেই মোৰ জীৱনত সংঘটিত হোৱা দুটামান মাৰাত্মক ভুলৰ কথা মই তোমাক কব খুজিছো। আশা কৰোঁ তুমি মোক ভুল সুবুজিবা। কিয়নো আমি এতিয়া ইজনে সিজনৰ ওচৰ চাপি আহিছো আৰু অদূৰ ভবিষ্যতে হয়তো আমি পৰস্পৰ আৰু ওচৰ চাপি আহিম।" পাতনি হিচাপে এইখিনি কথা কৈ অতাই মুথিয়ে অতি থৰথেদাকৈ মূল কথাটো শঙ্কৰীৰ আগত কব ধৰিলে। তাই অতি মনোযোগৰেই তেওঁৰ

কথাখিনি শুনিলে কিন্তু—। "অমি এতিয়া ইজনে সিজনৰ ওচৰ চাপি আহিছো আৰু অদূৰ ভৱিষ্যতে হয়তো আৰু ওচৰ চাপি যাম।"—এইষাৰ কথাহে যেন বাবে বাৰে তাইৰ কাণত প্ৰতিধ্বনিত হৈ থাকিব ধৰিলে। তেওঁ কি কৈছিল সেইবোৰে তাইক আৰু আকৰ্ষণ নকৰিলে। বৰং প্ৰচণ্ড ঘৃণাৰ ভাৱে তাইৰ মন ভৰাই তুলিছিল। যিয়েই নহওক তাই কিন্তু তেওঁ কোবা কথাবোৰ ধৈৰ্য্য সহাকৰে শুনিছিল।

তাইৰ বাবে জীৱন আছিল—এটা বাস্তৱ আৰু ভীষণ কষ্টোপাৰ্জ্জিত জীৱন। জীৱনৰ প্ৰতিতো দিনতে তাই দুখ আৰু কষ্টকে দেখি আহিছে। তথাপি তাই মানুহৰ নানা ধৰণৰ বেমাৰ আজাৰ আৰু পূতি দুৰ্গন্ধময় পৰিবেশৰ মাজতে আশাৰ হাঁহি লৈ জীৱনৰ বাটত আগবাঢ়িছিল। তথাপি কিয়জানো মুথিৰ কাহিনীবোৰ শুনি ঘৃণাত তাইৰ ওক উঠিবৰ উপক্ৰম হৈছিল।

তেওঁ তাইক কুমুদা নামৰ এজনী ছোৱালীৰ কথা কৈছিল। তাইৰ লগত তেওঁ যথেষ্ট ধন খৰচ কৰিছে আৰু তাইক সন্তুষ্ট কৈ ৰাখিবলৈ যত্নও কৰিছে। কিয়নো তাই এজনী বুদ্ধিমতী ছোৱালী আছিল আৰু তাই তেওঁক আমোদ আনন্দও দিবও পাৰিছিল যথেষ্ট। কিন্তু, এতিয়া তায়েই তেওঁৰ বাবে হৈ পৰিছে এটা গধুৰ বোজা। তেওঁৰ মনত তাই দিনে দিনে তিক্ততাৰ সৃষ্টি কৰিছে। তাই এতিয়া দেহ আৰু মন উভয়ৰে অসুস্থা ছোৱালী।

"কিন্তু, এই ক্ষেত্ৰত মই আপোনাক কেনেকৈ সহায় কৰিব পাৰোঁ।?" শঙ্কৰীয়ে সুধিলে।

"সম্প্ৰতি তুমি ব'লা আৰু ৰুগী জনীক প্ৰথমতে চাই লোৱা। তাৰ পিছত সমস্যাটোৰ বিষয়ে আমি আলোচনা কৰিব পাৰিম।" তেওঁ তাইক কলে। "মই আৰু এইবোৰ অকনো সহ্য কৰিব নোৱাৰো। যোৱাকালি আছিল শেষ সীমা। যোৱাকালি নিশা তাই সেই সীমা অতিক্ৰম কৰি সকলোবোৰ ধ্বংস কৰিছে।" তেওঁ নিজৰ মনতে পোৰগোৰালে।

শঙ্কৰীয়ে তাইৰ বেগটো হাতত ললে আৰু মুখিৰ গাড়ীত উঠি বহিল। মুখিয়ে গাড়ী নিজেই চলালে আৰু টিয়াগবায়নগৰৰ বহুতো পথ অতিক্ৰমি শেহত এটা ঠেক ৰাস্তাৰে গাড়ীখন সোমাই দিলে আৰু এটা দুমহলা ঘৰৰ সন্মুখত গাড়ীখন ৰাখিলে। এজনী ক্ষীণ বুঢ়ী তিৰোতাই তেওঁলোকক দুৱাৰ খুলি দিলে।

শঙ্কৰীয়ে বাৰান্দাৰ এখন চোফাতে বহি ললে। থিকমুথি ভিতৰলৈ সোমাই যোৱাৰ লগে লগে একটা প্ৰচণ্ড ভূমিকম্পৰ জোকৰণিৰ দৰে ঘৰটোৰ ভিতৰত জোকৰণি উঠিল। তেওঁৰ মৰম কোমল কথাবোৰৰ প্ৰতি কোনো কাষোৰ নিদি কুমুদাই তাইৰ তীক্ষ্ম মাতেৰে চিঞৰি চিঞৰি কিবা বকি থাকিল।

থিকমুথিক অতিপাত বিৰক্ত হৈ উভতি অহা যেন লাগিল যদিও সেই ভাব তেওঁ মুখৰ মিছিকি হাঁহিৰে ঢাকিবলৈ যত্ন কৰিছিল। "প্লিজ, তুমি যোৱা আৰু তাইক এবাৰ পৰীক্ষা কৰি চোৱা। মই পাঁচ মিনিট পিছতে উভতি আহিম।" শঙ্কৰীক এই বুলি কৈ তেওঁ বেগাবেগি কৈ গৈ গাড়ীত উঠিল আৰু বুঢ়ী তিৰোতজনীক কিবা এটা নিৰ্দেশ দি তেওঁ তাৰাতাৰিকৈ গুচি গ'ল।

ভিতৰলৈ গৈ শঙ্কৰীয়ে যি দৃশ্য দেখিলে—সেয়ে তাইৰ অন্তৰাত্মা অজান ভয় আৰু আশঙ্কাত কঁপাই তুলিলে। কুমুদা এখন চকীত বহি আছিল। তাইক দেখিবলৈ ইমান নিঃস্তেজ আৰু ক্ষীণ যেন লাগিছিল যে—তাই চিয়াৰখনৰ লগত একপ্ৰকাৰ মিলি আছিল। তাইৰ চকুহাল বহিগৈ কোটাৰত সোমাইছিল আৰু ধুনীয়া চুলিটাৰিও আউল বাউল হৈ আছিল। তাই শঙ্কৰীৰ ফালে ভয় আৰু বিৰক্তিৰে লক্ষ্য কৰিলে।

তাইৰ কানি কাপোৰ, আৰু দামী আচবাবপত্ৰ ইত্যাদিৰ ফালে লক্ষ্য কৰি শঙ্কৰীয়ে উপলব্ধি কৰিলে যে—থিকমুথিয়ে বাস্তৱিকতে তাইক সুখত ৰাখিবলৈয়ে যত্নৰ ত্ৰুটি কৰা নাই। দেখাত কুমুদাৰ কোনো বস্তুৰেই অভাৱ নাই।

"মই, আপোনাৰ নামটো জানিব পাৰোনে?" শঙ্কৰীয়ে সুধিলে।

"—কুমুদা।"

"বাৰু—আপোনাৰ কি অসুখ হৈছে৷?"

"সি আপোনাক কোৱা নাই জানো?"

"নাই।"

"আপুনি এজনী ডাক্তৰনী। গতিকে নিজেই পৰীক্ষা কৰি উলিয়াই নলয় কিয়?"

খিট্‌খিটিয়া মেজাজেৰে পৰম বিৰক্তিৰে দিয়া তেনে ধৰণৰ এটা উত্তৰ শুনি শঙ্কৰী কিন্তু হতাশ নহ'ল। বৰং এই দুৰ্ভগীয়া জেদী ছোৱালী জনীৰ প্ৰতি তাইৰ অন্তৰত অকণমান দুখ হে অনুভৱ কৰিলে। আৰু কুমুদাক সহায় কৰিবলৈ তাইৰ মনত এটা ইচ্ছা জাগি উঠিল।

কোঠালিটোৰ বেৰত কুমুদা আৰু থিকমূৰ্থিৰ এখন যুগ্ম ফটো ওলমি আছিল। আচলতে—তাই যে এজনী কি ধুনীয়া ছোৱালীয়ে নাছিল। সেই কমনীয়া মুখখন, দীপ্তিমান সুন্দৰ সজীৱ চকুহাল, কান্তিময় দেহশ্ৰী! সন্দেহ নাই থিকমূৰ্থিৰ যে তাইক কিয় ভাল লাগি নাযাব। কিন্তু, এইজনীয়েই জানো সেই কুমুদা!

তেওঁ চিয়াৰও বহি থকা ছোৱালীজনীলৈ চালে। বেমাৰ বাবেই তাইৰ মুখখন উত্তেজিত হৈ আছিল। শঙ্কৰীয়ে তাইক পৰীক্ষা কৰিলে। তাইৰ গৰ্ভত সন্তান আছিল।

"চাও—আপোনাৰ জিভাখন মেলকচোন!"

তাইৰ জীভাত পানীজোলা ফুটাৰ দৰে গুটি গুটি দাগ বান্ধ খাইছিল।

"আপুনি কিবা ঔষধ খাই আছে নেকি?"

'ডাক্তৰ!' ছোৱালীজনীয়ে খঙতে কলে—"আপুনি বাৰু একো নজনাৰ দৰে কিয় কথা কৈছে? নহলে আপুনিয়েই বা ইয়ালৈ আহিছে কিয়? আৰু সিয়েই বা আপোনাক ইয়ালৈ আনিছে কিয়?"

শঙ্কৰীৰ চকু বিস্ময়ত কপালত উঠিল। থিকমূৰ্থিয়ে কোৱা কথাবোৰ তাই আকৌ এবাৰ মনত পেলাবলৈ যত্ন কৰিলে। উধামুধাকৈ তেওঁ

বহুতো কথা কৈছিল সঁচা ; কিন্তু কুমুদা যে গৰ্ভৱতী সেই কথাটো তেওঁ এবাৰো কোৱা নাছিল।

ছোৱালীজনীয়ে কেইবাটাও ঔষধৰ খালি বটল আৰু কাগজৰ পেকেট আনি শঙ্কৰীৰ সন্মুখত ডাঙি ধৰি কলে—"সি কৈছিল—এইবোৰ হেনো টনিক। মই তাৰ কথা সৰলভাৱে বিশ্বাস কৰিছিলো, আৰু এইবোৰ খাইছিলো—আৰু তাৰ ফলত মোৰ এতিয়া এনে অৱস্থা হৈছে, যে মই এঢোক পানীও গিলিব নোৱাৰো।" শঙ্কৰীৰ মুখ শেতা পৰিল। কাৰণ সেইবোৰ আছিল—এক বিশেষ ধৰনৰ বিপদজনক মাৰাত্মক বিষ—যাক খালে অকল গৰ্ভত থকা সন্তানে নহয়, অলপ বেছিকৈ খালে কুমুদাৰো মৃত্যু ঘটাব পাৰে। ইমানবোৰ ঔষধ খোৱাৰ পিছতো কেনেকৈ মাতৃ আৰু গৰ্ভৰ সন্তান উভয়ে জীয়াই আছে—তাকে ভাবিহে শঙ্কৰী বিস্মিত হ'ল।

"যোৱা কালি গধুলি তেওঁৰ ঘৰত তেওঁ এটা বৃহৎ ভোজমেলৰ আয়োজন কৰিছিল। আৰু এটা সন্তানৰ জন্মোৎসৱৰ বাবে নাচ গানৰ মজলিচেৰে আনন্দ কৰিছিল। আৰু ইয়াত? এজনী নিৰপৰাধী মাতৃ আৰু সন্তানক হত্যা কৰিবলৈ ষড়যন্ত্র কৰিছে। কুমুদাই প্ৰলাপ বকাৰ দৰে কথাবোৰ কৈ গ'ল।

এই নিৰপৰাধী ছোৱালীজনীৰ দুখ যন্ত্ৰণাই শঙ্কৰীৰ অন্তৰতো দোলা দি গ'ল। তেওঁ কুমুদাক কোনোমতে দায়ী কৰিব নোৱাৰিলে। সম্ভৱ কুমুদা যেতিয়া মাক দেউতাকৰ লগত আছিল তেতিয়া তাই হয়তো প্ৰেমৰ কোনো অৰ্থই বুজা হোৱা নাছিল। তাই হয়তো থিকমূৰ্থিৰ ভালপোৱা আৰু আদৰ যত্ন আশা কৰিছিল। খোৱা-লোৱা, পিন্ধা উৰাৰ সকলো সা-সুবিধা আৰু আশ্ৰয় তাই থিকমূৰ্থিৰ পৰা পাইছিল। আৰু থিকমূৰ্থিৰ পৰা পোৱা আদৰ যত্নকে তাই হয়তো প্ৰেম বুলি ভাবিছিল ; কিন্তু তাই টো জনা নাছিল থিকমূৰ্থিৰ এই প্ৰেম আছিল কিমান ক্ষণস্থায়ী। এ মাহৰ পিছতে তেওঁক কুমুদাই আমুৱালে। ফলতঃ লাহে লাহে তেওঁৰ দেখা-সাক্ষাতো ক্ৰমাৎ কমি আহিবলৈ ধৰিলে

আৰু শেহত গৈ তেওঁ নিশাৰ শেষ ভাগত হে দুই এঘণ্টাৰ বাবে কুমুদাৰ ওচৰ চপা হ'ল। কিন্তু, দিনৰ পোহৰত তেওঁ জানো এজন সমাজৰ গণ্য মান্য ডাঙৰ মানুহ নহয়?

কুমুদা যেন—নতুনকৈ গজালি মেলি ওলোৱা ৰূপে ৰসে ভৰপুৰ এডালি সুন্দৰ কুঁহিয়াৰ আৰু থিকমূৰ্থি যেন এটা বন্য হাতীৰ দৰে তাইক মোহাৰি আচৰি খাই ধ্বংস কৰি পেলালে। শঙ্কৰীয়ে ভাবিলে। এতিয়া আৰু তাইৰ ভৱিষ্যত বুলি কি আছে?

"যদিহে মই তাৰ পৰা অকণমানো আন্তৰিক মৰম পালোহেতেন—তেন্তে মই এই সকলোবোৰকে হাঁহি হাঁহি সহ্য কৰি গলোহেতেন। মইতো তাৰ পৰা অকল ভাত আৰু কাপোৰ বিচৰা নাছিলো। মইটো এনেকৈ এটা ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থাকি এজনী বন্দিনীৰ জীৱন কটাব বিচৰা নাছিলো। যদি মোৰ অন্ততঃ পেটৰ পোৱালীটোও জন্ম পালেহেতেন তেন্তে মই এই পৃথিৱীখনত কাৰোবাক ভাল পোৱাৰ আৰু জীয়াই থকাৰ সাৰ্থকতা বিচাৰি পালোহেতেন। কিন্তু সি এতিয়া যমদূতৰ দৰে—মোৰ গৰ্ভৰ পৰা সন্তানটোকো কাঢ়ি নি আচৰি মাৰিব খুজিছে। সন্তানটো জন্ম পালে—মই ইয়াৰ পৰা গুচি গৈ—দিন হাজিৰা কৰি হলেও মই তুলি তালি ডাঙৰ দীঘল কৰিব পাৰিলোহেতেন। কিন্তু, সি মোৰ সকলোবোৰ আশা-আকাঙ্খাকে পুলিয়ে পোখাই ধ্বংস কৰিলে।" কুমুদাই কৈ কৈ হুকহুকাই উচপি উঠিল।

শঙ্কৰী নীৰৱ হৈ পৰিছিল। তাই বাৰু কেনেকৈ কব—"আপুনি আগতেই সাবধান হোৱা উচিত আছিল।" তাইৰ ভাবনা তাই টিকচীৰ হাইস্কুলত পঢ়ি থকা দিনবোৰলৈ উভতি গ'ল। এৰা, তাই জানো নিজেই গুৰুমূৰ্থিৰ লগত সাবধানে চলিছিল। অথচ থিকগনমে তাইক কতবাৰ যে সাবধান কৰি দিছিল। কিন্তু, সেইবোৰৰ প্ৰতি তেতিয়া তাই জানো নিজেই কাণসাৰ দিছিল? ওহো—তাইয়ো তো তেতিয়া নিজকে চম্ভালিব পৰা নাছিল। তেনেহলে তাই এতিয়া কেনেকৈ বাৰু এই সহজ সৰলা ছোৱালী জনীক তিৰস্কাৰ কৰিব?"

"ডাক্তৰ! আপুনি মোক সহায় কৰিবনে?" শংকৰীৰ হাত দুখনত ধৰি ছোৱালী জনীয়ে সুধিলে। আৰু শংকৰীক সাবটি ধৰি অসংযত ভাবে হুকহুকহি কান্দিব ধৰিলে।

"আহ! এইয়া কি কৰিছে?" শংকৰীয়ে মৰমৰে কলে।

"মোক তৎক্ষণাত মৃত্যু ঘটাব পাৰা এপালি ঔষধ দিয়ক। মই আৰু এই যন্ত্ৰণা সহ্য কৰিব নোৱাৰো। মোক সচাঁকৈয়ে কিবা এটা ঔষধ দি মাৰি পেলাওক ডাক্তৰ।" তাই অতি কাতৰ ভাৱে শংকৰীক মিনতি জনালে।

প্ৰকৃততে তাই বৰ ভীষণ জেদী আছিল। বাৰে বাৰে তাই একেটা অনুৰোধক কৰিছিল। আচলতে তাই খাটাং সিদ্ধান্তত উপনিত হৈছিল। তাই শংকৰীক প্ৰাৰ্থনা ভিক্ষা কৰিছিল। তাই আৰু জগতৰ কাৰো কামতে নাহে। আৰু তাই নিজেও কাৰো বাবে এটা বোজা হব নোখোজে। এনেধৰণৰ অখণ্ডনীয় যুক্তিৰে তাই শংকৰীক প্ৰত্যয় নিয়াবলৈ যত্ন কৰিলে।

"সি যেনিবা মোৰ পেটৰ পোৱালীটোক মাৰিবলৈ কৰা যত্নই যথেষ্ট নহব বুলি ভাবি, আপোনাক মোৰ ওচৰলৈ পঠাইছে। আৰু সেইটো যদি পাপ নহয়; তেনেহলে মই যদি নিজেই ইচ্ছা কৰোঁ তেন্তে মোক মাৰিলে আপোনাৰ কি পাপ হব? ডাক্তৰ—অনুগ্ৰহ কৰি মোক এইখিনি দয়া কৰক। মোক অলপ কৃপা কৰক। মোৰ কাৰণে আপুনি অন্ততঃ এইখিনি কৃপাৰ কাম কৰক। চাওক—আপুনি এজনী ডাক্তৰণী। কিন্তু, আপুনিও টো এজনী নাৰী নহয় জানো? নিজে এগৰাকী নাৰী হৈ আপুনি জানো অন্য এজনী নাৰীক সহায় নকৰিব?"

শংকৰীৰ এটা চিন্তা তাৰ পৰা আঁতৰি গৈছিল। সচাঁকৈয়ে তেওঁ যেন—এগৰাকী নাৰীৰ মৰ্ম্মবেদনা বুকুৰ তপত যন্ত্ৰণা যেন আন এজনী তিৰোতাৰ বুকুত প্ৰতিধ্বনিত হোৱা শুনিবলৈ পালে।"

"আনকি আপুনি যদি মোক নিদিয়ে—তেন্তে মই নিজেই সেইয়া বিচাৰি লম।" যদিহে একমাত্ৰ আপুনি মোক সহায় কৰে—তেনেহলে

হয়তো মোৰ মৃত্যু অতি নীৰবেই হব আৰু তেতিয়া হলে জগতৰ কোনো মানুহেই মোক আৰু উপহাস কৰিব নোৱাৰে।"

"ঠিক আছে—কথাবোৰ বাৰু মই ভাল দৰে ভাবি চাম। মাত্ৰ খেয়ালৰ বসবৰ্ত্তী হৈ আপুনি মাথোন কিবা এটা কৰি নেপালাব।" শংকৰীয়ে কলে।

সেই সময়ত থিকমুৰ্থিত উভতি আহি পাইছিল। শংকৰী গৈ গাড়ীত উঠি বহিল। শংকৰীয়ে কিন্তু তাইৰ ঘৰ নোপোৱা পৰ্য্যন্ত বাটত কোনো কথাকে তেওঁক কোৱা নাছিল। অবশেষত শংকৰীয়ে কলে—"মই বৰ দুঃখিত—মই একোকে কৰিব নোৱাৰিম।"

"তিৰোতাবিলাকে সদায়—নাই, নহয়, ওহো এনেধৰণেই আৰম্ভ কৰে।"—থিকমুৰ্থিয়ে হো হোৱাই হাঁহিলে। "যদিও আপুনি এজনী ডাক্তৰণী, তথাপি আপুনিও এজনী তিৰোতা—নহয় জানো? শেষত গৈ আপুনি মোক সহায় কৰিব গৈ। নগৰ খনত ইমানবোৰ ডাক্তৰ থাকোতে—মই বাৰু আপোনাক মোৰ ঘৰুৱা ডাক্তৰ হিচাপে নিৰ্ব্বাচন কৰিলো কিয়?"

এটা কথা অৱশ্যে শংকৰীৰ বাবে খুউব স্পষ্ট হৈ পৰিল। তাই বুজি পালে যে—থিকমুৰ্থিয়ে যিটো ইচ্ছা কৰিছে সেইটো কৰিব পাৰিব—আৰু তাক তেওঁ অতি সাহসেৰেই কৰিব। তেওঁৰ সেই শক্তি, সামৰ্থ্য আৰু উপায় আছে। কুমুদাইত কি কৰিব—তাৰ এটা সিদ্ধান্ত লৈছে। শংকৰীয়ে সঙ্গী হিচাপে কামটোত সহায় কৰক বা নকৰক, কিবা এটা ভয়ানক ঘটনা ঘটিবই। থিকমুৰ্থি আৰু কুমুদা উভয়েই এটা সিদ্ধান্তত উপনীত হৈছে। তেনেস্থলত তাই বাৰু কি কৰা উচিত।

১১

হস্পিতালৰ পৰা শংকৰীয়ে উভতি অহাৰ অকলমান পিছতে—থিকমুৰ্থিত আহি শংকৰীৰ ঘৰত উপস্থিত হ'ল। মুনীয়ামল কিছু

বিৰক্ত হৈ পৰিছিল। কিয়নো—এই মানুহজনৰ সঘন আগমন তাই বৰ ভাল পোৱা নাছিল। আনকি তাই শংকৰীকো সাবধান কৰি দিব বুলিয়েই ভাবিছিল। কিন্তু, শংকৰী হ'ল এজনী সুশিক্ষিতা আৰু পৈণত ছোৱালী। আৰু যদিহে এই মানুহজনে-শংকৰীক কোনো ক্ষেত্ৰত কিবা সহায় কৰিছে তেন্তে তাই নো মাজতে মূৰ সোমাব কিয়? নিজৰ মনতে এইবোৰ গুণাগথা কৰি অৱশেষত তাই নীৰৱেই থাকিল। অৱশ্যে থিৰুগনম আহিলে—তাই যেনেকৈ আনন্দ স্ফূৰ্তীত আপোন পাহৰা হৈ পৰে—সেই আনন্দ আহ্লাদ দেখোন এতিয়া নাই। তাই বাৰু কিয় ইমান হতাশ হৈ পৰিছে?

গধুলি সময়তো আকৌ তেওঁলোক দুয়োজন—ৰুগীচোৱা সেই আচুতীয়া কোঠালীটোত সোমাই বহু সময় ধৰি কথা পাতিলে। শংকৰীয়ে সোধা প্ৰশ্নবোৰৰ উত্তৰ তেওঁ হাঁহি হাঁহিয়ে দিছিল আৰু হাঁহি হাঁহি কথা পাতিয়ে তেওঁ তাইক তেওঁৰ চিন্তাধাৰাৰ প্ৰতি প্ৰৰোচিত কৰিবলৈ যত্ন কৰিছিল। কুমুদাৰ পৰা তেওঁ শ্ৰান্ত হৈ পৰিছে। তেওঁৰ ল'ৰা সন্তান নাই। ধৰা হ'ল যদি কুমুদাৰ ল'ৰা সন্তান এটা জন্ম হয়; তেন্তে সময়ত গৈ সিয়ে তেওঁৰ সম্পত্তিবো দাবী কৰিব পাৰে বুলি তেওঁ ভয় কৰিছিল। "যদি তাই মৰিব খোজে, ভাল কথা—তাই মৰক।" যদিহে তেওঁক শংকৰীয়ে মাত্ৰ সহায় কৰে—তেন্তে তেওঁ তাইৰ বাবে সকলো কৰিবলৈ ৰাজী। শংকৰীয়ে তাইৰ মতামত পিছদিনাখন তেওঁক জনাব বুলি কথা দি—তেওঁক বিদায় দিলে।

সেই নিশা শংকৰীৰ চিন্তা ভাবনাবোৰ বিগত দিনবোৰলৈ উভতি গ'ল। তাই অনুভৱ কৰিলে যে—সেইটো ৰাতিপুৱালৈ তাই যেন নিজকে প্ৰৱঞ্চনা কৰিছে। জীৱনত তাইৰ এটা আদৰ্শ আছিল। তাই নিজৰ মনতে স্থিৰ কৰি লৈছিল যে—তাই এজনী ডাক্তৰ হব আৰু গোটেই জীৱন ধৰি এজনী ডাক্তৰণী হৈয়ে থাকিব। কিন্তু, এই মুহূৰ্ত্তত তাই জানো অকল এজনী ডাক্তৰণীয়ে? তাইয়ো জানো এজনী "তিৰোতা" নোহোৱা কৈ আছে?

তেওঁ জীৱনত অসংখ্যা তিৰোতা মানুহক চিকিৎসা কৰিছে, আৰু সেই সকলোবোৰৰে লগত তাই এজনী ঠিক ডাক্তৰণীৰ দৰে হৈ থাকিবলৈ সমৰ্থ হৈছে। কিন্তু, সেইদিনাখন ৰাতিপুৱা—কুমুদাক ল'গ পোৱাৰ পিছতে প্ৰচণ্ডভাৱে অন্য উপলব্ধিটো হ'ল। আৰু যৰতো কুমুদাই সেই একে কথাতে যোৰ দি কৈছিল—"আপুনি এজনী ডাক্তৰণী হব পাৰে কিন্তু আপুনিও এজনী নাৰী, নহয় জানো? নাৰী হৈ আন এজনী নাৰীক আপুনি সহায় নকৰিবনে?"

"যদিও ডাক্তৰ, তুমি কিন্তু মুলতঃ এজনী তিৰোতা।" থিৰুথিত সেই একে কথাকে কৈছিল।

সেই মুহূৰ্ত্তত তাই অকল নিজকে নহয়, সমগ্ৰ নাৰী জাতিটোকে ঘৃণা কৰিলে। ভগৱানে নাৰীক মাতৃত্বৰ অমূল্য সম্পদ দান কৰিছে। তথাপি সেইজন ভগৱানেই বাৰু কেনেকৈ—নাৰীক তেনে ধৰণৰ দায়িত্ব-হীন, নিষ্ঠুৰ দয়া-মমতা হীন পুৰুষৰ ওচৰত সমাৰ্পণ কৰিলে? কিয় বাৰু তেওঁ জগতত—একমাত্ৰ ভাব অনুভূতিৰ জীৱন্ত প্ৰতিমূৰ্তি কৰি ইমান-বোৰ ছোৱালীক জন্ম দিছে?

তাই অনুভৱ কৰিলে যে—তাইৰ মনৰ মাজত পাহৰি যাবলৈ ইচ্ছা কৰা বিগত অতীত আৰু অনাগত নেদেখা ভৱিষ্যতে অহৰহ এক বোবা যন্ত্ৰণাৰ সৃষ্টি কৰিছে। স্কুল কলেজৰ শিক্ষক শিক্ষয়ত্ৰী সকলে—নাৰীৰ ওপৰত ন্যস্ত এই মহান দায়িত্বৰ কথা জানো এবাৰো ভাবে? নাই কেতিয়াও নাভাবে। নাৰী আৰু পুৰুষ সমান বুলি কোৱা অতি সহজ। কিন্তু, সিহঁত সমান নে? শাৰিৰীক, মানসিক আৰু অন্তৰৰ অনুভূতিৰ ক্ষেত্ৰত সিহঁত বেলেগ নহয় জানো? যদিলে—মানুহৰ মাজত থকা এই মৌলিক প্ৰাৰ্থক্য দূৰ কৰিব নোৱাৰে—তেন্তে শিক্ষা নো কি? কুমুদা এজনী শিক্ষিতা ছোৱালী। বিগত দিনত—তাইৰ ঘৰখনে নিজেই এখন নাৰী শিক্ষাৰ বিষ্ঠালয় আছিল। তাই বাৰু কেনেকৈ নিজকে গঢ়িব পাৰে? এই চল চাতুৰীৰে ভৰা জগতখনত—য'ত এবাৰ পিছল খালেই চিৰদিনৰ বাবে হেৰোই যোৱা যায়—তেনে এখন

প্ৰৱঞ্চনাৰ পৃথিৱীত তাই বাৰু কেনেকৈ নিজৰ জীৱনৰ বাট উলিয়াই লব পাৰে ?

আনকি—এজনী ৰাণীত—পুৰুষৰ চকুত মাত্ৰ এজনী তিৰোতাই। তাই নিজকে—তাইক দেখা হেজাৰ হেজাৰ পুৰুষৰ দৃষ্টিৰে লক্ষ্য কৰিলে। সচাঁ কথা তাই এজনী ডাক্তৰণী। কিন্তু, সেই বুলিয়েই তাইবো জানো এটা স্বকীয়া নিজস্ব জীৱন থাকিব নোৱাৰে ? তেনেহলে কিয় বাৰু তাই—কোনোবা এজন পুৰুষৰ মৰম-চেনেহ, ভালপোৱা, আদৰ যত্ন আৰু কতৃত্বৰ অধীন হৈ নোপোৱাকৈ থাকিব ? কিয় বাৰু—একমাত্ৰ তায়েই জীৱনৰ এই অপৰূপ দানৰ পৰা বঞ্চিতা হব ?

কুমুদাই যেন শংকৰীয়ে ইমানে দিনে নিজে নিজৰ ওপৰত প্ৰয়োজিত আত্ম সংযমৰ প্ৰাবল্যক লঘু কৰি দিলে। নিজৰ কৰ্তব্যৰ প্ৰতি থকা তাইৰ উচ্চ আদৰ্শক ই যেন কঁপাই তুলিলে। তাইৰ অন্তৰৰো অন্তৰৰ নাৰী সত্বাটো প্ৰকাশৰ বাবে ব্যাকুল হৈ পৰিল। অন্য এজনী ছোৱালীৰ দৰে—তাইয়ো জানো জীৱনক উপভোগ কৰিব নোৱাৰে—তাই জানো নাৰী হিচাপে এজনী নাৰীৰ হাঁহি-কান্দোনৰ অভিজ্ঞতা পাবলৈ নিবিচাৰে ? মাত্ৰ এটা বাক্যই হয়তো থিৰুগনমৰ বাবে যথেষ্ট। তেওঁ তাইক প্ৰাণভৰি ভাল পায়। বছৰৰ পিছত বছৰ ধৰি তেওঁ তাইৰ বাবেই অপেক্ষা কৰি আছে। আৰু তাইয়ো তেওঁৰ অন্তৰৰ সেই অধীৰ আকুল আহ্বান শুনিছে ; কিন্তু, তথাপি কিয় বাৰু তাই তেওঁক দূৰলৈয়ে ঠেলি পঠাইছে ? আনকি তেনে এজন মহান লোকৰ বাবে এটা জীৱন অপেক্ষা কৰি থকাটো দেখোন পৰম আনন্দ আছে। তেনেস্থলতো···।

শংকৰীৰ মনটো ভাঙি পৰিল। তাইৰ সৌন্দৰ্য্য তাইৰ বাবে ঘৃণনীয় আৰু তাইৰ যৌবন যেন বিষাক্ত যন্ত্ৰণা। কৰবাত যেন তাইৰ জীৱনৰ ছন্দৰ পতন হৈছে, কৰবাত যেন তাইৰ জীৱনৰ অৰ্থও হেৰাই গৈছে। মাত্ৰ এতিয়া আছে এটা স্বপ্ন ভঙ্গৰ বেদনা।

কুমুদাৰ ওপৰতো তাইৰ খং উঠিল। কিয়নো তায়েই তো তাইৰ মনত যন্ত্ৰণাময় উপলব্ধিৰ এই বেদনাৰ জুই জ্বলাই দিছে। নহয়, নহয়।

কুমুদা নহয়। আচলতে থিকমুৰ্থি হে। ওহো। কুমুদা আৰু থিকমুৰ্থি উভয়েই ইয়াৰ বাবে দায়ী। তাই নিশ্চয় দুয়োজনৰ ওপৰতে প্ৰতিশোধ লব। গুৰুমূৰ্থি আৰু জীয়াই নাই। কিন্তু, তেওঁৰ ভায়েক আছে। আৰু তেওঁৰ ভায়েক—ককাইয়ে কৰে চিন্তা আৰু কৰ্ম্মৰ হুবহু প্ৰতিৰূপ হৈ জীয়াই আছে।

জুৱাৰীৰ চলনাময় জগতখনৰ কথাও তাই জানে। আৰু জীৱনত সিহঁত বোৰেই কৃতকাৰ্য্যত হয়। অৱশ্যে তাই উচ্চ আদৰ্শ সাধনাৰ ব্ৰতস্বৰূপ চাকৰীটো কিম্বা জীৱনৰ প্ৰকৃত পথৰ পৰা তাই কেতিয়া আতৰি নাযাব। কিন্তু কৰ্ম্মময় এটা জীৱনে জুৱা খেলৰ চালখনৰ সেই উত্তেজনাময় অভিজ্ঞতা দিব নোৱাৰে। এৰা, তাইও জুৱা খেলিব—আৰু জুৱা খেলিব জীৱনৰ সৈতে। এজন মানুহে শ শ মানুহৰ জীৱন বচাই যি আনন্দ পায়; সেই আনন্দ জুৱা খেলত দক্ষতাৰে জীতি পোৱা আনন্দৰ সমান হবনে বাৰু? সেইটোৱে হৈছে ধ্বংসৰ পথ। সৃষ্টিৰ আনন্দত কৈও ধ্বংসৰ মাতাল নিছা সচাঁই বৰ উত্তেজনাময়।

শেষত তাই এটা সিদ্ধান্ত ললে আৰু গভীৰ টোপনীত লালকাল দি পৰিল। এৰা তাই এই লক্ষ্যত উপনিত হবলৈ—তাইৰ ৰূপ-সৌন্দৰ্য্য, তাইৰ যৌবন, তাইৰ শিক্ষা-দীক্ষা আৰু ডাক্তৰী কলাকৌশল, অভিজ্ঞতা সমষ্টকে কামত প্ৰয়োগ কৰিব। আৰু এনেদৰে স্বপ্নহীন ভাৱে তাই গভীৰ নিদ্ৰাত নিধাল দিলে।

পিছদিনাখন ৰাতিপুৱা তাই থিকমুৰ্থিক মৰমৰ মিঠা হাঁহিৰে স্বাগত সম্ভাষণ জনালে আৰু নিজ হাতেৰেই কফি বনাই খুৱালে। থিকমুৰ্থিয়ে যেন নিজৰ চকুকে বিশ্বাস নকৰিব। তাইৰ চকুৰ চাৱনিত আছিল কোমলতা আৰু মাতত আছিল বিশেষ নম্ৰতা।

"মই যিয়েই নকৰোঁ কিয়—তাইৰ জীৱন বচোৱাটো কিন্তু, অতি কঠিন।" শংকৰীয়ে তেওঁক কলে।

থিকমুৰ্থিয়ে সন্দেহ ভৰা দৃষ্টিৰে তাইৰ চকুলৈ চলে।

"মই আপ্ৰাণ যত্ন কৰিম" তাই কৈ গ'ল। 'আনকি তেতিয়াও—

তাই নিশ্চয় চাৰি পাঁচ মাহ মান বিছনাতে পৰি থাকিব লাগিব আৰু তাইক অত্যন্ত যত্নেৰে শুশ্ৰূষা কৰিব লাগিব।'

থিৰুমূৰ্ত্তি উচপ খাই উঠিল। "মই কেনেকৈ তাইৰ যত্ন হব পাৰিম? আৰু তুমি কৈছা যে তাইৰ জীৱন বচোৱাটো অত্যন্ত কঠিন।"

"হয়, সচাঁই বৰ কঠিন। কাৰণ সেই বিষ বোৰ খুৱৈৱাই আপুনি তাইৰ পেটৰ নাড়ীভুৰীবোৰ জ্বলাই পেলাইছে। আচ্ছা আপুনি বাৰু কোনো ডাক্তৰৰ প্ৰেচক্ৰিপচন নোহোৱাকৈ সেই বোৰ কেনেকৈ পাইছিল?" তেওঁৰ চকুৰ ফালে সূক্ষ্মভাৱে লক্ষ্য কৰি তাই সুধিলে।

তেওঁ বাস্তৱিকতে আকৌ এবাৰ জিকাৰ খাই উঠিল। "প্লিজ তুমি আৰু মোক প্ৰশ্ন নকৰিবা। মাত্ৰ তুমি কোৱা—এতিয়া মই কি কৰিব লাগে।"

"নাই, আপুনি মোক কবই লাগিব।" তাই কলে।

"কুমুদাই টো নিজেই—তাইৰ মৃত্যু ঘটাব পাৰা তেনে ধৰণৰ ঔষধটো তোমাকো খুজিছিল।" তেওঁ কৈছিল আৰু অকনমান সময় ইতস্ততঃ কৰি ৰ'ল। আৰু ক্ষন্তেক পিছতে তেওঁ কবলৈ ধৰিলে—"মুঠ কথা তাইৰ কি হয় সেই বিষয় মোৰ চিন্তা নাই। আনকি মোৰ ব্যৱসায়ত মনোযোগ দিবলৈয়ে মোৰ সময় নাই।"

"এইটোৱে আপোনাৰ সিদ্ধান্ত নেকি?"

"ও, যেইটোৱে মোৰ সিদ্ধান্ত। কিন্তু, পিছত যাতে কোনো ধৰণৰ অসুবিধা অথবা অযথা জটীলতাৰ সৃষ্টি নহয়—সেইটো লক্ষ্য কৰাটো তোমাৰ কাম।" তেওঁ স্পষ্টভাৱে তাইক কলে।

ডাঃ শংকৰীয়ে কিছু সময় একোকে নকলে। "আপোনাৰ গাড়ীৰে মই তাইৰ ওচৰলৈ সঘনে যাবলৈ ভাল নেপাও। যদিহে মই মোৰ ব্যৱহাৰৰ বাবে এখন সৰু গাড়ী পালোহেতেন তেন্তে মোৰ বাবে এইটো বৰ সুবিধাজনক হ'ল হেতেন।" তাই তেওঁক কলে।

"গাড়ী? সেইয়াটো অতি সহজেই হব পাৰে। ঠিক আছে তোমাৰ অমূল্য ব্যৱহাৰৰ বাবে মই এখন গাড়ী পঠাই দিম।"

থিকমুথিয়ে পিছত নিজকে কলে—এই ছোৱালী কিন্তু সাংঘাটিক চালাক দেই। তাইৰ কামৰ বিনিময়ত তাই এখন গাড়ী বিচাৰিছে। যিটোৱে মৰমৰ সেইটোৱেই ভয়ানক। অৱশ্যে এটা বস্তু যিমানেই বেছি দামী হয়—তাৰ প্ৰতি তেওঁৰ বাসনাও হয় সিমানেই বেছি। যদিহে তেওঁ কুমুদাৰ পৰা মুক্তি পাই—তেন্তে তেওঁৰ বাবে গাড়ী এখন নো কি ডাঙৰ কথা?

যি মুহূৰ্ত্ততে—ধনৰ প্ৰতি শংকৰীৰ লালসা হোৱা দেখিবলৈ পালে তেতিয়াই তেওঁ অন্য এটা কথাৰো অৱতাৰণা কৰিলে।

"অভিনেতা নাগাপ্পাই মোক বৰ খেচ্খেচাই আছে। মই হেনো তেওঁৰ এখন চবিত অভিনয় কৰিবলৈ তোমাক মান্তি কৰাব লাগে। আৰু তেওঁ কৈছে যে চবিখন তেওঁ মাত্ৰ কেই মাহ মানৰ ভিতৰতে সম্পূৰ্ণ কৰিব।"

"মই আপোনাৰ কথা বুজা নাই।" শংকৰীয়ে কলে।

"তেওঁ এনে এজন ব্যক্তি যিয়ে—প্ৰত্যেকখনৰ বাবে তিনি লাখ টকাকৈ আগধন লৈ প্ৰায় ডেৰকুৰিখন চবিত অভিনয় কৰিবলৈ চহী কৰিছে। গতিকে প্ৰয়োজক সকল এতিয়া তেওঁৰ দয়াৰ ওপৰতে নিৰ্ভৰশীল। তিনি বছৰ পিছতো—চবিবোৰৰ আধামান হে সম্পূৰ্ণ হব। আৰু প্ৰয়োজক সকল তেওঁৰ পিছত ঘূৰি ঘূৰি ভাগৰি পৰিছে। আৰু তেনে এজন ব্যক্তিয়ে প্ৰতীজ্ঞা কৰিছে যে—যদি তুমি নায়িকা হোৱা তেন্তে ছবিখন তেওঁ মাত্ৰ দু মাহতে সম্পূৰ্ণ কৰিব।"

"মোৰ যিটো পেচা সেইটোৱেই মোৰ বাবে অত্যন্ত দৰ্কাৰী কথা।" শংকৰীয়ে কলে। আৰু অলপমান পিছতে—যেনিবা কিবা অলপ বিবেচনা কৰি তাই তেওঁক সুধিলে,—"এই ক্ষেত্ৰত আপোনাৰ উপদেশ?"

থিকমুথি ৰোমাঞ্চিত হ'ল। সচাঁকৈয়ে তাই তেওঁৰ পৰা উপদেশো লব বিচাৰে!

"মই তেওঁলোকক কৈছো যে—তোমাক মান্তি কৰোৱাটো বৰ সহজ নহব। আৰু সেইবাবেই তেওঁলোকে মোকেই তোমাৰ ওচৰলৈ

পঠাইছে। অৱশ্যে মই নিজেও তুমি অভিনয় কৰা কথাটো ভাল নেপাও। কিন্তু···।” থিকমুৰ্থি থমকি ৰ'ল।

“কিন্তু, কি ?” শংকৰীয়ে সুধিলে।

“প্ৰয়োজক জন আহিবই। তেওঁক তুমি নহব” বুলি খাটাং কৈ কৈ পঠাই নিদিবা। তুমি এনেধৰণে কৰা যাতে তেওঁ ধাৰণা কৰি লয় যে—হয়তো তুমি অভিনয় তো নামিব পাৰা। স্পষ্টকৈ তুমি মাত্ৰ এইটোকে কৰা যে—বিষয়টো তুমি ভাবি চাবা।”

“কিন্তু, ভাবিবলৈ ইয়াত কি আছে ?”

“তেওঁক মাত্ৰ—তুমি যে অভিনয়ত নামিব পাৰা এই ধাৰণাটোকে লব দিয়া। আৰু তেতিয়া তেওঁ তোমাক দহ হেজাৰ টকা আগধন দি যাব। তুমি টকাখিনি লৈ থবা আৰু পিছত তুমি কৰা যে—তোমাৰ কোনোবা এজন বিশেষ লোকে তোমাক অভিনয় কৰিবলৈ অনুমতি নিদিয়ে।”

“এডভান্স দিয়া টকা ?”

“তেওঁক কবা যে টকাখিনি খৰচ হৈ গ'ল। আৰু এইটোৱে তেওঁক শুদ্ধ পথটো দেখুৱাব মানে কাইটক কাইটেৰে। ইমান সহজতে পোৱা ইমানবোৰ টকা তুমি বাৰু আঙুলিৰ ফাকেৰে সৰকি যাবলৈ কিয় দিবা ?”

থিকমুৰ্থি যোৱাৰ পিছত—তাই তাইৰ বাগিছাত পাৰ্টটাইম কাম কৰা ৰঙ্গনক মাতি আনিলে আৰু কিছু টকা দি গাড়ীৰ ড্ৰাইভিং শিকিবলৈ কলে।

সময়ত গাড়ী আহিল আৰু ৰঙ্গনেই হ'ল গাড়ীৰ ড্ৰাইভাৰ।

কিছুদিনৰ বাবে তাই প্ৰতিদিনে কুমুদাক চোৱাচিতা কৰিলে। আৰু তাৰ পিছত হঠাতে এদিন কুমুদা অন্তৰ্ধ্যান হৈ পৰিল। তাই আৰু থিয়ণৰায়নগৰৰ ঘৰত নাছিল। কুমুদাৰ ঘৰত থকা বুঢ়ী তিৰোতা জনীয়ে ডাক্তৰণীৰ বিৰুদ্ধে কিছু কথা লগালে। থিকমুৰ্থিয়ে তাইক কিছু টকা দিলে আৰু সেই নগৰৰ পৰা বাহিৰলৈ পঠাই দিলে।

শংকৰীৰ টেলিফোনটো বাজি উঠিল। "কি হ'ল? মোকতো একোকে তুমি কোৱা নাই?" থিকমূৰ্থিয়ে ডাক্তৰৰ ওচৰত আপত্তি কৰিলে।

"অ'—সেইটো সম্পূৰ্ণৰূপে শেষ হ'ল। এই বিষয়ে আপুনি আৰু একোকে দুঃচিন্তা কৰিব নালাগে।" আনন্দমিশ্ৰিত কণ্ঠেৰে তাই উত্তৰ দিলে।

থিকমূৰ্থি ভয়তে পেপুৱা লাগিল। তেওঁৰ হাত দুখন কঁপিবলৈ ধৰিলে—আৰু মুখখন মৃত মানুহৰ দৰেই শেতা পৰি গ'ল।

১২

ডাঃ শংকৰীয়ে টেলিফোনতেই থিকমূৰ্থিক কুমুদাৰ বিষয় সকলোবোৰ কথা কবলৈ যত্ন কৰিছিল। কিন্তু, সকলোবোৰ কথা শুনিবলৈ থিকমূৰ্থিৰ ধৈৰ্য্য নহ'ল। সকলোবোৰ কথা শুনিবলৈ তেওঁ যেন ভয় পালে আৰু টেলিফোনৰ ৰিচিভাৰটো কাণৰ কাষৰ পৰা আঁতৰাই থ'লে। তেওঁৰ যেন উশাহ নিশাহ বন্ধ হবৰেই উপক্ৰম হ'ল—আৰু মানুহজন কোপাবলৈ ধৰিলে।

"ইট্ ইজ অল অভাৰ।' ইয়াৰ দ্বাৰা তাই বাৰু কি বুজাইছে? তাই তাইৰ জীৱনত প্ৰতিদিনেই বহুতো জন্ম মৃত্যু দেখিছে। তথাপি তাই কিমান উদাসীন ভাবে কুমুদাৰ মৃত্যুৰ কথাটো প্ৰকাশ কৰিছে। আৰু কিমান আনন্দৰে তাই খবৰটোও দিছে। তেওঁ যেন শংকৰীক বুজিব পৰা নাই। তেওঁ যেন বাস্তবিকতে একোকে বুজিব পৰা নাই। সঁচা কথা, কুমুদা আজি কেই বছৰমান তেওঁৰ দেহৰ মাংসপেশীত এডাল বিষাক্ত কাইটৰ দৰে সোমাই থকা যেন তেওঁৰ অনুভৱ হৈছিল। আৰু সেই কাইট ডাল উলিয়াই পেলাবলৈ তেওঁ ডাঃ শংকৰীৰ সহায় লৈছিল। কিন্তু, তেওঁৰ অনুভৱ হ'ল—এতিয়া যেন সেই কাইট ডাল তেওঁৰ দেহৰ ভিতৰৰ আৰু গভীৰত যেন ভাঙি ৰ'ল। আৰু ইয়ে যেন এটুকুৰ

গেলাঘাৰ সৃষ্টি কৰি তেওঁক অসহ্য যন্ত্ৰণা দিব ধৰিছে। তেওঁৰ ককায়েক শুকমূৰ্থিলৈ মনত পৰিল—তেওঁকো এজনী ছোৱালীৰ বাবে তেনেকৈ বিদেশত হত্যা কৰা হৈছিল।

মাৰ্‌দাৰ—নৰহত্যা। যদি কথাটো কিবাকৈ বাহিৰত প্ৰচাৰ হৈ পৰে? তাৰ পিছত কি হব বাৰু? পুলিচ কাছাৰি—শুনানী-বাতিৰ কাকতৰ গৰম খবৰ—তাৰ পিছত হুকুম আৰু, আৰু তাৰ পিছত…। তেওঁ এই সকলোবোৰ কথাকৈ পাহৰি যাবলৈ ইচ্ছা কৰিলে। শংকৰী বাস্তৱিকতে এজনী ভীষণ দুঃসাহসী ছোৱালী। ভীষণ ভয়ে তেওঁক আগুৰি ধৰিলে—এই ভয় শংকৰীৰ ভয়। কিন্তু, তাইলেও ভয়? যিমান টকাই খৰচ নহওক কিয়, এতিয়াৰ পৰা তেওঁ শংকৰীক নিশ্চয় হাতৰ মুঠিত ৰাখিব লাগিব। আৰু এইটোৱেই এতিয়া হৈ পৰিল তেওঁৰ একমাত্ৰ লক্ষ্য।

এটা সুবিধাও ওলাই পৰিল। তেওঁ চিনেমা প্ৰযোজক থঙ্গামুথুলৈ টেলিফোন কৰিলে। আৰু তেওঁক তেওঁ জনালে যে—শংকৰীয়ে হয়তো তেওঁৰ চবিখনত অভিনয় কৰিবলৈ চুক্তিবদ্ধা হবও পাৰে। "আপুনি যাওতে তেওঁৰ বাবে টকা দহ হেজাৰ লগত লৈ যাব। আনকি তেওঁ সন্মতি দিবলৈ অস্বীকাৰ কৰিলেও আপুনি কিন্তু, টকাখিনি তেওঁৰ ওচৰত এৰি আহিবলৈ নাপাহাৰিব।" তাৰ পিছত তেওঁক মই যোৰ দি ধৰিব পাৰিম।

"ধৰিলোৱা হ'ল—তেওঁ টকাখিনি ললে কিন্তু, পিছত গৈ অভিনয় নকৰিলে।"

"নকৰিলে—কি হ'ল? সেইটো গৈ নাগাপ্পাৰ কাৰণে এটা মাৰাত্মক শিক্ষা হব। আপুনি মোৰ পৰা কিমান লাখ টকা ধাৰ লব আৰু? কিন্তু, আপুনি যে লোকচান ভৰি আছে—নাগাপ্পাই তাৰ জানো কিবা খবৰ ৰাখিছে? যদি আপুনি এই দহ হেজাৰ টকা লোকচানো ভাব— তেন্তে ইয়াৰ ভিত্তিতে আপুনি আপোনাৰ যেতিয়াই দি দৰ্কাৰ সেই সময়ত নাগাপ্পাৰ পৰা বহুতো বেছি কাম আদায় কৰিব পাৰিব।"

তাৰ পিছত তেওঁ শংকৰীৰ লগত টেলিফোন সংযোগ কৰিলে।
"যদিহে প্ৰয়োজক জনে তোমাক টকা দিয়ে—তেন্তে তুমি কিন্তু লবলৈ অস্বীকাৰ নকৰিবা। ঘোড়া দৌৰত কত মানুহে—কিমান ঘোড়াৰ ওপৰত কিমান টকাৰ বাজী ৰাখে। কিন্তু, তাত মাত্ৰ কেইটামান ক'লা ঘোৰাই হে কেইজন মানক মাথো সৌভাগ্যৱান কৰি তোলে। তুমি সমূলি অভিনয় নকৰিলেও—কোনো কথা নাই। মাত্ৰ তেওঁ যি দিয়ে তাক তুমি ৰাখি থবা। আৰু তাৰ পিছতে মোক ফোন এটা কৰি কথাটো জনাবা।"

চিক্কৰ খমখমীয়া মিহি ধুতি-চাৰ্ট পিন্ধি, হাতৰ আঙুলীত হীৰাৰ বাথৰ পটোৱা আঙঠি আৰু সুগন্ধি এচেণ্টৰ সুৱাসেৰে চাৰিওদিশ সুৱাসিত কৰি—থঙামুখু গৈ শংকৰীৰ ঘৰত উপস্থিত হ'ল। যি মুহূৰ্ত্ততে তেওঁ শংকৰীক দেখিলে তেতিয়াই তেওঁৰ ভাৱ হ'ল যে—তেওঁ ইমান দিনে অভিনেত্ৰী বিলাকক যিমান টকা দিছে দৰ্কাৰ হলে শংকৰীক তাতোকৈও বহুত বেছি টকা তেওঁ দিব পাৰিব। একমাত্ৰ তাইৰ সেই ধুনীয়া মুখখনৰ বাবে, সেই যাদুসনা মিছিকিয়া হাঁহিটোৰ বাবে অথবা তাইৰ সেই সঙ্গীতমধুৰ মিঠা মাতটিৰ বাবে দৰ্কাৰ হলে তেওঁ এক লাখ টকাও দিব পাৰিব। অন্ততঃ তেওঁ যদি আজৰি সময়ত মাত্ৰ ত্ৰিশ দিন মানো চুটিগুলৈ আহে—সেয়েই যথেষ্ট হব।

"মুঠৰ ওপৰত আপুনি এবাৰ মঞ্চত অভিনয় কৰি পাইছে—য'ত আপুনি নিজেই দৰ্শকৰ সন্মুখত তিনি ঘণ্টা জুৰি অভিনয় কৰিছে।"

শংকৰীয়ে এইবোৰ কথা কিছু পৰিমাণে জানিছিল। তাই কলেজত পঢ়া সময়ত মঞ্চত অভিনয়ো কৰিছিল। তাইৰ ওচৰলৈ চিকিৎসাৰ বাবে অহা কিছুমান ৰুগীৰ মুখতো তাইৰ সেই অভিনয়ৰ প্ৰশংসাও শুনিছে। আৰু তাই এই কথাও জানিছিল যে—তাইৰ সেই অভিনয়ৰ বাবে প্ৰতিখন নাটত পঁচিশ নে ত্ৰিশ টকা কিবা এটা তাইক দিয়া হৈছিল।

"আপুনি চিনেমাত অভিনয় কৰিবলৈ বৰ সহজ পাব। ইয়াত

আপুনি সকলোবোৰ বচনে একেলগে মুখস্থ কৰাৰ দৰ্কাৰ নাই। সময়ে সময়ে অকণমান সংলাপ পঢ়িলেই যথেষ্ট হব। অকণমান অভিনয়—বচ—বাকীখিনি কেমেৰাই চ'ব কৰিব।" তেওঁ কথাবোৰ কৈ যাব ধৰিলে। শংকৰীয়ো কথাবোৰ ভাবি বোবা মানুহৰ দৰে বহি থাকিল। তেওঁ অনুভৱ কৰিলে যে—নাটকৰ দৰে সুন্দৰ কলা এবিধ আজিকালি লাহে লাহে মৃত্যুৰ গৰাহত পৰিব ধৰিছে।

"আপুনি মোক কবলৈ যত্ন কৰিছে, যে—থিয়েটাৰৰ মঞ্চত অভিনয় কৰাত কৈ চিনেমাত অভিনয় কৰা বহুতো সহজ আৰু কৈছে যে চিনেমাত টকাও পোৱা যায় বহুত। আপুনি কৈছে যে—মোক আপুনি এক লাখ টকা দিব। কেনেকৈ আপুনি পাৰিব।" শংকৰীয়ে তেওঁক সুধিলে।

"আমি জানো প্ৰত্যেককে দিও? আমি আপোনাক প্ৰথমখন চিনেমাৰ জৰিয়তেই চুপাৰষ্টাৰ খাজিব খুজিছো।" তেওঁ মূল কথাত লাগি থাকিল। তাই কলে যে—তাই অভিনয় নকৰিব। কিন্তু, কথাটো আকৌ এবাৰ ভাবা যেন দেখুৱাত—তেওঁ বেছি যোৰ কৰাত অৱশেষত তাই টকাখিনি ললে। নোটৰ বান্দুলটোত মুঠ দহ এজাৰ এটকা আছিল। অতিৰিক্ত টকাটো হৈছে—ভাগ্যৰ বাবে। থঙামুখুই একাপ কফি খাইয়ে বিদায় লৈ গুচি গ'ল। শংকৰীৰ অনুভৱ হ'ল যে—তাই যেন তেওঁক ঠগিছে।

টকাখিনি এখন পুৰণি বাতৰি কাকতৰে মেৰুৱা আছিল। তাই কাগজখন খুলি লৈ—পঢ়াত লাগিল। তাই তাত—দেশৰ উত্তৰ সীমান্তৰ সাহসী যোৱান সকলে দেশমাতৃক ৰক্ষা কৰাৰ বাবে প্ৰাণ বিসৰ্জ্জন দিয়াৰ কথা পঢ়িলে। দাৰ্শনিক, ভাবুক, সমাজকৰ্ম্মী আৰু বৈজ্ঞানিকৰ কথাও তাতে তাই পঢ়িলে। আৰু সদৌ শেহত শেষ কলমত থকা—হেজাৰ হেজাৰ অভিনেতা অভিনেত্ৰীয়ে অতিৰিক্ত টকাৰ দাবীত ৰাজপথত সোভামাত্ৰ উলিওৱাৰ কথাও পঢ়িলে।

হাতত থকা টকা বোৰে তাইলৈ চাই চাই যেন—বিদ্ৰূপেৰে হাঁহিব

ধৰিলে।—"ইমান মানুহে ঠগ প্ৰৱঞ্চনা কৰে, গতিকে তুমিও নকৰিবা কিয় ?" টকাবোৰে যেন তাইক কলে। "তুমি এইমাত্ৰ খবৰ কাগজৰ টুকুৰাখিনিত পঢ়িবলৈ পোৱা কোনো এজন মানুহেও জীৱনত একেলগে ইমান টকা দেখিছেনে বাৰু ?"

এনেতে টেলিফোনটো বাজি উঠিল। সেইয়া থিৰুমূৰ্থিৰ ফোন। তেওঁ কামটোৰ বাবে শংকৰীক অভিনন্দন জনালে। "টকাখিনি ভাল দৰে ৰাখিবা।" তেওঁ কলে। "আমি এটা ঘৰ কিনিম।"

"ঘৰ ? মাটি এটুকুৰ কিনিবলৈয়ে এইখিনি টকা দেখোন যথেষ্ট নহয়।" তাই কলে।

"তুমি এই বিষয়ে চিন্তা কৰিব নালাগে। এই সকলোবোৰ মোৰ ওপৰত এৰি দিয়া।" তেওঁ তাইক কলে।

"ঠিক আছে—এই বিষয়ে বাৰু পিছে পৰে আমি আলোচনা কৰিম। পিছে অহাকাইলৈ মই বাঙ্গালোৰ লৈ যাম। তাত হবলগীয়া মেডিকেল কনফাৰেন্স এখনত—আমাৰ হস্পিতালৰ পৰা প্ৰতিনিধিত্ব কৰিবলৈ মই তালৈ যাব লাগিব।

"এ মোক কৈ ভালেই কৰিলা।" তেওঁৰ কথাত বৰ আনন্দ ফুটি উঠিল। "মোৰ ঘৰো তাতে। তুমি আৰু আন ঠাইলৈ নাযাবা। মই সিহঁতক অতি সোনকালে টেলিফোনেৰে কৈ থম। থাকিবলৈ ঠাইটুকুৰা তুমিও খুউব ভাল পাবা।" আৰু তেওঁ ঠাইখনৰ ঠিকনাতোও তাইক দিলে। অৱশ্যে শংকৰীৰ বাবে ই এটা বিশেষ সহায়েই হ'ল। কিয়নো—বাঙ্গালোৰত তাই কাকো চিনি জানি নাপাই—গতিকে তাই হোটেলত থকাৰ কথাই মনতে ভাবিছিল।

পিছদিনাখন ৰাতিপুৱা তাই নিজৰ গাড়ীখন লৈয়ে বাঙ্গালোৰ অভিমুখে যাত্ৰা কৰিলে। বাঙ্গালোৰত তাইৰ বাবে এটা সুন্দৰ আদৰণি আৰু অভ্যৰ্থনাও বৈ আছিল। থিৰুমূৰ্থিৰ মেনেজাৰ জনে—তাইৰ গাড়ীখন থিৰুমূৰ্থিৰেই পুৰণিখন গাড়ী বুলি চিনি পাইছিল আৰু ততালিকে শংকৰীৰ গুৰুত্ব তেওঁ অনুমান কৰি লৈছিল।

ঘৰটো আছিল—আভিযাত্য চানেকি থকা সুন্দৰ ভাৱে সজোৱা আহল বহল প্ৰকাণ্ড অট্টালিকা। সুন্মুখত আছিল এখন সুন্দৰ ফুলনি বাগিছা। "ইয়াত কোনো নাথাকে নেকি ?" শঙ্কৰীয়ে সুধিছিল।

"মিষ্টাৰ থিকমুথিয়ে তেখেতৰ বন্ধু-বান্ধৱ সকলক লৈ কেতিয়াবা ইয়ালৈ আহে। গৰমৰ দিনত বন্ধৰ দিন কটাবৰ বাবে তেওঁ পৰিয়ালো ইয়ালৈ আনে।" মেনেজাৰজনে উত্তৰ দিলে।

শঙ্কৰী উপস্থিত থাকিবলগীয়া অধিবেশনখন—পিছদিনাখনৰ পৰাহে আৰম্ভ হোৱাৰ কথা। নগৰখন এবাৰ ঘূৰি পাকি চোৱাৰ মানেসেৰে ৰঙ্গন আৰু সেই ঘৰৰে এজনক গাইড হিচাপে লৈ—শঙ্কৰী গাড়ীখন লৈ ওলাই গ'ল।

সেই দিনা ৰাতি—শঙ্কৰীয়ে ভোক অনুভৱ কৰা নাছিল ; তথাপি মেনেজাৰ জনক সন্তুষ্ট কৰিবলৈয়ে তাই দুই এটা বস্তু মুখলৈ নিলে। অৱশেষত তেওঁ আঁতৰি গ'ল—গোৰ্খা এজন দুৱাৰমুখত দাৰোৱান হিচাপে পহৰা দি থাকিল—ৰঙ্গন গাড়ীখনৰ ভিতৰতে কুচিমুচি শুই পৰিল।

নিশাৰ মৃদু বতাহে ফুলনিৰ পৰা ফুলৰ সুগন্ধি কঢ়িয়াই আনি তাইৰ কোঠাটো আমোল মোলাই তুলিছিল। তাই টোপনী যাবলৈ চেষ্টা কৰিলে—কিন্তু তাইৰ টোপনী হলে নাহিল। থিকগণনমৰ মধুৰ ভাবনাই তাইক যেন চাৰিও ফালে খেদি ফুৰে।

১৩

অধিবেশনত ডাক্তৰসকলৰ কৰ্ত্তব্য আৰু তেওঁলোকে সন্মুখীন হোৱা হোৱা বিভিন্ন সমস্যা সমূহৰ বিষয়ে আলোচনা হৈছিল। শঙ্কৰীয়ে তাত তেওঁৰ কেইবা গৰাকী বন্ধুকো ল'গ পালে আৰু কিছু সময় তেওঁলোকৰ লগত কটালে।

গধুলি যেতিয়া শঙ্কৰী উভতি আহিল—তেতিয়া পৰ্টিকত থিৰুমুৰ্থিৰ বিৰাট গাড়ীখণ পাৰ্ক কৰি ৰাখি থোৱা দেখিবলৈ পালে। যেতিয়া থিৰুমুৰ্থিৰ মেনেজাৰ জনে আহি তাইক কলে যে—থিৰুমুৰ্থিও কিছু সময় আগতে আহি এইখিনি পাইছে আৰু তেওঁ ওপৰমহালাৰ কোঠাত আছে, —তেতিয়া তাই সঁচাকৈয়ে আচৰিত হ'ল। দেখাত কিন্তু অতি সহজ হৈয়ে তাই নিজৰ কোঠালৈ গ'ল। আৰু ঠিক তেতিয়াই থিৰুমুৰ্থি আহি অতি আনন্দ-উচ্ছ্বাসেৰে তাইক আদৰণি জনালে। তাই উভতি চোৱাত তেওঁ মুখত এটা জটিল হাঁহি লৈ দুৱাৰ দলিত বৈ তাইক দুহাতেৰে থপৰিয়াই আদৰ সম্ভাষণ জনালে। তাৰ পিছত তেওঁ কোঠাৰ ভিতৰত সোমাই চোৰ্ফা এখনত বহি পৰিল।

"তুমি যেতিয়া মাদ্ৰাজ এৰা ; সেইসময়ত মইয়ো যে ইয়ালৈ আহিব লাগিব তাৰ বিষয় মোৰ কোনো ধাৰণাই নাছিল। হঠাতে বোম্বাইৰ পৰা মোৰ বন্ধু এজন জনালে যে তেওঁ বাঙ্গালোৰত আহিব। তেওঁৰ লৈতে মোৰ কিছু দৰ্কাৰী কাম আছিল ; গতিকে মইও গুচি আহিলো।"

"তেনেহলে, তেৰেঁা ইয়াতে থাকিব, নহয় জানো ?" শঙ্কৰীয়ে সুধিলে।

"নাই, তেওঁ ইয়াত নাথাকে। তেওঁ কোনোবা এখন হোটেলত থাকিব।"

"মই এখন হোটেললৈ যাব পাৰোনে ? কাৰণ, কোনো ক্ষেত্ৰতে মই আপোনাক অসুবিধা দিব নোখোজো।"

থিৰুমুৰ্থিয়ে উচ্চস্বৰে হাঁহিলে। "এই কুটিৰটো মই অকল মোৰ বন্ধু সকলক আপ্যায়ন কৰিবলৈয়ে সজাইছো।" তেওঁ তাইক কলে। "বিশজন মানুহ ইয়াত অনায়াসে সুন্দৰভাৱে থাকিব পাৰে। অনুগ্ৰহ কৰি তোমাক আলহি সোধাৰ আনন্দৰ পৰা মোক বঞ্চিত নকৰিবা। তুমি যদি ভালপোৱা তেন্তে ময়েই ইয়াৰ পৰা যামগৈ।"

শঙ্কৰীয়ে তেওঁৰ সকলোবোৰ চালাকী ভালদৰে জানিছিল। সেয়ে তেওঁ কলে—"আপুনি ইয়াত থাকিলে মোৰ কি দিগদাৰ হব। মইটো

প্ৰায় দিনৰ দিনটো বাহিৰতে থাকি প্ৰায় এইখিনি সময়তহে ঘৰ চাপিম।”

“মোৰ লগত ঠিক একেই। তথাপি তুমি যদি এই মহানগৰীৰ কোনো ঠাই বা দৃশ্য চাবলৈ ভালপোৱা তেনেহলে তোমাক মই লৈ যাম।”

শঙ্কৰীয়ে তেওঁক সম্মতিসূচক ধন্যবাদ এটা জনালে—যাতে তেওঁ বুজি পায় যে—এই এজনী সম্পূৰ্ণৰূপে চাৰিওফালৰ পৰাই স্বাবলম্বী ছোৱালী আৰু কোনো মতা মানুহকে তাই ভয় নকৰে। সেই দিনাখন গধূলিয়েই তেওঁলোক পাৰ্কলৈ ফুৰিব গ'ল আৰু ৰাতি আহি একেলগে দিনাৰ খালে। আহাৰৰ অন্তত থিকমূৰ্থি তেওঁৰ কোঠালৈ গ'ল আৰু শঙ্কৰীয়েও দুৱাৰ বন্ধ কৰি শুবৰ বাবে বিছানালৈ গ'ল।

এনে ধৰণৰ দুঃসাহসিক কামে শঙ্কৰীৰ মনক ভয়েৰে আগুৰি ধৰালে। “লোকে বাৰু কি কব?” তাই ভাবিলে। আনকি ঘৰৰ চাঁকৰ-বাকৰ বোৰেও দেখোন বহুতো গুজৱৰ জন্ম দিব। ঠিক আছে, সিহঁতে কওক। তাইৰ ভয়েতো আৰু তাইক ঘাটকৰ পৰা ৰক্ষা নকৰে?

তাইক অতি দামী খাদ্যৰে আপ্যায়ণ কৰা হৈছিল। ভাল ভাল ফল-মূল, সজীব সেউজীয়া শাক পাচলী, দামী ঘি, মাখন, গাখীৰ আৰু কত যে সুন্দৰ সুন্দৰ মিঠাই। যদিহে তাই দৈনন্দিন তেনে আহাৰ খাবলৈ লয়—তেন্তে বোধহয় তাইৰ দৰ্মহাৰ টকাই মাত্ৰ বাৰ দিন মানো নুজুৰিব। শঙ্কৰীয়ে ভাবিলে। খাদ্যবস্তুৰ দামটো সদায় উৰ্দ্ধমুখী হৈ গৈ আছে। সেই সময়ত তাই চিকিৎসাৰ বাবে তাইৰ ওচৰলৈ অহা সেই তিৰোতা গৰাকীৰ কথা নাভাবাকৈ থাকিব নোৱাৰিলে। সেই তিৰোতাবোৰ আহাৰ বুলি বাৰু কি খাবলৈ পাইছে! তাই বিস্মিত হ'ল। থিকমূৰ্থি যেতিয়া ভাতৰ টেবুলত বহিছিল তেতিয়া তাই তেওঁৰ চকুমুখ ৰক্তবৰ্ণ হৈ থকা দেখিবলৈ পাইছিল। তাই বুজি পাইছিল যে তেওঁ মদ খাইছে।

পিছদিনাখন শঙ্কৰীয়ে দিনৰ ভাগত অধিবেশনত উপস্থিত থাকিল

আৰু গধুলি থিৰুমূৰ্থিৰ লৈতে ফুৰিবৰ বাবে বাহিৰলৈ ওলাই গ'ল। প্ৰতিদিনে এইয়া ঘটিল। তেওঁলোকে মহীশূৰ, বৃন্দাবন, চামুন্দেশ্বৰী পাহাৰ, সোমনাথৰ মন্দিৰ, জলপ্ৰপাত আৰু অন্যান্য ঠাইবোৰলৈ গ'ল। প্ৰতিদিনে থিৰুমূৰ্থিৰ গাড়ীত উঠা সময়ত তাই নিজকে কৈছিল—"তেওঁ বোধহয় কুমুদাৰ লগতো এই খেলকে খেলিছিল।"

বাঙ্গালোৰত থকা শেষ গধুলিটোত শঙ্কৰী কিন্তু—থিৰুমূৰ্থিয়ে তাইৰ প্ৰতি দেখুৱা অতি আগ্ৰহৰ বাবে সঁচাকৈয়ে বাকৰুদ্ধ হৈ পৰিল। সেইদিনাখন গধুলি প্ৰথমতে তেওঁ তাইক এখন ডাঙৰ কাপোৰৰ দোকানলৈ লৈ গ'ল। একলগে কেইবাখনো দামী শ্লিকৰ শাৰী আৰু তাৰ লৈতে মিলা ধৰণৰ কেইবাটাও ব্লাউজৰ কাপোৰ তাইৰ আগত ডাঙি ধৰা হ'ল। "তুমি যিয়ে পছন্দ কৰা লোৱা।" তেওঁ তাইক কলে। "আমাক ছটা চেট হলে হব।" থিৰুমূৰ্থিয়ে দোকানীজনক কলে। তাই পছন্দমতে কাপোৰখিনি বাচিলৈ দোকানীক দামৰ কথা সুধিলে। দাম প্ৰায় দুহেজাৰ টকাত কৈও অলপ বেছি আছিল। তাই কপাহী কাপোৰ ৰখা ফালে গৈ—এখন সস্তা দামৰ শাৰী আৰু তাৰ লগত মিলা এটা ব্লাউজ ললে। দুয়োটাৰে দাম আছিল মাত্ৰ ১৫ টকা। তাই তেওঁলোকক কলে যে—তাইক ছয়খন চিল্কৰ শাৰী নালাগে—মাত্ৰ এখন হলেই হব। আৰু তাৰ পৰিবৰ্ত্তে এশখন কম দামী কপাহী শাৰী আৰু আৰু তাৰলগত মিলা ব্লাউজ দিলেই হব। নিস্তব্ধ হৈ পৰা থিৰুমূৰ্থিয়ে মাথো কলে—"তেনেহলে সেইবোৰ নিবলৈ আমাক এখন ট্ৰাকো লাগিব।"

তাই এটুকুৰা কাগজত এটা ঠিকনা লিখি দোকানীজনক দি কলে—"অনুগ্ৰহ কৰি আপুনি এই ঠিকনাটোলৈ কাপোৰখিনি পঠাই দিব।" আৰু থিৰুমূৰ্থিক সন্তুষ্ট কৰিবৰ বাবে—তাই নিজৰবাবে মাত্ৰ এখন চিল্কৰ শাড়ী ললে।

তাৰ পিছত তেওঁ তাইক এখন বিখ্যাত গহনাৰ দোকানলৈ লৈ গ'ল। তাত এ যোৰা হীৰাৰ ধুনীয়া খাৰু আছিল। সেই যোৰা শঙ্কৰীৰ হাতত

ইমান সুন্দৰ ভাবে হৈছিল—যেনিবা শঙ্কৰীৰ বাবে তৈয়াৰ কৰিবলৈ পূৰ্ব্বতে অৰ্ডাৰ দিয়াহে আছিল। তাই সেই যোৰ লবলৈ আপত্তি নকৰিলে। থিকমূথিয়ে অতি আনন্দৰেই সেই যোৰৰ দাম তিনি হেজাৰ টকা দি দিলে। তাই খাৰু যোৰ গ্ৰহণ কৰা বাবে বাস্তৱিকতে তেওঁ অত্যন্ত সুখী হ'ল। শেহত গৈ তেওঁলোক এখন হোটেলত সোমালে গৈ।

হোটেলৰ বেৰাত কেইবাজনো অপৰাধীৰ ফটো আঁৰি থোৱা আছিল। আৰু ফটোৰ তলত প্ৰতিজন অপৰাধীৰ নাম আৰু সিহঁতে কৰা অপৰাধৰ চমু বিৱৰণ তাত লিখা আছিল। তাৰ কিছুমান আছিল পকেটমাৰ, কিছুমান আছিল সিন্ধি দিয়া চোৰ আৰু কিছুমান আছিল হোটেলত ভদ্ৰলোকৰ ভাও দি থকা ডাঙৰ ঠগ আৰু প্ৰবঞ্চক।

শঙ্কৰীয়ে হঠাতে থিকমূথিক সুধিলে—"মানুহ বিলাকে বাৰু তেনে ধৰণৰ অপৰাধ কিয় কৰে?"

তেওঁ তৎক্ষণাৎ উত্তৰ দিলে—"পুলিচক ব্যস্ত ৰাখিবৰ বাবে।" তাৰ পিছত অকণমান বৈ তেওঁ কলে—"দাৰিদ্ৰতা আৰু কৰ্ম্মসংস্থান হীনতাই হৈছে ইয়াৰ মূল কাৰণ।"

শঙ্কৰীয়ে হাঁহিলে।

"কি কথা?" তেওঁ সুধিলে।

"যেতিয়া এজন দুখীয়া মানুহে চোৰ কৰে; তেতিয়া তেওঁক শাস্তি দিয়া হয়, তেওঁক জেল দিয়া হয়। অথচ আমিও চুৰ কৰোঁ, ঘোচ খাওঁ। আমি ডাঙৰ পাৰ্টি দিওঁ। আমাৰ কিন্তু খবৰ কাগজত ফটো বাহিৰ হয়, ফুলৰ মালাৰে আমাক আদৰা হয়।"

"তুমি বিয়েই নকৰা তাক অতি বুদ্ধি খটুৱাই কৰিব লাগিব। ইহঁত যোৰ নো ধৰা পৰে কিয়?"

"আপুনি কিন্তু সাংঘাটিক বুধিয়ক মানুহদেই।" শঙ্কৰীয়ে কলে।

"এৰা, নহলেনো তোমাৰ লগত এক্লেলগে বহি ইমান দামী হোটেলত ডিনাৰ খাব পাৰোনে?" তেওঁ ওলোটা জবাব দিলে।

হাঁহি আৰু স্ফূৰ্ত্তিৰ মাজেৰে তেওঁলোকে ৰাতি আহাৰ পৰ্ব্ব সমাপণ কৰিলে। "এইজনী ছোৱালী মোৰ বাবে বেচ মিলিব দেই।" থিকমূৰ্থিয়ে ভাবিছিল। আৰু তেওঁৰ ইচ্ছাৰ ওচৰত তাইৰ মূৰ নত কৰিবৰ বাবে তেওঁ মনতে সিদ্ধান্ত কৰিছিল। তেওঁলোক যেতিয়া থিকমূৰ্থিৰ বাংলা পালে—তেতিয়া নিশা প্ৰায় ন বাজিছিল। শঙ্কৰী যেতিয়া নিজৰ কোঠাত সোমোৱাৰ উদ্যোগ কৰিলে—ঠিক্ তেতিয়াই তেওঁ প্ৰশ্ন কৰিলে—"কি—তুমি ওপৰ মহলালৈ নাযাবা নেকি? আমি দেখোন ওপৰ মহলাত চাদৰ ওপৰত বহি কিছু সময় কথা বতৰা পাতিব পাৰো। উভতি গৈ মাদ্ৰাজ পোৱাৰ পিছতটো আমি আৰু এনেকৈ আজ নিয়ে নেপাম।"

কেই চেকেণ্ডমান মনৰ বাবে শঙ্কৰীয়ে ইতস্ততঃ কৰিলে। তাৰ পিছত কিন্তু অতি আনন্দৰে তাই কলে—"কেলৈ নাযাম?" আৰু কৈয়ে ওপৰ মহলালৈ উঠিল।

কোঠাটোৰ ওপৰত এখন সুন্দৰ ছাদ আছিল—শঙ্কৰী তালৈ উঠি গ'ল আৰু তাত থকা মাৰ্বল পাথাৰৰ চকিত বহিল গৈ। মূৰৰ ওপৰত জোনৰ সুমধুৰ জোনাক আৰু বিৰ্ বিৰ্ কৈ বলিব থকা মৃদু বতাহে শঙ্কৰীক ছুই গৈছিল। শঙ্কৰীৰ অনুভৱ হৈছিল—তাই যেন লাহে লাহে নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই যাব ধৰিছে। তাইৰ সন্মুখৰ চকীখনত থিকমূৰ্থি তাইৰ ফালে হাউলি বহি আছিল। "ইমান ৰূপ-সৌন্দৰ্য্যলৈ এই উঠন গাভৰুজনী এতিয়াও বিয়া নোহোৱাকৈ আছে।" তেওঁ ভাবি আচৰিত হ'ল। "তাই বাৰু নিজৰ বিষয়ে সচেতন নে?" তাইৰ পৰা চকু নাতাৰোৱাকৈয়ে তেওঁ অতি কোমল স্বৰে মাতিলে— "শঙ্কৰী!" তাই তেওঁৰ ফালে চালে। "তুমি বাৰু সেই খাৰু যোৰ পিন্ধা নাই কিয়? তোমাৰ হাতৰ ঠাৰিত সেই যোৰ সঁচাকৈয়ে বৰ সুন্দৰ লাগিব। সেই যোৰ মইয়েই তোমাক পিন্ধাই দিমনে?"

"নালাগে—মই নিজেই পিন্ধি লম"—তাই কলে আৰু কৈয়ে তেওঁৰ ফালে চালে। তাই তেওঁৰ চকুত—বহুদিন আগতে তেওঁৰেই ভাৰেক

শুকমূৰ্থিৰ চকুত দেখা সেই একেই ক্ষুধাতুৰ দৃষ্টিকে দেখিলে। "ঠিক আছে—খাৰু বিক্ৰেতা দোকানীবোৰেওটো হাতত খাৰু পিন্ধাই দিয়ে ?" আৰু তাই তাইৰ হাত ডুখন তেওঁৰ ফালে যন্ত্ৰবৎ আগবঢ়াই দিলে। তেওঁ চুৰি ডুপাত পিন্ধাই দিয়াৰ পিছতো কিন্তু তাইৰ হাত ডুখন ধৰি থাকিল। শঙ্কৰীয়ে তৎক্ষণাত হাত ডুখন আঁতৰাই আনি কলে—"মিষ্টাৰ থিকমূৰ্থি! মোক কিন্তু, আপুনি কুমুদাৰ পৰিবৰ্ত্তে বুলি ধৰি নলব।" তাই উঠি নগল আৰু খঙো নকৰিলে। তাই নম্ৰ ভাবেৰেই অথচ স্পষ্ট আৰু দৃঢ় স্বৰবে কথাখিনি কলে। তেওঁ চমকি উঠিল।

"ওহো। মই তোমাক কেতিয়াও কুমুদাক ব্যৱহাৰ কৰাৰ দৰে একে ব্যৱহাৰ নকৰোঁ। তোমাক মই বিয়া কৰাব খোজো।" তেওঁ কলে।

"কিন্তু, সেইয়া সম্ভৱ হবনে ? আইনে জানো অনুমতি দিব।" শঙ্কৰীয়ে সুধিলে।

থিকমূৰ্থিৰ যেন অলপ সাহস হ'ল। আৰু তেওঁ আইনৰ বাহিৰত কৰা বহুতো ঘটনাৰ কথা তাইক কলে। আৰু এই বিয়াখন বাস্তবিকতে এটা সৰু কথা—তেওঁ কৈছিল।

"আপুনি আইনৰ বাহিৰত কিছুমান কাম কৰিছে ; কিন্তু সেইটো নো কি কাম—আপুনি কিন্তু কোৱা নাই।" শঙ্কৰীয়ে মনত পেলাই দিলে।

"সেইয়া নো কি ?"

"নৰহত্যা—কুমুদাক তুমি হত্যা কৰিছা।"

তেওঁ ভৰিৰ বুঢ়া আঙুলিৰ পৰা মূৰলৈ কঁপি উঠিল। তথাপি তেওঁ সেই ভাব দমাবৰ বাবে যত্ন কৰিলে—কিন্তু শংকৰীয়ে তেওঁক অতি সাৱধানতাৰে লক্ষ্য কৰি আছিল।

"আপুনি বিশেষ চিন্তা কৰিব নালাগে।" শংকৰীয়ে তেওঁক ভৰাষা দি কলে—"মইয়োটো এই ঘটনাৰ লগত জড়িত আছো। কিন্তু, আমাৰ যেতিয়া বিয়া হব আৰু বিয়াৰ পিছত আমি যেতিয়া ইয়ালৈ আহিম, তেতিয়া তোমাৰ কথা মতে চলাৰ মোৰেই পাল পৰিব।" এই

বুলি কৈয়ে তাই ততাতয়াকৈ বহাৰ পৰা উঠিল আৰু খটখটিৰে নামি গৈ নিজৰ কোঠাত প্ৰবেশ কৰিলে গৈ। আৰু একমাত্ৰ কান্দিবৰ বাবেই তাই যেন বিছনাখনত বাগৰ দি পৰিল আৰু মই কান্দোনৰ যেন শেষ নাই।

পিছদিনাখন তাই যেতিয়া মাদ্ৰাজলৈ উভতিছিল—তাইৰ বাবেই বাট চাই খিৰুগনম তাইৰ ঘৰতে বৈ আছিল।

১৪

খিৰুগনমক দেখা পাই শংকৰীৰ মনত কি যেন এক ধৰনৰ অনামী আমনিৰ ভাব অনুভূত হ'ল। তেওঁৰ চকুত আগৰ সেই আকুল আগ্ৰহ দৃষ্টিও তাই দেখা পোৱা নাছিল। যিয়ে নহওক কোনোৰকম কলে—"অনুগ্ৰহ কৰি ভিতৰলৈ সোমাই আহি বহ, মই পাঁচ মিনিট পিছতে উভতি আহিছো।"

"ইমান দূৰ ভ্ৰমণৰ পৰা আহিছা যেতিয়া তুমিয়ে অলপ জিৰণি লোৱাটো ভাল হব। মই বাৰু অহাকাইলৈ আহিম।"

"মই যদি জিৰণি লব লাগে, তেন্তে তুমিও ইয়াত থাকিব লাগিব।" এইখিনি কৈয়ে তাই খৰ খোজেৰে ভিতৰলৈ সোমাই গ'ল। আৰু ততাতয়াকৈ গাটো ধুই উঠি আইনৰ সন্মুখত ঠিয় হ'ল।

তাই পিন্ধা হীৰাৰ থাক যোৰ কিন্তু খিৰুগনমৰ দৃষ্টিৰ পৰা সাৰি নগ'ল। তেওঁ বাহিৰত থকা গাড়ীখনো চালে আৰু গাড়ীৰ নম্বৰটো মুখস্থ কৰি ললে। তেওঁ এটা গভীৰ হুমুনিয়াহ টানি ললে।

শংকৰী আহি বহিল। "কিবা হৈছে নেকি?" তেওঁৰ বিৰক্ত মুখমণ্ডললৈ চাই তাই সস্নেহে তেওঁক সুধিলে।

"নাই—মোৰ খুউব ভাল।" তেওঁ তাইক কলে। "কিন্তু, মই তোমাৰ সকলোবোৰ কথাকে জানো—শংকৰী।" তেওঁ নিজৰ মনতে ভাবিলে। "মই জানো বাঙ্গালোৰত তুমি ক'ত আছিলা, কাৰ সৈতে

তুমি কলৈ গৈছিলা আৰু তেওঁৰ পৰা তুমি কি কি বস্তু গ্ৰহণ কৰিছা সেইয়া মই প্ৰতিতো কথাকে জানো।"

"তোমাৰ কাম কেনে চলিছে? মাদ্ৰাজলৈ তুমি কেতিয়া আহিলা? আৰু ইয়াত তুমি কিমান দিন থাকিবা?" তাই এফালৰ পৰা সুধি গ'ল। আৰু তেওঁ শুনি সুখ পাব বুলি মনতে ভাবি তাই কলে— "জান আজি কালি মই বেচ ধনী হৈছো। তোমাৰ যেতিয়াই মন যায় তেতিয়াই তুমি মোৰ গাড়ীখন নিব পাৰা।"

"ধন্যবাদ। পিছ এতিয়াৰ পৰা আৰু মোক কোনো গাড়ীয়ে দৰ্কাৰ নহব।"

"কিয়?" তাই দোমাজত পৰি সুধিলে।

"মই মোৰ চাকৰীটো হেৰালো। অন্য এটা চাকৰী বিচাৰি হে মই এতিয়া মাদ্ৰাজত থাকিব লাগিব। অৱশ্যে মোৰ হাতত থকা টকাখিনি শেষ হোৱাৰ আগতে অন্য এটা চাকৰি পাম বুলি মই আশা কৰোঁ।"

শংকৰীয়ে তেওঁৰ ফালে চালে। কথাটোত তাইৰ সন্দেহ হৈছিল। কিয়নো এবাৰ তেওঁ তাইক ঔষধ কোম্পানীৰ চাকৰী কৰা বুলি কৈছিল আনহাতে তেওঁ কিন্তু অন্য এটা বিভাগত হে চাকৰী কৰিছিল।" গতিকে তাই বাৰু কেনেকৈ এই কথাটো বিশ্বাস কৰিব?

"তুমি সঁচা কথাকে কৈছানে বাৰু?" তাই কথাবাৰ নোসোধাকৈ থাকিব নোৱাৰিলে।

"ভয় নাই, মই কোনো ফালৰ পৰাই তোমাক দিগদাৰ নকৰোঁ। বৰ্ত্তমানে কই এটা সস্তীয়া হোটেলতে আৰু মই নিশ্চত যে মই কৰবাত নহয় কৰবাত এটা চাকৰী পামেই।"

"তোমাক বাৰু কিমান দৰ্ম্মহা লাগিব?"

"তুমি কথাবাৰ যেনেকৈ সুধিছা যেনিবা তুমি নিজেই মোক এটা চাকৰী দি দিবা। আৰু যদি সেয়ে হয়—তেন্তে দৰ্ম্মহাৰ কথা বিবেচ্য নহয়।"

"যেনিবা তেওঁৰ মুখৰ আভিব্যাক্তিৰ কিবা পৰিবৰ্ত্তন হব পাৰে—

তাকে ভাবি তেওঁৰ চকুৰ কালে পোনে পোনে দৃষ্টি ৰাখি তাই কলে—"তোমাক এটা চাকৰী দিব পৰা স্থানত মই এতিয়া আহিব পৰা নাই ; কিন্তু যি মানুহে চাকৰী এটা দিব পাৰে, তেনে মানুহক মই কব পাৰোঁ।"

"ঠিক সেই বাবেইটো—মই তোমাৰ ওচৰলৈ আহিছিলো।"

সিহঁত দুয়োজনে লাহে লাহে নীৰৱ হৈ পৰিল। আগতে আহোতে তেওঁৰ যি স্বতঃস্ফূৰ্ত্ত আনন্দ দেখিবলৈ পাইছিল—সেইয়া যেন এতিয়া আৰু নাই। প্ৰকৃততে তেওঁ চাকৰিহীন হৈছে না নাই—তাই সন্দেহ কৰিছিল। বোধহয় তেওঁ তাইক সন্দেহ কৰিছে।

"তুমি মোৰ হাতৰ খাৰু যোৰ দেখিছানে? জানা—এই যোৰৰ দাম তিনি হেজাৰ টকা।"

"মই অৱশ্যে ডাক্তৰে হীৰাৰ খাৰু পিন্ধা কেতিয়াও দেখা নাই। কিন্তু তোমাৰ হাতৰ ঠাৰিও সেইযোৰ খুউৱ ধুনীয়া দেখাইছে।"

"তুমিটো মোক—সেই টকা ক'ৰ পৰা আহিছে এতিয়াও সোধা নাই।"

তাই পৰিকল্পিত ভাৱেই তেওঁ আচুৰিবলৈ আৰম্ভ কৰা বুলিয়েই তেওঁৰ অনুভৱ হ'ল।

"এটা পুৰণি প্ৰৱাদ আৰু নহয়—যিয়ে আমাক ঋষি আৰু নদীৰ গুৰি কথা সুধিবলৈ মানা কৰে। এতিয়া তাৰ লগত আৰু এষাৰ কথা যোগ দিব লাগে—অৰ্থাৎ মানুহে টকা উপাৰ্জ্জনৰ পথৰ কথাও সুধিব নেপাই। তাৰোপৰি, তুমি হৈছা···।" তেওঁ ইতস্ততঃ কৰিলে।

"আৰু মই—মই কি?" তেওঁ যাতে কথাষাৰ শেষ কৰি কয় তাৰ বাবে তাই সুধিলে।

"তুমি এজনী ছোৱালী।" তেওঁ সম্পূৰ্ণ কৈ কলে। তাইৰ ভীষণ খং উঠিল। "থিৰুগনম্ তুমি মোক বিদ্ৰূপ কৰিছা?"

"ক্ষমা কৰিবা।" থিৰুগনমে কলে। "কিন্তু তুমিয়েটো প্ৰথমতে মোক জোকাই লৈছা। টকা ক'ৰ পৰা আহে সেই কথা মই জানো সুধিছিলো।"

"সময় যেতিয়া হব—তেতিয়া মই তোমাক নিজেই কম। কিন্তু, সেই সময়লৈ প্লিজ—তুমি কিন্তু মোৰ ওপৰত বিশ্বাস ৰাখিবা।" তাই কলে।

তেওঁ নীৰবেই বহি আছিল। কিন্তু, তেওঁ বাৰু কেনেকৈ তাইক বিশ্বাস কৰিব? তাই তেওঁৰ আগত নোকোৱা বহু কথাই তেওঁ জানে। আৰু যেনিবা তেওঁ শুনা কথাবোৰৰ সত্যতাৰ প্ৰমাণ স্বৰূপেই—তাইৰ সেই গাড়ী খন তেওঁৰ চকুৰ আগতে ৰখা হৈছে। তাইৰ হাতৰ ঠাৰিত সেইয়া হীৰাৰ খাৰু ওলমি আছে। মাহিলি তাই কিমান টকা উপাৰ্জ্জন কৰে সেই কথা তেওঁ জানে। ইমান কম দিনৰ চাকৰী কালতে তাই জানো ইমান টকা ৰাহি কৰিব পাৰিব?"

"মোৰ ওপৰত তুমি যে বেয়া বিশ্বাস ৰখা নাই সেই কথা কিন্তু এতিয়াও তুমি মোক কোৱা নাই।" তাই কলে।

"মই মাত্ৰ তোমাৰ এজন দূৰ সম্পৰ্কীয় লোক। আৰু আমি কেতিয়াও কোন সময়তে ইজনে সিজনৰ বৰ ওচৰ চাপা নাই। মই ঘটনা ক্ৰমেহে আহো আৰু তোমাক দেখা কৰোঁ। গতিকে মই তোমাৰ বিষয় কি ভাবো—সেই কথাটো সচাঁকৈয়ে গুৰুত্বপূৰ্ণ নে?"

শংকৰীয়ে আৰু তাইৰ বুকুৰ বেদনা খিনি লুকাই ৰাখিব নোৱাৰিলে।

"শংকৰী! চোৱা—প্ৰতিজন মানুহৰে জীৱনত কিছুমান গোপন কাহিনী থাকে। আনকি মোৰ জীৱনতো হয়তো তেনে কাহিনী থাকিব পাৰে। কিন্তু, যেতিয়ালৈকে সেই গোপনীয়তা বোৰে অন্য মানুহৰ জীৱনত প্ৰতিক্ৰিয়া নকৰে তেতিয়ালৈকে মই সেইবোৰৰ ওপৰত কোনো গুৰুত্ব নিদিও। অৱশ্যে যদিহে মই তোমাক বিয়া কৰাব লগীয়া হও তেন্তে মই সেইবোৰৰ কথা ভাবি চোৱাটো উচিত হ'লহেতেন। মই তোমাক কাচিৎহে ধমকি দিবলৈ তেনে কথা সুধিছো। কিন্তু, এতিয়া মই মাত্ৰ এটা চাকৰীৰ বাবেহে তোমাৰ ওচৰলৈ আহিছো।

"কোৱা, মই তোমাক এটা অনুৰোধ কৰিব পাৰোনে?"

"নিশ্চয়।"

"প্লিজ, তুমি আৰু বিয়াৰ কথা আকৌ নুলিয়াবা। আৰু, যদি

তুমি কৰ্ম্মসংস্থানৰ বাবে চাকৰী বিচাৰিছা তেন্তে তুমি মোক ভনী বুলিহে কব লাগিব। আৰু মইয়ো সকলোকে তোমাক মোৰ ভাই বুলিয়ে পৰিচয় দিম।”

“বৰ ব্যঙ্গাত্মক এটা অনুৰোধ”—তেওঁ কলে। আৰু এই অনুৰোধ-টোৰ দ্বাৰা—তুমি আকৌ এটা নতুন সম্পৰ্কৰ হে সৃষ্টি কৰিব খুজিছা।”

“যদি সম্পৰ্ক বুলি নধৰা তেন্তে এটা চুক্তি বুলিয়ে ধৰি লোৱা।” তাই কৈছিল।

“ঠিক আছে—তোমাক মই আৰু বিয়াৰ কথা নকওঁ। মইও মোক তোমাৰ ভাই বুলিয়েই চিনাকি দিম আৰু তেনে ব্যৱহাৰেই মই কৰিম। কিন্তু, কোনো সময়তে মই হলে মোৰ নিজৰ মনৰ মাজত তোমাক ভনী হিচাপে স্বীকাৰ কৰি লব নোৱাৰিম। আই জাষ্ট কেন নট।”

তেওঁৰ প্ৰতি থকা শংকৰীৰ শ্ৰদ্ধাৰ ভাব আৰু তীব্ৰতৰ হ’ল। জগতৰ চকুত—তেওঁ তাইৰ ভাই বুলি ভাও দিবলৈ একাষাৰতে সন্মত। কিন্তু, মাত্ৰ এটা চাকৰীৰ লালসাত তেওঁ কিন্তু নিজকে পৰিবৰ্তন কৰিবলৈ কোনো মতে সন্মত নহয়। “আৰু এইটোৱে টো দেখাই যে মই যিয়েই নহও কিয় তেওঁ মোক কোনো মতে পাহৰিব নোৱাৰে।” তাই ভাবিলে। আৰু এই ভাৱ নাই তাইক যেন—এক বেদনা মিশ্ৰিত অপাৰ আনন্দ সমুদ্ৰত নিমাৰ্জ্জিত কৰিলে।

থিৰুগননম গ’ল গৈ। সেই দিনাখন তেওঁক ল’গ পোৱাটো যেন শংকৰীৰ বাবে এটা ভাল ‘টনিক’ হৈ পৰিছিল। তাই নিজকে সদাই এজনী অত্যন্ত সাহসী ছোৱালী বুলিয়েই বিবেচনা কৰে যদিও মাজে সময়ে তাই সেই সাহসৰ ওচৰত নিজে ভয়ো পাই কিন্তু, থিৰুগনম যেতিয়া তাইৰ ওচৰত থাকে নাইবা তাই যেতিয়া তেওঁৰ কথা ভাবে তাই যেন এক বিৰাট নিৰাপত্তা অনুভৱ কৰে।

শংকৰীয়ে—পিছৰ দেওবাৰৰ দিনলাঞ্চ খাবলৈ থিৰুগননমক নিমন্ত্ৰণ কৰিছিল। আৰু সেইদিনা খন খাবৰ বাবে অন্যান্য কিছুমান ভদ্ৰলোককো যে তাই নিমন্ত্ৰণ কৰিছিল সেইকথাও তাই তেওঁক কৈছিল। দেওবাৰৰ

দিনা—এখন চিঠিৰে সৈতে তাই তেওঁক আনিবৰ বাবে ৰঞ্জনক তাইৰ গাড়ীখন দি পঠাই দিলে।

"থিৰুমূৰ্থিও লান্স খাবলৈ আজি ইয়ালৈ আহিব। তেওঁ হৈছে—সেই গুৰুমূৰ্থিৰ ভায়েক আৰু দেখতো তেওঁ প্ৰায় তেওঁৰ সৈতে একেই, কিন্তু, প্ৰসংগত সেই বিগত দিন বোৰৰ কথা বুলিয়াও।" চিঠি খনত তাই লিখিছিল।

ৰাজেশ্বৰী আৰু কামাণি ৰাধাও—থিৰুমূৰ্থিৰ লগত আহিছিল। শংকৰীয়ে তেওঁলোক সকলোকে পৰিচয় কৰাই দিছিল। সকলোখিনি সময়তে অতি আনন্দ আহ্লাদেৰে কথা পাতিছিল যদিও থিৰুমূৰ্থিয়ে থিৰুগননমক অতি সূক্ষ্মভাৱে লক্ষ্য কৰিছিল।

"এই খানাটোৰ বাবে আমি অৱশ্যে আপোনাক হে ধন্যবাদ জনাব লাগিব।" ৰাজেশ্বৰীয়ে থিৰুগননমক কৈছিল। "কিয়নো একমাত্ৰ আপোনাৰ কাৰণহে শংকৰীয়ে আমাকো নিমন্ত্ৰণ কৰিবলৈ মনত পেলালে।"

"এৰা, এইটোৱে শংকৰীৰ ঘৰত আমাৰ প্ৰথম লান্স পাৰ্টি" থিৰুমূৰ্থিয়ে কৈছিল। "ডাক্তৰণীয়ে—তেওঁৰ ভায়েক অহা বাবেহে অন্য মানুহকো নিমন্ত্ৰণ কৰি খুৱাবলৈ মন মেলিলে।"

শংকৰী সেই সময়ত ৰাধাৰ লগত ব্যস্ত আছিল। "ৰাধা তোমাৰ লগত তোমাৰ মাকো নানিলা কিয়?"

"মাই অকল আটাৰ পগোৱা খাদ্য হে খাই।" ৰাধাই তপৰাই উত্তৰ দিছিল।

"এৰা, তেওঁক যদি এদিন খানা খুউৱা হয় তেন্তে পিছৰ দহ দিনৰ বাবে তুমিয়ে আকৌ ঔষধ খাবলৈ দিব লাগিব।" থিৰুমূৰ্থিয়ে কৈছিল।

থিৰুমূৰ্থিয়ে শংকৰীৰ আতিথ্য আপ্যায়নৰ বিষয় অত্যাধিক প্ৰশংসা কৰিবলৈ ধৰিছিল। অথচ সেই সময়ত শংকৰীয়ে ৰাধাক খোৱাৰ বাবে নানা ধৰণৰে ফুচলোৱাতহে ব্যস্ত আছিল। ৰাজেশ্বৰীয়ে কিন্তু খাদ্যৰ ফালে কোনো মনোযোগেই দিয়া নাছিল। তাই থিৰুগননমৰ প্ৰতি

বেছি আকৰ্ষিত হৈ পৰিছিল। তাই অতি লাজুক অথচ বিনম্ৰভাৱে চাই মিছিকিয়াই হাঁহিছিল। এই ডাঃ শংকৰী টো যে আৰু। তেওঁতো কোনো দিনেই তেওঁৰ ইমান ধুনীয়া ভদ্ৰ আৰু সংস্কৃতিবান ভায়েক এজন থকা বুলি টো কোৱা নাই।

"মই ধৰি লৈছো আপুনি আৰু সেই চাকৰীটোৰ প্ৰতি কোনো গুৰুত্ব নিদিয়ে ?" থিৰুমূৰ্থিয়ে সুধিছিল।

"নাই, নাভাবে।" শংকৰীয়ে ওপৰাই উত্তৰ দিছিল। "আচলতে সেই চাকৰিটো এৰি দিবৰ বাবে ময়েই তেওঁক খাটি আছিলো। কিমান দিন আৰু তেওঁ যাযাবৰী হৈ থাকিব। মই তেওঁক কৈছিলো যে—তোমাৰ দৰে এজন উচ্চ ডিগ্ৰীধাৰী, আৰু অভিজ্ঞ সমৰ্থবান ডেকা মানুহ এজনৰ বাবে—অন্য এটা চাকৰী পোৱাটো একো টান নহয়। তেওঁ আকৌ এতিয়া থাকে এটা হোটেলত। কি যে মৰমীয়াল ভাই।"

থিৰুগননম বিবুদ্ধি হৈ পৰিছিল। "এইটো মৰম চেনেহৰ প্ৰশ্ন নহয়"—তেওঁ কবলৈ মুখ মেলিছিল।

"আপুনি বাৰু কি কাম কৰিব পাৰে ?"

থিৰুমূৰ্থিয়ে প্ৰশ্ন কৰিছিল।

"মই 'এডমিনিষ্ট্ৰেটিভ' প্ৰশাসনীয় অথবা 'একজুকিউটিভ' কাৰ্য্যবাহী দুয়ো ধৰণৰ কামকে চলাব পাৰো। আৰু সিহঁতৰ যি কোনো এটাকে মই লব পাৰো। মাত্ৰ মোক দহ দিনৰ সময়ৰ দৰ্কাৰ—তাৰ পিছত তাক মই অতি সুন্দৰ ভাৱে হৰদম চলাব পাৰিম।"

থিৰুমূৰ্থিয়ে তেওঁৰ ফালে এখন্তেক চিন্তান্বিত ভাবে লক্ষ্য কৰিলে। আৰু তেওঁ অনুভৱ কৰিলে যে—এইজন সচাঁকৈয়ে এজন সমৰ্থবান যুৱক। "যেতিয়া মই কাৰোবাক বিশ্বাস কৰিব পৰা লোক বুলি ভাবো—তেতিয়াই মই তেওঁৰ বাবে এটা পদৰো সৃষ্টি কৰো। আৰু এইটো মোৰ এটা অভ্যাসেই। আচ্ছা—আপুনি বাৰু মোৰ হকে কাম কৰিবলৈ ভাল পাবনে ? তেওঁ সুধিছিল।

"প্ৰথমতে মই কি কৰিব লাগে কওক। তাৰ পিছত আপুনি

যদি মোক স্থায়ী কাৰবলৈ ভাল পাই তেন্তে মই থাকিম।”

“আপুনি হৈছে ডাক্তৰণীৰ ডাঙৰ ভায়েক। এনেস্থলত মই আপোনাক কেনেকৈ বাৰু ভাল নোপোৱাকৈ থাকিম ?

ৰাজেশ্বৰীৰ চকুহালে তেতিয়া যেন কৈছিল—“মই হে কিন্তু আপোনাক সকলোতকৈ বেছি ভাল পাও।” অস্বাভাৱিক ভাৱে তাই কিন্তু সেইদিনাখন লাজুকুৰীয়া আৰু নম্র হৈ পৰিছিল। শংকৰী হৈ পৰিছিল বিৰক্ত।

শংকৰী সম্মুখত থকা বাবেই—থিৰুমূৰ্থিয়ে নিজৰ ব্যৱসায় সংক্রান্তত বহুতো কথা দম্ভালি কৰিয়ে কৈছিল। “বেছি যত্ন নকৰাকৈ কিন্তু বেছি খৰকৈ যিমান পাৰা যায় সিমানেই আমি ধন ঘটাটো উচিত। আৰু সেইটোৱে হৈছে মোৰ ব্যৱসায়। যিমান বেছি আমি ধন ঘটিব পাৰো, সিমানেই বেছি আমাৰ কৃতকাৰ্য্যতা। আৰু আকাশ হৈছে আমাৰ সীমা।”

“কিন্তু, মানুহৰ উন্নতি মানে নো কি ?” থিৰুগননমে নিজকে প্রশ্ন কৰিছিল। “এজন মানুহে যেতিয়া তেওঁৰ কামনা বাসনা বোৰ দিনে দিনে বৃদ্ধি কৰি যায় আৰু সেই কামনা বাসনাবোৰ পূৰণ কৰাৰ অৰ্থেই ধন ঘটে আৰু তাৰেই একামাত্র নিজৰ সুখ শান্তিহে বৃদ্ধি কৰি যায়—তেনে এজন ব্যক্তিক মানুহ কব পাৰি জানো ? আৰু এইটোক মানুহৰ প্রগতি বুলি আখ্যা দিব পাৰি জানো ?”

হঠাতে তেওঁ বেৰত আঁৰি থোৱা এজন বুঢ়া মানুহৰ ফটোৰ প্রতি আকৰ্ষিত হ’ল। মানুহে তেওঁক এজন ডাঙৰ মানুহ বুলি কয় আৰু কয় পৃথিৱীৰ কোনো মানুহেই হেনো তেওঁৰ সমান উচ্চতা পোৱা নাই।

তেওঁ কিন্তু বাস্তবিকতে এটা সহজ সৰল জীবন-যাপন কৰা এজন নিতান্ত সৰল মানুহহে আছিল। তেওঁৰ সাধৰণ জুপুৰিটো—ফটোখনতে দেখা যায়। তেওঁৰ খাদ্য আছিল—মাত্র ছাগলীৰ গাখীৰ আৰু বনৰীয়া ফলমূল। আৰু এইজন মানুহে চৰিখনত—ককালত এখন চাৰি ফুটৰ সাধৰণ চুৰীয়া কাপোৰ মেৰাই—হাতত এডাল লাঠি আৰু ভৰিত এযোৰ

সাধৰণ চেণ্ডেল, আৰু চকুত এযোৰ চচমা লৈ থিয় হৈ আছিল।

এই মানুহজনক যিহে ইমান উচ্চস্তৰত উপনিত কৰাইছিল সেই জানো টকা? টকাৰ কাৰণে জানো ভাৰতৰ কোটি কোটি মানুহে তেওঁৰ চৰণৰ তলত উবুৰি খাইছিল? লক্ষ্য লক্ষ্য লোকৰ শ্ৰদ্ধা আৰু ভক্তিৰ শীৰ্ষস্থানত যে তেওঁ ঠাই পাইছিল তাৰ কাৰণ জানো টকা? নহয়। এইয়া আছিল দেশ আৰু দহৰ ভালৰ বাবে তেওঁ কৰা কষ্ট—যাৰ বাবে তেওঁলোকে পাইছিল। সেই মহামূল্য স্বাধীনতা।

থিৰুগনমৰ—সিদ্ধ সকলে গোৱা এটা গীত মনত পৰিল—"জঙ্গলৰ এজন যাযাবৰ।" যেনেকৈ সেই যাযাবৰ জনে—অসীম কষ্টেৰে তেওঁৰ পাত্ৰ তৈয়াৰ কৰিছিল ঠিক তেনেকৈ এই বুঢ়া মানুহ জনেও অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত তেওঁৰ দেশৰ চল্লিশ কোটি দেশবাসীৰ বাবে—স্বাধীনতাৰ অমূল্য পোহৰ আনিছিল। আৰু এতিয়া তেওঁ অনা সেই স্বাধীনতাৰ পাত্ৰকে মুৰত লৈ—তেওঁৰ পিছৰ দেশবাসীয়ে ছন্দহীন আৰু যুক্তিহীন ভাবে যথেচ্ছাৰে আগবাঢ়িছে। আৰু এনেকৈ যেতিয়া ধনৰ খকেই একমাত্ৰ মানুহৰ জীৱনৰ নীতি হৈ পৰে আৰু এনে কিছুমান ধন লিপ্সু ব্যক্তি যেতিয়া আদৰ্শৰ বিগ্ৰহ হৈ বহে—তেতিয়া দেশৰ প্ৰগতি জানো সম্ভৱ?

"সিহঁতে তুমি শিকোৱা সকলোবোৰ কথাকে পাহৰি গ'ল। আৰু, সিহঁত—সেই দায়িত্বহীন স্বাৰ্থপৰ উন্মাদ বোৰেই তুমি আনি দিয়া সেই স্বৰ্ণভ্ৰাণ্ড ভূলণ্ঠিত নকৰিব জানো?" থিৰুগনমে সেই বুঢ়া মানুহ জনৰ মুখৰ ফালে চালে আৰু তেওঁৰ অন্তৰ আদ্ৰ হৈ পাৰিল।

"আপুনি, আজিৰ পৰাই মোৰ লগত কামত নিযুক্ত হ'ল। গতিকে—বলক একেলগে আমি যাওঁ।" থিৰুমুখিয়ে কলে।

ৰাজেশ্বৰীয়ে গাড়ী খনৰ দুৱাৰখন খুলি ধৰিলে।

থিৰুগননম আছিল যথাৰ্থতে এজন যোগ্য আৰু সমৰ্থবান ব্যক্তি। তথাপি তেওঁ আছিল ডাঃ শংকৰীৰ ভায়েক। গতিকে তেওঁ যে— থিৰুমূৰ্থি আৰু তেওঁৰ ভনীয়েক ৰাজেশ্বৰীৰ পৰা যথেষ্ট মান সম্মান আদৰ আপ্যায়ন আৰু উচ্চ আসন পাবই তাত অৱশ্যে আচৰিত হ'ব লগীয়া একো নাই।

ইতিমধ্যে দেশৰ জনতাই তেওঁলোকৰ শাসক সকলক নিৰ্ব্বাচন কৰাৰ দিনটো ওচৰ চাপি আহিছিল। আৰু থিৰুমূৰ্থি নিৰ্ব্বাচনৰ সৈতে গভীৰ ভাবে জড়িত হৈ পাৰিছিল। অৱশ্যে তেওঁ নিজে—নিৰ্ব্বাচনত প্ৰতিদন্দিতা কৰা পাৰ্থী নাছিল; কিন্তু মদনগোপাল নামৰ ব্যক্তিজন তেওঁৰেই সমাৰ্থিত পাৰ্থী আৰু মদনগোপালৰ সৈতে প্ৰতিদন্দিতা কৰিছিল অৰুমুগম্ নামৰ ব্যক্তি এজনে যাক থিৰুমূৰ্থিয়ে ভয় কৰিছিল আটাইতকৈ বেছি।

অৰুমুগম্ আছিল জনতাৰ মানুহ। আৰু তেওঁ নিজেও সদায় জনতাৰ সৈতে অভিন্ন ভাবে চলিছিল আৰু বাস্তব ক্ষেত্ৰতো তেওঁ তেওঁৰ সাধ্য অনুসাৰে সকলো প্ৰকাৰেই জনতাক সহায় কৰিছিল। আগৰটো নিৰ্ব্বাচনত তেওঁ এক পইচাও খৰচ নকৰাকৈয়ে জয়লাভ কৰিছিল। কিন্তু, থিৰুমূৰ্থিক তেওঁ হলে একো প্ৰকাৰে কোনো ক্ষেত্ৰতে সহায় কৰা নাছিল। যেতিয়াই থিৰুমূৰ্থিয়ে তেওঁৰ ওচৰ চাপিছিল তেতিয়াই তেওঁক এৰাই চলিবলৈ কৈছিল—"আপোনাৰ টো হ'বলৈ একোৱেই বাকী নাই। আপুনি আৰু ইয়াত সভা পাতিছে কিয়?"

যদি এইবাৰো তেঁৱেই জিকি যায়। এই ভাৱনাই থিৰুমূৰ্থিক অস্থিৰ কৰি তুলিছিল।

তেওঁ অৰুমুগমক তেওঁৰ অফিচলৈ আহ্বান কৰি আনিছিল। থিৰুগননমো সেই সময়ত অফিচতে আছিল।

অৰুমুগম্ আছিল—ওখ, হৃষ্ট পুষ্ট চেহেৰাৰ চল্লিশ বছৰীয়া এজন

বলিষ্ঠ আটিল বান্ধৰ মানুহ। মুখমণ্ডলত আছিল দৃঢ়তাৰ চাপ। থিৰুগনননমৰ সৈতে পৰিচয় কৰি দিয়া সময়ত থিৰুমূৰ্থিয়ে তেওঁ এজন প্ৰকৃত নিঃস্বাৰ্থ আৰু বিখ্যাত সমাজকৰ্ম্মী তথা এজন মহান ৰাজনীতিজ্ঞ আৰু জনাতাৰ প্ৰিয় নেতা বুলিয়ে প্ৰশংসা পূৰ্ব্বক পৰিচয় দাঙি ধৰিছিল। "কিন্তু, কথা হৈছে—এইবোৰৰ পৰা লাভ কি? তেওঁ এতিয়ালৈ নিজৰ বাবে একোকে কৰা নাই। আৰু এইয়াই তেওঁৰ বিৰুদ্ধে মোৰ ঘোৰ অভিযোগ।"

অকমুগমে মিচিকিয়াই হাঁহি উত্তৰ দিছিল—"আচলতে—আপুনি কল্পনা কৰাৰ দৰে মই বিশেষ বিপদত পৰা নাই; থিৰুমূৰ্থি ডাঙৰীয়া। মই যি বিলাক মানুহৰ বাবে কাম কৰোঁ—সেই লোক সকলেই মোকো সহায় কৰে। আচলতে কথা কি জানে আত্ম সন্তুষ্টি হৈছে এটা ডাঙৰ সম্পদ!"

"ওহো—সেইয়া কেতিয়াও হব নোৱাৰে। চাওক আপোনাৰ নিজা বুলি এতিয়াও এটা ঘৰেই নাই। গাড়ী এখন নাই। আৰু আপোনাৰ নিজৰ বাবে নহলেও—আপুনিটো অন্ততঃ নিজৰ ল'ৰা তিৰোতাৰ বাবে চিন্তা কৰিব লাগিব। নহলে আপোনাৰ ল'ৰা ছোৱালীক চাব কোনে?"

"এই খন দেশত কিমান হেজাৰ হেজাৰ ল'ৰা ছোৱালী আছে। যি সকলে—সেই ল'ৰা ছোৱালী বোৰক চায়; তেওঁলোকেই মোৰ ল'ৰা ছোৱালী কেইটাকো চাব।"

"বাৰু, বাৰু। কিন্তু নিৰ্ব্বাচনৰ বাবে আপুনি কেনেকৈ টকা পাব? নিৰ্ব্বাচন খেলিবলৈ হলেটো আপোনাক বহুতো টকাৰে প্ৰয়োজন হব?"

"তাৰ কাৰণে মোক বহুতো টকাৰ আৱশ্যক নাই। মোক নিৰ্ব্বাচন কৰিব দেশৰ জনতাই আৰু তেওঁলোকেই মোৰ খৰচ পাতিও বহন কৰিব। প্ৰত্যেকৰে এটকা কৈ দহ হেজাৰ জন লোকৰ দহ হেজাৰ টকা—। আৰু এইয়াই জানো সমাজবাদ নহয়? মই তেওঁলোকৰ প্ৰত্যেক জনৰ ঘৰলৈ যাও—তেওঁলোকৰ সুখ দুখ আৰু সমস্যাৰ সমভাগী হও আৰু তাৰ সমাধানৰ বাবে মইও যত্ন কৰোঁ।"

থিৰুমুৰ্থিয়ে দুয়োখন হাত মুঠি মাৰি ধৰি বহিছিল যেন পাৰিলে তেওঁ তেওঁক আক্ৰমনেই কৰিব।

"ইয়াৰ অৰ্থ ?" অৰুমুগমে সুধিছিল।

"মোৰ পৰা বুজি লওক—এইবাৰ আপুনি জিকিব নোৱাৰে।"

অৰুমুগম্ এই আক্ৰমনৰ বাবে সমুলি প্ৰস্তুত নাছিল। থিৰুমুৰ্থিয়ে কৈ গ'ল—

"এইবাৰ আপোনাৰ বিৰুদ্ধে ঠিয় হোৱা মদনগোপালে কিন্তু, লাখ টকা পৰ্য্যন্ত খৰচ কৰিবলৈ প্ৰস্তুত। ইয়াত বাহিৰেও তেওঁত ফালে আছে—তেওঁৰ জাতিৰ মানুহখিনি, উগ্ৰতাবাদী ভেৰোনীয়া গুণ্ডা বাহিনী আৰু নিৰ্ব্বাচনৰ বজাৰ খেল জনা অন্যান্য লোক সকল।"

"আপুনি যে সিহঁতৰ দলত নাই সেইটোৱে যথেষ্ট।" অৰুমুগমে কৈছিল। "কিন্তু, মনত ৰাখিব—মানুহ বিলাক কিন্তু মোৰ লগতেই আছে।"

"ঠিক আছে—অপেক্ষা কৰক, আৰু কি ফল হয় দেখা যাওক। কিন্তু, আপুনি আৰু ভৱিষ্যতে মুৰ তুলি ৰাজপথত ওলাব নোৱাৰিব—এইয়া ধ্ৰুপ।" থিৰুমুৰ্থিয়ে কৈছিল।

"ইয়াকে কবলৈয়ে তেন্তে আপুনি মোক ইয়ালৈ মাতি আনিছিল ?" এই বুলিৰ কৈয়ে অৰুমুগম খঙৰে উচাত মাৰি ওলাই গ'ল।

অৰুমুগম্ তেতিয়া পৰাজয়ৰ শঙ্কা আৰু হতাশৰ প্ৰতিমূৰ্ত্তী হৈ পৰিছিল। তেওঁৰ মনৰ দৃঢ়তা আৰু আত্মবিশ্বাস হেৰাই গৈছিল; ভাৱলেশহীন নিৰ্জ্জীৱ মানুহৰ দৰেই লাহে লাহে খোজ কাঢ়িছিল। বিবেক শূন্য ব্যক্তিৰ হাতত ধন যে—এবিধ কি মাৰত্মক অস্ত্ৰই নহয়। ই যে মানুহৰ আত্মাকে ধ্বংস কৰে।

"মিঃ অৰুমুগম! শুনক—মাত্ৰ এক মিনিট। থিৰুমুৰ্থিয়ে কৈছিল আৰু অৰুমুগমক তেনেকৈ উভতাই আনি আকৌ তেওঁক বহিবলৈ বাধ্য কৰিছিল।" এই পৰাজয়, আৰু লোকচানৰ পৰা হাত সাৰিবলৈ আৰু এটা বেয়া নামৰ অপযশৰ পৰা মুক্তি পাবলৈ আপোনাৰ

বাবে মাত্র এটা পথেই খোলা আছে। মই আপোনাক টকা পঞ্চাচ হেজাৰ দিম—কিন্তু আপুনি নিৰ্ব্বাচনী প্রতিদ্বন্দিতাৰ পৰা বিৰত থাকিব লাগিব।

অৰুমুগমে তাচ্ছল্যৰে হাঁহিছিল—। "মই হয়তো লোকৰ পৰা এটা টকা অথবা আঠ অনা পইচা খোজা ভিক্ষাৰী হব পাৰো। কিন্তু, তথাপি যদি আপুনি মোক এক লাখ টকাও দিয়ে, তেতিয়াও মই আপোনাৰ পৰা গ্ৰহণ নকৰোঁ। মই যদি হাৰিও যাও তথাপি মোৰ হেৰুৱাব লগীয়া একো নাই। মোৰ সুনাম যাতে নষ্ট নহয়—একমাত্র সেয়ে মোৰে প্ৰাৰ্থনা।" কৈয়ে অৰুমুগম্ গুচি গ'ল।

বাল্য অৱস্থাত শিকা দুটামান কবিতাৰ কলি—অৰুমুগমৰ মনত পৰিল। তাৰে এটা কবিতাত আছিল যে—এজন মাত্র ভাল মানুহৰ বাবে দেশত বৰষুণ হৈছিল। এই কথা নিশ্চয় সচাঁ—তেওঁ ভাবিছিল। আজিৰ এই বিংশ শতিকাৰ দিনতো এনে এজন দুখীয়া মানুহ আছে যিয়ে এক লাখ টকাও ভৰিৰে লথিয়াই দিব পাৰে।

থিৰুমূৰ্থিয়েও মদনগোপালক টেলিফোনেৰে অফিচলৈ মাতি আনি ঘটনাটোৰ বিষয়ে তেওঁক স্পষ্টকৈ সবিশেষ জনালে। মদনগোপাল আছিল এজন অনাখৰী গ্ৰাম্য প্ৰকৃতিৰ গোৱৰ লোক।

"তেনেহলে এতিয়া তেওঁক বাহিৰ কৰাৰ একমাত্র পথটো কি হব?" তেওঁ সুধিছিল।

'এৰা'। মই যেনেদৰে ভাবিছিলো, সেইটো ইমান সহজ নহয়।" থিৰুমূৰ্থিয়ে স্বীকাৰ কৰিলে।

"ভাল কথা—গতিকে দেখা গ'ল যে শান্তিপূৰ্ণ পথৰে তেওঁৰ লগত কাম নিসিজিল। কিন্তু, সেই নীতি বচনটো আপুনিও জানে নহয়—

"সন্ধিৰ বা বুদ্ধিৰে কাটিবা।"

থিৰুমূৰ্থিয়ে মদনগোপালৰ ভাষাৰেই কলে—

"সচাঁকৈয়ে আজিকালিৰ দিনবোৰ প্ৰকৃততে শান্তিপ্রিয় নাগৰিকৰ বাবে নহয়। আজিকালিৰ দিন বোৰ হৈছে—অঘৰী আৰু ভিক্ষাৰীৰ

বাবেহে। তেওঁৰ সমৰ্থকৰ সংখ্যা বহুতো। গতিকে একমাত্ৰ উপায় হৈছে আমি কিবা প্ৰকাৰে তেওঁৰ সুনামটো নষ্ট কৰিব লাগিব।"

"সেইটোৱে সকলো নে?" মদনগোপালে কলে আৰু থিকমূৰ্থিৰ কাণৰ কাষত কিবা কিবি ফুচফুচাই কলে।"

"এটা সুন্দৰ কৌশল।" থিকমূৰ্থিয়ে সন্মতি জনাইছিল। মই এই খবৰটো বনজুইৰ দৰে চাৰিও ফালে বিয়পাই দিম।" মদনগোপালে কৈছিল। "পোন প্ৰথমে হয়তো কোনেও কথাটো বিশ্বাস নকৰিব কিন্তু, মানুহে বিশ্বাস নকৰা পৰ্য্যন্ত আমি দৰ্কাৰ হলে ঘৰে ঘৰে যাম, পথে পথে উলিয়াম পুনঃপুন একা কথাকে শুনি মানুহে অৱশেষত বিশ্বাস কৰিবই।"

"আৰু তেতিয়া আমাৰ এই সৎ আৰু সত্যবাদী অকমুগমে নিজৰ ডিঙিত ফাচ লগোৱাটোৱেই হব তেওঁৰ বিকল্প ব্যবস্থা। ·

· থিকমূৰ্থিয়ে নোটৰ বান্দুল কেইটামান মদনগোপালক দি দিলে। মদনগোপলে সেই থিনি লৈ কলে—"জয় আমাৰ হবই।"

"নিশ্চয়, আৰু আপুনি তেতিয়া পাহৰি নগলেই হ'ল।" থিকমূথিয়ে কলে। "মই এজন ব্যাৱসায়ী মানুহ ব্যাবসায়ৰ যাতে অলপ লাভ হয় সেয়ে মোৰ কামনা। কৌটি কৌটি টকা উপাৰ্জ্জন কৰাৰ কাৰণে মোৰ এটা দীৰ্ঘ দিনৰ পৰিকল্পনা আছে আৰু সেইটো সম্ভব হব—যদিহে মই আপোনাৰ সহায় পাও। তেওঁ কলে।

"আপুনি নিশ্চয় মোক এই সকলোবোৰ জনাব।" এই বুলি কৈ মদনগোপাল গুচি গ'ল।

নিৰ্ব্বাচনৰ দিনটো অতি বেগাবেগিকৈয়ে ওচৰ চাপি আহি আছিল। থিকমূৰ্থিৰ মানুহে—এই জনৰব তুলি দিছিল যে অকমুগমে নিজৰ নাম নিৰ্ব্বাচনী প্ৰতিদ্বন্দিতাৰ পৰা বাতিল কৰাৰ চুক্তিত থিকমূৰ্থিৰ পৰা এক লাখ টকা বিচাৰিছিল। কিন্তু, থিকমূৰ্থিয়ে অকমুগমক টকা দিবলৈ অস্বীকাৰ কৰিলে।

"অকমুগমৰ দৰে এজন ব্যক্তিৰ ক্ষেত্ৰতো এই কথা সম্ভব হব

পাৰেনে ?" কোনোবাই সুধিলে।

"কিয় নোৱাৰিবহে হেৰি। তেওঁ যে এজন ভীষণ দুখীয়া মানুহ।" অন্য এজনে কলে।

"এৰা, এৰা—টকাৰ কথা যেতিয়া কোনে লোভ এৰিবহে। আনকি মৰা মানুহেও কবৰৰ পৰা উঠি আহি মুখ মেলিব।" অন্য তৃতীয় জনে কলে।

"বৰ দুখৰ কথা। বৰ দুখৰ কথা। তেনে এজন মানুহেও যে ইমান তললৈ নামি যাব।"

"চাওক—অৰুমুগমে এক লাখ টকা ঘোচ খাবৰ বাবে কিমান তললৈ গ'ল। ভাবি চাওক মাত্ৰ এক লাখ টকাত বাবে।" এইয়াই আছিল মদনগোপালৰ দলৰ মানুহে প্ৰচাৰ কৰা জনৰব। আৰু এই কথা প্ৰতিদিনে প্ৰতি চুকে কোনে প্ৰচাৰ হবলৈ ধৰিলে।

নিৰ্ব্বাচনৰ ফলো ঘোষণা কৰা হ'ল। থিৰুমূৰ্থিৰ ডাঙৰ গাড়ী খন যেইদিনা খুন সুন্দৰ ভাবে সজোৱা হৈছিল। মদনগোপাল যেই গাড়ীখনত [illegible]হৈছিল আৰু থিৰুমূৰ্থি আছিল তেওঁৰ কাষত। ৰাষ্টাৰ শোভযাত্ৰা যিমানে আগবাঢ়ি গৈ আছিল সিমানে গাড়ীৰ ভিতৰত ফুলৰ মালাৰ দম হৈ পৰিছিল। আৰু আকাশে বতাহে ধ্বনিত প্ৰতিধ্বনিত হৈছিল—মদনগোপালৰ বিজয়ৰ বাৰ্ত্তা।

মানুহৰ এই শোভা যাত্ৰাটো অৰুমুগমৰ ঘৰৰ সন্মুখেৰে পাৰহৈ যাব ধৰিছিল। প্ৰত্যেকে এইটো কথাত বৰ আচৰিত হৈছিল যে অৰুমুগমেও হাতত এধাৰ ফুলৰ মালা লৈ—আলিবাটত থিয় হৈ আছিল। নীৰৱ খোজেৰে তেওঁ গাড়ী খনৰ ওচৰলৈ আহিল। মানুহবোৰেও কিয় জানো—তেওঁক ভয় কৰাৰ দৰেই নীৰবেই তেওঁক বাট এৰি দিছিল। আৰু তেওঁলোকে ভাবিছিল যে—তেওঁ মদনগোপালক মালাধাৰি পিন্ধাই দিব। "এইটো প্ৰকৃততে আপোনাৰ হে জয়।" অৰুমুগমে কৈছিল আৰু কঁপা কঁপা হাতেৰে তেওঁ থিৰুমূৰ্থিক মালাধাৰি পিন্ধাই দিছিল। থিৰুমূৰ্থিৰ অনুভৱ হৈছিল—তেওঁৰ দিঙি আকৃত কৰা এই মালাডাল

যেন মৃত্যুৰ ফাঁচ হে।

"আজিৰ দিনটোৰ পৰা মই ৰাজহুৱা জীৱনৰ পৰাও অৱসৰ ললো।" অকমুগমে কৈছিল। একমাত্ৰ থিৰুমূৰ্থি আৰু মদনগোপালেহে মাত্ৰ কথাষাৰ শুনিছিল।"

১৬

থিৰুমূৰ্থিৰ অফিচত এজন কৰ্ম্মচাৰী হিচাপে নিয়োগ হোৱাৰ পিছত —থিৰুগননমে তেওঁৰ কাম খিনি কম বেছি পৰিমানে প্ৰায় শেষ কৰি আনিছিল। বাকী থকা খিনি আছিল নাম মাত্ৰ। আচলতে তাত তেওঁ এটা গুপ্ত বিভাগৰ হৈ হে কাম কৰিছিল।

তেওঁৰ প্ৰতি থকা ৰাজেশ্বৰীৰ ভালপোৱা আৰু সন্মানে—তেওঁৰ কষ্টৰ ভাৰো যথেষ্ট লাঘব কৰিছিল। ৰাজেশ্বৰীয়ে তেওঁৰ লগত উদাৰ খোলা ভাবে কথা বতৰা পাতিছিল আৰু অন্তৰৰ পৰাই তেওঁক বিশ্বাস কৰিছিল। ৰাজেশ্বৰীয়ে তাইৰ ককায়েকৰ বিষয়ে আৰু তেওঁৰ ব্যৱসায়ৰ বিষয়েও সকলোবোৰ কথা অকপটে তেওঁক কৈছিল। তাই অৱশ্যে এজনী অতি চালাক ছোৱালীয়েই আছিল ; স্ফিনিস্কৰ দৰে তাই হয়তো সকলো কথা গোপনেও ৰাখিব পাৰিলেহেতেন। কিন্তু, থিৰুগননম য'ত জড়িত আছিল তাত তাই কোনো গোপনতাও ৰখা নাছিল। তাইৰ এটা লক্ষ্য আছিল—থিৰুগননমক ভাল লগোৱা। আৰু তাই নিজেও অনুভৱ কৰিছিল যে—থিৰুগননমে তাইৰ এই খোলা স্বভাৱক প্ৰশংসাৰ দৃষ্টিৰেই চাই।

তাইৰ মনটো যেন হৈ পৰিছিল—এখন স্বচ্ছ আইনা—য'ত একমাত্ৰ থিৰুমূৰ্থিৰ ছবিয়েই প্ৰতিবিম্বিত হয়। অৱশ্যে এইয়া আছিল তাইৰ জীৱনলৈ থিৰুগননম অহাৰ আগৰ কথা। আৰু এতিয়া? এতিয়া একমাত্ৰ থিৰুগননমেই তাইৰ সৰ্ব্ব সত্তা জুৰি বহিল। আৰু থিৰুগননমৰ

ভালপোৱা পাবলৈ তাই যেন অধৈৰ্য্য হৈ পৰিছিল। আৰু থিৰুগননমক সৰ্ব্বসত্তা দি ভালপোৱাৰ আগতে—কি যেন এটা ভাতৃবৎ ভাব আছিল, বিশেষতঃ তাই যেতিয়া বুজিছিল যে তাইৰ এই প্ৰেম প্ৰকৃততে এক পক্ষীয়া? আনহাচত থিৰুমূৰ্থিৰ জীৱনত এটাই মাত্ৰ লক্ষ্য এটাই মাত্ৰ কামনা আছিল—সেইটো হ'ল ধনৰ পাহাৰ নিৰ্ম্মাণ কৰা।

থিৰুগননমে মাজে সময়ে মানুহক ল'গ ধৰিবৰ বাবে—ৰাজেশ্বৰীৰ লগত বাহিৰলৈ যাব লগীয়া হৈছিল। থিৰুমূৰ্থিয়ে নিজেই তেওঁলোক দুয়োজনক তেনেকৈ পঠাই দিছিল। এনেদৰে এহাল ডেকা গাভৰুক সঘনে বাহিৰলৈ পঠালে তাইৰ স্বাভাৱিক পৰণতি যে কি হব পাৰে এই কথা যে থিৰুমূৰ্থিয়ে নাজানিছিল সেইয়া নহয়; মাত্ৰ তেওঁ তাক গুৰুত্ব হে নিদিছিল। তেওঁৰ ব্যৱসায় দোপত দোপে উন্নতি কৰিব লাগে—এয়ে আছিল তেওঁৰ একামাত্ৰ লক্ষ্য।

এদিনাখন থিৰুগননম আৰু ৰাজেশ্বৰীয়ে ভাৰত চৰকাৰৰ ডাঙৰ পদত অধিষ্ঠিত এজন অফিচাৰৰ ঘৰলৈ দেখা কৰিবলৈ গৈছিল। বিষয়াজন প্ৰায় চাকৰীৰ পৰা অবসৰ লোৱাৰ সময় হৈ পৰিছিল। তেওঁলোক যোৱা সময়ত তেওঁ অফিচতে আছিল, কিন্তু তেওঁৰ ঘৈনীয়েকে থিৰুগননম আৰু ৰাজেশ্বৰীক অতি আন্তৰিকতাৰেই আদৰণি জনালে। আলোচনা প্ৰসঙ্গত তিৰোতা গৰাকীয়ে নিজৰ বিষয়ে আৰু তেওঁ যে কি কষ্টেৰে ঘৰ চলাবলগীয়া হৈছে সেই বিষয়েই বহু কথা কৈছিল। তেওঁৰ গিৰীয়েকৰ সহকৰ্ম্মী এজনে কেনেকৈ—বিৰাট ঘৰ বান্ধিলে, কেনেকৈ তেওঁৰ লৰা তিৰোতাক সোণ ৰূপৰ গহনাৰে সজাইছে—এই বিলাক কথাও কৈছিল। অথচ তেওঁৰ স্বামী পাণ্ডৱ শ্ৰেষ্ঠ ধৰ্ম্মপুত্ৰ যুধিষ্টিৰৰ দৰে সৎ পথত চলা বাবে—তেওঁৰ ল'ৰা তিৰোতা যে কি কষ্টত চলিব লগীয়া হৈছে। "আৰু বোধহয় তেওঁ অবসৰ লোৱাৰ পিছত আমিও পাণ্ডৱ সকলৰ দৰে বনবাসীয়েই হব লাগিব।" তিৰোতা গৰাকীয়ে এনেদৰে মোখনি মাৰি শেহত কৈছিল—"এনে এখন ডাঙৰ নগৰত আমি আৰু কেনেকৈ শান্তিৰে থাকিব পাৰিম?"

"এৰা—ঠিকেইটো। কি কৰিব? জঙ্গলৰ মাজত টো আৰু অফিচ নাই।" ৰাজেশ্বৰীয়ে কৈছিল।

"যি বিলাক মানুহে আহি—তেওঁক দেখা কৰি দুই চাৰিটা মিঠা কথাকৈ কাম কৰাই লয়—সেই বিলাকে কিন্তু দিনে দিনে লাখ লাখ টকা উপাৰ্জ্জন কৰিছে। অথচ আমি ইফালে দুবেলা দুখাজ খোৱাই সমস্যা।" তিৰোতা গৰাকীয়ে কৈছিল। আৰু থিৰুমুথিৰ দৰে লোক বিলাকক অভিশাপ দি তেওঁ কৈছিল যে—অকল সেই বিলাক মানুহৰ বাবে নগৰ খনত অভাব অনাটন আৰু দাৰিদ্ৰতা মহামাৰীৰ সৃষ্টি হৈছে। তেওঁৰ প্ৰায় ছয় জন ল'ৰা ছোৱালী আৰু এই কেইটাক খুৱাবৰ বাবে আনকি সাধাৰণ শাক পিছলি কিনিবৰ বাবেই অভাব। ৰাজেশ্বৰীৰ বাবে প্ৰসঙ্গটো বোৰ আমনি দায়ক হৈ পৰিছিল। কিন্তু, থিৰুগননমৰ মনত বেদনা অনুভূত হৈছিল।

"আগতে মোৰ স্বামীয়ে যেতিয়া বৰ্ত্তমানত তুলনাত আধা দৰ্মহা পাইছিল—তেতিয়াই আমি সুখত আছিলো।" তিৰোতা গৰাকীয়ে কৈছিল।

ৰাজেশৰীয়ে মানুহ গৰাকীক সান্তনা দিবলৈ যত্ন কৰিছিল। আৰু তেওঁৰ হাতত কিবা অলপ গুজি দি কানৰ কাষত ফুচফুচাই কৈছিল—"এই কামটো নিশ্চয় আপুনি কিবাকৈ হলেও কৰাব লাগিব। আৰু এইয়া তেওঁ অবসৰ লোৱাৰ আগতেই হব লাগিব।" ৰাজেশ্বৰীয়ে তেওঁক কৈছিল।

"তেওঁ কিন্তু, এই বিষয়ে একোকেই জানিব নালাগিব দেই ৰাজেশ্বৰী। তেওঁ যদি এই কথা কিবা কৈ গম পাই কথা নাই মোৰ আৰু এই ঘৰত ভাত নাথাকিব পোনে পোনে বাহিৰ কৰি দিব।" তিৰোতা গৰাকীয়ে কঁপা কঁপা মাতেৰে ৰাজেশ্বৰীক কৈছিল।

থিৰুগননম্ আৰু ৰাজেশ্বৰী নীৰব খোজেৰে গাড়ীখনৰ ওচৰলৈ আহিল আৰু গাড়ীত উঠি বহিল?

"কিমান দিয়া হ'ল?" থিৰুগননমে সুধিলে।

"পাঁচ হেজাৰ"—ৰাজেশ্বৰীয়ে কানে কানে উত্তৰ দিলে।

আৰু গাড়ীখন চলাই কালে—'অন্যান্য নিয়মিত ধৰণৰ গ্ৰাহকে কিন্তু ইয়াতকৈ বহুত বেছি দাবী কৰে। কিন্তু, এই তিৰোতাগৰাকীৰ গিৰিয়েক জন বৰ ভীৰু ধৰণৰ মানুহ। গতিকে কোনোবা আহিলে—প্ৰথমতে এই তিৰোতাজনীৰে এনেকৈ এটা দীঘল বক্তৃতা শুনিব লগীয়া হয় আৰু লগে লগে এটা ডাঙৰ অঙ্কৰ টকাও দিব লগীয়া হয়।

"ধৰিলোৱা, যদিয়ে মানুহজনীৰ গিৰিয়েকে কামটোত আমাক সহায় কৰিবলৈ অস্বীকাৰ কৰে।"

"তেতিয়া? তেতিয়া তিৰোতা গৰাকীয়ে মানুহ জনক ঘৰত খেচ্ খেচাই থাকিব।" আৰু অফিচত ধৰিবৰ বাবে দাদাই মদনগোপালক তেওঁৰ ওচৰলৈ পঠাব।"

থিৰুগননমে দীঘলকৈ এটা হুমুনিয়াহ কাঢ়িলে তেওঁ যে সুখী হব পাৰিছে সেইয়া দেখা নগল। অৱশ্যে ৰাজেশ্বৰীয়েও তাই যি কৰিছে—সেইয়া নিজেও ভাল নেপায়। আগতে কিন্তু, তাই, তাইৰ ককায়েকে পাচা কামবোৰ কৰিয়ে নিজকে বৰ বুদ্ধিমতী বুলিয়েই ভাবিছিল।

সেই বোৰ দিনত তাইৰ ককায়েক থিৰুমূৰ্থিয়েই আছিল—আদৰ্শৰ বীৰ—আৰু এতিয়া যেন থিৰুগননম্ হৈ পৰিছে তাইৰ বিবেক।

এইটো সঁচাকৈয়ে বৰ দুৰ্ভাগ্যৰ কথা যে—যিটো সময়ত তাই মনেৰে তেওঁৰ লগত সকলোবোৰ মনৰ কথা অতি খোলা আৰু খাটাং ভাবে হবলৈ পৰিকল্পনা কৰিছিল ঠিক তাৰ আগমুহূৰ্ত্তে এনে এটা পৰিস্থিতিৰ উদ্ভৱ হ'ল।

"তিৰোতাজনীয়ে যি বোৰ কথা কলে তাত নো আচলতে কি ভুল?" ৰাজেশ্বৰীয়ে কথা আৰম্ভ কৰিলে।

"কলা টকা আৰু কলা বজাৰেই হৈছে এই সকলো বোৰ অভাব অনাটনৰ মূল কাৰণ। আৰু সেই চোৰাংবেপাৰী আৰু ঠগ প্ৰবঞ্চক বোৰ যি বোৰৰ ব্যৱসায় কলাটকাক লৈ—সেই সকলোবোৰেই হৈছে মোৰ দাদাৰ বন্ধু। আৰু সিয়েই সিহঁতক সহায় কৰে আৰু বিপদত

উদ্ধাৰো কৰে।"

থিৰুগননমে হাঁহিছিল।

"কিয় হাঁহিছা ?" তাই সুধিলে।

"তোমাৰ দাদাই সিহঁতক সহায় কৰে আৰু তুমি সহায় কৰা তোমাৰ দাদাক। আৰু ঠিক আলপমান আগতে—তুমি সেই মানুহজনীক পাঁচ হেজাৰ টকা ভোট দি—সেই শান্তিৰ ঘৰ খনত য'ত ইমান দিনে স্বামী স্ত্ৰীয়ে পৰম প্ৰীতিৰে দিন কটাইছিল—তাতেই অশান্তিৰ জুই জ্বলাই থৈ আহিলা। স্বামীয়ে নজনাকৈ তিৰোতা জনীক টকা ভেটি দিবলৈ বাস্তবিকতে মানুহ জন কিমান বুধিয়ক হব লাগিব !"

একমাত্ৰ তেতিয়াহে তাই 'সুখ' শব্দটোৰ প্ৰকৃত গুৰুত্ব আৰু অৰ্থটো উপলব্ধি কৰিব পাৰিলে। আৰু সেইদিনটোৱেই আছিল তাইৰ বহু প্ৰত্যাশাৰ দিন। যিটো দিনত—তাই তেওঁৰ সৈতে স্বামী স্ত্ৰী হিচাপে যুগ্ম জীৱনৰ আশাৰে কল্পনা কৰা ভবিষ্যতৰ পৰিকল্পনা বোৰ থিৰুগনমক কৰলৈ মনস্থ কৰিছিল। আৰু সেই কথা তেওঁক কোৱাৰ পূৰ্ব্ব মুহূৰ্ত্ততে —তাই কৰিলে কি ? এখন সোণৰ সংসাৰত—য'ত এহাল স্বামী-স্ত্ৰী পৰম সন্তোষেৰে জীৱন কটাইছিল—তাতেই তাই স্বামী-স্ত্ৰীৰ মাজত ভাঙোন আনাৰ বীজ সিঁচি আহিল। থিৰুগননমে তাইক বাস্তবিকতে বৰ গভীৰ ভাবেই অন্তৰত আঘাট দিলে। তাই যেন এটা বৰ ডাঙৰ শিক্ষা পালে। আৰু এই প্ৰথম বাৰৰ বাবে—তাইৰ অন্তৰত থকা 'নাৰীত্ব' যেন জাগি উঠিল। সচাঁ কথা তায়েইটো স্বামীক প্ৰকৃত কৰ্ত্তব্যৰ পৰা বিচ্যুটি ঘটাই বিপথে পৰিচালনা কৰাবলৈয়ে সেই তিৰোতা-গৰাকীক ল'গ কৰি আহিল। থিৰুমূৰ্থিয়েইটো সেই তিৰোতাগৰাকীক টকাৰ দ্বাৰা প্ৰলোভিত কৰাবলৈ—তাইক অস্ত্ৰ হিচাপেই ব্যৱহাৰ কৰিছে।

তাই গাড়ীখন নীৰবে চলাই লৈ গৈ এখন হোটেলৰ সন্মুখত ৰাখিলেগৈ। হোটেলৰ ভিতৰত মানুহৰ বৰ ভিৰ চলি আছিল। তথাপি কোঠা এটাৰ কোণত ঠুয়োজন বহিলগৈ। ৰাজেশ্বৰীয়ে কিবা কিবি

খোৱা বস্তুৰ হুকুম দি কথা আৰম্ভ কৰিলে।

"মই এতিয়াহে দাদাৰ পথটোৰ কথা বুজিবলৈ আৰম্ভ কৰিছো। ইমান দিনে, তেওঁ যি কৰিবলৈ কয়—তাকে কৰাটোকে শুদ্ধ বুলি ভাৱিছিলো। তেওঁ কেতিয়াও মোৰ বিষয় মুৰ নাঘামাই। মোৰ ইচ্ছা মতে যাকে মোৰ ভাল লাগে—তেওঁৰ লগতে মই মিলিব পাৰিছিলো। দাদাই অকল তেওঁৰ ব্যৱসায়ক লৈ ব্যতিব্যস্ত। কৃতকাৰ্য্যতাৰ উচ্চ শিখৰৰ পৰা শিখৰ তলৈ উঠাই তেওঁৰ একমাত্ৰ লক্ষ্য।"

থিরুগনমে তাইৰ মুখৰ ফালে একেমনে লক্ষ্য কৰিলে। "জীৱনৰ কোনো লক্ষ্য নথকা এইজনী এজনী উদং মগজৰ ছোৱালী তেওঁ ভাবিলে। থিরুমুৰ্থিৰ হাতত এইজনী ছোৱালী এজনী পুতলাৰ বাহিৰে একো নহয়। এতিয়া তেওঁ দেখিছে যে—এই ছোৱালী জনীৰো এটা নিজা মন, নিজা ইচ্ছা আছে।

"তুমি আমাৰ ঘৰলৈ অহাৰ পৰাই মই তোমাক লক্ষ্য কৰি আছো।" ৰাজেশ্বৰীয়ে কৈছিল।

এই মন্তব্যযাৰে তেওঁক সচকিত কৰি তুলিলে। তেওঁ তালৈ আহিছিল একমাত্ৰ থিরুমুৰ্থিক লক্ষ্য কৰিবৰ বাবে। আৰু ইয়াত আছে এজনী ছোৱালী যিয়ে তেওঁকো লক্ষ্য কৰি আছে।

সকলো সময়তে তেওঁৰ ফালে চাই চাই ৰাজেশ্বৰীয়ে মিচিকিয়াই হাঁহিছিল। "তুমি ধনী মানুহক বৰ ভয় কৰা। মই যিমানেই তোমাৰ ওচৰ চাপিবলৈ যত্ন কৰিছো—সিমানেই তুমি মোক ফাকি দি আঁতৰি গৈছা যেনিবা তুমি একোকে নুবুজা। তুমি সচাঁকৈয়ে দাদাক ভয় কৰিছা।"

"আচলতে সেইয়া তেনে নহয়···।"

"সেই প্ৰথম দিনাৰ পৰা—যিদিনাই মই তোমাক ডাক্তৰণীৰ ঘৰত দেখিছিলো···। তাইৰ খোনা লাগিল। "এতিয়া মই জানিব পাৰিছো যে প্ৰকৃততে তুমি এজন বৰ ভাল মানুহ" তাই কথাখিনি শেষ কৰিলে।

"তুমি ইমান সহজে এজন মানুহক বিশ্বাস কৰাটো অনুচিত"—তেওঁ

কৈছিল। "তোমাৰ দাদা যেনেকৈ কৃতকাৰ্য্যতাৰ পিছত দৌৰিছে মইয়োটো তেনেকৈ আন কিহবাৰ পিছত দৌৰিব পাৰো। মইয়ো তো মোৰ ইপ্সিত বস্তু পাবলৈকে তোমাক ব্যৱহাৰ কৰিব পাৰোঁ।"

তেওঁ তেওঁৰ অনুভূতিটোক আঁতৰাবলৈ অসমৰ্থ হৈ পৰিল। তাইৰ দৰে এজনী সবল ছোৱালীৰ পৰা সুবিধা আদায় কৰাটো ভুল হব বুলিয়েই তেওঁ অনুভৱ কৰিছিল।

"তুমি এজন প্ৰকৃতাৰ্থত বিবেকবান মানুহ।" তাই কৈছিল। "তুমি দাদাৰ ব্যৱসায়টো মুঠেই ভাল নোপোৱা। তোমাৰ ওচৰত টকাৰ কোনো মূল্য নাই।"

"গতিকে মোৰ দৰে এজন মানুহক ভাল পোৱাটোও মাৰত্মক বিপদজনক।" হাঁহি হাঁহি থিৰুগনমে কৈছিল। "মই অতি সোনকালে অন্য এটা চাকৰীলৈ যাম। প্লিজ তুমি কিন্তু এই কথাটো এতিয়াই তোমাৰ দাদাৰ আগত নকৰা।"

'থিৰুগনম্!' তাই মিনতি কৰি কৈছিল। "প্লিজ, মোক অকলে এৰি তুমি কিন্তু আঁতৰি নাযাবা।"

কিছুদিন আগৰ পৰাই তেওঁ এই কথা জানিছিল। কিন্তু, শংকৰী আছিল তেওঁৰ মানস প্ৰতিমা—অথচ কেনেকৈ বা তেওঁ এই কথা ৰাজেশ্বৰীক কব পাৰে?

"ছোৱা। তুমি কৈছা—মই হেনো এজন বিবেকবান মানুহ। গতিকে, তোমাৰ বাবে অথবা তোমালোকৰ পৰিয়ালৰ বাবে মোৰ দৰে মানুহ এজনৰ দৰ্কাৰে বা কি? আনহাতে পৰিয়ালৰ ভৰণ-পোষণ চলাবলৈ মোৰ টো টকাও নাই।"

"টকা! ওহো—টকাটো মই বিচৰা নাই। মোৰ অংশৰ সম্পত্তিৰ মূল্যই তিনি লাখ টকা। জীৱনত মই বিচাৰিছো—অকণমান সুখ, এ ধানিমান শান্তি। মই নিশ্চয় এটা সুখৰ জীৱন কটাব লাগিব। আমাৰ পৰিয়ালৰ কোনো এজনেও টো টকাই ক্ষতিপূৰণ কৰিব নোৱাৰা মানসিক যাতনাৰ কথা নাজানে।"

থিৰুগনম্ সচকিত হ'ল। টকাই সুখ কিনিব নোৱাৰে।

"ৰাজেশ্বৰী, কেইমাহমান অপেক্ষা কৰা। আৰু আমি চাম—তেতিয়াই তুমি মোক ভাল পাই থকানে নাথাকা? তোমাৰ দাদাইও যে—তোমাক ইমান সহজতে এৰি দিব সেই কথাও তুমি কল্পনা নকৰিবা। তুমি অকল তেওঁৰ ভনীয়েই নোহোৱা—তুমি তেওঁৰ এটা ডাঙৰ সহায়ও।"

"মাত্ৰ কেইটামনে মাহ। ঠিক আছে।" বিজয়নীৰ হাঁহিৰে ৰাজেশ্বৰীয়ে কৈছিল। থিৰুগনমে কিন্তু, মনৰ মাজতে বৰ বিবুদ্ধি অনুভৱ কৰিলে। অকল শংকৰীৰ ককাইয়েক বুলি পৰিচয় দিয়া বাবেই যে কেতিয়াবা এনে পৰিস্থিতিৰো উদ্ভৱ হব পাৰে তেওঁ কেতিয়াও কল্পনাই কৰা নাছিল। আৰু—হবলৈ যে তেতিয়াও বহুতো বাকী।

যি সময়ত ৰাজেশ্বৰীয়ে থিৰুগনমক সম্পূৰ্ণৰূপে নিজাকৈ পাবৰ বাবে প্ৰচেষ্টা চলাই আছিল, সেই সময়তে থিৰুমূথিয়ে আকৌ তেওঁৰ নিজৰ ব্যক্তিগত সমস্যা এটাৰ বোজাও তেওঁৰ কান্ধৰ ওপৰতে দিবলৈ পৰিকল্পনা কৰি আছিল।

থিৰুগনম্ গধূলি ঘৰলৈ যাবলৈ সাজু হৈছিল। ঠিক তেতিয়াই থিৰুমূথি সোমাই আহিল। আৰু থিৰুগনমক তেওঁৰ ওপৰ মহলাৰ কোঠালৈ মাতি লৈ গ'ল। অত্যাধিক মদ খোৱাৰ বাবেই তেওঁৰ চকু দুটা ৰঙা হৈ আছিল। থিৰুগনমৰ কাষতে তেওঁ চোফাত বহিল। "মই তোমাৰ সৈতে মোৰ এটা ব্যক্তিগত সমস্যাৰ বিষয়ে আলোচনা কৰিব খোজো।" তেওঁ আৰম্ভ কৰিলে। "অৱশ্যে এই ক্ষেত্ৰত মই যেনেকৈ তোমাৰ সৈতে খোলা খুলি ভাৱে কথা হম; তুমিও সেইদৰে খোলা হব লাগিব।" তেওঁ কৈছিল। "টিকচীত তোমাৰ ভনীয়েৰাৰ কোনোবা নিকটতম সম্বন্ধীয় আছে নেকি?"

উত্তৰ কি দিব—থিৰুগনমে বুজিব পৰা নাছিল।

"নিকট সম্পৰ্কৰ মানে মই কব খুজিছো—এনে সম্বন্ধৰ মানুহ যিয়ে তেওঁক বিয়া কৰাবৰ দাবী কৰিব পাৰে।"

"তেনে নিকট সম্বন্ধৰ কোনোবা লোক টিকচীত থকা বুলি মই নাভাবো।"

"তেওঁ অতি সঘনে তালৈ যায়। সেয়েহে তেনে ধৰণৰ কোনোবা থাকিবও পাৰে বুলি মই ভাবিছিলো।"

এৰা ঠিকেইটো। শংকৰী টিকচীলৈ মাজে সময়ে যায় থাকে। এবাৰ নে দুবাৰ তেওঁ নিজেও শংকৰীৰ ঘৰলৈ যাওঁতে মুনীয়ামলে তেওঁ টিকচীলৈ যোৱা বুলি কৈছিল। কিন্তু, এতিয়া থিকমুথিয়ে এই প্ৰসঙ্গ তোলাত হে তেওঁৰ মনতো এটা সন্দেহৰ উকমুকনি লাগিল।

"ওহো—টিকচীত তেনে ধৰণৰ কোনো সম্পৰ্কীয় নাই।" তেওঁ কথাষাৰ পুনৰ দোহাৰিলে।

"বৰ ভাল কথা—বৰ ভাল—তেতিয়াহলে এটা সন্দেহ দূৰ হ'ল। সকাহ পোৱাৰ ধৰণে থিকমুথিয়ে কলে।" মই তোমাৰ ভনী জনীৰ মন বুজিবলৈ বৰ টান পাইছো। সেই কাৰণেই তোমাৰ সহায় মোক লাগে।"

থিকগনমে আগতকৈও বেছি মনোযোগেৰে তেওঁৰ কথা শুনিবলৈ ধৰিলে।

"মোৰ লগত তেওঁৰ সম্পূৰ্ণ বন্ধুভাৱ, আৰু মই তেওঁক যথেষ্ট সহায় কৰিছো আৰু এতিয়াও সহায় কৰি আছো। কিন্তু, ইমানখিনি বন্ধুত্ব থকাৰ পিছতো—তেওঁ মোক তেওঁৰ বেছি ওচৰ চাপিবলৈ সুবিধা দিয়া নাই। তেওঁ যেন একুৰা জুই—আৰু তেঁৱেই বোধহয় একমাত্ৰ ছোৱালি যাৰ ওচৰত মই পৰাজিত হৈছো।"

থিকগনমে কথাষাৰ শুনি বৰ সুখী হ'ল। থিকমুথিয়ে কৈ গ'ল—

"মই তেওঁক কৈছো যে—মই তেওঁক বিয়া কৰাম আৰু তেওঁক ৰাণী পাতিম। আমি কিয় বিয়া হোৱা উচিত—তাৰ এটা বিশেষ কাৰণো আছে আৰু শংকৰীয়েও এই কথা জানে। পুৰণি কালত ৰজা বিলাকে—একমাত্ৰ একোটাহত উদ্দেশ্য পূৰণৰ কাৰণেই বিয়া কৰাই ছিল। মই কিন্তু তেওঁৰ কোনো কাম বা স্বাধীনতাত অলপো হস্তক্ষেপ

নকৰোঁ। মই বুজিছো যে—তেওঁ উচ্চ শিক্ষাৰ বাবে ইউৰোপলৈ যাব। মোৰো ইউৰোপত কিবা কিবি কাম আছে। মই এটা নতুন ব্যৱসায় আৰম্ভ কৰিব খুজিছো। যদিহে আমি এটা বুজাপৰালৈ আহিব পাৰো তেন্তে আমি দুয়োজন একেলগে চুজাৰলেণ্ডলৈ যাব পাৰোঁ। গতিকে তুমিয়েই অনুগ্ৰহ কৰি তেওঁক এই কথাখিনি কবা আৰু তেওঁ যাতে অতি সোনকালে মন স্থিৰ কৰিব পাৰে—তাৰ বাবেও তুমি সহায় কৰিবা। যিহেতু তুমিও আমাৰ সৈতে আছা—মই ধৰি লৈছো যে—আমাৰ জয় সুনিশ্চিত।"

থিরুমূৰ্থিয়ে এতিয়াও যে শংকৰীক একুৰা জুই বুলিয়েই বিবেচনা কৰে—এই কথা বুজি থিৰুগনমে মনত কিছু সান্ত্বনা পাইছিল। কিন্তু, শংকৰীয়ে যে তেওঁৰ প্ৰেমৰ প্ৰতিদান একেৰে দিয়া নাই—সেই কথা ভাবিহে তেওঁ অত্যন্ত অসুখী হৈ পৰিল।

১৭

থিৰুগনমৰ কোঠাত বহু বাতিলৈ লাইট জ্বলি আছিল। দুৱাৰখন খিলি দি বন্ধ কৰি থৈ—ভিতৰত বহি তেওঁ অতি খৰকৈ কিবা লিখি আছিল। সিদিনাখন তেওঁ পোৱা চিঠিখনত এটা মাৰত্মক খবৰ আছিল। প্ৰকৃততে তেওঁৰ যিটো চাকৰী তাত আছিল কিছু শঙ্কা, কিছু উত্তেজনা আৰু ৰণক্ষেত্ৰৰ ক্ষিপ্ৰতা। তেওঁ বিমানবোৰ খবৰ সংগ্ৰহ কৰিছিল—সেই সকলোবোৰ তেওঁ একাদিক্ৰমে লিখি গৈছিল। লিখা শেষ হোৱাৰ পিছত—কাগজবোৰ সামৰি এটা ডাঙৰ লেফাফাত ভৰাই তাৰ ওপৰত ঠিকনাটোও লিখিলে। ইতিমধ্যে ৰাতি দোভাগ হৈ পৰিছিল।

অৱশেষত তেওঁ ব্ৰিফকেচ্‌টোৰ পৰা এটা ফটোগ্ৰাফ উলিয়াই আনি—তাক মনপুতি পৰ্য্যবেক্ষণ কৰিব ধৰিলে। ফটোখন হ'ল—কুমুদা আৰু থিৰুমূৰ্থিৰ। কুমুদাৰ নিৰুদ্দেশৰ বিষয়ে অনুসন্ধান কৰাটো অৱশ্যে তেওঁৰ কৰ্ত্তব্যৰ ভিতৰত নাছিল। কিন্তু, ঘটনাক্ৰমে এই সমস্যাটোও ওলাই

পৰিল আৰু শংকৰীৰ নামো ইয়াত জড়িত হৈ পৰিল। গতিকে তেওঁ এই বিষয়টোও লৈ ললে।

থিকগনমে লাইটটো মুমাই শুবৰ বাবে বিছনালৈ গ'ল—কিন্তু তেওঁৰ চকুলৈ টোপনী হলে নাহিল। থিকমুৰ্থিয়ে উল্লেখ কৰা এটা মাথোন কথা বাৰে বাৰে তেওঁৰ মনলৈ আহি থাকিল। "শংকৰী আৰু মই যে বিয়া হোৱাটো উচিত তাৰ এটা বিশেষ কাৰণ আছে আৰু শংকৰীয়েও এই কথা জানে।" থিকমুৰ্থিয়ে কৈছিল। কিন্তু, সেই বিশেষ কাৰণটো নো কি—সেই কথা তেওঁ তেওঁৰ আগত প্ৰকাশ নকৰিলে কিয়? এইটো নিশ্চয় কুমুদা সম্পৰ্কীয় কিবা গুপ্ত ঘটনা হব লাগিব। আৰু শংকৰীয়েও বাৰু কিয় এনে ধৰণৰ মাৰত্মক গোপনতাৰে নিজকে আবৃত কৰাইছে? কিয় বাৰু তাই এনেদৰে সদায় বেয়া মানুহবোৰৰ লগতে সম্পৰ্ক ৰাখে? যেতিয়া তাই নব-যৌবনা আছিল—তেতিয়াও তাই টিকচীত ল'গ পোৱা গুৰুমূৰ্থিক বিশ্বাস কৰিছিল। তেতিয়া হয়তো তাই কিছু অনভিজ্ঞা আছিল। কিন্তু, এতিয়াটো তাই যথেষ্ট উচ্চ শিক্ষিতা আৰু বিভিন্ন ধৰণৰ অভিজ্ঞতাৰে এজনী অভিজ্ঞা মহিলা। তেনেস্থলতো তাই কিয় এই বিপদজনক মানুহৰ লগত সম্পৰ্ক ৰাখিছে? প্ৰকৃততে তাই বাৰু কেনেকুৱা? আগৰ দৰেই তাই জানো—তাইৰ প্ৰেমাকাঙ্খীৰ ওচৰত হাউলি যাব?

থিকগনমে মাজে মাজে অনুভৱ কৰে—যেন শংকৰীৰ প্ৰতি থকা তেওঁৰ এই প্ৰেম অনৈতিক—কিয়নো ইয়ে তেওঁক কৰ্ত্তব্যচ্যুত কৰিব পাৰে। কিন্তু, তেওঁ এই কথাও জানে যে তেওঁ তাইৰ সৈতে কোনোৱা এক অদৃশ্য সোণৰ শিকলিৰে যুগ যুগ ধৰি বান্ধ খাই আছে। শংকৰীয়ে হয়তো তেওঁক ভাল নাপাবাও পাৰে। আনকি তেওঁৰ এই অনুভূতিৰ সৈতে তাই টো কেতিয়াও ধেমালীও কৰা নাই। তেওঁৰ প্ৰতি তাইৰ ভাল পোৱা সীমাহীন। মাত্ৰ তেওঁ হে ইয়াক কোনো শ্ৰেণী বিভক্ত কৰিব নোৱাৰে।

তাই যদি থিকমুৰ্থিৰ সৈতে হাত মিলোৱাই নাই—তেনেহলে তাই

কুমুদাৰ সম্পৰ্কত কেনেকৈ অন্যায় কৰিব পাৰে ? তেওঁ যেন শংকৰীক বুজিব পৰা নাই। ধনী মানুহৰ তিৰোতা বিলাকক চিকিৎসা কৰিয়েই তাই বহু টকা উপাৰ্জ্জন কৰিছে। কিন্তু, ইমান টকাৰে বা তাইৰ দৰ্কাৰ কি ? তেওঁ সিদ্ধান্ত কৰিলে যে—তেওঁ শংকৰীৰ নিজৰ মুখৰ পৰাই তাই টিকচী দৰ্শনৰ ৰহস্যৰ ভেদ ভাঙিব। পিছদিনাখন বাতিপুৱাই তেওঁ শংকৰীক ল'গ ধৰিবলৈ গ'ল।

শংকৰীৰ ঘৰত উপস্থিত হোৱাৰ লগে লগেই বৰ অভাবনীয় ভাৱে শংকৰীয়ে তেওঁক আক্ৰমণ আৰম্ভ কৰিলে।

"মোৰ গাড়ীৰ ড্ৰাইভাৰ ৰঙ্গনে কৈছে যে—তুমি ৰাজেশ্বৰীক লৈ গোটেই নগৰখনত ঘূৰি ফুৰি থকা। এজনী ছোৱালীক লগত লৈ ঘূৰা ফুৰাই কি তোমাৰ কাম !" শংকৰীয়ে তিৰস্কাৰ কৰি সুধিলে।

"এৰা, তুমি মোক বৰ দয়া কৰিছা।" তেওঁ প্ৰত্যাক্ৰমন কৰি কলে—"এইয়া তোমাৰেই দান।"

ইচ্ছা কৰিয়ে আঘাত দিবৰ বাবে তেওঁ তাইক এই কথাষাৰ কৈছিল। লগে লগে তাইৰ কথাৰ উদ্যম আৰু মাতৰ উচ্ছ্বাস নোহোৱা হ'ল। তাইৰ কথাবোৰো হুমুনিয়াই যেন হৈ পৰিল।

"মই নিমন্ত্ৰিত নহম নেকি ?" তাইৰ মাতত গভীৰ বিষাদৰ ছাপ।

"মই এতিয়া ইয়ালৈ মোৰ 'বচ'ৰ এটা বিশেষ কথাৰ বাবে আহিছো।" থিৰুগনমে কলে। মই তেওঁৰ হৈ সুধিব আহিছো যে—মোৰ ভনী শংকৰীয়ে তেওঁক বিয়া কৰাব নে নকৰাই ?"

ইজনে সিজনলৈ অতি সূক্ষ্মভাৱে লক্ষ্য কৰিলে। দুয়োৰে চকুত যেন গভীৰ বিষাদৰ চকুপানী অথচ দুয়োজনেই যেন মনৰ দুখ লুকুৱাবৰ বাবেই অকণমান হাঁহি যেন কৰি নীৰৱ হৈ পৰিল।

"বোধহয় এই আশাৰ বশবৰ্ত্তী হৈয়ে তুমি আগতেই মোক তোলনীয় ভাই বুলি প্ৰচাৰ কৰিছিলা ?" নীৰৱতা ভঙ্গ কৰি থিৰুগননমে শুধিলে।

"তুমি ৰাজেশ্বৰীক ভাল নোপোৱা জানো ?" শংকৰীয়ে প্ৰত্যাক্ৰমন কৰিলে।

"তুমি মোৰ প্ৰশ্নৰ উত্তৰ দিয়া নাই। মিঃ থিৰুমূৰ্থি কিন্তু বৰ কৈ লাগি আছে।"

থিৰুগননমে হয়তো তেওঁৰ কথত শংকৰীয়ে খণ্ড কৰিলে বা তাইৰ মুখৰ পৰা—"সেইয়া কেতিয়াও হব নোৱাৰে, তুমি তেওঁক কৈ দিবা' এনেধৰণৰ কিবা এষাৰ শুনিব পালে অত্যন্ত সুখী হ'লহেতেন।

অথচ শংকৰীয়ে কলে—"ঠিক এই মুহূৰ্ত্ততে কিবা এটা সিদ্ধান্ত কৰিবলৈ মই অপৰাগ।" তেওঁ এনে এটা সমিধান পাব বুলি অকনো আশা কৰা নাছিল। সেয়ে তেওঁৰ বুকুখন কঁপি উঠিল।

"দেখা যায় তোমালোক দুয়োজনৰ মাজত কিবা এটা গোপনীয়তা আছে। তেওঁ কিন্তু সেই কথাটোৰ বিষয় একো নকলে। অন্ততঃ তাৰ প্ৰতিৰক্ষাৰ বাবে তুমি হেনো তেওঁক বিয়া কৰোৱাটো উচিত বুলি তেওঁ কৈছিল।"

জেৰা কৰা সময়ত আচামীক তন্ন তন্ন কৈ পৰীক্ষা কৰা বিচাৰকৰ অনুসন্ধিৎসু দৃষ্টিৰে তেওঁ শংকৰীক লক্ষ্য কৰিলে। শংকৰীয়ে প্ৰথমতে মিছিকিয়াই আৰু পিছত লাহে লাহে সশব্দে হাঁহিব ধৰিলে। শংকৰীৰ এই হাঁহিয়ে তেওঁৰ মনৰ সন্দেহ দূৰেই কৰিলে নে তেওঁক আৰু বেছি বিভ্ৰান্ত হে কৰিলে তাক থিৰুগনমে কিন্তু বুজি নাপালে।

"শংকৰী, তুমি কিন্তু মাৰত্মক চালাক ছোৱালী।" তেওঁ কলে।

"একমাত্ৰ চালাক-চতুৰ বিলাকেই টো পৃথিৱীত জীয়াই থাকিব পাৰে। আৰু যিবিলাক সৰল-সহজ সিহঁত মৰে।" শংকৰীয়ে কলে। "আৰু একমাত্ৰ তুমিয়েই টো মোক তাহানি এদিন মৃত্যুৰ পৰা ৰক্ষা কৰিছিলা।"

শংকৰীয়ে এতিয়াও যে—বহুদিন আগতে তাইৰ পিতাক মৰা সময়ৰ সেই ঘটনাটো মনত ৰাখিছে—সেই কথাত থিৰুগননম সচাঁকৈয়ে বৰ আচৰিত হ'ল।

"থিৰুমূৰ্থি আৰু তোমাৰ মাজত থকা গোপন ৰহস্যটোৰ কথা মোৰ কব পাৰানে?"

"এইটো কাকো কব নোৱাৰা ধৰণৰ টো একো বিশেষ গোপনীয়তা নহয়।"

তেওঁ নিজকে পাহৰি গ'ল আৰু ধমক দিয়াৰ দৰে তেওঁ চিঞৰি উঠিল—"শংকৰী।"

"প্রত্যেক মানুহৰে জীৱনতে প্রায় দুই এটা গোপনীয়তা থাকে। আৰু তেনে কথা প্রকাশ হলে বহু সময়তে কোনো ভাল উদ্দেশ্য পূৰণ নহয়—গোপন প্রকাশ কৰা লোকজনৰেই হওক নাই গুপ্ত কথাৰ প্রকাশ শুনোতা জনৰেই। আনকি তোমাৰো হয়তো তেনে ধৰণৰ দুই এটা গোপনীয়তা আছে; কিন্তু সেই বিলাকৰ বাবে কেতিয়াবা জানো মই অকণমানো কৌতুহলী হৈছো?"

থিৰুগননমৰ মনত হঠাতে এটা সন্দেহৰ ঢল বাগৰি গ'ল। প্রকৃততে তেওঁ :না কোন—কিজানি তাই জানেই। নিজৰ অজ্ঞাততেই তেওঁ শংকৰীৰ ঘৰত তাহানিতে পেলাই অহা চিঠিখনৰ কথা ইতিমধ্যে তেওঁ সম্পূর্ণৰূপে পাহৰি পৈছিল।

"যদি মই সেইয়া জানো, হয়তো মই তোমাক কিবা সহায় কৰিব পাৰো।" থিৰুগনমে কৈছিল।

"মই নিশ্চয় তোমাক কম। কিন্তু, ঠিক এই সময়ত কিন্তু, তুমি মোৰ সহায়ৰ বাবেহে থিৰুমূৰ্থিৰ লগত কাম কৰিব পাৰিছা।"

থিৰুগনম যাবলৈ খুজিছিল, কিন্তু শংকৰীয়ে তেওঁক এৰি নিদিলে। তেওঁ মাজে সময়ে ভালপোৱা বাবে—আগৰ দৰেই তাই তেওঁক তাইৰ লৈতেই খাবলৈ মাতিলে। তাই টো তেওঁৰ কোঠালৈয়ো আহাৰখিনি পঠাব পাৰিলেহেতেন। মুঠ কথা তাই কিন্তু মৰমৰ সংসর্গবোৰ এৰি পেলোৱা নাই।

"মোৰ এই সাক্ষাতৰ কোনো কাম নহ'ল। যিয়ে নহওক—তোমাক মই মাথো এটা কথা সুধিবলৈ ভাল পাম—যদিও মই জানো যে তাৰ এটা সৰল পোনপটীয়া উত্তৰ মই নেপাও।"

শংকৰীয়ে খিল্‌খিল্‌াই হাঁহি তুলিলে। তাই ইমান ধুনীয়া কৈ

হাঁহে। আগতে তেওঁ টো তাইৰ এই হাঁহি দেখা নাই।

"যদিও তুমি মোক বুৰ্বক বনাবৰ বাবেই হাঁহিছা—তথাপি তোমাৰ এই হাঁহিটো কিন্তু মই বৰ ভাল পাও।"

"তুমি যি কথা সুধিবলৈ ইয়ালৈ আহিছিলা—সেইয়া কিন্তু তুমি প্ৰায় পাহৰি গৈছাদেই।"

"টিকচৌত এতিয়া তোমাৰ কোনো আকৰ্ষণ থাকিব নোৱাৰে। অথচ অতি সঘনাই তুমি তালৈ যোৱা। তুমি বাৰু তাত কাক ল'গ ধৰিব যোৱা এই কথা মই জানিব পাৰোনে?"

"সেইটো আকৌ তোমাক কিয় দৰ্কাৰ?"

দেখাত থিৰুগননমৰ বাবে এইটো এটা সুন্দৰ প্ৰশ্নই। থিৰুমূৰ্থি তাইৰ প্ৰতি সন্দেহশীল। কিন্তু, তেওঁ জানো অকলে এই কথাত সন্দেহ কৰে। তেওঁটো থিৰুগননমকো সমানেই সন্দেহবাদী কৰি তুলিছে।

"যি খাতিৰত তুমি ৰাজেশ্বৰীৰ সম্পৰ্কে মোক প্ৰশ্ন কৰিছা মোৰো সেই একেই দৰ্কাৰ।"

"বাৰু, বাৰু—তেনেহলে তোমাৰ প্ৰয়োজন এতিয়া থিৰুমূৰ্থিৰ পৰা গৈ টিকচৌত পৰিল গৈ। পিছে তুমি কল্পনা কৰাৰ দৰে সেইয়া একো নহয়। কিয়—মোৰ জন্মহোৱা নগৰখনত মোৰ জানো কোনো তিৰোতা বন্ধু থাকিব নোৱাৰে?"

"অকল তিৰোতা।" থিৰুগননমে সুধিলে।

"এৰা।"

তাৰ পিছত থিৰুগননম সেইদিনালৈ উভতি গ'ল।

কেইদিনমানৰ পিছত তেওঁ আকৌ শংকৰীৰ ঘৰলৈ আহিল। আৰু তেতিয়া তেওঁ মুনীয়ামলৰ পৰা জানিব পাৰিলে যে—শংকৰী ইতিমধ্যে টিকচৌলৈ গৈছে।

"তাত তেওঁ কাক দেখা কৰিব যায়—তুমি জানানে?"

যদি অন্য কোনোবাই এই প্ৰশ্নটোকে তাইক সুধিলেহেঁতেন—তেন্তে তাই একেবাৰে কৈ দিলেহেঁতেন—'নাই নাজানো।' শংকৰীয়ে এই

মানুহজনক অতিপাত শ্ৰদ্ধা কৰে, গতিকে তাইয়ো তেওঁক শ্ৰদ্ধা কৰে।

"তেওঁ মাকক চাবলৈ তালৈ গৈছে।" তাই কলে।

"শংকৰীৰ মাকক?"

'হয়।' তাই মূৰ দুপিয়ালে।

থিকগননমৰ মূৰ আচন্দ্ৰাই কৰিলে। "শংকৰীৰ মাক।" তেওঁ তো জানে—শংকৰী যেতিয়া তেনেই পানী কেঁচুৱা আছিল তেতিয়াইটো তাইৰ মাক ঢুকাইছে। আৰু তাইৰ পিতাকে টো দ্বিতীয়বাৰো বিয়া কৰোৱা নাছিল। আনহাতে টিকচীত টো তাইৰ তেনে কোনো নিকট আত্মীয়ও নাই।" তেওঁ খুউব্ধ খৰকৈ চিন্তা কৰি যাবলৈ ধৰিলে। বেছি ভাগ দোষী লোকেই সত্যক মিছাৰে ঢাকিব খোজে। শংকৰীৰো নিশ্চয় কিবা এটা দোষ আছে—যিটো এতিয়া তাই লুকাব খোজে। ইমানদিনে—তাইৰ প্ৰতি থকা তেওঁৰ প্ৰেমেই তেওঁক শংকৰীৰ দোষ-দুৰ্ব্বলতা বিলাকৰ প্ৰতি অন্ধ কৰি ৰাখিছে।

গতিকে, এতিয়াৰ পৰা তেওঁ শংকৰীক অকল অপৰাধী বুলিয়েই গণ্য কৰিব। তাইকো নিশ্চয় টকাৰ বাবে অপৰাধ কৰা অপৰাধী সকলৰ তালিকাতে অন্তৰ্ভুক্ত কৰিব লাগিব। তাই নিশ্চয় কেতিয়াও তাইৰ গাড়ীখন বা হীৰাৰ খাৰু যোৰ সৎ উপাৰ্জ্জনৰ টকাৰে কিনিব পৰা নাই। তাইৰ কেতিয়াও ইমান টকা হব নোৱাৰে। টকাৰ লোভেই তাইকো জানো থিকমূৰ্থিয়ে কৰা অপৰাধৰ সঙ্গিনী কৰিব নোৱাৰে?

সেইদিনাখন তেওঁ আৰু থিকমূৰ্থিৰ অফিচলৈ নগ'ল। পোনে পোনে তেওঁ নিজৰ কোঠালৈ গ'ল—আৰু কিছুমান দৰ্কাৰী টোকা হাতত লৈ বাহিৰলৈ ওলাই গ'ল আৰু অলপমান পিছতেই মটৰ চাইকেল এখন লৈ উভতি আহিল। তেওঁৰ কাৰণে ভাত ৰাখি থোৱাই আছিল। তেওঁ ভাতখিনি খাই ললে। হঠাতে বেৰাত ওলমি থকা কেলেন্দাৰখনৰ ওপৰত তেওঁৰ দৃষ্টি থৰ হ'ল। তাত ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ চবি আছিল। ধৰিত্ৰীৰ ৰক্ষাৰ বাবে প্ৰতিজন দেৱতাই নিজা নিজা অস্ত্ৰ শূল, ত্ৰিশূল আৰু চক্ৰ লৈ তাত ঠিয় হৈ আছিল। অসতক আঁতৰাই

সত্যক স্থাপন কৰিবলৈ, অধৰ্ম্মক আঁতৰাই ধৰ্ম্মক সংস্থাপন কৰিবলৈ সেই স্মৰণাতীত কালৰে পৰাই সৎ আৰু অসতৰ দন্দ, ধৰ্ম্ম আৰু অধৰ্ম্মৰ অবিৰাম সংগ্ৰাম চলি আহিছে। যি অসৎ, যি অধৰ্ম্ম তাক অতি নিৰ্দ্দয় আৰু নিৰ্ম্মম ভাৱেই ধ্বংস কৰিব লাগিব। আৰু এই ক্ষেত্ৰত ব্যক্তিগত প্ৰেম কিম্বা মৰম-চেনেহ যদি প্ৰতিবন্ধক হৈ সন্মুখত থিয় হয়—তেন্তে পৃথিৱীখন ৰক্ষা কৰা যাব কেনেকৈ ?

তেওঁ যেন প্ৰেমৰ গভীৰ নিদ্ৰাৰ পৰা সাৰ পাই উঠি—কৰ্ত্তব্যৰ এজন বজ্ৰ কঠিন ব্যক্তিলৈ ৰূপান্তৰিত হ'ল। লগে লগে টিকচীলৈ যোৱা ৰাষ্ট্ৰীয় পথত—তেওঁৰ মটৰ চাইকেলখনৰ গতিবেগো ক্ৰমাৎ বৃদ্ধি হ'ল। তেওঁ টিকচী ঠাইখন ভালকৈয়ে চিনি পাই। শংকৰীকো তেওঁ ভালদৰে জানে। আৰু শংকৰীৰ গাড়ীখনৰ নম্বৰে—তেওঁৰ মগজু প্ৰকোপিত কৰিব ধৰিলে।

ঠিক যেতিয়া তেওঁ ভিল্লুপুৰম পাৰ হৈছিল—ঠিক তেতিয়াই তেওঁ শংকৰীৰ গাড়ীখন তেওঁৰ ফালেই আহি থকা দেখিবলৈ পালে। ঠিক এনে এটা মুহূৰ্ত্তৰ সংকটত তেওঁ পৰিল যে—যি গৱাকী তিৰোতাক তেওঁ ভয় দেখুৱাবৰ বাবে আহিছিল এতিয়া তেওঁ নিজেই সেই তিৰোতা গৰাকীক ভয় কৰিব লগীয়া হ'ল।

গতিকে তেওঁ তৎক্ষণাতে সিদ্ধান্ত লব লাগিব। যদিহে তাই তেওঁক দেখে—তেন্তে তাই লগে লগে গাড়ীখন ৰখাব। আৰু ইমান দূৰৰ পথত তেওঁ কেনেকৈ মটৰ চাইকেলেৰে আহিছে—সেই কথাত নিশ্চয় আচৰিতো হব। আৰু তেতিয়া তাই তাইৰ প্ৰশ্নৰ উত্তৰ দিবলৈ তেওঁক বাধ্যই কৰাব। তেওঁ তৎক্ষণাত ৰাস্তাৰ কাষৰ এটা জোপোহাৰ ওচৰত নিজকে অদৃশ্য কৰিলে। সকলোবোৰ উত্তেজনাৰে তেওঁ গছৰ পাতৰ মাজেৰে ভুমুকিয়াই চালে। তাইৰ গাড়ীখনৰ গতিবেগ হ্ৰাস কৰা হৈছিল। গাড়ীখনত তাই অকলেই বহি আহিছিল। ৰঙনে গাড়ী চলাইছিল।

হায়—অভগা থিকগনম্। তেওঁতো জনা নাছিল—তাইৰ চকুৰ

দৃষ্টি কিমান ক্ষিপ্ৰ। তেওঁতো লক্ষ্য কৰা নাছিল—কেনেকৈ তাইৰ চকুহালে অনুসন্ধানী দৃষ্টিৰে জোপোহা বিলাকৰ পাতৰ ফাকেৰে চাই গৈছিল তাই মাথো নিজেই অকলে এবাৰ হাঁহিলে।

১৮

যি হেতু শংকৰীয়ে টিকচীলৈ যোৱাৰ কি বিশেষ গুৰুত্ব থাকিব পাৰে সেইয়া প্ৰমাণ কৰাৰ প্ৰচেষ্টাত তেওঁ ব্যৰ্থ হ'ল—তেতিয়া থিৰুগননমে শংকৰীৰ গাড়ীখন আগে আগে যাবলৈ দি তেৱো মাদ্ৰাজলৈ উভতিল। সেই বুলি তেওঁ অকণো হতাশ নহ'ল। বৰং তেওঁ মন স্থিৰ কৰিহে তুলিলে।

পিছদিনাখন ৰাতিপুৱা তেওঁ আগৰ দৰে থিৰুমূৰ্থিৰ অফিচলৈ গ'ল। আৰু সন্মুখত থকা কিছুমান জাৰ্নেলৰ পাত লুটিয়াই নিজৰ চকিত বহিল। কেইবা লাখ টকাৰো মূলধন খটোৱা থিৰুমূৰ্থি কৰ্পোৰোনৰ অৱস্থাও দিনক দিনে ভাল হৈ উঠিছিল। ইতিমধ্যে বহুতো মানুহ আৰু বহুতো কৰ্ম্মীও তাৰ যত্ন লবলৈ নিয়োগ কৰা হৈছিল। প্ৰকৃতাৰ্থত তাত থিৰুগননমৰ কৰিবলগীয়া কামো বিশেষ একো নাছিল।

থিৰুমূৰ্থিও ঠিক সেই সময়ত অফিচলৈ আহিছিল। থিৰুগননমক বহি থকা দেখি তেওঁ নিজৰ চেম্বাৰলৈ তেওঁক মতাই আনিলে। তেওঁক দেখা কৰিবলৈ অহা মানুহবোৰ আঁতৰি যোৱাত থিৰুমূৰ্থীয়ে তেওঁৰ ফালে চাই সুধিলে—"যোৱাকালি তোমাক মই অফিচত দেখা নাই।" সিদিনাখন তেওঁৰ গা ভাল নথকা বাবে ওৰে দিনটো ঘৰতে সোমাই থকা বুলি থিকগননমে উত্তৰ দিলে। কিন্তু, থিৰুমূৰ্থিয়ে তেওঁৰ সেই কথাত বিশ্বাস নকৰিলে।

"মই জানো যে—তোমাক মই তোমাৰ প্ৰতিভা অনুসাৰে কাম দিব পৰা নাই। সেই বাবেই হয়তো তোমাৰ কামত মন নবহা হৈছে। আজি ৰাজেশ্বৰীয়েও মোকে কৈছে যে, তুমি হয়তো হঠাতে আমাক এৰি

গুচি যাব পাৰা।”

এই কথাষাৰে থিৰুগননমক এটা বন্ধনৰ বিষয়ে সচকিত কৰি তুলিলে তেওঁ উপলব্ধি কৰিব পাৰিলে যে, তেওঁৰ ওপৰত ৰাজেশ্বৰীৰ প্ৰভাৱ ক্ৰমাৎ শক্তিশালী হৈ পৰিছে।

“মই যাযাবৰী মানুহ—ঘুৰি-ফুৰাই মোৰ অন্তৰৰ লালসা। মই একে ঠাইতে কেতিয়াও বেছি দিন থাকিব নোৱাৰো।” থিৰুগননমে কলে।

“প্লিজ—মোৰ বাবে তুমি আৰু অলপ বেছি কষ্ট সহ্য কৰা। অতি সোনকালে মই তোমাৰ প্ৰতিভা আৰু দক্ষতা অনুপাতে কাম এটা দিম।” এই বুলি কৈ তেওঁ তেওঁৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বিষয়ে থিৰুগননমক বহুল ব্যাখ্যা দিবলৈ লাগি গ'ল। “অহা পাঁচ বছৰৰ ভিতৰত মই কেইবা কৌটিও টকা ব্যৱসায়ত খটুৱাব খুজিছো। তেতিয়া তুমি দূৰ দূৰ ঠাইলৈ গৈ মোৰ পাৰ্টনাৰ সকলক ল'গ ধৰিব লাগিব। আৰু মই ইউৰোপৰ পৰা উভতি অহাৰ লগে লগে তোমাৰ হাতত এখন গাড়ী দি দিম। আৰু দৰ্মহা! দৰ্মহাৰ ক্ষেত্ৰত তুমি একোকে ভাবিব নালাগে।”

থিৰুগননমে কোনো সমিধান নিদিলে। থিৰুমূৰ্থিয়ে হঠাতে তেওঁৰ ব্যক্তিগত কথালৈ প্ৰসঙ্গ টানিলে। “বাৰু—শংকৰীক তুমি কথাটো সুধিছিলানে?”

“হয়, সুধিলো। শংকৰীয়ে কৈছে যে—তেওঁ এই বিষয়ে কিছু চিন্তা কৰি চাব।”

“কিন্তু, তেওঁ চিন্তা কৰি চাই সিদ্ধান্ত লোৱাৰ সময়লৈকে তেওঁ গৈ দেখোন এজনী বুঢ়ীত পৰিণত হব।” লাজু কুৰীয়া ভাৱে হাঁহি হাঁহি থিৰুমূৰ্থিয়ে কলে।

“তেতিয়া হয়তো এই মোহিনী শক্তি আৰু ৰূপ সৌন্দৰ্য্যও মৰহি যাব। কিন্তু, তুমি নিশ্চয়কৈ জানিবা যে—যি সিদ্ধান্ত মই কৰিছোঁ, তাক মই কৰিহে এৰিম। তেওঁক মই মোক ঠগাবলৈ সুবিধা নিদিম।

এই কথা কোৱাৰ মোৰ অধিকাৰো আছে। একমাত্ৰ ময়েইটো তেওঁক টকা দিছো।"

থিৰুগননমৰ মুখ নত হৈ পৰিল। আৰু এনেকৈ থিৰুমূৰ্থিৰ দৰে এজন নীচ লোকৰ ওচৰত মুখ নত কৰিবলগীয়া হোৱা বাবে শংকৰীৰ ওপৰত তেওঁৰ খঙো উঠিল।

কিন্তু, সৌভাগ্যক্ৰমে ঠিক সেই সময়তে থিৰুমূৰ্থিৰ ব্যক্তিগত চিকিৎসক ডাঃ কুপস্বামী আহি তাত উপস্থিত হ'ল। অতি খৰধৰকৈ তেওঁ আহিয়েই থিৰুমূৰ্থিক দুটা বেজি দিলে আৰু কিছুমান ঔষধ, আৰু পিল হাতত দি কেতিয়া কি খাব লাগে তাকো বুজাই দি অহাৰ দৰেই উভতি গুচি গ'ল।

ডাঃ কুপস্বামী আচলতে কোনো বিখ্যাত ডাক্তৰ নাছিল। আনকি তেওঁৰ বিস্তৃত প্ৰেক্টিছো নাছিল। অথচ তেওঁ বহুতো ডাঙৰ ডাক্তৰতকৈও বহুতো বেছি টকা উপাৰ্জ্জন কৰিছিল। পুৰণিকালৰ চিকিৎসক সকলে পুনৰ যৌৱন আনিবলৈ জমিদাৰ, ৰাজকুমাৰ সকলক চাণ্টা চবাইৰ মোৰব্বা, তাবিজ আদি দিয়ে ধনী হোৱাৰ দৰে—ডাঃ কুপস্বামীয়েও ধনী মানুহৰ কিছুমান গোপন ৰোগৰ চিকিৎসা কৰি ধনী হৈ পৰিছিল। তেওঁ প্ৰকৃতাৰ্থত তেওঁৰ ৰোগী বিলাকক সম্পূৰ্ণৰূপে ভালো নকৰে নাইবা একেবাৰে মাৰিও নেপেলাহ। মানুহৰ কামনা-বাসনা আৰু ৰোগৰ মাজত প্ৰকৃত সেতু বান্ধিব জনা তেওঁ যেন এজন যাদুকৰ হৈ আছিল।

ডাক্তৰ যোৱাৰ পিছত থিৰুমূৰ্থিয়ে আকৌ কৈছিল—"চিন্তাৰ দৰ্কাৰ নাই। অহা দেওবাৰে সকলোবোৰৰে সিদ্ধান্ত হব। সিদ্দিনাথন তুমি, মই, ৰাজেশ্বৰী আৰু শংকৰী সৈতে চাথামুনৰ ভ্ৰমণলৈ যাম।"

থিৰুমূৰ্থিয়ে শংকৰীক বিয়া কৰাবলৈ কিয় ইমান খৰখেদা লগাইছে তাৰ কাৰণ উলিয়াবলৈ গৈ থিৰুগননম খেলিমেলিৰ মাজত হে পৰিল। তেওঁ দেখিছে যে—থিৰুমূৰ্থিয়ে যিটো বস্তুকে পাবলৈ বিচাৰে সেইটোকে তেওঁ অতি সোনকালে আৰু চমু পথেৰে কুট কৌশলৰ দ্বাৰাই হলেও

পাব বিচাৰে। কুমুদাৰ কাৰণে তেওঁ এতিয়া বিবেক দংশনত ভুগিছে। ভয়ে তেওঁক বিব্ৰত কৰি তুলিছে। আৰু এই ভয়ৰ পৰা পৰিত্ৰাণ পাবলৈ তেওঁ শংকৰীক জীৱনৰ লগৰী হিচাপে পাবলৈ বিচাৰিছে। হয়তো এইয়াই শেষ কথা নহবও পাৰে। কাৰণ শংকৰী কি যে ধুনীয়া! আৰু কি আচৰিত ভাৱেই তাই যে তাইৰ স্বাভাৱিক ৰূপ সৌন্দৰ্য্যক ম্লান হবলৈ নিদিয়াকৈ ধৰি ৰাখিছে। সেই উজ্জ্বল চকু জুৰি, সেই সুন্দৰ অধৰ যুগল, আৰু সেই কুণ্ডত কটা ভাস্কৰ্য্যৰ দৰে দেহৰ সুষম গঠন। আৰু সেই সৌন্দৰ্য্যত ৰহন চৰাবলৈকে সে তাইৰ সেই সুন্দৰ গলাৰ মিঠা মাত। কিনো আচৰিত। থিৰুমুৰ্থি তাইৰ ওচৰত মোহগ্ৰস্ত নহবই বা কিয়?

বাসনাই তেওঁক পাগল কৰি তুলিছিল। তাইক পালে তেওঁ যেন তেওঁৰ হৃত শক্তি আৰু আত্মবিশ্বাস উভতাই পাব। অন্ততঃ তেওঁৰ আত্মবিশ্বাস ৰক্ষা কৰিবলৈ হলেও তেওঁ তাইক মাত্ৰ কেই মুহূৰ্ত্তমানৰ বাবে হলেও এবাৰ পাব লাগিব। তাৰ পিছত তেওঁৰ কি হয় সেইয়া তেওঁর চিন্তানীয় নহয়। তেওঁ মাত্ৰ বিচাৰে শক্তিৰ এক মাত্ৰ হাথিয়াৰ ধনৰ বলেৰে যুদ্ধ কৰি জয়লাভ কৰাৰ আত্মসন্তুষ্টি কণ। আচলতে শংকৰীক যে তেওঁ বিচাৰে সেইটো সঠিক নহয়। শংকৰীৰ জৰিয়তে তেওঁ বিচাৰিছে তেওঁৰ জয় আৰু তাইৰ পৰাজয়।

কৃতকাৰ্য্যতা যেন এক বেশ্যাৰ নিচিনা থিৰুগননমে ভাবিছিল। যি বিলাক মানুহে কৃতকাৰ্য্যতাৰ পিছত দৌৰে তেওঁলোকে সুখ-শান্তি কি বস্তু তাক একো বুজি নেপাই। তেনেহলে কিয় এই শক্তি-সামৰ্থ্যৰ বাবে লালসা; আৰু টকাৰ কাৰণে কিয় এই খোৱা কামোৰ? এজন মানুহে জানো—এদিনত ন খাজ ভাত, একে সময়তে ন যোৰ পোছাক বা একেসময়তে ন খন ঠাইত একেলগে আনন্দ উপভোগ কৰিব পাৰে? সিহঁতে দেখোন খোৱা খাদ্যখিনি জীণ নিয়াবলৈয়ে ঔষধ খাই, নিশা টোপনী আনিবৰ বাবে টোপনী অহা পিল খাই, স্নায়বিক শিঠিলতা দূৰ কৰি শক্তিপাবলৈ বেজী লবলগীয়া হয়। ইয়াক জানো জীৱন বুলি কব পাৰি?

বন্ধৰ দিন উদ্‌যাপন কৰিবলৈ চাথাম্‌ৰ ভ্ৰমণলৈ ওলোৱা এই যাত্ৰাৰ বাবে যিজন আটাইতকৈ বেছি উৎসাহী আছিল—সেইয়া আছিল ৰাজেশ্বৰী। সেইদিনাখন থিৰুমূৰ্থিৰ বিৰাট গাড়ীখনত আটাইতকৈ ভাল ভাল খাদ্য সম্ভাৰ ভৰোৱা আৰু লগতে তুলি লোৱা হ'ল এটা ট্ৰেনজিষ্টৰ আৰু এটা কেমেৰা। থিৰুমূৰ্থি ড্ৰাইভাৰৰ সৈতে বহিছিল। আন তিনিজন অকণমানি ৰাধাক লৈ পিছৰ চিটত বহিছিল। শংকৰী বহিছিল মাজত, তেওঁৰ এফালে আছিল থিৰুগনম আৰু আনফালে আছিল ৰাজেশ্বৰী···।

থিৰুগনমৰ বাবে এই দিনটো আছিল তেওঁৰ জীৱনৰে এটা অবিস্মৰণীয় দিন। শৰীৰৰ বক্ত ধমনীত প্ৰবাহিত ৰক্তৰ দৰে যিজনী ছোৱালী আছিল তেওঁৰ সত্তাৰো সৰ্ব্বস্ব, সেই ছোৱালীজনীয়ে আছিল তেওঁৰ নিচেই কাষত বহি গাতে গা লগাই। প্ৰেম আৰু সৌন্দৰ্য্যৰ প্ৰতিমূৰ্ত্তি হৈ ন-কন্যাৰ দৰে তাই বহি আছিল। আৰু থিৰুগনম? থিৰুগনম আছিল স্বপ্নৰ অন্য এক আদৰ্শনীয় জগতত। বতাহৰ ঢৌত উড়ি অহা তাইৰ দুই এডাল ক'লা চুলিয়ে তেওঁৰ গালমুখত যেন মৰমৰ হাত ফুৰাই দিছিল। তাইৰ অভ্যাস অনুসাৰেই সেইদিনাও তাই এটাৰ পৰিবৰ্ত্তে এযোৰা ফুলৰ থোপা চুলিত গুজি লৈছিল। আৰু সেই ফুলৰ সুবাসে তেওঁৰ যেন মন ভৰাই পেলাইছিল।

গাড়ীখন ষ্টাৰ্ট কৰাৰ মুহূৰ্ত্তলৈকে তেওঁ দোধৰ-মোধৰ অবস্থাত পৰি ৰৈ আছিল। কিন্তু, শংকৰীয়েই তেওঁক তাইৰ কাষতে বহিবলৈ ঠাই কৰি দিছিল। ৰাজেশ্বৰীৰ মনতো অপাৰ আনন্দ। শংকৰীয়েও অকণমান ৰাধাক কোঁচত আকোৱালী লৈ এক বিশেষ ধৰণৰ আনন্দ পাইছিল। আৰু মাজে সময়ে তাইৰ সেই গভীৰ নীলা চকুজুৰিৰ মিঠা চাবনি থিৰুগনমৰ চকুৰ সৈতে মিলি গৈছিল। যেতিয়া থিৰুগনমে হুমুনিয়াহ টানিছিল, তাইও তেওঁৰ সৈতেই হুমুনিয়াহ লৈছিল। সৌভাগ্যবশতঃ তেওঁলোক দুয়োজনৰ মনৰ মাজত এনেদৰে সৃষ্টি হোৱা সংঘাটৰ কথা একোকে নজনা বাবেই নেকি ৰাজেশ্বৰী আৰু থিৰুমূৰ্থিয়ে পৰস্পৰৰ মাজত অতি আনন্দৰে কথাবতৰা আৰম্ভ কৰিলে।

"অন্ততঃ প্ৰতিমাহতে এবাৰ কৈ আমি এনেদৰে ভ্ৰমণলৈ ওলোৱা উচিত।" থিৰুমূৰ্তিয়ে কৈছিল।

"ওহো।" ৰাজেশ্বৰীয়ে মুখ জোকাৰিছিল আৰু উত্তৰ দিছিল—"বছৰৰ এটা মাহৰ আজৰি লৈ আমি কুট্ৰলম্ কোদৈকন্নল বা বাঙ্গালোৰ আদি ঠাই ভ্ৰমণ কৰিব লাগে।"

থিৰুগননমৰ অনুভৱ হৈছিল—শংকৰীৰ সকলোবোৰ দোষেই যেন ক্ষমা নোগ্য। বাস্তৱিকতে তেওঁৰ মনত আৰু শংকৰীৰ প্ৰতি অকণো খঙ ভাব নাছিল। তেওঁ উপলব্ধি কৰিব পাৰিছিল যে—আচলতে শংকৰী থিৰুমূৰ্থিয়ে নিমন্ত্ৰণ কৰা বাবে অহা নাই, আহিছে একমাত্ৰ তেওঁৰ কাৰণেহে। নহলেনো কিয় বাৰু তাইক আজি ইমান লাজুক, ইমান মোহনীয়া যেন দেখাইছে ? অকল তেওঁৰ সান্নিধ্য পোৱা বাবেই তাইৰ মনৰ খালি পাত্ৰ য়েন পৰিপূৰ্ণ হৈ পৰিছে। সেই সময়ত কণমানি ৰাধাই টোপনীয়াব ধৰিছিল। এজনী তিৰোতাৰ যি সুনিশ্চিত আত্মবিশ্বাস থাকে, সেই বিশ্বাসোৰেই তাই ৰাধাক নিজৰ হাতেৰে সুবিধা কৰি দি তাইৰ ভৰি দুখন থিৰুগননমৰ কোলালৈ ঠেলি দিলে।

থিৰুগননমে ইচ্ছা কৰিছিল যেন গাড়ীখন বিৰামহীন বেগত্ত গৈ থাকক, ক'তো যেন থমকি নৰওক। যেনেকৈ অন্তহীন পাৰক্ৰমাত দিনৰ পিছত ৰাতি হয়—গাড়ীখনো জানো ঘণ্টাত ৬০ মাইল বেগে অন্তহীন যাত্ৰাত গৈ থাকিব নোৱাৰে ? এই যাত্ৰাই জানো তেতিয়ালৈ গৈ থাকিব নোৱাৰে—য'ত সকলোবোৰ ইন্দ্ৰিয়ৰ সমাধি হয়, আনকি জীৱনৰো।

ৰাজেশ্বৰীৰ কিন্তু থিৰুগননমৰ ওপৰত ভীষণ খঙ উঠিছিল। "তেওঁৰ ভনীয়েক জনী আৰু মোৰ দাদা গাড়ীখনত থাকিলেই বা তাতেনো কি জগৰ। সেইবাবেই নো তেওঁ এনেকৈ নিৰ্জ্জীৱৰ দৰে বোবা হৈ থাকিব লাগেনে ? ঠিক আছে, চাথাম্নুৰ পাও বাৰু—ভাল শিক্ষা দিম তেওঁক।" তাই নিজৰ মনতে গুজুৰি গুমুৰি উঠিছিল।

ট্ৰেনজিষ্টৰটো হাতত লৈ ৰাজেশ্বৰীয়ে চুইচ পকালে। লগে লগে

'ভাৰতী' এটা মিঠা গীতে গাড়ীৰ ভিতৰখন সুৰেৰে ভৰাই তুলিলে—

তুমি সকলো শব্দৰ উৰ্দ্ধত
নাৰীৰ তুমি বিজয় উল্লাস
কি যে আচৰিত! ৰহস্যঘন।
হেৰা প্ৰিয়তম প্ৰাণৰ মোৰ
নীল সাগৰত দেখা পাও
তোমাৰেই স্মৃতিৰ দীঘল খোজ
ধুনীয়া জোনটিত দেখা পাও
তোমাৰেই মসৃণ মুখ!

একেটাই মাথো গীত—কিন্তু প্ৰতিজন শ্ৰোতাৰে মনত প্ৰতিক্ৰিয়া কৰিলে ভিন্ন ৰূপত। থিকমুথিয়ে শংকৰীৰ ফালে এনেকুৱাকৈ চাইছিল—পাৰিলে যেন তেতিয়াই তেওঁ তাইক গিলি থব। কিন্তু, শংকৰীয়ে মুখত চতুৰ হাঁহি লৈ সেই সময়ত ৰাজেশ্বৰীক হে লক্ষ্য কৰি আছিল। ৰাজেশ্বৰীৰ চকুমুখে ফুটি উঠা উদ্বিগ্নতা আৰু থিৰুগননমৰ মনোযোগ আকৰ্ষণ কৰিবলৈ কৰা তাইৰ মানসিক প্ৰচেষ্টা, সকলোবোৰকে শংকৰীয়ে বুজিবলৈ সক্ষম হৈছিল।

থিৰুগননমে পিচফালৰ গাদীত মূৰ পেলাই তন্ময়হৈ বহি আছিল। তেওঁৰ চকুত আছিল চকুপানী। এই ৰহস্যময়ী ছোৱালীজনীক তেওঁ যেন একো বুজি নেপাই। অথচ তাইৰ বাবেই তেওঁ হেৰালে তেওঁৰ হৃদয়। এইয়া কি যে যন্ত্ৰণাময় তেওঁৰ বাবে। অথচ তাই কোনোবা এজন অচিনাকি ব্যক্তিৰ আহ্বানক্ৰমেই এই গাড়ীত আহিছে। তাইৰ মনৰ ভিতৰত বাৰু কি খেলাইছে? তেওঁ জানিব নোৱাৰিলে। তাইৰ অন্তৰত তেওঁৰ বাবে স্থান আছেনে বাৰু?

তুমি সকলো শব্দৰ উৰ্দ্ধত
নাৰীৰ তুমি বিজয় উল্লাস
কি আচৰিত! ৰহস্য ঘন
হেৰা প্ৰিয়তম প্ৰাণৰ মোৰ।

গানৰ কলিটি তেওঁ মনে মনে গুণগুণালে চকুৰ পৰা তপ্ তপ্ কৈ দুটোপাল চকুপানী তললৈ পৰিল। তেওঁ কিন্তু গমকে নাপালে। সৌভাগ্যক্রমে থিকমৃথি অথবা ৰাজেশ্বৰী কোনেও সেইয়া দেখা নাছিল। মাত্র তেওঁ মৃত্যু ধমকনিৰে শংকৰীয়ে কৰা সেই মিঠা তিৰস্কাৰখিনিহে শুনিবলৈ পালে—'অ' কি এইয়া!' তাই ফুচফুচাই কলে আৰু নিজৰ শাৰীৰ আচলেৰে লাহেকৈ তেওঁৰ চকুপানীখিনি মচি দিলে। "তুমি—তুমি মতা মানুহ হৈও এনে কৰিছা!" তাইৰ চকুহালে যেন কৈছিল।

থিকগনমৰ মনত কিন্তু সেই মিঠা পৰশৰ শিহৰণটো লাগি থাকিল। এইয়াটো কোনোবা ডাক্তৰে কোনোবা ৰগীক ছুই চোৱাৰ দৰে যন্ত্রবৎ স্পর্শ নহয়। সেয়ে তেওঁক ৰোমাঞ্চিত কৰিলে। কাৰণ এইয়াই আছিল তেওঁৰ মানসীৰ প্রথম পৰশ। এইয়া যে এক গভীৰ বুজা-বুজিৰ চিন।

শংকৰীয়েও মুখটো কুচনত হলাই টোপনী অহাৰ দৰে চকুকেইটা মুদি আছিল। তাইৰ চুলিৰ খোপাত গুজি লোৱা গুটিমালতি ফুলৰ সুমধুৰ সুবাস বতাহত উৰি আহি তেওঁৰ নাকত লাগিছিল। হঠাতে গাড়ীখন থামিল।

এইয়াই সেই চাথাম্‌ৰ ৰাজেশ্বৰীয়ে খৰধৰকৈ গাড়ীৰ পৰা জাপ মাৰি নামি পৰিল।

১৯

চাথাম্‌ৰ বান্ধ আছিল টিকৰমামালাইৰ ওচৰৰ পাহৰৰ মাজত। ই আছিল এহাতে খেতিয়ক সকলৰ বাবে এক মহৎ দান আৰু আনহাতে মনোমোহা পার্ক, পানীৰ উহ, নিজৰা আৰু ঠায়ে ঠায়ে সিচৰিত হৈ থকা জীৱন্ত প্রতিমূর্ত্তী সমূহ আৰু নিশা বিজুলীৰ পোহৰেৰে জলমলাই থকা এই চাথাম্‌ৰ হ'ল—প্রমোদ ভ্রমণকাৰী সকলৰ বাবে এক স্বপ্ন ৰাজ্য।

স্নান কৰি উঠি দুপৰিয়াৰ আহাৰ খোৱাৰ পিছত—পূর্ব্বতে বন্দবস্ত

কৰি থোৱা কোঠাত তেওঁলোক আটাইকেইজনে জিৰণি ললে। ৰাজেশ্বৰীৰ উচ্ছ্বাসে তেওঁলোককো উচ্ছ্বাসিত কৰি তুলিছিল। আৰু ইয়াৰ প্ৰধান চিকাৰ আছিল থিৰুগননম। তাই তেওঁক যোৰকৈ অত্যাধিক আহাৰ খুৱাইছিল। ভ্ৰমণৰ ভাগৰ আৰু অত্যাধিক আহাৰৰ আমাজে তেওঁক তন্দ্ৰালু কৰি তুলিছিল আৰু আবেলিৰ আগে আগে গভীৰ টোপনীত তেওঁ লালকাল দি শুই পৰিছিল।

হঠাতে তেওঁৰ মুখত চেঁচা পানীৰ চিটকনি এটা পৰাত তেওঁৰ টোপনী ভাগি গ'ল। তেওঁ দেখিলে—পানী শেষ হোৱা উদং বাটি এটা লৈ ৰাজেশ্বৰী হাঁহি হাঁহি তেওঁৰ কাষত দণ্ডায়মান। "ও, উঠা" তাই তেওঁক কৈছিল। "প্ৰত্যেকজনে বাহিৰলৈ ওলাই গ'ল। আৰু তুমিও টো ইয়াত অকল শুবলৈ অহা নাই ?"

জাপ মাৰিয়ে তেওঁ বিছনাৰ পৰা ঠিয় হ'ল। ৰাজেশ্বৰীয়ে সলনি কৰিবৰ বাবে তেওঁক কাপোৰ আনি দিলে আৰু ওচৰতে থাকি তেওঁক খৰধৰ লগালে। "এওয়ে নিশ্চয় সিহঁতক এনেকৈ লগাই বেগতে বাহিৰলৈ পঠালে। তেওঁ নিজৰ মনতে অনুমান কৰি ললে। শংকৰীয়ে কণমানি ৰাধাক তেওঁৰ লগত লৈ গৈছিল।

"তুমি যদি মোক আহাৰ পৰিবেৰ্শন কৰিবলৈ আৰম্ভ কৰি দিয়া তেন্তে মই আৰু বিছনাৰ পৰা উঠিবই নোৱাৰিম। এতিয়াও মোৰ পেট ভৰি আছে।" থিৰুগননমে কৈছিল।

"দাদাৰ পৰা মই কেইটামান পিলকে আনি দিম নেকি ?" তাই সুধিছিল।

"নালাগে—ধন্যবাদ।" তেওঁ কৈছিল। "মাত্ৰ আবেলি চাহৰ সময়ত তুমি মোক বেছি মৰম নেদেখুৱালৈ মোৰ বাবে যথেষ্ট কৰা হব।"

খৰখৰ লগাই ৰাজেশ্বৰীয়ে তেওঁক বাহিৰলৈ উলিয়াই লৈ গ'ল। থিৰুগনম বৰ ভাবুক হৈ পৰিছিল। এজনী সহজ সৰলা ছোৱালীক তেওঁ বিপথগামী কৰা নাই টো ? কেনেকৈ তেওঁ দায়ী ? সি যি কি নহওক তাৰ পিছত তেওঁ যথেষ্ট সাৱধান হব বুলি মনতে সিদ্ধান্ত কৰিলে।

যি মুহূৰ্ত্তত তেওঁলোক একেলগে বাহিৰত ফুৰিবলৈ ওলাইছিল, ঠিক সেই মুহূৰ্ত্তৰ পৰাই ৰাজেশ্বৰীৰ মনত যেন পখিলাৰ পাখীহে গজিল। যদিহে ইতিমধ্যে শংকৰীয়ে তেওঁৰ অন্তৰ পূৰ্ণকৈ নাৰাখিলেহেঁতেন—তেনেহলে হয়তো তেওঁ ৰাজেশ্বৰীৰ এই প্ৰেম পাই নিজকে ধন্য মানিলেহেঁতেন। তাই যেন এজনী অতিকৈ সহজ-সৰল শিশু, যিয়ে প্ৰেমৰ প্ৰতিদানত তৎমুহূৰ্ত্তেই নিজকে সম্পূৰ্ণ নিঃশেষ কৈ দিবলৈ প্ৰেমাস্পদৰ লগত নিজকে সম্পূৰ্ণৰূপে মিলাই দিবলৈ ভীষণ উন্মুখ।

"চোৱাচোন চোৱা—যোৱা সাবেং চৰাইটোলৈ চোৱা। যোৱা ঘনচিৰিকা জনীলৈ চোৱাচোন।" তাই তেনেকৈ ইটো-সিটোকৈ বস্তুবোৰ দেখুৱাই গ'ল। আৰু তেৱেঁা তাইক সন্তুষ্টি দিবৰ বাবে প্ৰতিতো বস্তুলৈ চাই চাই মিছিকিয়াই হাঁহি হাঁহি আগবাঢ়িল।

"ৰাজেশ্বৰী, তুমি মানুহলৈ চোৱা।" তেওঁ নিজৰ মনতে ভাবিলে। "...তোমাৰ চাৰিওফালে থকা মানুহবোৰলৈ চোৱা। সেই সাবেং চৰাইটো, সেই ঘন চিৰিকাজনী সিহঁত ভোকত খাবলৈ নেপাই নমৰে। সিহঁত ভয়ত নমৰে। কিন্তু, মানুহ ভোকত মৰে। মানুহে জীৱনৰ লগত মুখামুখী হবলৈ ভয় কৰে। আজি ভাৰতৰ কোটি কোটি মানুহ, ভোকত, ত্ৰাসত জীৱন নিৰ্ব্বাহ কৰিছে।"

তেওঁলোক দুয়োজনে পদব্ৰজে আগবাঢ়িছিল আৰু বাটৰ কাষত দেখা পোৱা ধুনীয়া ধুনীয়া প্ৰতিকৃতিবোৰৰ কাৰুশিল্পৰ প্ৰসংশাও কৰিছিল। আৰু সচাঁকৈয়ে সেই প্ৰতিমূৰ্ত্তীবোৰৰ কিছুমান ইমান জীৱন্ত আছিল যে—সেইবোৰ মূৰ্ত্তি বুলি বিশ্বাস কৰিবলৈ টান লাগিছিল। গৈ গৈ তেওঁলোকে বাটৰ ভাঁজ এটাৰ কাষত এটা টিলা পাইছিল। "আমি এই সৰু টিলাটো বগাই ওপৰত কিছু সময় বহি লমনে?" ৰাজেশ্বৰীয়ে সুধিছিল—কিয়নো ইতিমধ্যে তাইৰ ভৰিৰ বিষ উঠিছিল। টিলাটোৰ ওপৰত গান্ধীজীৰ এটা প্ৰতিমূৰ্ত্তি ৰখা হৈছিল। থিকগনমে প্ৰতিমূৰ্ত্তিটোলৈ থিয়াই ক্ষন্তেক চালে আৰু কব নোৱাৰাকৈয়ে তেওঁৰ মনত গভীৰ ভাৱে টোলপাল লগাবলৈ ধৰিলে। তাৰ পিছত তেওঁ প্ৰতিমূৰ্ত্তিটোৰ

তলতে বহি পৰিল—ৰাজেশ্বৰীও আহি তেওঁৰ কাষতে বহিল।

"এইখিনিতে তেওঁলোকে যদি ইয়াত গান্ধীজীৰ প্ৰতিমূৰ্ত্তি নাৰাখি এটা ডাঙৰ 'ষ্টেটুও' ৰাখিলেহেঁতেন!" তাই কৈছিল।

"প্ৰতিচ্ছবিয়ে ৰাখা কিম্বা প্ৰতিমূৰ্ত্তিয়ে ৰাখা তাৰ পৰা কি লাভ ৰাজেশ্বৰী। বৰ্ত্তমানৰ বংশধৰসকলৰ কিমানেই বা গান্ধীজীক জানে? কিমানেই বা তেওঁৰ সেই সৰল জীৱনটোক কি মূল্য দিয়ে? আজি-কালিৰ যুগ হৈছে—জাকজমকতা আৰু বাহ্যিক প্ৰদৰ্শনীৰ যুগ। বৰ্ত্তমান সময়ত শতকৰা এজন মানুহৰ জীৱনৰ আমোদ প্ৰমোদ আৰু লাহ বিলাহৰ বাবে ব্যক্তি আন নিৰানৈৱে জনেই অনাহাৰে অনিদ্ৰাই দিন কটাব লগীয়া হয়।"

"তুমি কিহৰ বিষয় কব খুজিছা?"

"এই মানুহজনেই মোক নষ্ট কৰিলে।" গান্ধীজীৰ প্ৰতিমূৰ্ত্তিটোলৈ আঙুলিয়াই দেখুৱাই তেওঁ কৈছিল। "যেতিয়া মই এজন নিচেই সৰু ল'ৰা আছিলোঁ তেতিয়াই এই মানুহজন সংগোপনে মোৰ অন্তৰত সোমাই পৰিল। আৰু এতিয়া তেওঁ মোৰ অন্তৰ এনেকৈ দখল কৰি পেলাইছে যে মই সম্পূৰ্ণৰূপেই তেওঁৰ নিয়ন্ত্ৰিত হৈ পৰিছোঁ।"

"তুমি নষ্ট হ'লা!" তাই আচৰ্য্য প্ৰকাশ কৰিলে।

"এৰা, মই আন মানুহৰ দুখ-কষ্টবোৰ দেখি এতিয়া আৰু নিজকে নিৰুদ্বেগ হৈ থাকিব নোৱাৰোঁ। এজন দুখীয়া মানুহৰ দুবেলা দুখাজ খাবলৈ কৰিব লগীয়া হোৱা দেহামাৰা পৰিশ্ৰমৰ যি অব্যক্ত যন্ত্ৰণা সি যে কি হতাশজনক! আনকি তেৰ ঘণ্টা শ্ৰম কৰিও নিজৰ ভাত মুঠি জোগাৰ কৰিবলৈ অসমৰ্থ হোৱা বহু মানুহ মই দেখিছোঁ। আৰু মই দেখিছোঁ চাকৰী বিচাৰি ৰাষ্টাত টলৌ টলৌকৈ অনাই বনাই ঘূৰি ফুৰা হেজাৰ হেজাৰ নিবনুৱা ডেকা মানুহ। আৰু সেই একেখন সমাজতে দেখিছোঁ—আন এক শ্ৰেণীৰ মানুহ যি কোনো বিশেষ চিন্তা নকৰাকৈ খে চৰাইৰ দৰে থপিয়াইয়ে মুহূৰ্ত্তৰ ভিতৰতে কেনেকৈ ধনৰ পাহাৰ সাজিছে। তুমিয়েই কোৱাচোন বাৰু—এনে এখন দেশ, এনে এখন

সমাজৰ বাবে জানো গান্ধীজীয়ে জীৱনপাত কৰি সংগ্ৰাম কৰিছিল ?"

তেওঁ জানো তাইৰ ককায়েক আৰু তাইকে আক্ৰমণ কৰি কথাবোৰ কোৱা নাই। তাইৰ চকু চকুপানীৰে চলচলীয়া হৈ পৰিছিল।

"মোক ক্ষমা কৰিবা ৰাজেশ্বৰী। গান্ধীজীৰ প্ৰতিমূৰ্ত্তিটো দেখাৰ লগে লগে মই নিজকে পাহৰি গৈছিলো। আচলতে মই বৰ আচৰিত হও—কিয় বাৰু এইখন দেশত এই অশুভ শক্তিবোৰৰ লগত যুজি ন্যায়ৰ প্ৰতিস্থাৰ বাবে মানুহৰ মনুষত্ব জাগি উঠা নাই ?"

"থিৰুগননম !" ৰাজেশ্বৰীয়ে গভীৰ অন্তৰেৰে কৈছিল। "গান্ধীজীৰ এই প্ৰতিমূৰ্ত্তিৰ সন্মুখত আজি মই এই প্ৰতীজ্ঞা কৰিলো যে এতিয়াৰ পৰা আৰু বিবেকৰ বিৰুদ্ধে গৈ দাদাৰ হকে মই কোনো কামে নকৰোঁ।"

থিৰুগননম অতিশয় আচৰিত হৈছিল। তেওঁ অতি সূক্ষ্মভাৱে তাইলৈ লক্ষ্য কৰিলে। তাইৰ মুখত সঁচাকৈয়ে স্থিৰ সিদ্ধান্তৰ চাপ আছিল। তাই গান্ধীজীৰ প্ৰতিমূৰ্ত্তীটোলৈ লক্ষ্য কৰি আছিল। তেঁৱেই জানো সেই মহত্মা নাছিল—যিয়ে চকুৰ পলকতে হেজাৰ হেজাৰ নৰ-নাৰীক নিজৰ বিলাস বৈভৱ মূহুৰ্ত্ততে ত্যাগ কৰি কৰ্ম্মক হে সম্ভ্রম কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

"ভাল কথা, এতিয়া আমি যাও গৈ ব'লা। গান্ধীজী এজনে মাৰত্মক বিপদজনক মানুহ।" তেওঁ হাঁহি হাঁহি কৈছিল।

"আৰু মই—এই ভয়ানক মানুহজনৰ ওচৰতে এটা বৰ দান মাগিছো। আৰু মোৰ সেই প্ৰাৰ্থনা যেতিয়া মঞ্জুৰ হব—তেতিয়াই আমি আকৌ ইয়ালৈ আহিম।"

"তেওঁ কিন্তু সহজতে কাকো বৰ দান নিদিয়ে। তেওঁ তোমাৰ পৰা ঘৰ-সম্পদ খুজিব, তাৰ পিছত সম্পত্তি খুজিব আৰু শেষত দেখিবা তোমাৰ সকলোবোৰ সম্পদকে লৈ গ'ল।"

"তেওঁ যদি একমাত্ৰ মই বিচৰা বস্তুটো বৰ দান দিয়ে—তেন্তে মোক জগতত আৰু একোকে নালাগে। মোক এটা সুষ্ঠ সুন্দৰ জীৱন লাগে; টকা নহয়।"

তেওঁলোক অতি আনন্দ মনেৰেই ফুৰি ফুৰিছিল। আৰু তেওঁ অনুভৱ কৰিছিল যে—যি অদৃশ্য পৰ্দাই আজি ইমান দিনে তেওঁলোকক বিভক্ত কৰি ৰাখিছিল সেইয়া যেন ক্ৰমাৎ আঁতৰি গৈ নোহোৱা হব ধৰিছে। তেওঁ কোনো এক প্ৰিয় বন্ধুৰ দৰে তাইৰ সৈতে মুক্তভাৱে কথা পাতিছিল, হাঁহি স্ফূৰ্তি কৰিছিল।

পাৰ্কখনৰ এটা নিৰ্জ্জন চুকত শংকৰী আৰু থিকমুৰ্থি বহি কথা পাতি আছিল। বোধহয় চিনাকী মুখ নেদেখিবৰ বাবেই তেওঁলোকে তেনে এটা নিৰ্জ্জন চুক পছন্দ কৰিছিল। ৰাধা তেওঁলোকৰ পৰা কিছু দূৰত খেলি আছিল।

"মই আজি তোমাৰ পৰা সন্মতি পাব বুলিয়েই আজিৰ এই বিশেষ আয়োজন কৰিছিলো।" থিকমুৰ্থিয়ে কৈছিল।

"আপুনি কথাখিনি এনেকৈ কৈছে—যেন মোৰ পৰা সন্মতি পাবলৈ আপোনাৰ কিবা অধিকাৰেই আছে।" শংকৰায়ে হাঁহি হাঁহি উত্তৰ দিছিল।

"মই ভাবো—মোৰ তেনে অধিকাৰো নিশ্চয় আছে।"

"অ হয়তো। এইয়া টকাৰ কাৰণে নহয় জানো?" হাঁহি হাঁহি তাই আকৌ কৈছিল। "আৰু যদি সেইয়াই হয়, তেন্তে আপুনি হে মোৰ ওচৰত বেছি ধৰুৱা। মই আপোনাক কিমান টকা, আৰু কিমান দুঃচিন্তা আৰু দুৰ্ভাবনাৰ পৰা মুক্তি দিছো। আনকি মাহত পাঁচশ টকা কৈ হলেও পচিশ বছৰত কিমান টকা হ'লহেতেন। বোধহয় ডেৰ লাখ, নহয় জানো? আৰু হয়তো তোমাৰ বহুমূলীয়া ব্যৱসায়ৰ সময় ধাৰ কৰি হলেও—তুমি তাইৰ লগত কটাব লাগিলহেতেন। গতিকে এই সকলোবোৰ বিবেচনা কৰি···।"

"শংকৰী আচলতে তুমি মোক ভুল বুজিছা।" তেওঁ থোকাথুকি মাতেৰে কলে। "তোমাৰ ক্ষেত্ৰত মোৰ বাবে টকা বিবেচ্য নহয়। এতিয়ালৈকে মই তোমাৰ লগত খৰচ হোৱা টকাৰ হিচাপ কৰা নাই, আৰু ভৱিষ্যতেও নকৰোঁ।" তেওঁৰ কণ্ঠস্বৰ সচাঁকৈয়ে বৰ দুৰ্বল হৈ

পৰিছিল। তেওঁৰ হিচাপত কোনেও খুট উলিয়াব নোৱাৰিব বুলিয়েই ভাবিছিল ; কিন্তু শংকৰীয়ে তেওঁক জোকৰি দিলে।

"শংকৰী তোমাৰ অবিহনে মোৰ জীৱন বৰ অসম্পূৰ্ণ। আৰু কেনেকৈ মই অন্য ধৰণে প্ৰকাশ কৰিব লাগে—সেইয়া মই নাজানো।"

"জীৱন !!" শংকৰীয়ে গভীৰ হুমুনিয়াহ কাঢ়ি শব্দটো কৈছিল। আৰু পিছ মুহূৰ্ত্ততে হঠাতে তাই নিজক বুজি পালে আৰু ক্ষীণ কণ্ঠেৰে কলে—"মোৰ বাবেও জীৱনৰ বাকী অংশ অকলে কটাবলৈ বৰ কষ্টকৰ হব।"

"দেহত ইমান ৰূপ সৌন্দৰ্য্য আৰু ইমান উচ্চশিক্ষা লৈও তুমি কিয় অকলে কটাবা ?"

"সচাঁ—কিন্তু···"

"কিন্তু টো কি ?" তেওঁ অতি ব্যগ্ৰভাৱে সুধিলে।

"কিন্তু যিয়ে মোক বিয়া কৰাব—তেওঁক মই কি দিব পাৰিম আৰু তেওঁৰ পৰাও মই কি আশা কৰিব পাৰো—সেইটোও মই নিশ্চয় বিবেচনা কৰিব লাগিব।"

"শংকৰী—মই তোমাক এনে এটা নতুন জীৱন দিব পাৰিম—যাক তুমি হয়তো সপোনতো দেখা নাই। বিয়াৰ পিছত আমি ফ্ৰান্সে নাইবা আমেৰিকাতো হনিমুন উদযাপন কৰিব পাৰো। তুমি টো জানাই আনকি বিদেশৰ বেঙ্কতো মোৰ বহুতো টকা আছে।"

"আৰু তাৰ পিছত।" তাই সুধিলে।

"মোক কোৱা—তোমাক কি লাগে ?"

"মোৰ বিৰাট বাসনা একো নাই। তাই মিছিকিয়াই হাঁহিয়ে কৈছিল। "মই মাত্ৰ অন্য এজনী সাধৰণ তিৰোতাই বিচৰাটোকে বিচাৰো—এখন শান্তিৰ নিজঙ্গাল ঘৰ।"

"তুমি টো তাতোকৈ আৰু বহুত বেছিকৈ পাবা।"

"তুমি যিবোৰ কথা উল্লেখ কৰিছা—সেইবোৰ হৈছে ক্ষন্তেকীয়া আনন্দ—চাবোনৰ ফেনৰ দৰে কেই ঘণ্টামান পিছতে অথবা কেইটামান

দিনৰ পিছতে সেইয়া অদৃশ্য হৈ যাব। কিন্তু, মই বিচৰা বস্তুটো হৈছে সুখ আৰু এধানিমান শান্তি যি জীৱনৰ সকলোবোৰ বিপদ বিঘিনি আৰু কষ্টৰ মাজতো হেৰাই নেযায়। অকল আনন্দ উপভোগৰ পিছত দৌৰা বহুত মানুহ দেখোন মোৰ চিকিৎসাধীন ৰুগী।”

“তেনেহলে তুমি নো কিহক সুখ বুলি কয়া?” থিৰুমূৰ্থিয়ে সুধিছিল আৰু মনতে ভাবিছিল এই তিৰোতা গৰাকীয়ে টো অকল বিস্তৃত অধ্যায়নেই নকৰে; তাই দেখোন জগতখনক বুজেও।

“দিনটোৰ চব্বিশ ঘণ্টাৰ ভিতৰত আঠ ঘণ্টা মই কঠোৰ পৰিশ্ৰম কৰোঁ, অন্য আঠ ঘণ্টা মই শো আৰু বাকী আঠ ঘণ্টা মই নিজকে উপভোগ কৰোঁ। সেই সময়খিনিত মই হয়তো ভাল কিপাত পত্ৰ পঢ়ো, ৰেডিঅ’ শুনো, গান শুনো, নাটক চাও, কথা পাতো অথবা সম্ভৱ হলে পদৰ্শনী চাবলৈ যাও নাইবা সাগৰৰ পাৰত ফুৰিব যাও। মই আশা কৰোঁ—মই যি জন মানুহক বিয়া কৰাম—তেৱোঁ মোৰ এই আনন্দকৰ মুহূৰ্ত্তবোৰৰ অংশীদাৰ হব। আপুনি বাৰু পাৰিবনে? আপুনি বাৰু কেতিয়াবা এটা ভাল গান অথবা এখন ভাল কিতাপ পঢ়ি পাইচেনে? আপুনি বাৰু পৰিয়ালৰ অন্যান লোক সকলৰ লগত আহৰি সময় কটাবলৈ সময় পাইনে?” আটাইখিনি কথা তাই ৰুগীক বেজি দিয়াত আগ মুহূৰ্ত্তৰ দৰে মিছিকিয়া হাঁহিৰে লাহে লাহে কোমল ভাষাৰেই কৈছিল।

“এইয়া বিখ্যাত ডাক্তৰ শংকৰীৰ হে কথা—সাধাৰণ মিচ্ শংকৰী নামৰ গাভৰু জনীৰ টো কথা নহয়।” তেওঁ কৈছিল। “তুমি যদি তেনেকৈয়ে এজন বৈজ্ঞানিকৰ দৃষ্টিৰে জীৱনক জুখিব চোৱা—তেনেহলে তুমিয়েই মাথো অকল কষ্ট আৰু যাতনা পাবা কিন্তু, জীৱনত যৌবন এক অমূল্য সম্পদ—আৰু ই কাৰো বাবেই বৈ নাথাকে—।”

শংকৰীয়ে সশব্দে হাঁহিলে আৰু চকু দুটা বহল কৈ মেলি তেওঁৰ ফালে চাই সুধিলে—“মোৰ বাৰু কিমান বয়স হোৱা বুলি আপুনি ভাবিছে?”

পঁচিশ আৰু ত্ৰিশৰ মাজত।" তেওঁৰ উত্তৰ।

"মই ডাক্তৰণী হবলৈকে পঢ়া সময়বোৰ, ডাক্তৰ হিচাপে অৰ্জ্জন কৰা মোৰ অভিজ্ঞতা—এই সকলোবোৰ কথা বিবেচনা কৰিয়েই আপুনি উত্তৰ দিছে—নহয় জানো? কিন্তু, দেখাত মই কিমান বয়সীয়া?"

"বিশ।" নিঃসঙ্কোচে থিকমৃথিয়ে উত্তৰ দিলে।

তেওঁৰ চকুৰ লুভীয়া দৃষ্টিও তাইৰ দেহৰ ওখ চাপৰবোৰৰ ওপৰেৰে বাগৰি গ'ল। বাস্তবিকতে তাইৰ দেহাৰ কান্তি আৰু লাবণ্য সোণৰ জেউতিৰ দৰেই সুন্দৰ। কিন্তু, সোণ হৈছে কঠিন। কিন্তু, এই তিৰোতা জনীৰ দেহ লাহি, মসৃণ আৰু কোমল আৰু সোণত কৈও বহু-বেছি মূল্যবান। তাইৰ দেহৰ সেই খলা বমা ভাঁজ বোৰ কি যে লোভনীয় ভাবেই আকৰ্ষণীয়। ক্ৰমাৎ তেওঁ ৰোমাঞ্চিত হবলৈ ধৰিলে।

"মই যেতিয়াৰ পৰাই ভাবিবলৈ আৰু সিদ্ধান্ত লবলৈ শিকিছো তেতিয়াৰ পৰাই মই কিমান সমতনে মোৰ এই দেহ-সৌন্দৰ্য্য সমতনে সংৰক্ষণ কৰিছো সেই কথা জানো আপুনি জানে? আপুনি জানো জানে কেনেকৈ মই নিজৰ যত্ন লও? আপুনি টো নাজানে কেনেকৈ মই এই অসংখ্যা ৰুগী সকলৰ সেৱা আৰু চিকিৎসাৰ বাবেই নিজকে উৎসৰ্গ কৰিছোঁ। আপুনি জানো কল্পনা কৰিব পাৰে—মোৰ এই দেহটোৰ মোৰ এই উৎসৰ্গিত জীৱনটোৰ কিমান মূল্য?"

থিকমৃথিয়ে একোকে কোৱা নাছিল। তাই বিৰতি নোলোৱাকৈ কৈ গৈছিল—"পঞ্চাশ বছৰীয়া মুখখনক পয়ত্ৰিশ বছৰীয়া মুখৰ অভিনয়ৰে ঢাকি ৰখাৰ মোৰ কোনো দৰ্কাৰ নাই। মই কেতিয়াও মোৰ জীৱনৰ ওপৰত কোনো অত্যাচাৰ বা উদ্ভাগুদি কৰা নাই। মুহূৰ্ত্তৰ আনন্দ উপভোগৰ বাবে মই কেতিয়াও মোৰ স্বাস্থ্যৰ ক্ষতি কৰা নাই। মোৰ মনতো সেইবোৰ ভাব কোনো দিন নাই নাইবা টকাৰ লালসাত তেনে ধৰণৰ সুখৰ বাবে দুখকো মাতি অনা নাই।"

"মোক আপোনাৰ লাখ টকাই দিব পাৰা তেনে আনন্দৰো দৰ্কাৰ নাই। মই বিচাৰিছো একমাত্ৰ অকণমান শান্তি। কিন্তু সেইবোৰত

বাহিৰেও আপুনি বাৰু পাহৰি গৈছে নেকি যে—মই এজনী ডাক্তৰণী ? আপুনি মোক যৌৱনৰ কথা কবলৈ সাহস কৰিছে। আপুনি মোক বিয়া কৰাবলৈও মন কৰে। কিন্তু, আপোনাৰ জানো সেই যৌৱন, সেই শক্তি আৰু সেই সামৰ্থ্য আছে ?"

ডাক্তৰ কুপস্বামীয়ে তেওঁক দি থকা—সকলোবোৰ টেবলেট, সকলো বিলাক ইনজেকচন যেন শংকৰীৰ কথাত নিঃক্ৰিয় হৈ পৰিল। শংকৰীৰ কথাৰ মুখামুখী হবলৈ সেইবিলাকে যেন তেওঁক আৰু সাহস দিব নোৱাৰিলে। তেওঁ যেন এখন অপাৰেচনৰ টেবুলত নিথৰ হৈহে পৰিল। ডাক্তৰ শংকৰীয়ে যেন অতি নিৰ্ম্মম আৰু নিৰ্দ্দয় ভাৱে তেওঁৰ সকলোবোৰ মুখাকে অতি খৰাক আৰু সাৱধানে কাটি চিঙি পেলালে আৰু তাৰ বিষ উপশম হবৰ বাবে আনকি এটা এনাচথেচিয়াও নিদিলে। শংকৰীয়ে যেন তেওঁৰ মহত্বৰ মুখাখন খুলি উদং কৰি দিলে। তেওঁ নিজেই নিজৰ ধাৰণাৰ পৰা লুটি খাই বাগৰি পৰিল।

"প্লিজ—আপুনি বেছি চিন্তা নকৰিব," শংকৰীয়ে কৈছিল। "এই সকলোবোৰ হৈছে আমাৰ দুয়োৰো মাজৰ আত্ম জিজ্ঞাসাৰ কথা। সচাঁকৈয়ে আপুনি মোক এনে এটা জীৱনৰ প্ৰতিশ্ৰুতি দিব পাৰে যদি—তেন্তে তাক গ্ৰহণ কৰাটো মোৰ বাবে এক পৰম সৌভাগ্য হব। কিন্তু, এই ক্ষেত্ৰত একমাত্ৰ আপুনিয়েই সিদ্ধান্ত লব লাগিব—প্ৰকৃততে জীৱনৰ অৰ্থ নো কি ?"

মাছৰ কটা গুচাই আঁতৰাই খোৱাৰ দৰে—থিৰুমূৰ্থিয়েও ইমানদিনে তেওঁৰ ওচৰলৈ তাগা মানুহবোৰক তেওঁৰ কাম সিদ্ধিৰ বাবেহে লগত ৰাখে, তাৰ পিছত আঁতৰাই পঠাইছিল। কিন্তু, শংকৰীৰ ক্ষেত্ৰত তেওঁ কৃতকাৰ্য্য হব নোৱাৰিলে। তাই যেন তেওঁক এখোপা মান ভীষণ তিতা পিল মৌখনা মিঠা কথাৰ প্ৰলেপেৰে ঢাকি খাবলৈ দিছে। তেওঁ সেইবোৰ চোবাই খাবলৈও নোৱাৰে অথচ থুৱাই দলিয়াই পেলাবও নোৱাৰে।

ডাঃ শংকৰীয়ে বাস্তবিকতে থিকমূথিক বৰ বেছি পৰিমাণতে তিতা পিল খাবলৈ দিছিল। স্বাভাবিকতে তেওঁ এজন দৃঢ় মনৰ মানুহে আছিল আৰু তেওঁ সন্মুখৰ পথত কোনো বাধা বিঘণিও সহ্য নকৰিছিল। কিন্তু, সেইদিনাখন আৰু তেওঁৰ কোনো শক্তি বাকী নাছিল। তেওঁ গাড়ীখনত এটা আহত জন্তুৰ দৰে পিঠি হুলাই পৰি আছিল।

"যোৰে চলোৱা"—ড্ৰাইভাৰজনক তেওঁ চিএৰি হুকুম দিছিল আৰু গাড়ীখন লগে লগে ঘণ্টাত ৬০ মাইল বেগেত দৌৰিব লৈছিল।

"আৰু যোৰে!"—তেওঁ হুংকাৰ দিছিল।

গাড়ীখনৰ স্পিডোমিটাৰৰ কটা ডালে ৭০-ৰ ঘৰ চেৰাই গৈছিল। শংকৰী, থিৰুগনন্ম, ৰাজেশ্বৰী আৰু ৰাধা আটাইকেইজনে গাড়ীৰ ভিতৰত জোকাৰ খাইছিল।

"আমাৰ গাড়ীৰ বেগটো যথেষ্ট হোৱা নাই"—থিকমূথিয়ে ড্ৰাইভাৰ-জনক আকৌ কৈছিল। আটাইবোৰকে নি দুৰ্ঘটানত পতিত কৰবলৈ থিকমূথিয়ে মনতে পাঙিছে বুলি শংকৰীৰ মনত সন্দেহ হবলৈ ধৰিছিল।

তেওঁৰ পুৰণি অভিজ্ঞ ড্ৰাইভাৰ ভেলাপ্পন আছিল অতি বুধিয়ক আৰু সি তাৰ গৰাকীৰ মনৰ খবৰো ততালিকে গম পাইছিল। সি অতি সহজেই অনুমান কৰি লৈছিল যে, চাথাম্মুৰত নিশ্চয় কিবা এটা বিঘাট ঘটিছে। প্ৰকাণ্ড গোফ কোচাৰ লৈতে দেখাত তাক এজন নিয়মিত ধৰণৰ মাল যুজাৰু যেনেই লাগিছিল—কিন্তু থিকমূথিৰ ওচৰত তাৰ ব্যৱহাৰ আছিল নেজ কোচাই ভৰি চেলেকা কুকুৰৰ দৰে। অথচ, থিকমূথিয়ে তাক কাৰোবাৰ বিৰুদ্ধে পঠালে আৰু ৰক্ষা নাই; দুৰান্ত চিকাৰীৰ দৰে সি শত্ৰুৰ ওপৰত জপিয়াই পৰিব। আৰু থিকমূথিৰ গোপনীয় কথাবোৰ যাতে প্ৰকাশ নহয় তাৰ বাবেই তাক থিকমূথিয়ে অতি বেছি দৰ্মহা দিয়ে ৰাখি থৈছে।

গাড়ীখন ঘণ্টাত ৮০ কিলোমিটাৰত কৈ বেছি বেগত দৌৰি আছিল।

আৰু গাড়ীখনৰ ভিতৰত থকা বাকী কেইজন প্ৰাণী ভয় আৰু ত্ৰাসত নীৰৱ হৈ পৰিছিল। একমাত্ৰ থিৰুমূৰ্থিহে অসবাধনাভাৱে পিঠিৰে আউজাই বহি আছিল যেনিবা তেওঁ গাড়ীখনৰ তীব্ৰ বেগৰ লৈতে মনৰ ভয়বোৰো দূৰলৈ আঁতৰাই পঠাইছিল। গাড়ীখন যেতিয়া মহানগৰীৰ অন্তৰভাগত প্ৰবেশ কৰিলে তেতিয়াহে গাড়ীখনৰ গতিবেগ কিছু কমোৱা হ'ল।

শংকৰীৰ ঘৰৰ সন্মুখতে গাড়ীখন থমোৱা হ'ল। লগে লগে শংকৰী আৰু থিৰুগননম গাড়ীখনৰ পৰা নামিল। "নামি আহক। অন্ততঃ এ কাপ চাহকে খাই যাব।" ভদ্ৰতাৰ খাতিৰত শংকৰীয়ে থিৰুমূৰ্থিক আহ্বান কৰিলে। ৰাজেশ্বৰীয়ে কিন্তু থিৰুগননমৰ লৈতে আৰু কেইটামান মুহূৰ্ত্ত বেছিকৈ কটাবলৈ মন কৰিছিল।

"সময় নহব।" থিৰুমূৰ্থিয়ে দম্ভালিৰে উত্তৰ দিছিল।

শংকৰী আৰু থিৰুগননমে শংকৰীৰ ঘৰৰ ফালে খোজ আগবঢ়োৱাৰ লগে লগে থিৰুমূৰ্থিয়ে মাতিলে—"মিঃ থিৰুগননম।" থিৰুগননম থিৰুমূৰ্থিৰ ওচৰলৈ উভতি আহিল।

"তোমাৰ বাবে ভাল কাম ওলালে পিছলৈ তোমাক খবৰ কৰিম। সম্ভৱতে তুমি আৰু কাম কৰিবলৈ নাহিলেও হব।" কথাখিনি কোৱাৰ লগে লগে তেওঁ টকাৰ টোপলা এটাও থিৰুগননমৰ হাতত গুজি দিবলৈ যত্ন কৰিছিল।

"নাই—মোক এটকাও দৰ্কাৰ নাই।" থিৰুগননমে হাঁহি এটা মাৰি উত্তৰ দিছিল। "আৰু মই আপোনাৰ এই সিদ্ধান্তৰ বাবেও অকণো দুখ পোৱা নাই।"

প্ৰকৃতপক্ষে এইটো তেওঁৰ বাবে এটা সাহাৰ্য্যৰ দৰেই আছিল। টকাখিনি নিজৰ পকেটত সোমাই লৈ থিৰুমূৰ্থি গাড়ীখনলৈ উভতি আছিল। ৰাজেশ্বৰীৰ কাণ আছিল অতি সজাগ। তাই গোটেই কথোপকথনখিনি ভালদৰে শুনিছিল। তাই বুকুৰ মাজত এটা চেপা কান্দোন অনুভৱ কৰিছিল—ইতিমধ্যে গাড়ীখনে আকৌ চেকুৰ ধৰিলে।

নিশা থিকমুৰ্থিয়ে কেইবাটাও টোপনী অহা পিল খাইছিল কিন্তু সকলোবোৰ আছিল বৃথা। তেওঁ আন কিছুমান ঔষধো খাইছিল। কিন্তু, সেই ঔষধেও তেওঁক কোনো কাম নিদিলে।

থিৰুগননমে নিশাৰ সাজ শঙ্কৰীৰ লগতে একেলগে খাইছিল। থিৰুমুৰ্থি আৰু শঙ্কৰীৰ ভিতৰত চাথাম্বৰত নিশ্চয় কিবা এটা হৈ গ'ল— তেওঁ ভাবিছিল। আৰু এই কথাও তেওঁৰ মনত স্পষ্ট হৈ পৰিছিল যে যুদ্ধখনত থিৰুমুৰ্থিৰে নিশ্চয় পৰাজয় হৈছে। তাৰ ফল স্বৰূপেই যে তেওঁৰ চাকৰীটোও গ'ল, সেই কথাও তেওঁ বুজিব পাৰিছিল।

"তোমাৰ চাকৰী যোৱা বাহে হয়তো ময়েই দায়ী"—শঙ্কৰীয়ে কৈছিল।

"চাকৰীটো পোৱাৰ বাবেও মই তোমাৰ ওচৰত ঋণী আছিলো আৰু এতিয়া যোৱা বাবেও মই তোমাৰ ওচৰত কৃতজ্ঞ।" থিৰুগননমে হাঁহি হাঁহি উত্তৰ দিছিল। "আৰু এতিয়া মোৰ বহুতো অন্য কৰিবলগীয়া কাম আছে।"

তেওঁ যাবলৈ উঠিল। সিদিনা শঙ্কৰীৰ গাড়ীখনৰ ড্ৰাইভাৰ বঙ্গন চুটিত আছিল। সেইবাবে শঙ্কৰীয়ে তেওঁক থবলৈ নিজেই গাড়ী চলাই নিলে। তাই ভাবিছিল—থিৰুগননমে নিশ্চয় তেওঁৰ ঘৰলৈকে মাতিব। কিন্তু, তেওঁ নামাতিলে। "কি মানুহ!" তাই নিজৰ মনতে হাঁহিলে আৰু গাড়ীখন ওভোটাই চলাই দিলে।

লাইটৰ চুইজ্‌টো অন্ কৰি দিয়ে থিৰুগননমে তেওঁৰ টাইপৰাইটাৰ মেচিনটোৰ ওচৰত বহি ললে। টাইপৰাইটাৰৰ চাবিবোৰৰ ওপৰত তেওঁৰ আঙুলি নাচিব ধৰিলে। আৰু থিৰুমুৰ্থিৰ বিষয় নোট কৰি থোৱা সকলোবোৰ কথাই ৰেকৰ্ড কৰি পেলালে।

খোলা ভাবে তেওঁ যি ব্যৱসায় কৰি আছে প্ৰকৃততে সি চৰকাৰ আৰু দেশৰ বাইজ উভয়কে মুৰ্খ বনাবলৈয়ে। মাত্ৰ কেইলাখ মান টকা হে তেওঁ এনে ধৰণৰ ব্যৱসায়ত খটুৱাইছে।

প্ৰকৃততে তেওঁ—ব্লেক মাৰ্কেটত কৌটি কৌটি টকাৰ ব্যৱসায় কৰি

আছে। আৰু সেই টকাবোৰ তেওঁ সোণৰ টুকুৰাৰে ৰাখি থৈছে। সোণবোৰ তেওঁ বোম্বেৰ পৰা পায়।

তেওঁ আৰু তেওঁৰ ব্যৱসায়ৰ সহযোগী সকলৰ বেছি ভাগ সম্পত্তিয়ে কলাবজাৰৰ দ্বাৰা আহৰণ কৰা আৰু সেইবোৰ তেওঁ তেওঁৰ অসংখ্যা দুখীয়া আত্মীয় মানুহৰ নামত ৰাখিছে। তেওঁৰ শক্তিশালী তলতীয়া হাতৰ প্ৰভাব সৰ্ব্বত্ৰ বিস্তৃত। টকাবোৰ—জীৱন ধাৰণৰ বাবে নিতান্ত প্ৰয়োজনীয় সামগ্ৰীবোৰ অৰ্থাৎ চাউল, কাপোৰ ইত্যাদি থোপতে কিনি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি অধিক মুনফা ঘটিবলৈ খটুৱাই। তেওঁৰ বেঙ্কেও মাত্ৰ—মূলধনৰ চিন্তা কৰিব লগীয়া নোহোৱা মূৰ্ত্তিমেয় কেইজনমাত্ৰ ভাগ্যবান লোকক হে সুবিধা দিয়ে।

তেওঁৰ টকা—কাৰখানাত নিম্নমানৰ বস্তু তৈয়াৰ হোৱা. দ্ৰব্যত ভেজাল কৰণ, চোৰাং কাৰবাৰ আদিৰ ৰাজহাড় স্বৰূপ। চিনেমাৰ নায়ক তৈয়াৰ কৰাই কেইজনমান মানুহক বিলাসী জীৱনৰ সুবিধা দিবলৈও তেওঁ টকা ধাৰলৈ দিলে। এই সকলোবোৰৰ উপৰিও তেওঁ আছিল কলা টকাৰ ব্যৱসায়ী।

তেওঁ অকল চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত কৰা বস্তু সমূহৰেই কলা বজাৰ নকৰে—সেইদৰে বিদেশৰ বেঙ্কত থকা তেওঁৰ টকাৰ বলেৰে দেশৰ আমদানী ৰপ্তানী বস্তুৰ ওপৰতো প্ৰভাব পেলাই নিজৰ লাভৰ ধনৰ অঙ্ক বৃদ্ধি কৰে। ঘোঁচ খুউৱাই বিলাসী আৰু মাদক দ্ৰব্যৰ ব্যাবসায় কৰা, জুৱা খেলা, মাইকীৰ যোগান, চুৰি, হত্যা ইত্যাদি সকলোবোৰে তেওঁৰ জীৱনৰ সঙ্গী। এইবোৰ তেওঁ অতি গোপন ভাবে সম্পন্ন কৰে আনহাতে সমাজত উচ্চস্থান আৰু জনপ্ৰিয়তা অক্ষুণ্ণ ৰাখি লোকক প্ৰভাব কৰিবলৈ অতি আড়ম্বৰপূৰ্ণ দুই একোটা পাৰ্টিৰ আয়োজন কৰে। জনগণৰ সমৰ্থন থকা কোনো ৰাজনৈতিক সৎ প্ৰাৰ্থীক পৰাজয় কৰি নিজৰ বহতীয়া তৃতীয় শ্ৰেণীৰ ৰাজনৈতিক প্ৰাৰ্থীক জয় কৰিবলৈও তেওঁ টকা খটুৱাই। আৰু এনে ধৰণে এশ এটা কৌশল আৰু ফন্দীৰে দেশৰ দৰিদ্ৰ পীড়িত, অনাহাৰী অনাশ্ৰিত হেজাৰ হেজাৰ লোকৰ তেজ শুহি

শুহি—নিজেই ধনৰ পাহাড় গঢ়িছে। আৰু তেনে মানুহক আশ্রয় আৰু নির্ভয় প্রদান কৰা দেশৰ সাধাৰণ আইন কানুনকো তেওঁ স্ব-ইচ্ছাই অমান্য কৰি চলে। আনহাতে তেওঁৰ জনপ্রিয়তা ইমান শীর্ষত আছিল যে—সিয়ে আছিল তেওঁৰ এক বিৰাট ৰক্ষা কবচ।

থিৰুগননমে থিৰুমূৰ্থিৰ লগত টকা-পইচাৰ সংক্রান্তত লেন-দেন থকা অন্য পাঁচ ছয়জন মান ব্যাবসায়ীৰ বিষয়েও নোট কৰিলে। অকাট্য যুক্তি আৰু প্রমাণ সাক্ষ্যৰে সৈতে থিৰুমূৰ্থিৰ পৃষ্ঠপোষকতাত সিহঁতে বিভিন্ন উপায়েৰে কেনেকৈ মানুহক ঠগ প্রবঞ্চনা কৰিছে সেইবোৰ টোকা কৰিলে।

শেষত তেওঁ শঙ্কৰীৰ কথাও মনত পেলালে। কিন্তু, তেওঁ তাইৰ বিৰুদ্ধে যথেষ্ট বিষয়বস্তু নাপালে। তথাপি তেওঁ জানিছিল যে—থিৰুমূৰ্থিয়ে তাইক মুক্তহস্তে টকা-পইচা উপঢৌকন দিয়ে আৰু শংকৰীয়েও ভেটি লোৱাৰ দৰ্কাৰ নাথাকিলেও সেইবোৰ কিন্তু গ্রহণ কৰিছে। হয়তো ইয়াৰ অন্যান্য কাৰণো থাকিব পাৰে বুলি—তেওঁৰ নিজৰো সন্দেহ। তেওঁ সন্দেহ কৰে। থিৰুমূৰ্থিয়ে কিজানি কুমুদাৰ বাবে শংকৰীৰ সহায় লৈছিল।

ইয়াকে ভাবি, তেওঁ কাম বন্ধ কৰিলে আৰু শুবৰ বাবে বিছনালৈ গ'ল। যদিও তেওঁৰ বিবেকে শংকৰীকো দোষী সাব্যস্ত কৰিছিল; তথাপি কিবা এক অহৈতুক কাৰণত তাক মনেৰে মানি লব পৰা নাছিল। তেওঁৰ মনত বিশ্বাস আৰু অবিশ্বাসৰ অন্তর্দ্বন্দ্ব। কিজানি এই অবিশ্বাস শংকৰীৰ প্ৰতি থকা তেওঁৰ ভালপোৱাৰ বাবেই।

কিন্তু, এনেকৈ ভাবি চিন্তি সময় অপচয় কৰিবলৈ প্রয়োজন কি? তাইক প্রত্যক্ষ ভাবে প্রশ্ন কৰিলেও টো সত্য উদ্ঘাটন হব পাৰে নহলে হয়তো তাই সেইবোৰ ইতিমধ্যে গুপ্ত কৰিবলৈ সমর্থ হব। আৰু সঁচাকৈয়ে যদি তাইও দোষী হয়, তেন্তে তাইয়ো শাস্তিৰ পৰা হাত সাৰি যোৱাটো অনুচিত।

পিছদিনাখন গধুলী—প্রকৃত সত্যটো উদ্ঘাটন কৰিবলৈ মনস্থিৰ

কৰি থিৰুগননমে শংকৰীক ল'গ ধৰিলে গৈ।

"তোমাৰ বিষয়ে মই দুটা কথা জানো আৰু এইয়া বৰ গুৰুত্বপূৰ্ণও।" থিৰুগননমে কলে। আৰু তেওঁৰ বেগখনৰ পৰা এখন ফটোগ্ৰাফ উলিয়াই তাইৰ আগত দাঙি ধৰিলে। তেওঁ ভাবিছিল যে—ফটোখন দেখি তাই নিশ্চয় চক খাই উঠিব কাৰণ ফটোখন আছিল থিৰুমূৰ্থি আৰু কুমুদাৰ।

তাই নিৰুদ্বেগ ভাৱে ফটোখনলৈ লক্ষ্য কৰিলে। "থিৰুমূৰ্থি আৰু কোনোবা এজনী ছোৱালীৰ যুগ্ম ফটোগ্ৰাফ। তেওঁ বোধহয় এনে ধৰণৰ ফটোগ্ৰাফ বহু ছোৱালীৰ সৈতে অনেকখন তুলিছে।" তাই কৈছিল।

"তুমি ছোৱালীজনীক চিনি পোৱানে?"

তাই কোনো উত্তৰ নিদিলে। "তুমি কৈছিলা যে—মোৰ বিষয়ে তুমি দুটা কথা জানিবলৈ বৰ কৌতুহলী।" তাই ওলোতাই প্ৰশ্ন কৰিলে।

"সঁচা—প্ৰথমটো হ'ল এই ছোৱালীজনীৰ সৈতে তোমাৰ সম্পৰ্ক আৰু আন কথাটো হ'ল এই ছোৱালীজনীক হত্যা কৰিবলৈ অথবা তাইক থিৰুমূৰ্থিৰ জীৱনৰ পৰা আঁতৰ কৰিবলৈ তুমি থিৰুমূৰ্থিৰ পৰা টকা লৈছা। তুমি এই ছোৱালীজনীক কি কৰিলা আৰু তাৰ বাবে তুমি তেওঁৰ পৰা কিমান টকা লৈছা?"

"ইয়াৰ পিছত আৰু মই কোনোটো প্ৰশ্নৰে উত্তৰ দিব নোৱাৰিম।" তাই কলে আৰু বহাৰ পৰা উঠিল।

থিৰুগননমে বিমোৰত পৰিল। "মই কোন-তুমি জানানে? জানানে কিহে মোক ইয়ালৈ টানি আনিছে? প্ৰেম বা তোমাৰ প্ৰতি থকা মোহৰ বাবে নিশ্চয় নহয়। মই ইয়ালৈ মোৰ কৰ্ত্তব্য পালনৰ বাবেহে আহিছো। তোমাৰ মুখৰ পৰা গোপন খবৰ বাহিৰ কৰাটোও মোৰ কৰ্ত্তব্যৰ ভিতৰত।"

"তোমাৰ কৰ্ত্তব্যৰ সৈতে মোৰ কোনো সম্পৰ্ক নাই।"

"শংকৰী।" তেওঁ তীক্ষ্ণ স্বৰেৰে চিঞৰি উঠিল। "মই ভাৰত

চৰকাৰৰ গুপ্ত বিভাগৰ লগত জড়িত—এইখন পঢ়া আৰু জানি লোৱা মই কোন ?"

"মই একো পঢ়াৰ দৰ্কাৰ নাই। যিদিনাখনেই তুমি মোৰ ঘৰলৈ প্ৰথম আহিছিলা—সিদিনাখনৰ পৰাই মই জানো তুমি কোন ?"

"তুমি জানিছিলা ?" তেওঁৰ মূৰটো যেন ঘূৰাবলৈ ধৰিলে। তেন্তে তাই কি জানি শুনিয়েই স্ব-ইচ্ছাই মোক থিকমূৰ্থিৰ লগত নিবিড়ভাৱে লগ হবলৈ সুযোগ দিছিল আৰু নিজে মোৰ বিষয় একো নাজানাৰ ভাও ধৰি আহিছিল। তেনেহলে তাই কি মোক—মোৰ কামত সহায় কৰিবলৈহে এইয়া কৰিছিল।

"শুনা !" তাই কৈছিল। "মই তোমাক একোকে কব নোৱাৰো। তুমি যি ভাল দেখা তাকে কৰিব পাৰা। কিন্তু, তুমি মোক মাত্ৰ এই-খিনি কবলৈ দিয়া···। এইটো এটা মামুলি ধৰণৰ হে কুকাৰ্য্য আৰু অত্যন্ত গোপনীয়। আৰু যেতিয়ালৈ মই থিকমূৰ্থিৰ আশ্ৰয়ত আছো তেতিয়ালৈকে তুমি মোৰ একো কৰিব নোৱাৰিবা। তেওঁৰ ধন দৌলতে তেওঁক সমাজত এখন এনে ধৰনৰ উচ্চ স্থান আৰু উচ্চ সন্মান তথা উচ্চ শক্তি দিছে যে—তুমি তেওঁৰ কোনো লোমকে লৰাব নোৱাৰা। গতিকে তুমি তোমাৰ কেৰিয়াৰটো নষ্ট নকৰিবা। তুমিহে তেওঁৰ পৰা সাবধানে থকাটো উচিত !" তাই তেওঁক সাৱধান কৰি দিছিল।

থিকগননমে শংকৰীক একো বুজি নাপালে। তাই যেন আগৰ দৰেই তেওঁৰ বাবে সাঁথৰ হৈ থাকিল—বৰং আগৰ তুলনাত আৰু বেছিকৈ। তাইৰ বিষয়ে তেওঁ কোনো কথাকে উলিয়াব নোৱাৰিলে। অথচ তাই হলে—তেওঁৰ বিষয় সকলোবোৰ কথাকে জানে। "তুমি যদি সঁচা কথাটো জনোৱা—তেন্তে মোক সহায় কৰা হব।" থিকগননমে তাইক কৈছিল।

"তুমি তোমাৰ আবেগ অনুভূতিক কৰ্ত্তব্যৰ লগত সাঙুৰি নলাবা।" শংকৰীয়ে তেওঁক উপদেশ দিছিল।

কৰ্ত্তব্যত বজ্ৰকঠিন এই মানুহজন ততালিকে সেই ঠাই এৰি গুচি

গ'ল। তেওঁ প্ৰথমে এজন বৰ জ্যেষ্ঠ্য পুলিচ বিষয়াৰ অফিচলৈ গ'ল আৰু তেওঁৰ কোঠাত সোমাই অতি নিবিড়ভাৱে কিছুমান কথা আলোচনা কৰিবলৈ ধৰিলে।

মদনগোপালো সেই সময়ত সেই অফিচলৈ আহিছিল। তেওঁ খিড়িকিৰ ফাকেৰে সেই কোঠাটোলৈ জুমি চালে। "অ'—এইজন দেখো থিৰুমূৰ্থিৰ লগত কাম কৰা মানুহজনেই।" তেওঁ নিজে নিজে বিৰ্‌বিৰালে। "তেওঁলোকে যি ধৰণে হাঁহি স্ফূৰ্ত্তিৰ মাজেৰে কথা পাতি আছে—দেখা যাও তেওঁলোক নিশ্চয় বহুদিনৰ পুৰণি চিনাকি আৰু বন্ধু।" হঠাতে এক নাম বিহীন ভয়ে তেওঁক আগুৰি পেলালে। প্ৰকৃততে তেওঁ নো কোন হব পাৰে—সেইয়া নিজৰ মনতে অনুসন্ধান কৰিলে। ততালিকে তেওঁ থিৰুমূৰ্থিক কথাটো জনাবলৈ বেগাবেগিকৈ ওলাই গ'ল।

২১

"সাৰদাৰ বেমাৰ সোনকালে আহা"—টিৰুচীৰ পৰা ৰুকমণীয়ামলে শংকৰীৰ ঠিকমত পঠোৱা এক্সপ্ৰেছ টেলিগ্ৰামখনৰ এইটোৱে আছিল একমাত্ৰ বাক্য। যেতিয়া এই কথাখিনিকে শংকৰীক ফোনেৰে জনোৱা হ'ল—তাই কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিল। হঠাতে তাইৰ দুচকু চকুৰ পানীৰে পূৰহৈ পৰিল। সাধৰণতঃ সকলো ধৰণৰ সংকটতে শান্ত আৰু ধীৰ হৈ থাকিব পৰা শংকৰী যেন এইয়া প্ৰথমবাৰৰ বাবে ভাগি পৰিল।"

তাই বহি পৰিল আৰু কোনো বাধা নমানাকৈ কান্দিব ধৰিলে। "তাইক ৰক্ষা কৰা—হে প্ৰভু তুমিয়েই একমাত্ৰ তাইক ৰক্ষা কৰিব লাগিব।" তাই ভগবানক নীৰবে প্ৰাৰ্থনা জনালে। ৰোগৰ বিভিন্ন অৱস্থাত—জীৱনত তাই শ শ ৰুগীক দেখি আহিছে। জীৱন আৰু মৃত্যুৰ যুদ্ধত অন্তিম অৱস্থাপ্ৰাপ্ত বহুতো ৰুগীকে তাইৰ ওচৰলৈ লৈ অহা হৈছে। আনকি তেনে অৱস্থাৰ ৰুগীকো গভীৰ আত্মবিশ্বাস আৰু স্থিৰ

অন্তৰেৰে পৰীক্ষা কৰি—সিহঁতৰ জীৱনৰ বাবে তাই ডাক্তৰী বিদ্যাৰে যুজিছেও বহুবাৰ।

কিন্তু, এই সকু তাৰবাৰ্ত্তাখনৰ মাত্ৰ এটা বাক্যই কিয় যেন তাইক শঙ্কাকুল আৰু মহা ভীতু কৰি তুলিলে। আনকি তাইৰ সহায় লবলৈ অহা হতাশগ্ৰস্ত ৰুগীয়ে কান্দি দিয়াতকৈও তাই মানসিক ভাৱে বেছি দুৰ্ব্বল হৈ পৰিল।

তাইৰ গাড়ীখন ইতিমধ্যে সাজুকৈ ৰখা হৈছিল। তাইৰ তেনে অৱস্থা দেখি মুনীয়ামলেও তাইৰ লগত যাবলৈ ইচ্ছা কৰিছিল—কিন্তু শংকৰী এই কথাত সন্মত নহ'ল। তাই ঠিক ঘৰ এৰো এৰো কৰাৰ মুহূৰ্ত্তে টেলিফোনটো ক্ৰিং ক্ৰিং কৈ বাজিব ধৰিলে। হস্পিতালৰ পৰা কোনোবাই তাইক বিচাৰিব পাৰে বুলি ভাবি তাই টেলিফোনটোৰ ৰিচিভাৰটো তুলি ললে।

লগে লগে থিকমূৰ্থিৰ কঠোৰ কণ্ঠস্বৰ শুনা গ'ল। "তোমাৰ ভাইজন তাত আছেনে? মই সকলোবোৰ জানিব পাৰিছো। মোক বুৰ্ব্বক বনাবলৈয়ে সি চাল দিছে আৰু তুমিও লৈছা তাৰেই পক্ষ।" তেওঁ খইতা ভাবাত অতি অশ্ৰদ্ধাৰে কথাখিনি কৈছিল।

"আপুনি কি কব বিচাৰিছে—মই একোকে বুজা নাই।"

"তেওঁনো কোন—তুমিও নাজানা নেকি? তুমি মোক কৈছিলা যে—সি এজন ফাৰ্মাচিষ্টৰ লগত কাম কৰিছিল।"

"তেওঁ মোক যি কৈছিল মইয়ো মাত্ৰ সেইখিনি কব পাৰো। মই জানো নিজে গৈ—সেইবোৰ পৰীক্ষা কৰিব পাৰো? বাৰু এতিয়ানো তেওঁ আপোনাৰ কৰিলে কি আৰু মযেই বাৰু কৰিব লাগে কি?"

"যি কৰিব লাগে—তাক মযেই কৰিম আৰু জানিবা যি কৰা উচিত তাক মই নিশ্চয় কৰিমেই।"

ইতিমধ্যে শংকৰী বৰ অধীৰ হৈ পৰিছিল। থিকমূৰ্থিৰ এই আত্ম-প্ৰকাশে মাত্ৰ তাইৰ মনত দুখৰ মাত্ৰা হে বৃদ্ধি কৰিলে। তেওঁৰ ব্যৱহাৰৰ পৰা তাই এই কথা ভাল দৰে বুজিব পাৰিছিল যে—তেওঁ নিজেই

কাষত আছে আৰু তেওঁ ইতিমধ্যে এনে এটা অৱস্থা পাইছে যে তেওঁক আৰু একোৱে বাধা দি ৰাখিব নোৱাৰে।

আৰু এনেকৈয়ে তাই যেতিয়া অত্যন্ত জৰুৰী ভাবে টিৰুচীলৈ যাব লগীয়া হ'ল—তেতিয়াই মাদ্ৰাজত থিৰুগনমৰ বাবে এক ভয়ানক অজ্ঞাত বিপদ ঘনীভূত হ'ল। শংকৰী ততালিকে গাড়ীত উঠি বহিল আৰু পোনে পোনে থিৰুগননমৰ ঘৰলৈ গাড়ী চলাই দিলে। কিন্তু, সেই সময়ত থিৰুগননম ঘৰত নাছিল। শেষত তাই তেওঁৰ বাবে এই বুলি খবৰ এটা লিখি এৰি থৈ আহিল যে—বিশেষ এটা জৰুৰী কামৰ বাবে তাই টিৰুচীলৈ যাত্ৰা কৰিলে আৰু যদি সম্ভৱ হয় তেওঁ যেন তাইক তাত ল'গ কৰে। টিৰুচীত তাইৰ ঠিকনাটোও দি থৈ আহিল।

বাস্তৱিকতে ৰঙ্গনে গাড়ীখন অতি বেগতেই চলাইছিল। শংকৰীৰ মন দ্বিধাবিভক্ত হৈ পৰিছিল। এফালে তাই আনকি গাড়ীখন গৈ পোৱাৰ আগতেই টিৰুচী পোৱাৰ কামনা কৰিছিল আৰু আনফালে তাই মনেৰে মাদ্ৰাজত থিৰুগননমৰ ঘৰৰ দুৱাৰত অতন্দ্ৰ প্ৰহৰীৰ দৰে ৰৈ আছিল। তাই একে সময়তে নিজকে দুয়োখন ঠাইতে পাবলৈ বিচাৰিছিল। এফালে ৰুকমণীয়া মলৰ টেলিগ্ৰাম আৰু আনফালে থিৰুমূৰ্থিৰ আস্ফালনে তাইক যেন নৰক যন্ত্ৰণাত পতিত কৰি তুলিছিল।

তাই প্ৰাৰ্থনা কৰিছিল—যেন থিৰুগননম অতি সোণকালে ঘৰলৈ উভতি আহি তাই এৰি থৈ অহা খবৰটো পায়ে তৎক্ষণাত তেৰেঁা টিৰুচীলৈ আহে। নহলে তাই জানিছিল যে—থিৰুমূৰ্থিয়ে তাৰ সেই উন্মাদ খঙেৰে সকলো কৰিব পাৰে। সেই কুমুদাজনী যি জনী ছোৱালীয়ে তেওঁক অন্তৰ দি বিশ্বাস কৰিছিল, যাৰ বাবে তাই নিজকে জীয়াই ৰাখিছিল—তেওঁ জানো সেই ছোৱালীজনীকে হত্যা কৰিব খোজা নাছিল?

"সাৰদাৰ বেমাৰ—অতি সোণকালে আহা।" টেলিগ্ৰামখন তাই আকৌ এবাৰ উৰাই ঘূৰাই পঢ়িলে। সেইখন এখন এক্‌চপ্ৰেচ টেলিগ্ৰাম। যদিহে ৰোগ অতি সাংঘাটিক ধৰণৰ নহয় তেনেহলে

তেওঁলোকে তাইক কিয় এনে ধৰণৰ জৰুৰী টেলিগ্ৰাম দি মাতি পঠিয়াব? তাই মনেৰে ভাবিলে আৰু আকৌ এবাৰ চকুৰ পানী মুচিলে।

মদনগোপালে থিৰুমূৰ্থিৰ ধৰণ-কৰণবোৰ পালপোৱা নাছিল। তেওঁ ভাবিছিল যে—থিৰুমূৰ্থিয়ে কোনো সংকটতে ধৈৰ্য্য নেহেৰুৱাৰ আৰু তেওঁলোকৰ বৰ্ত্তমানৰ এই বিপদৰ পৰা মুক্তি পোৱাৰ এটা পথো তেওঁ বাহিৰ কৰিব পাৰিব বুলিয়েই বিশ্বাস কৰিছিল। কিন্তু, তেওঁ তেওঁলোকৰ চাথাম্বুৰ মাত্ৰা আৰু তাৰ পিছত হোৱা তেওঁৰ মানসিক অৱস্থাৰ কথা একোজনা নাছিল। মাত্ৰ দু'ঘণ্টাৰ ভিতৰতে শংকৰীয়ে থিৰুগননমৰ বাকী থকা কামবোৰ শেষ কৰি পেলাইছিল।

বহু কষ্ট আৰু যত্নৰ পিছত মদনগোপালে যিয়ে নহওক থিৰুমূৰ্থিক পুৰণি সন্থালৈ উভতাই আনিলে। তেওঁক সাবধান কৰি তেওঁ কৈছিল —"এই কামটো কিন্তু অতি কৌশলেৰে কৰিব লাগিব। তাৰাতাৰি কৈ কৰিলে সকলোবোৰ পণ্ড হৈ যাব আৰু তাৰ ফলত নতুন বিপদৰ হে জন্ম হব।"

এটা নতুন বুদ্ধিয়ে থিৰুমূৰ্থিৰ মনত বিজুলি খেলাই গ'ল। আৰু সেইয়া অতি নিৰ্ভৰযোগ্য যেনো বোধ হ'ল। তেওঁ পোনে পোনে ৰাজেশ্বৰীৰ কোঠালৈ সোমাই গ'ল আৰু থিৰুগননম্ নো প্ৰকৃততে কোন সেই বিষয় সকলো পৰিচয় আৰু তেওঁ তেওঁলোকৰ পৰিয়ালটোৰ বাবে যে কি বিপদ সংঘটিত কৰিছে সেই সকলোবোৰ বিশদ ভাৱে বৰ্ণনা কৰিলে।

"মই কি কৰিব পাৰো?" ৰাজেশ্বৰীয়ে সুধিলে।

"তুমি যদি ইচ্ছা কৰা তেন্তে তেওঁক তুমিয়েই মাথো থমাই ৰাখিব পাৰা। তেওঁ কোনোপধ্যে মোৰ ব্যৱসায়ৰ গুপ্ত সংবাদবোৰ প্ৰেৰণ কৰা অনুচিত। আৰু এই কাৰণে যদি তেওঁৰ চাকৰীটোও যায় অথবা অন্য বিপদতো পৰে তেন্তে তেওঁ ভাবিব নালাগে। তেওঁ গোটেই জীৱন যাতে সুন্দৰ ভাৱে কটাব পাৰে তাৰ বাবে মই যথেষ্ট টকা দিম। পঁচিশ হেজাৰৰ পৰা এক লাখৰ ভিতৰৰ যি কোনো অঙ্কৰে তুমি তেওঁক

প্ৰলোভিত কৰিব পাৰা।"

ককায়েকৰ এনেকুৱা দুখ লগা অৱস্থা দেখি ৰাজেশ্বৰীৰ মনতো কষ্ট হৈছিল ঠিক ; কিন্তু তাই থিৰুগননমৰ ব্যক্তিত্ব আৰু সাধুতাৰ কথাও ভাল দৰে জানিছিল। চাথাম্‌ৰত মহত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তিৰ তলত বহি থিৰুগননমে কোৱা কথাবোৰ তাই পাহৰি যোৱা নাছিল। আৰু তাতেই তাই নিজেও কৰা প্ৰতীজ্ঞাটোৰ কথা ভালদৰে মনত ৰাখিছিল। "মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তিৰ সন্মুখত মই আজি প্ৰতীজ্ঞা কৰোঁ। যে—মই আৰু কেতিয়াও মোৰ বিবেকৰ বিৰুদ্ধে গৈ মই মোৰ দাদাক আৰু কোনো কামতে সহায় নকৰিম।"

তাই নীৰব হৈ বহি আছিল।

"ৰাজেশ্বৰী ও কোৱা কি কৰিবা ?"

"আনকি এক কোটি টকাৰেও তেওঁক কিনিব নোৱাৰিবা।"

"তুমি জানিছিলানে—তেওঁ কোন ?"

"ঠিক এতিয়াই—তুমি কোৱাৰ পিছত।"

থিৰুমূৰ্থিয়ে ক্ষন্তেক কিবা ভাবিলে। তেওঁ জানিছিল যে—ৰাজেশ্বৰীয়ে ইতিমধ্যে থিৰুগননমৰ সৈতে সম্পূৰ্ণৰূপে একাত্ম হৈ পৰিছে। যদিও তাই সহজতে সকলোৰে সৈতে মিলা-মেচা কৰে তথাপি একমাত্ৰ থিৰুগননমৰ প্ৰতি আছিল তাইৰ মনৰ প্ৰকৃত টান। বাস্তৱিকতে অতি গভীৰ ভাবেই থিৰুগননমক তাই ভাল পায়। আনকি তাই থিৰুগননম চাকৰীৰ পৰা খেদাত তেওঁৰ লগত তৰ্ক কৰিছিল আৰু পুনৰ চাকৰী দিবলৈ খাটিছিল। গতিকে মুক্তভাৱেও তাই তাইৰ প্ৰেমৰ কথা প্ৰকাশ কৰিছিল।

"টকাৰ কথাটো বাৰু বাদ দিয়া। কিন্তু, যদিহে তুমি মনটো সলনি কৰিব পাৰা তেন্তে তুমি কামটো কৰিব পাৰা। তোমাক বুজাৰ পিছত হে মই এই কথা কৈছো। আচলতে তোমাৰ ঘৰখন আৰু তোমাৰ ককাইদেউৰ বাবে কিবা এটা কৰাৰ গুৰুদায়িত্ব বৰ্ত্তমান তোমাৰ হাতত আহি পৰিছে।"

"তুমি বাৰু কি বুজাব খুজিছা ?"

"প্ৰথমতে তুমি নিজে যি ভাবিছা অৰ্থাৎ তুমি যে তেওঁক বিয়া কৰাব খুজিছা সেই কথাটোকে কৈ দিয়া।"

ৰাজেশ্বৰী শিয়ৰি উঠিল। "তুমি তোমাৰ শত্ৰুক মোৰ দ্বাৰা এই কথা কৰলৈ বিচাৰিছা।"

"এতিয়া হয় মই তেওঁৰ ওপৰত জয়ী হব লাগিব নহয় তেওঁক মই হত্যা কৰিব লাগিব।"

"এইয়া, তোমাৰ সিদ্ধান্ত ?"

'এৰা'। লগে লগে তেওঁ হঠাতে ৰাজেশ্বৰীৰ গালত প্ৰচণ্ড জোৰে এটা চৰ বহুৱাই দিলে। সহ্য কৰিব নোৱাৰি—ৰাজেশ্বৰীয়ে আঠুকাঢ়ি মাটিত পৰি গ'ল। তাই চকুৰে ধোৱা ধোৱা দেখিব ধৰিলে আৰু কান দু'খনো তাইৰ কলা কৈ যোৱা যেন লাগিল। মাটিত বাগৰি পৰি থাকিব লগীয়া হোৱা বাবে—কন্দাত বাহিৰে তাইৰ কোনো উপায়ো নোহোৱা হ'ল। "হয় মই তেওঁৰ ওপৰত জয়ী হব লাগিব নহয় মই তেওঁক হত্যা কৰাব লাগিব"—মাত্ৰ এই কথাষাৰ হে তাইৰ কানত বাজি থাকিল।

থিৰুমূৰ্থিয়ে আকৌ এবাৰ টেলিফোন কৰিলে আৰু শংকৰী টিৰুচীলৈ যোৱা কথাটো গম পালে। আৰু লগে লগে তেওঁ থিৰুগননমো যে টিৰুচীলৈ গৈছে মাত্ৰ সেই কথাটো জানিবৰ বাবে তেওঁৰ ঘৰলৈ পোনে পোনে গাড়ী চলাই দিলে। ঘৰলৈ উভতি আহি ড্ৰাইভাৰ ভেলাপ্পনক গোপনে কিবা এটা নিৰ্দ্দেশ দিলে। ভেলাপ্পনৰো মুখ শেতা পৰিল।

শংকৰীয়ে টিৰুচী পোৱাৰ আধা ঘণ্টা পিছতেই থিৰুগননমো তালৈ গুচি গ'ল। তাইৰ গাড়ীখন ওথ ওৱালেৰে আগুৰা এটা ঘৰৰ সন্মুখত ৰৈ থকা তেওঁ দেখিবলৈ পালে। থিৰুগননম ঘৰৰ ভিতৰলৈ সোমাই গ'ল আৰু লগে লগে তেওঁ শংকৰীৰ কান্দোন শুনিবলৈ পালে।

"সাৰদা—মোৰ সোপজনী ; মই আৰু তোমাক এৰি কেতিয়াও আঁতৰলৈ নেযাও। মোৰ লগতে তোমাক মাদ্ৰাজলৈ লৈ যাম।"

কোনোবা এগৰাকী বয়সস্থা মহিলাৰ মাতো তেওঁ শুনিব পালে। "তোমাক এবাৰ চোৱাৰ প্ৰবল ইচ্ছাৰ বাবেই তাই নৰিয়াত পৰিছিল। এতিয়া তুমি আহি পালা যেতিয়া তাইৰ জ্বৰো অতি সোণকালে এৰিব।"

থিৰুগননমে খিড়িকিখনেৰে জুমি চালে। তেওঁ যেন নিজৰ চকুকে বিশ্বাস নকৰিব। "থিৰুমুথিৰ সেই ৰাধা নামৰ ছোৱালীজনী বাৰু ইয়ালৈ কেনেকৈ আহিল? আৰু তাইৰ বাৰু কেতিয়াৰ পৰা জ্বৰ হ'ল। এই ছোৱালীজনীৰ ৰাধাৰ লগত ইমান সাদৃশ্য!" শংকৰীয়ে ছোৱালীজনীক বুকুৰ মাজত সাবটি লৈ আদৰ কৰি নিজেও তৃপ্ত হ'ল।

"আম্মা—মইয়ো মাদ্ৰাজলৈ যামনে?"

"ও, ও নিশ্চয় যাবা। তোমাৰ বেমাৰ ভাল হলেই তুমি যাব পাৰিবা।" শংকৰীয়ে ছোৱালীজনীক চুমা খালে। থিৰুগননমৰ চকুত পানী নিগৰিল। তেওঁ ভিতৰলৈ চালে।

"আহা সোমাই আহা।" শংকৰীয়ে কলে।

"এই ছোৱালীজনী?"

"এইৰ নাম সাৰদা—মোৰ নিজৰ ছোৱালী।" শংকৰীয়ে উত্তৰ দিলে।

২২

থিৰুগননম্ তেওঁৰ কোঠালৈ প্ৰত্যাৱৰ্ত্তন কৰাৰ পিছতো শংকৰীয়ে তাইৰ ছোৱালীজনীৰ কাষতে কিছু সময় শুই থাকিল। সেই বছৰটোত শংকৰীয়ে টিৰুচীলৈ মাজে সময়ে আহি থকাৰ বাবেই—মাকৰ প্ৰতি ছোৱালীজনীৰ মৰমৰ টানো ক্ৰমাৎ বৃদ্ধি হবলৈ ধৰিছিল। মাকৰ প্ৰতি থকা প্ৰবল আকৰ্ষণেই তাইক বিভ্ৰম কৰি তুলিছিল আৰু এতিয়া মাকৰ উপস্থিতিয়ে তাইৰ জ্বৰো কমাই দিলে। আনকি তাই শুই থকা সময়তো তাইৰ মুখত পৰিতৃপ্তিৰ হাঁহি এটা লাগি আছিল।

মাদ্ৰাজ এৰাৰ সময়ত—শংকৰীৰ মনত যি দুটা দুখে অন্তৰত পীড়া

দিছিল—টিকচী পোৱাৰ পিছত ছুয়োটাই আঁতৰি গ'ল আৰু তাইৰ অন্তৰখনো পাতল পাতল লাগিল। এতিয়া আৰু তাইৰ ছোৱালীজনী অথবা থিৰুগননম কাৰো প্ৰতিয়ে কোনো বিপদ নাই। সেইবাবে তাই শুবলৈও যত্ন কৰিলে—কিন্তু তাইৰ চকুত হলে টোপনী নাহিল। তাইৰ এনে ভাৱ হ'ল তাই থিৰুগননমক বুকু উজাৰ কৰি সকলোবোৰ কথা নোকোৱা পৰ্য্যন্ত তাইৰ মনে যেন শান্তি নেপাই।

কিন্তু, কথাবোৰ নো তেওঁক তাই কেনেকৈ কব—তাকে ভাবিহে তাই বিমোৰত পৰিল। ওচৰতে থকা টেবোলখনত তাই কাগজ আৰু কলম দেখিবলৈ পালে। লগে লগে তাই উঠি বহিল আৰু ইমানদিন ধৰি তেওঁৰ পৰা লুকাই ৰখা তাইৰ জীৱন কাহিনী লিখিবলৈ আৰম্ভ কৰিলে।

"মই তোমাক মোৰ জীৱনৰ কাহিনীকে শুনাবলৈ লৈছো—যি কাহিনী মই অতদিনে তোমাৰ পৰা গোপনে ৰাখিছো। আৰু এই কথাবোৰ তোমাক স্পষ্টকৈ বুজাবৰ বাবেই প্ৰত্যেক্ষ ভাৱে মুখেৰে নকৈ লেখনীৰ দ্বাৰা কব বিচাৰিছো। অৱশ্যে ইয়ে মোৰ বকুৰ বেদনাও কিছু পাতল কৰি তুলিব।

তুমিটো জানাই মই আছিলো মাতৃহীনা আৰু আনহাতে আনকোনো দায়িত্বশীলা তিৰোতা মানুহো আমাৰ ঘৰখনত নাছিল। গতিকে যি বোৰ শিক্ষা মই শিশু অৱস্থাত পাব লাগিছিল—সেইবোৰ শিক্ষাৰ পৰা মই বঞ্চিত হৈ পৰিছিলো। মোৰ দেউতাই মোক মাথোন মৰমৰ মাজত ডুবাই হে ৰাখিছিল—দায়িত্ব আৰু কৰ্ত্তব্য সম্পৰ্কে কোনো শিক্ষাকে তেওঁ মোক দিব পৰা নাছিল। স্কুলীয়া শিক্ষা মই পাইছিলো ঠিকেই কিন্তু ই যে ব্যৱহাৰিক জীৱনৰ বাবে প্ৰয়োজনীয় গৃহ শিক্ষাৰ পৰিপূৰক নহয়।

গতিকে মই আছিলো এজনী আদৰত উঠা সহজ সৰল ছোজা ছোৱালী। যি বস্তুই মই বিচাৰিছিলো সেই সকলোবোৰকে মই পাইছিলো আৰু মই কেতিয়াও সেইবোৰৰ দামৰ বিষয়ে মূৰ ঘুৰোৱাও

নাছিলো।

গুৰুমূথিৰ দেখাত সুন্দৰ মুখখনে মোক তেওঁৰ ওচৰ চপাই নিছিল। সচাঁকৈয়ে তেওঁ এজন অতি আকৰ্ষণীয় আৰু অভিজাত ধনী ব্যক্তি আছিল। যেতিয়া তেওঁৰ সৈতে মোৰ বন্ধুত্ব ক্ৰমাৎ নিবিড় হবলৈ ধৰিছিল—তেতিয়াই তুমি মোক আচল আৰু নকলৰ মাজত প্ৰাৰ্থক্য বুজি চলিবলৈ সাবধান কৰি দিছিলা।

কিন্তু, ফল হ'ল কি? মই তোমাক কষ্ট দিলো। তুমি উপদেশ দিয়াৰ পিছদিনাখনেই দেউতাক তোমাৰ বিৰুদ্ধে লগাই আমাৰ ঘৰলৈ তুমি খবৰ কাগজ বিক্ৰী কৰিবলৈ অহাটোও বন্ধ কৰি দিলো।

গুৰুমুখি যে এজন বিবাহিত মানুহ আছিল সেই কথা তেওঁ মোক কেতিয়াও কোৱা নাছিল। বৰং তেওঁ সকলো সম্পত্তি হেৰুৱাব লগীয়া হলেও মোক বিয়া কৰাম বুলিহে কথা দিছিল। বহু দিন, বহু মাহ তেওঁ মোৰ পিছত ঘূৰি ফুৰিছিল কাৰণ মই তেওঁক সেই সহাৰি দিছিলো।

মানুহৰ জীৱনৰ আয়ুস প্ৰায় এশ বছৰ দাঘলীয়া, কিন্তু এজনী ছোৱালীয়ে তাক মাত্ৰ এক ঘণ্টাৰ কেইটামান মিনিটতে হেৰুৱাব পাৰে। আৰু তাৰেই সাবধানতাৰ প্ৰতাক স্বৰূপ মোৰ এইয়া জীৱন।

তেওঁ টিকটো এবাৰ দিনটো চমু চাপি আহিল। আৰু যি দহ মিনিট সময় মই তেওঁৰ লগত কটাইছিলো—সিয়েই তৈয়াৰ কৰিলে বৰ্ত্তমানৰ শংকৰীৰ স্বৰূপ আৰু জগতখনক দিলে—সাৰদা নামৰ মোৰ এই ছোৱালীজনী।

গুৰুমুখিয়ে মনে মনে তেওঁৰ অধ্যয়নলৈ আৰু উন্নতি নাহিবলৈ পৰিকল্পনা কৰিছিল। অৱশ্যে বিত্তবান আৰু চতুৰ লোক সকলে যে যি কৰে তাক অতি পৰিকল্পিত ভাবেই কৰে। মোৰ সেই বয়সত ছোৱালী বিলাকৰ জ্ঞান হয় সীমিত কিন্তু আবেগ হয় অতি তীব্ৰ। কিন্তু, ভগৱানে যে ছোৱালী জাতিটোক মাতৃত্বৰ দায়িত্বও অৰ্পণ কৰি থৈছে।

"চাৰি মাহৰ সন্তান গৰ্ভত লৈ—মই তেওঁক ল'গ ধৰিবলৈ গৈছিলো।

ৰেলষ্টেচনলৈ তেৱেঁ৷ আহিছিল—আৰু মোৰ হাতত গুজি দিছিল এ হাজাৰ টকা—যেনিবা মোৰ সেই আত্ম প্ৰৱঞ্চনাৰ মুহূৰ্ত্তখিনিৰ বাবে তেওঁ মোক কিনি থব খুজিছিল। তেওঁৰ লগত কটোৱা মোৰ সেই দহ মিনিট সময়ৰ দাম—দহ শ টকা—দহ খন এশ টকীয়া নোট।

মই মোৰ দেউতাক সঁচা ঘটনাটোকে কৈছিলো। তেওঁ মোক তেওঁৰ সকলো শক্তিৰে মূল ভড়াঁল বুলি ভাবিছিল। গতিকে মোৰ কথা শুনাৰ পিছত তেওঁ গৈ চলন্ত ৰেলগাড়ীৰ আগত পৰি আত্মহত্যা কৰিলে। গোটেঁই পৃথিৱীখনেই তাক মাথো এটা দুৰ্ঘটনা বুলিহে বিশ্বাস কৰিলে। আনকি তুমিও তেনেকৈয়ে বিশ্বাস কৰিছিলা। কিন্তু মই জানিছিলো—আৰু ময়েই আছিলো সেই পিতৃঘাটিনী।

ধনী আত্মীয়বোৰ অকল তেওঁক দাহ কৰাৰ সময়ত হে গোট খাইছিল। কিন্তু, তুমি তোমাৰ সেই দৰিদ্ৰ পীড়িত অৱস্থাতো ফটা-চিটা মলিয়ন চাট আৰু ৰুক্ষ আউল বাউল চুলিৰ সৈতে আগবাঢ়ি আহিছিলা মোক আশ্ৰয় দিবৰ বাবে। আৰু তুমি আশ্ৰয় দিবলৈ আহিছিলা এনে এজনী ছোৱালীক যি তোমাক গালি পাৰিছিল, তিৰস্কাৰ কৰিছিল আৰু কু ব্যবহাৰ কৰিছিল, বিদ্ৰুপ কৰিছিল; যেনিবা ৰাতিপুৱা ঘৰে ঘৰে গৈ বাতৰি কাকত বিক্ৰী কৰা হকাৰৰ ৰূপ লোৱা আৰু গধূলী গৃহ শিক্ষকতা কৰি তোমাৰ জীৱনৰ দাৰিদ্ৰতাৰ লগত কঠোৰ সংগ্ৰাম কৰা মানুহজনৰ প্ৰতি সেইয়াই যথেষ্ট হোৱা নাছিল। তুমি মোক নিমন্ত্ৰণ কৰিবলৈ আহিছিলা। তুমি কৈছিলা—"আহা আৰু মাউৰা শিবৰত আহি তুমিও যোগ হোৱা। মই তোমাক মোৰ ব্যক্তিগত স্বাৰ্থৰ বাবে মাতা নাই। মই গুৰুমূৰ্ত্তিৰ সতেই তোমাক বিয়া দিম।" মই সদায় বিশ্বাস কৰিছিলো যে—কৰবাত নহয় কৰবাত ভগৱান এজন আছে। আৰু সেই দিনাখনেই মই যেন মোৰ চৰ্ম্ম চক্ষুৰে—তেওঁক মুখামুখী কৈ দেখিবলৈ পালো। তুমিয়েই মোৰ ভগৱান।

ময়ো ইতিমধ্যে আত্মহত্যাকে কৰিম বুলি সিদ্ধান্ত কৰিছিলো—তুমি বাৰু কেনেকৈ বুজিব পাৰিছিলা? মই টো সেই কথা কাকো একো

কোৱা নাছিলো। তোমাৰ হয়তো সেইবোৰ কথা এতিয়া ভালদৰে মনত নাই। কিন্তু, তুমি যে কেনেকৈ মোক মোৰ সিদ্ধান্ত সলাবলৈ আৰু তাৰ কাৰণে তুমি কমাক প্ৰতিজ্ঞাও কৰাই লৈছিলা—সেই প্ৰতিতো কথাই মোৰ মনত এতিয়াও সেউজীয়া হৈ আছে—কাৰণ সিয়ে মোক দিছিল আশাৰ পোহৰ আৰু জীৱনৰ ওপৰত বিশ্বাস।

মাথো মোকেই টো দহয় তুমিয়েই টো তেনেকৈ ৰক্ষা কৰিছিলা—মোৰ গৰ্ভত থিতাপি লোৱা চাৰিমহীয়া সাৰদাক। সেই মুহূৰ্ত্ততে মই সিদ্ধান্ত লৈছিলো সাৰদা তোমাৰেই সন্তান। আৰু আঁনকি তেতিয়াই মই জানিছিলো যে—ইয়েই গুৰুমূৰ্থিক এই পৃথিৱীৰ পৰাই বিদায় দিব।

ঘটনাক্ৰমে মই মোৰ মাকো মানুহৰ স্বৰূপত—ল'গ পালো—সেইয়া আমাৰ কলেজৰ অধ্যক্ষা ৰুকমণীয়ামল। মই তেওঁক মোৰ সকলোবোৰ কথাকে কৈছিলো। আৰু একমাত্ৰ তেৱেঁই দিলে মোৰ এক নতুন জীৱন। তেওঁৰ জীয়েক হিচাপে মাত্ৰ এবাৰ নহয় সাতবাৰমান মই নিশ্চয় পূৰ্ণ জন্ম লব লাগিব।

“এখিলা কাগজত তেওঁ কেইটামান বাক্য লিখি দিছিল আৰু সেই বাক্য কেইটা মোক পঢ়িবলৈ দি—মনত ৰাখি দিনে ৰাতি তাকেই জপ কৰিবলৈ কৈছিল। সেইয়া মই এখন দাপোনৰ সন্মুখত ঠিয় দি কৰিব লাগিছিল আৰু এতিয়ালৈকে তাক মই বন্ধ কৰা নাই। সেই যাদুকৰী বাক্যকেইটা হৈছে—“তুমি একো এটা অপৰাধ কৰা নাই। মাত্ৰ তুমি এটা ভুল কৰিছিলা আৰু তাকো কৰিছিলা এই বাবেই যে সেই সময়ত তুমি যথেষ্ট পৰিপক্ক নাছিলা। যদি তুমি তোমাৰ মন স্থিৰ কৰি উপযুক্ত শিক্ষা লোৱা তেন্তে তুমি সুখৰেই জীয়াই থাকিব পাৰিবা। তুমি যি ধৰণে ভাবা—তেনেধৰণেই তুমি জীয়াই থকা আৰু তেনে এটা জীৱনতে তুমি ভগৱানকো দেখিবলৈ পাবা। প্ৰথম বিশ্বাস এই যে—তুমি ধ্বংস হৈ যোৱা নাই। তোমাক সৃষ্টি শক্তি প্ৰদান কৰা হৈছে। যদিহে তুমি নিজকে জানা—তেন্তে জগতৰ একোৱেই তোমাক চুব নোৱাৰে। আনকি হেজাৰজন গুৰুমূৰ্খিয়েও তোমাক কলংকিত কৰিব নোৱাৰে।

তুমি স্বাৱলম্বী হৈ জীয়াই থাকিবলৈ এটা পথ বিচাৰি লোৱা। চাবা সেইয়া যাতে মানবতাৰ সেৱাও হয়। টকা পবিত্ৰ শক্তিৰ হাতিয়াৰো হব পাৰে। যদি তুমি তাক পোৱা তেন্তে তুমি কোনো বাধা-বিপত্তি নোহোৱাকৈ তোমাৰ লক্ষ্যত উপনিত হব পাৰিবা। কঠোৰ শ্ৰম কৰিবলৈ আৰু শুদ্ধ পথ বাচি লবলৈ শিকা। মিতব্যায়ী হোৱা। অপৰিপক্ক মানুহৰ হাতত টকা—সমাজৰ নিশ্চিত বিপদৰ কাৰণ। এইয়া এক দেৱী। যিয়ে ইয়াক বেশ্যাৰ দৰে ব্যৱহাৰ কৰে—তেওঁলোকৰ পৰা সাবধানে থাকিবা।"

প্ৰতিদিনে মই দাপোনখনৰ সন্মুখত থিয় হৈ এই কথাখিনি পঢ়ো আৰু লগে লগে তোমাৰ মুখখন মোৰ চকুৰ আগত ভাহি উঠে। তাৰ পিছত আহে মোৰ ছোৱালীজনী। আমি তাইক এজন পিতৃৰ নাম দিবলগীয়া হৈছিল। ৰুক্মিণীয়ামলে তোমাৰ নামটোকে দিলে। আৰু একমাত্ৰ তেৱেঁই তাইক তুলিতালি ডাঙৰ দীঘল কৰিছে। আৰু সময়ৰ সুঁৰত মই হলো এজনী ডাক্তৰ।

ৰুক্মিণী অম্মাল এতিয়া চাকৰীৰ পৰা অবসৰ পাই সৰু ল'ৰা-ছোৱালীৰ স্কুল এখন চলাই আছে আৰু মই মোৰ উপাৰ্জ্জনৰ এটা অংশ এই স্কুলখনত দি আহিছো।

মই ডাক্তৰ হিচাপে কামত ধৰাৰ পিছত হে মই থিৰুমুৰ্থিৰ সংস্পৰ্শলৈ আহো। পোন প্ৰথমে আনকি ময়ো তেওঁক গুৰুমুৰ্থি বুলিয়েই সন্দেহ কৰিছিলো। তেওঁৰ ছোৱালী ৰাধা আৰু মোৰ ছোৱালী সাৰদাৰ মুখৰ মাজত ইমান মিল থকা বাবেই মোৰ সেই সন্দেহো দৃঢ়তৰ হৈছিল। মাত্ৰ ঘটনাক্ৰমেহে মই জানিব পাৰিলো যে—গুৰুমুৰ্থি আৰু থিৰুমুৰ্থি আছিল একে মাকৰ দুটা যজা সন্তান আৰু ইতিমধ্যে গুৰুমুৰ্থিৰ মৃত্যুও হৈছে।

সি যি কি নহওক এটা কথা কিন্তু মোৰ বাবে অতি স্পষ্ট হৈ পৰিছিল। চৰিত্ৰ আৰু ব্যৱহাৰত থিৰুমুৰ্থি গুৰুমুৰ্থিতকৈও এখোপ আগবঢ়া। তেওঁৰ স্ত্ৰীৰ প্ৰসবৰ সময়ত মই চিকিৎসা কৰাৰ অজুহাততে তেওঁ মোক এক হেজাৰ টকা দিছিল। আৰু সেইয়া আছিল তেওঁৰ

কলা টকাৰে এটা সামান্য অংশ।

সেই টকা কিন্তু মই আগবঢ়োৱা সেৱাৰ বাবে দিয়া হোৱা নাছিল। মোৰ শৰীৰটোৰ প্ৰতি তেওঁৰ আকৰ্ষণ হোৱা বাবেই এই টকা আছিল তাৰ আগধন। তেওঁৰ ভায়েকে মোক মোৰ শৰীৰটো পোৱাৰ পিছত টকা এহেজাৰ দিছিল। এই মানুহজনে কিন্তু সেই টকা তাৰ আগতেই দিছিল।

সেইদিনাই মই মোৰ ডায়েৰীত লিখিছিলো—'ঘোচ হৈছে কলা টকা।' তাৰ পিছতো মই যিমান বোৰ টকা তেওঁৰ পৰা পাইছো—সেই সকলোবোৰৰে হিচাব মই ৰাখি থৈছো। মোৰ চিন্তাই কলা টকাৰ দ্বাৰা সংঘটিত হোৱা সমস্ত সহস্ৰ কুকাৰ্য্য বোৰ ঢুকি পাইছিল।

আৰু এইয়া হৈছে আমাৰ দেশৰ ৰাজনীতিৰ ভণ্ডামী আৰু ব্যক্তি স্বাৰ্থ পূৰণৰ প্ৰধান ভিত্তি। ইয়েই হৈছে দেশৰ অৰ্থনৈতিক বিষম্য আৰু দাৰিদ্ৰতাৰ মূল কাৰণ। ইয়েই হৈছে দেশৰ কলা সংস্কৃতিৰো প্ৰধান প্ৰতিবন্ধক আৰু ইয়েই দেশৰ সৎ মানুহ বিলাকে তুথীয়া ৰাইজৰ প্ৰতি কৰা কামৰো প্ৰধান প্ৰতিবন্ধক। দেশখনত আচলতে যথেষ্ট পৰিমাণে সম্পদ আছে, ধন-সম্পত্তি আছে, যথেষ্ট সংখ্যক সৎ কৰ্ম্মীও আছে কিন্তু থিৰুমূৰ্থিৰ দৰে কেইজনমান মুষ্টিমেয় লোকেই দেশৰ একো নথকা বুলি প্ৰতিপন্ন কৰাই।

মই থিৰুমূৰ্থিক অকল এজন ব্যক্তি বুলিয়েই নাভাবো। তেওঁ হৈছে এটা লম্পট ডকাইত দলৰ এক মহাশক্তিশালী প্ৰতিনিধি। তেওঁ মোক কুমুদাৰ ওচৰলৈ লৈ গৈছিল। তাই আছিল অন্য এজনী তাহানিৰ শংকৰী। মোৰ জীৱনৰো প্ৰতিবিম্ব মই তাইৰ জীৱনত দেখিছিলো। তাই হেতিয়া 'মা' হবলৈ ওলাইছিল তেতিয়া থিৰুমূৰ্থিয়ে মোক তাইক তেওঁৰ জীৱনৰ পৰা আঁতৰ কৰিবৰ বাবে অজস্ৰ টকা দিছিল। সিমান টকাই কিজানি মানুহক হত্যা কৰিবলৈও উৎসাহিত কৰিব পাৰে।

যেতিয়া তুমি মোৰ ঘৰলৈ আহি মোক ল'গ কৰিছিলা—তেতিয়াই তুমি নো কোন তাক মই জানিছিলো। মই জানিছিলো তুমি আছিলা

'দুৰ্নীতি উদ্‌ঘাটন কৰিবলৈ নিযুক্ত ভাৰত চৰকাৰৰ এজন উচ্চ বিষয়া। বহু সময়ৰ পিছত এক বিশেষ ধৰণৰ সন্দেহে অৱশ্যে ইয়াক মোৰ ওচৰত প্ৰতিভাত কৰি তুলিছিল।

তুমি হয়তো মোক সুধিব পাৰা—কিয় মই এইবোৰ কথা তোমাক আগতে কোৱা নাছিলো। কিছু সময়ত মই থিকমূৰ্থিক পৰ্য্যবেক্ষণ কৰাৰ দৰে তোমাকো লক্ষ্য কৰিছিলো। থিকমূৰ্থি আছিল এজন পাকৈট ব্যৱসায়ী আৰু তুমি আছিলা এজন বিষয়া।

চৰকাৰে তোমাৰ ওপৰত বিশ্বাস কৰে আৰু সেই বাবে তোমাৰ ওপৰত দায়িত্বও দিছে। দেশৰ জনসাধাৰণৰ পৰা লোৱা কৰ কাটলৰ টকাৰ পৰাই তোমাক প্ৰতি মাহতে দৰ্ম্মহা দি অহা হৈছে আনকি চাকৰীৰ অবসৰৰ পিছতো তোমাৰ বাবে পেন্সনৰ ব্যৱস্থা কৰিছে। আৰু এই সুবিধা বোৰ থকা কাৰণেই ধনী মানুহৰ আদৰত উঠি নষ্ট যোৱা ল'ৰা-ছোৱালীৰ দৰে অন্য বহুতো বিষয়া কৰ্ম্মচাৰীয়ে নিজৰ উন্নতিৰ বাবে ধনী হোৱাৰ চমু পথো গ্ৰহণ কৰে। কিন্তু সমাজখন চলি আছে একমাত্ৰ তোমাৰ দৰে কিছুমান প্ৰকৃত সাধু সমৰ্থবান মানুহ থকা বাবেই। তোমাৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছিল আৰু সেই বাবেই মই নিজচকুৰেই চাব খুজিছিলো—তুমি নো কেনেকৈ ইমান কঠোৰ সংগ্ৰাম কৰা।

কিন্তু, তুমি শক্তিমন্ত হোৱাৰ পিছতো তুমি প্ৰমাণ কৰি দিলা যে—তুমি ; তুমিয়েই। থিকমূৰ্থিৰ ধন সম্পদ, তেওঁৰে ভনীয়েক ৰাজেশ্বৰীৰ প্ৰেম আৰু তাৰেই পৰিপ্ৰেক্ষিতত তোমাৰ জীৱনলৈ আগবাঢ়ি অহা আড়ম্বৰপূৰ্ণ জীৱনেও তোমাক বিচলিত কৰিব নোৱাৰিলে।

মইয়ো অৱশ্যে তুমি নজনাকৈয়ে মোৰ ভাগৰ কামবোৰ কৰি গৈছিলো। অসৎবিলাক সৎ মানুহতকৈ বেছি দুঃসাহসী। থিকমূৰ্থিৰ দুঃসাহস আছিল ভয়ানক বিপদজনক। আমি যেতিয়া চাথাম্‌বলৈ গৈছিলো তেতিয়া মই তেওঁৰ ধনৰ সকলো অহংকাৰ ধ্বংস কৰি দিছিলো। মই অতি নিৰ্দ্দয়ভাৱে তেওঁক আক্ৰমণ কৰি পেলাই দিছিলো আৰু সত্যৰ বাবে আপোচহীন সংগ্ৰাম কৰিছিলো। এতিয়া তুমি আইনৰ

হলেও তাক চলাই যাব পাৰিবা।

তেওঁ এতিয়া উন্মত্ত। যদিও তেওঁক আঘাট কৰাৰ এইটো এটা সুন্দৰ সুযোগ তথাপি তুমি নিজকে ৰক্ষা কৰি চলাটোও সমানেই দৰ্কাৰী। সেই বাবেই মাদ্ৰাজত তোমাক অকলে এৰি থৈ আহিবলৈ অনিচ্ছা কৰি মই তোমাকো ইয়ালৈ আনিছো। মই আশা কৰোঁ— তুমি যেন মোক আকৌ টকাৰ লোভত আওবাটে যাওঁ বুলি কেতিয়াও নাভাবা। সঁচা কথা—মই টকা পাবলৈ হাবিয়াস কৰোঁ। কাৰণ মই ইয়াৰ মূল্য জানো। প্ৰত্যেক মানুহে ইয়াক সমানে লাভ কৰক এয়ে মোৰ কামনা। আৰু সেইটোৱেই মোৰ একমাত্ৰ হাবিয়াস। যাৰ হাতত টকা থকা উচিত তেনে লোকৰ হাতত যদি টকা থাকিলহেঁতেন— তেনেহলে হয়তো পৃথিৱীৰ আধা সমস্যাই দূৰ হ'লহেঁতেন। তুমি সেইয়া বুজানে বাৰু?" ইতি—তোমাৰেই পূজাৰিণী 'শংকৰী'।

পিছদিনাখন ৰাতিপুৱা থিৰুগননমে যেতিয়া চিঠিখন পঢ়িছিল— তেতিয়া তেওঁ আৰু চকুৰ পানীক বাধা দিব পৰা নাছিল। কোঠাটোত আন কোনো লোক নথকা কাৰণে তেওঁ চকুৰ পানী ববলৈ এৰি দিছিলা যেন চকুৰ পানীৰ লগে লগে তেওঁৰ অন্তৰখনো খালি হৈ যাওক। "মই যে তোমাক কি ভুল বুজিছিলো! মই যে নিজক নিজেই কলঙ্কিত কৰিছো।"

"মানুহৰ জীৱনৰ আয়ুস প্ৰায় এশ বছৰ দীঘল—কিন্তু ছোৱালী মানুহে তাক মাত্ৰ এটা ঘণ্টাৰ কেইটামান মিনিটৰ ভিতৰতে হেৰাই পেলাব পাৰে। সেইয়া মইয়ো হেৰাইছো। আৰু এতিয়া তাৰেই সাবধানতাৰ প্ৰতীক হৈ মই জীয়াই আছো।"

বহু সময় ধৰি থিৰুগননম বিছনাত নিষ্প্ৰাণৰ দৰে পৰি আছিল কিন্তু তেওঁৰ চকুৰ পৰা চকুপানী হলে নিগৰি শেষ হোৱা নাছিল। হঠাতে তেওঁ শংকৰীৰ সেই উজ্জ্বল হাঁহিটোৰ শব্দ শুনিবলৈ পালে আৰু চকুমেলি চালে। তাই সাবদাক লগত লৈ আহিছিল আৰু তেওঁৰ কোলাতে তাইক বহুৱাই দিলে।

"মতা মানুহেও তেনেকৈ কান্দেনে ? চাও-চোৱা তোমাৰ ছোৱালী-জনীলৈ চোৱাচোন। তাইৰ জ্বৰ এৰিছে। সাৰদা—তুমি তেওঁৰ চকু-পানীখিনি মুচি দিবা নে ?"

থিৰুগনমে নিজেই চকুৰ পানী মুচিলৈ সাৰদাক বুকুৰ মাজত সাৱটি লৈ মৰম কৰিব ধৰিলে। শংকৰী এই কথা ভাবি গৌৰব বোধ কৰিলে যে—সাৰদা হৈছে থিৰুগননমৰেই দান আৰু এতিয়া তাইৰ সময় আহি পৰিছে তেওঁক সান্ত্বনা দিবলৈ।

"তুমিটো কুমুদাৰ কথা মোক সোধা নাই তাইৰ কি হৈছে তুমি জানো জানা ?

আশাৰ দৃষ্টিৰে তেওঁ শংকৰীৰ ফালে চালে।

২৩

চাকৰীৰ পৰা অবসৰ পোৱাৰ পিছত ৰুক্মণী অম্মালে এখন শিশু বিদ্যালয় স্থাপন কৰিছিল। এই বিদ্যালয়খন তেওঁৰ ঘৰৰ নিচেই কাষতেই আছিল। শংকৰীয়ে থিৰুগননমক তালৈকে লৈ গ'ল।

পাঁচ বছৰত কৈ সৰু ল'ৰা-ছোৱালীৰ বাবে নাচ, গান আৰু খেলা-ধূলাৰে পৰিপূৰ্ণ এইখন এখন নাৰ্চাৰী স্কুল আছিল। শংকৰীয়ে থিৰুগননমক কুমুদাৰ লগত পৰিচয় কৰি দিলে আৰু কলে যে তেওঁলোক তাইৰ ল'ৰাটোক চাবলৈ আহিছে।

আনন্দত কুমুদাই যেন নিজকে পাহৰি যাব। প্ৰায় নৃত্যভঙ্গীৰেই তাই দৌৰ মাৰি গৈ ওচৰৰ কোঠাটোত সোমাই গ'ল। তাইৰ ল'ৰাটো সেই সময়ত হাত ভৰি মাৰি মুখত হাঁহি লৈ এডাল ডোলনাত শুই আছিল।

শংকৰীয়ে কৈছিল—"মই ইয়াৰ নাম ৰাখিছো 'ছেলৱম্' (ধন)। সি প্ৰেমৰ ধন, সি জ্ঞানৰ ধন আৰু সি সম্পদৰো ধন। ধন নাথাকিলে প্ৰেম আৰু জ্ঞানো সম্পূৰ্ণ নহয়। প্ৰেম আৰু জ্ঞান বিহীন ধনে আকৌ

মানুহক থিকমুথিৰ দৰে জীৱনৰ হে অধিকাৰী কৰে।

মুহূৰ্তৰ ভিতৰতে শংকৰী নো কি ধাতুৰে গঢ়া সেই কথা থিৰুগননমৰ মনত বিজুলি খেলাই গ'ল। লাজতে তেওঁ মূৰ নত কৰিলে। "ময়েই যে এইজনী শংকৰীকে কুমুদাৰ হত্যাকাৰিনী বুলি সন্দেহ কৰিছিলো। অথচ যি বাহুৰ অন্ধকাৰে কুমুদাৰ জীৱন অকালতে ধ্বংস কৰিব ওলাইছিল শংকৰীয়ে অকল তাৰ পৰাই তাইৰ জীৱন ৰক্ষা কৰাই নহয় অন্য এটা দেবোপম শিশুৰো জীৱন ৰক্ষা কৰিছে আৰু তদুপৰি সেই বাহুৰ অন্ধকাৰকো সমূলে ধ্বংস কৰিবলৈ সাহস কৰিছে।"

যেতিয়া তেওঁলোক ঘৰলৈ উভতিছিল বাকতে তেওঁ অতি নম্ৰভাবে শঙ্কৰীক সুধিলে—"তুমি বাৰু সেই সোণৰ কিলিপ টো চুলিত পিন্ধানে ?"

"এতিয়া আৰু সেই অনুসন্ধান কিয় ?"

"কিয়—সেই কথা মই নাজানো। কিন্তু, যেতিয়াই মই তোমাৰ কথা ভাবো—তেতিয়াই তোমাৰ সেই চুলিত মাৰি লোৱা সোণৰ কিলিপটোৰ কথাও নাভাবি নোৱাৰো। মোৰ অনুভৱ হয় যেন সোণখিনি আপোনাআপুনি এনে এটা ফুলত পৰিণত হ'ল—যি ক্ষণস্থায়ী নহয়, যি মৰহি লেবেলি নাযায় মাথো এটা সুন্দৰ সুবাস হে বিলাই যদিও এইয়া সোণৰ স্বাভাবিকত্ব নহয়। তুমিও হৈছা এটা সুগন্ধি যুক্ত সোণৰ ফুল ; 'এ গ'লডেন্ পান্দানুচ্'।

"কিন্তু, ইয়াৰ কাইট আছে।" শংকৰীয়ে কৈছিল।

"কাইটে ৰক্ষা কৰে। আৰু তোমাৰো তেনে কাইট যথেষ্ট আছে।"

"দেৱী অম্বিগীয়েও হেনো তেনে এটা ফুল মূৰৰ চুলিত পিন্ধে আৰু তাৰ দ্বাৰাই জগতত শক্তি আৰু সুগন্ধিও বিলাই। একমাত্ৰ তোমাৰ ভালপোৱা বাবেই মইয়ো তেনে এক আত্মবিশ্বাসেৰে জীয়াই আছো। নহলেটো মই দেউতা ঢুকুৱাৰ পিছদিনাখনেই সেই একেই পথ ললোহেতেন।"

থিৰুগননম এক অপাৰ আনন্দ সাগৰত আত্মবিভোৰ হৈ পৰিছিল।

সেইদিনা গধুলিয়ে তেওঁলোক মাদ্ৰাজলৈ ৰাওনা হ'ল। শংকৰীয়ে

লগত তাইৰ ছোৱালীজনী আৰু কুমণী অম্মালকো গাড়ীত লৈছিল। থিৰুগননম ড্ৰাইভাৰৰ কাষতে বহিছিল আৰু বাকী তিনিজন বহিছিল পিছৰ চিটত। আনকি টিকচী এবাৰ আগতে থিৰুগননমে মাদ্ৰাজত থকা বিষয়াজনক সকলোবোৰ কথা বিটং ভাবে টেলিফোনৰ জৰিয়তে জনাই থৈছিল। থিৰুমূৰ্থি আৰু তেওঁৰ দলটোক ধৰিবলৈ চাৰিওফালৰ পৰা পৰিকল্পনাবোৰ নিখুট ভাৱে সাজু কৰি ৰখা হৈছিল।

গাড়ীখন তীব্ৰ গতিত আহি যেতিয়া বিল্লুপুৰম্ পালে তেতিয়া প্ৰায় এন্ধাৰ হৈছিল। শংকৰীয়ে নিশা ন বজাৰ আগে আগে মাদ্ৰাজ পাব বুলি আশা কৰিছিল যদিও লাহে লাহে তেওঁৰ মন এক অজ্ঞাত ভয়ত দুক দুক কঁপিবলৈ ধৰিলে। অৱশ্যে এইয়া কাল্পনিক নাছিল। থিৰুগননমৰ বিৰুদ্ধে থিৰুমূৰ্থিয়ে কোৱা কথাই তাইৰ মনত দুঃচিন্তাৰ সৃষ্টি কৰিছিল কিয়নো তাই জানিছিল যে—থিৰুমূৰ্থিয়ে একোতে বৈ নাথাকিব।

শংকৰীৰ মনত ভাব হৈছিল যেন কোনো এক অজ্ঞাত বিপদে থিৰুগননমৰ বাবে আন্ধাৰৰ আঁৰত জোপ লৈ আছে। আগতেই তেনে ধৰণৰ সহজাত ধাৰণা এটা তাইৰ মনত উদয় হৈছিল আৰু পিছত ঘটনা-বিলাকৰ এটা বস্তুগত বৈজ্ঞানিক বিশ্লেষণৰে চাইও তাক বিশ্বাস কৰিছিল। নিশাৰ এন্ধাৰেও তাইৰ মনক যেন সাবধান বাণী শুনাই গৈছিল। তাই অতি শঙ্কাকুল দৃষ্টিৰে সন্মুখৰ সকলোফালেই অতি সাবধানে লক্ষ্য কৰি গৈ আছিল। তেতিয়া নিশা আঠ বাজি গৈছিল। তেওঁলোকে যেতিয়া এখন গাঁও পাব হ'ল—তেওঁলোকৰ সোঁফালে থকা এটা কাষৰীয়া বাটত এজন মানুহ অকলে থিয়ৈ থকা তাই দেখিবলৈ পালে। মানুহজনে অকল গাড়ীৰ ফালেহে দৃষ্টি দি আছিল আৰু সেই মুহূৰ্ত্তত তাই কি দেখিবলৈ পালে সেয়ে তাই গাৰ লোম ঠিয় কৰাবলৈ যথেষ্ট আছিল।

থিৰুমূৰ্থিৰ সেই বৃহৎ গাড়ীখন মানুহজনৰ অলপ আঁতৰতে থিয় হৈ বৈ আছিল। গাড়ীখনৰ ভিতৰত আৰু কোনোবা মানুহ আছিল নে নাই তাই দেখা নাছিল—কিন্তু তেনেকৈ অকলে ঠিয়হৈ থকা মানুহজন

যে থিকমূর্থিৰ ড্রাইভাৰ ভেলাপ্পন—সেইয়া তাই চিনিব পাৰিছিল।

শত্রুৰ বিষয়ে কথা ওলাওতে বহুদিন আগতে থিকমূর্থিয়ে কোৱা এষাৰ কথা তাই মনত পেলালে।

"যদি কোনো ব্যক্তি বৰ সাংঘাটিক ধৰণৰ, তেন্তে তেওঁক পৰা হাতসাৰিৰ পৰা এটা সহজ পথো আছে। ৰাস্তাৰে খোজকাঢ়ি গৈ থাকোতে তেওঁক তোমাৰ গাড়ীৰে খুন্দা মাৰি দিয়া লগে লগে সকলো শেষ। আৰু তেতিয়া যদি কোনোবাই ইয়াৰ বিৰুদ্ধে মোকৰ্দ্দমা তোলে —তেন্তে ড্রাইভাৰজনে হয়তো ছমাহ মান কাছাৰিলৈ যাব লগীয়াত পৰিবও পাৰে—তাৰ পিছত ঘটনাৰো শেষ।" তাইৰ সন্দেহ দৃঢ়তৰ হৈ পৰিছিল। থিকমূর্থিৰ গাড়ীখন এখন জাহাজৰ দৰেই বৃহৎ আকাৰৰ আছিল। ধৰি লোৱা হ'ল যদি সেইখন গাড়ী খুউব বেগাই আহি এইখনত খুন্দা মাৰি দিয়ে ?

অন্তৰৰ ভয়ক বিশ্বাসঘাতকতা নকৰা কৈয়ে তাই ৰঙ্গনক গাড়ীখন অতি সাবধানতাৰে অথচ বেগত চলাবলৈ কলে। অনতিপলমে ঘটনা-বোৰ ঘটিবলৈ আৰম্ভ কৰিলে। পগলা হাতীৰ দৰে থিকমূর্থিৰ গাড়ীখনে তেওঁলোকৰ গাড়ীখনৰ পিছে পিছে খেদি আহিল। তাই ৰাস্তাটোৰ সন্মুখৰ ফালে ধুৰলৈ লক্ষ্য কৰিলে। কিছু আগত এখন দলং তাৰ পিছৰখিনি ৰাস্তা অতি সৰু, ঠেক আৰু পিছল, দুয়োফালে আওগৰীয়া। যি ধৰণেই সি শংকৰীৰ গাড়ীখনত খুন্দা নামাৰক লাগে—নিঃসন্দেহে গাড়ীখন মুহূৰ্ত্তৰ ভিতৰতে চূৰ্ণ বিচূৰ্ণ হৈ সেই আওগৰীয়া ঠাইত পৰি যাব।

পিছৰ গাড়ীখন এনে দৰে উন্মাদ বেগেৰে অহা দেখা পাই—শংকৰীৰ গাড়ীৰ প্ৰতিজন আৰোহীয়ে ভয়ত নিঠৰ হৈ পৰিল। গাড়ীখনৰ ফালে নোচোৱাকৈয়ে থিৰুগননমে কলে—"কোনোবা মদাহীয়ে গাড়ী চলাইছে।" পিছৰ গাড়ীখনৰ হেড লাইটৰ তীব্ৰ পোহৰত তেওঁ একো নেদেখা হৈ পৰিছিল।

"এৰা কোনোবা মদাহী হব পাৰে। কিছুমান মানুহে সিহঁতৰ

ড্ৰাইভাৰক মাতাল কৰাইয়ে গাড়ী চলোৱাই।”

দৌৰ প্ৰতিযোগিতাৰ দৰে দুয়োখন গাড়ীয়ে মুহূৰ্ত্ততে দলংখন পাৰ হ'ল। শংকৰীৰ গাড়ীখন কিন্তু ঘণ্টাত বাঠি মাইলত কৈ বেচি বেগত দৌৰিব নোৱাৰিছিল। কাৰণ এইখন তেনেকৈয়ে খজা হৈছিল। দলংখনৰ পিছতে যেন ই সেই আওগৰীয়া খাদত হামখুৰি খাই পৰি যাব। শংকৰীয়ে তাইৰ গাড়ীখন থমাবলৈও যত্ন কৰা নাছিল। তেওঁলোকৰ পিছে পিছে খেদি অহা এই মৃত্যুৰ ফান্দত—কিমানজন মানুহ, কি মাৰত্মক অস্ত্ৰশস্ত্ৰৰে সজ্জিত হৈ লুকাই আহিব পাৰে সেই বিষয়েও তাইৰ কোনো ধাৰণাই নাছিল। সেই পিছল পথটোৰ কাষত এডাল মাথো তেতেলী গছ তাই দেখিবলৈ পালে। আৰু সিয়েই উদ্ধাৰৰ একমাত্ৰ উপায় যেন তাইৰ বোধ হৈছিল। তাই আগফালে অকণমান হাউলিগৈ ৰঙ্গনক ফুচফুচাই কলে—“তুমি পোনে পোনে এনেকৈ চলোবা যেনিবা তুমি গছ ডালক হে খুন্দা মাৰিবলৈ গৈছা আৰু তাৰ লগে লগে ব্ৰেক ধৰি সোঁফালে গাড়ীখন ঘূৰাই দিবা। ৰঙ্গনে অতি তাৰাতাৰিকৈ সেইয়া সম্পন্ন কৰাটোকে তাই বাঞ্ছা কৰিছিল।

ৰঙ্গনে স্পষ্টকৈ বুজিছিল। আৰু সকলোবোৰ যেন চকুৰ নিমিষতে সংঘটিত হ'ল। এইয়া যেন বজ্ৰপাত পৰিহে তেতেলী গছ জোপা যেন জোকৰ খালে আৰু অতি তীব্ৰ পোহৰৰ বন্যাই গছ জোপা যেন ডুবাই দিলে। থিৰুমূৰ্থিৰ গাড়ীখন আহি কাণ তালমাৰি ধৰা শব্দৰে গছ জোপাত খুন্দা মাৰি দিলে।

শংকৰীৰ গাড়ীখনো থামিছিল। তেওঁলোক প্ৰত্যেকজনে ঘটনাটো নো কি ঘটিল চাবলৈ গাড়ীৰ পৰা ততাতৈকে নামি আহিল। যিখন গাড়ীৰ হেড লাইটৰ পোহৰে কেই মুহূৰ্ত্তমান আগতে তেওঁলোকৰ চকু জলকটলক লগাইছিল—সেই হেড লাইট খণ্ড-বিখণ্ড হৈ ভাঙি ছিঙি চাৰিওফালে এন্ধাৰৰ মাজত সিচৰিত হৈ পৰিছে। থিৰুমূৰ্থিৰ গাড়ীখনৰ বাকী অংশ গাছ ডালত লাগি বেঁকা হৈ পৰি আছে। ইঞ্জিনৰ কোনো চিন চাবেই নাই। মাত্ৰ ইয়াৰ জঁকাটোহে ভূতৰ দৰে দাঁত নিকটাই

পৰি আছে। আৰু ৰাষ্টাটোৰ মাজত কোনোবা এঠাইত ড্ৰাইভাৰজনো কেঁকাই পৰি আছে। তেওঁৰ মুখেৰে তেজৰ সোঁত বৈ পৰিছে। বোধহয় তেওঁৰ লগত আৰু কোনো মানুহ গাড়ীখনত অহা নাছিল। ঘটনা থলিতে শংকৰীয়ে মানুহজনক প্ৰাথমিক সাহায্য আগবঢ়ালে। যদিও জখমবোৰ বহু ধৰণৰে আছিল তথাপি তা'ৰ জীৱনৰ বাবে বিপদজনক নহয় যেন অনুমান হৈছিল। তেওঁলোকে তাক তেওঁলোকৰ গাড়ীতে ভৰাই আনি চৰকাৰী হস্পিতালত ভৰ্ত্তি কৰাই দিলে। ড্ৰাইভাৰজনে যেতিয়া চেতনা পাই চকু মেলি চালে তেতিয়া সি মাথো দেখিবলৈ পালে যে—যিজনী মানুহক সি হত্যা কৰিবলৈ পৰিকল্পনা কৰিছিল সেইজনী মানুহেই এতিয়া তাঁৰ জীৱন বচাবলৈকে আপ্ৰাণ চেষ্টা কৰি আছে। তাৰ মানসিক পৰিবৰ্ত্তনৰ ভাষা যেন শব্দাতীত।

অৱশেষত গাড়ীখন শংকৰীৰ ঘৰলৈ উভতিল। ঘৰ পাইয়ে তাই প্ৰথম কাম কৰিলে—থিকমূৰ্থিৰ বাংলালৈ ফোন। ৰাজেশ্বৰীয়ে ফোন ধৰি উত্তৰ দিলে যে—থিকমূৰ্থি ইতিমধ্যে শুইছে আৰু তেওঁক জগাবলৈও বাধা কৰিছে।

"তেওঁৰ টোপনী অহা নাই। আনকি এতিয়া তেওঁ কোনো পধ্যে শুবও নোৱাৰে" শংকৰীয়ে কথাখিনি কৈ হাঁহিছিল। "তেওঁ বোধহয় তেওঁৰ ড্ৰাইভাৰজনৰ পৰা এটা খবৰ পাবলৈ বাট চাই আছে। তেওঁক কৈ দিয়া যে—তেওঁ পৰিকল্পনা কৰা মতে মোক আৰু থিৰুগননমক হত্যা কৰিব নোৱাৰিলে। ভগৱানৰ কৃপাত গাড়ীখনত থকা আমি পাঁচোজনেই বাচি গৈছো। তেওঁৰ পৰিকল্পনাই ভুল লক্ষ্যত হে আঘাট হানিলে। ফলতঃ তোমালোকৰ ড্ৰাইভাৰজন এতিয়া জীৱন মৰণৰ সংগ্ৰাম কৰি চৰকাৰী হস্পিতালৰ বিছনাত পৰি আছে আৰু তোমালোকৰ ত্ৰিশ হেজাৰ টকীয়া গাড়ীখনো চূৰ্ণ বিচূৰ্ণ হৈছে। এই সকলোবোৰ কথা তুমিয়েই বাৰু মোৰ হৈ তোমাৰ দাদাক কবানে ?

ৰাজেশ্বৰী বিমূঢ় হৈ থৰ লাগি থিয় হৈ আছিল। এতিয়াহে তাই থিকমূৰ্থিয়ে ড্ৰাইভাৰৰ সৈতে গোপনে কৰা আলচটোৰ অৰ্থ বুজি পালে।

"চাণ্ডাল—হত্যাকাৰী! তই মানুহ নে?" তাই তীব্ৰ ঘৃণাৰে সৈতে থিকমূৰ্থিৰ কথা ভাবিলে। তেওঁ সেই সময়ত তেওঁৰ কোঠাত বিছনাত বাগৰি পৰি মুখেৰে কিবা মোকমোকাই আছিল। তাই পোনে পোনে তাইৰ বিছনালৈ গৈ উচুপি উচুপি কান্দিবলৈ ধৰিলে। থিকগননম আৰু শংকৰীৰ জীৱন ৰক্ষা কৰা বাবে তাই সৰ্ব্বশক্তিমান ভগৱানক অন্তৰৰ শ্ৰদ্ধাও নিবেদিলে।

পিছদিনাখন খুউব পুৱাতেই—পুলিচৰ গাড়ী এখন থিকমূৰ্থিৰ ঘৰলৈ সোমাই আহিল। এজন পুলিচ বিষয়া আৰু থিকগননমে কেইজনমান কনিষ্টবলৰ সৈতে ঘৰত প্ৰৱেশ কৰিলে। থিকগননমে থিকমূৰ্থিৰ ওচৰলৈ গৈ নিজৰ পৰিচয় ব্যক্তি কৰিলে। দুৰ্নীতি ধৰা পেলাবলৈ নিযুক্ত মই এজন ভাৰত চৰকাৰৰ বিষয়া। মই আপোনাক এটা অনুসন্ধানৰ বাবে নিবলৈ আহিছো।"

"কিহৰ ভিত্তিত?" শান্তভাৱেই থিকমূৰ্থিয়ে সুধিলে।

"অ' সেইয়া একো নাই।" থিকগননমে পাতল ভাবে কলে। আপোনাৰ মৰ খক আৰু তাৰ দ্বাৰা আপুনি হেজাৰ মানুহক কৰা শোষণ আৰু অন্যায়। বৰ সৰু কথা—কিন্তু যাৰ ফল বৰ ডাঙৰ।"

তথাপি থিকমূৰ্থিক সাহসী আৰু আত্মবিশ্বাসী যেনেই দেখা গৈছিল। "সেই টকাবোৰ বৰ কষ্ট কৰিয়ে মই আৰু মোৰ বন্ধুবোৰে উপাৰ্জ্জন কৰিছো। ধন ঘটিবলৈ আৰু আমাৰ ইচ্ছানুসাৰে তাক খৰছো কৰিবলৈ আমাৰ অধিকাৰ আছে। চাব—মই কিন্তু এইবোৰ এনে পৰি থাকিব নিদিম। দৰ্কাৰ হলে মই চুপ্ৰিম কোৰ্ট পৰ্য্যন্ত যাম।"

"এইখন দেশত এতিয়াও আপুনি আৰু আপোনাৰ বন্ধু সকলে কঠোৰ শ্ৰম আৰু কষ্ট কৰি ধন ঘটি তাৰে পাহাড় খজাবলৈ হেজাৰ হেজাৰ সুবিধা আছে।"

"আপুনি বাৰু পৃথিৱীৰ বিখ্যাত ধনী মানুহ হেনি্ৰ ফোৰ্ডে কেনেকৈ দেশৰ কৌটি কৌটি লোকৰ জীয়াই থকাৰ অধিকাৰ অলপো খৰ্ব্ব নকৰাকৈ ইমান ধন সম্পত্তি উপাৰ্জ্জন কৰিবলৈ সক্ষম হৈছিল—সেই

কথা জানেনে ? মানুহক তেওঁলোকৰ প্ৰাপ্যবোৰ সম্পূৰ্ণৰূপে আদায় দি আৰু নিজৰ প্ৰাপ্যও সেই মতে গ্ৰহণ কৰি—বৈধ সীমাৰ মাজত জীৱন নিৰ্ব্বাহ কৰিলেও সেইয়া সম্ভৱ। কিন্তু, আপুনি আনক চিকাৰ কৰিছে জীৱন নিৰ্ব্বাহ কৰিছে। গতিকে দেশৰ হেজাৰ হেজাৰ সহজ সৰল, নিৰীহ আৰু অনাশ্ৰিত মানুহৰ মাজত আপোনাক এনেকৈ বিনা বিচাৰে থাকিবলৈ দিয়াটোও এটা সামাজিক অন্যায়। গতিকে বলক—আমাৰ লগতে যাও।”

থিৰুমূৰ্থিয়ে পুনঃ ইতস্ততঃ কৰিলে। পুলিচ বিষয়াজনে তেতিয়া অতি উচ্চস্বৰে ভয়লগাকৈ হুঙ্কাৰ দিলে—“আপুনি তাতোকৈও বহুত বেছি কৰিছে। যিজনী কুমুদাই আপোনাৰ লগত থাকিবলৈ লৈছিল তাইকে হত্যা কৰিবলৈ আপুনি পৰিকল্পনা কৰিছিল। তাৰোপৰি আপোনাৰ ড্ৰাইভাৰজনেই স্পষ্ট ভাবে প্ৰকাশ কৰিছে যে—আপুনিয়ে তাক মিঃ থিৰুগননম আৰু ডাঃ শংকৰীক হত্যা কৰিবলৈও পঠাইছিল। গতিকে আপুনি নিজে নিজে আগবাঢ়ি ওলাই অহাই ভাল।”

ৰাজেশ্বৰীয়ে প্ৰতিতো কথাই শুনি আছিল। তেওঁলোকে পুলিচ ভানতে তুলি পুলিচ থানালৈ তেওঁক লৈ গ'ল। ইতিমধ্যে তলতীয়াকৈ খবৰটো গোটেই নগৰখনতে বন জুইৰ দৰে বিয়পি পৰিল। মদনগোপালে আপ্ৰাণ চেষ্টা কৰি কিবাকৈ তেওঁক জামিনত খালাচ কৰি আনিলে।

থিৰুমূৰ্থি ঘৰলৈ উভলিত। “বিশেষ চিন্তা নকৰিবা।” মদনগোপালে কৈছিল। “আনকি ইয়াৰ খৰচ লাখ লাখ টকা হলেও আমি বুজিম। আৰু আপোনাক ৰক্ষা কৰাটো মোৰেই এটা দায়িত্ব।” মদনগোপালৰ এই উদৰতাৰ মূল কাৰণ আছিল থিৰুমূৰ্থিৰ টকাৰ লগত সম্পৰ্কিত। তেনে ধৰণৰ এটা সুবিধা পোৱা বাবে তেওঁ পেটে পেটে সুখী হৈছিল। তেওঁ ভালদৰে জানিছিল যে—থিৰুমূৰ্থিয়ে নিজক বচাবৰ বাবে—তেওঁৰ সকলো সম্পত্তিকে দৰ্কাৰ হলে হেলাৰঙে বিলাই দিব।

থিকৰ্থিয়ে আইনৰ সুকণ্ডাৱে সাৰি যাবলৈ প্ৰচুৰ ধন, উকিলৰ কৌশল আৰু নিজৰো সমস্ত প্ৰভাৱ প্ৰতিপত্তি ব্যৱহাৰ কৰিছিল। কিন্তু, পিছদিনাখন বাতিপুৱা তেওঁৰ বাবে আটাইতকৈ আচৰ্য্যজনক আঘাট টো যে বৈ আছিল। সকলোবোৰ খবৰ কাগজতে তেওঁ আৰু তেওঁৰ সঙ্গীবোৰৰ কুকাহিনিৰ বাতৰি ডাঙৰ ডাঙৰ হৰফৰ আখৰেৰে প্ৰকাশ পাইছিল। প্ৰতিখন বাতৰি কাকতেই তেৱেঁই যে এই প্ৰৱঞ্চক দলৰ নেপথ্য নায়ক তাক নগ্নভাবে প্ৰচাৰ কৰিছিল।

থিকৰ্থিৰ মূৰ চক্ৰকাৰে ঘূৰিব ধৰিলে দেশৰ প্ৰতিজন মানুহে এতিয়া তেওঁৰ প্ৰকৃত বৰণ চিনি পাব। যোৱাকাইলৈকে তেওঁ আছিল এজন প্ৰকৃত দেশহিতৈষীলোক। পাঁচ হেজাৰ টকা অনুদান দি তেওঁ হয়তো পঞ্চাশ হেজাৰ টকাৰ প্ৰচাৰ কৰিব পাৰিছিল। যোৱাকালিলৈকে তেওঁৰ হাতত আছিল—ধন দৌলত শক্তি সামৰ্থ্য সকলো। বিভিন্ন পাৰ্টি দি—দেশৰ উচ্চ স্থানত থকা লোক সকলৰ সৈতে তেওঁৰ ফটো-গ্ৰাফো লোৱাব পাৰিছিল। বাতৰি কাকত বিলাকতো বিজয়ৰ প্ৰতীকৰ দৰে তেওঁৰ চবিও ছপা কৰাব পাৰিছিল।

যিখন কাকতে জনমানসৰ শুভেচ্ছা অনাবলৈ তেওঁৰ হৈ কঠোৰ শ্ৰম আৰু যত্ন কৰিছিল সেই কাকতখনেই আজি তেওঁৰ কলা টকা আৰু চোৰাং ব্যৱসায়ৰ হিচাপ দিয়ত শতমুখ হৈ পৰিছে। অতি নিষ্ঠুৰ ভাবে সিহঁতে তেওঁক—ভণ্ড, চোৰ, ডকাইত আৰু ঠগ প্ৰৱঞ্চক বুলি—প্ৰকাশ্য ভাবে প্ৰচাৰ কৰিছে। থিকৰ্থিৰ যেন উশাহ নিশাহ বন্ধ হৈ যাব।

"মই এতিয়া কাকো দেখা কৰিব নোৱাৰো।" বাজেশ্বৰীৰ দ্বাৰা তেওঁ বাহিৰত জনাই দিলে। "মোক কোনেও একো সহায় কৰিব নালাগে, কাৰণ মইয়ো কাকো একো সহায় কৰা নাই।" ঠিক তেতিয়াহে প্ৰকৃত সত্যটো তেওঁৰ মুখৰ পৰা নিস্মৃত হ'ল।

তেওঁ বিছনাত বাগৰি বাগৰি জুপুকা মাৰিলে। আৰু তেওঁৰ মনৰ

পৰ্দাত ইখনৰ পিছত সিখন কৈ বিভিন্ন চবি বোৰ ভাহি ফুৰিব ধৰিলে —সোণৰ পাহাৰ উপভিল, হীৰাবোৰে যেন মিছিকিয়াই হাঁহিলে আৰু কলা টকাৰ নোটৰ বান্দুলবোৰ যেন বতাহত উৰি যাব ধৰিলে। আৰু ঠিক সেই মুহূৰ্ত্ততে তেওঁৰ ড্ৰাইভাৰজনৰ ঘৈণীয়েকে মানুহৰ এটা শোভাযাত্ৰা লগত লৈ চিঞৰি চিঞৰি আহি তেওঁৰ দুৱাৰ মুখত হাজিৰ হ'ল হি।

মানুহক টকা ভেটি দি—তেৱেঁই জানো দালাল অকমুগম্ বুলি প্ৰচাৰ কৰাই ভাবমূৰ্ত্তী নষ্ট কৰি এজন আজীৱন সমাজকৰ্ম্মীক নিৰ্ব্বাচনত হেৰুৱা নাছিল? মদনগোপালৰ শোভাযাত্ৰাত যাওতে সেই অকমুগমেই জানো তেওঁৰ ডিঙিত মালা পিন্ধাই কোৱা নাছিল—"এইয়া আপোনাৰ হে বিজয়।" এই শোভাযাত্ৰাটোও তেওঁৰ এনে লাগিল যেন সেই একে অকমুগমেই আকৌ তেওঁক মালা পিন্ধাবলৈয়ে আহিছে।

কিন্তু, এই মালাধাৰি গোলাপ ফুলৰ নাছিল। এইয়া আছিল এশ টকীয়া নোটৰ কাগজৰ মালা। আৰু ই যেন হঠাতে সোণৰ মুদ্ৰাত পৰিণত হৈ জন্জনাই বাজিব ধৰিলে। প্ৰতিতো মুদ্ৰাৰ পৰা যেন— পাতল হাঁহিৰে কুমুদা ওলাই আহিল। আৰু লাহে লাহে তাইৰ মুখখন অদৃশ্য হৈ শংকৰীৰ মুখখন যেন ওলাব ধৰিলে। উচ্চস্বৰে হাঁহি শংকৰীয়ে যেন তেওঁক প্ৰশ্ন কৰিব ধৰিলে। "তুমি জানো জানা— জীৱন মানে কি? তুমি জানো ইয়াৰ এটা দিনো প্ৰকৃততঃ সুখ আৰু শান্তিত কটাব পাৰিছা? মোক জীৱন দিবলৈ—তোমাৰ জানো শক্তি আছে? শক্তি! থিকমূৰ্থি তুমি ভাবিছিলা যে টকাই সকলো শক্তিৰ মূল কেন্দ্ৰ!" এতিয়া তেওঁ যেন সকলোবোৰ হেৰাই পেলোৱাৰ দৰে— বিদ্ৰোহ হৈ পৰিল। জীৱনত তেওঁ কোনোদিনেই কেতিয়াও নিজৰ স্বাৰ্থৰ চিন্তাৰ বাহিৰে—আন একোৰে চিন্তা বা কাৰো প্ৰতি কোনো কাম কৰা নাছিল।

তেওঁ একেলগে কেইবাটাও টোপনী অহা পিলমুখত দি ঢক ঢক কৈ যথেষ্ট পানী পি দিলে। তেওঁৰ চকুলৈ টোপনী আহিল আৰু বিছনাত

শুইয়ে থাকিল। আৰু এই টোপনীয়েই আছিল কাল টোপনী য'ৰ পৰা মানুহ আৰু কোনোদিনেই সাৰ নেপাই।

ৰাজেশ্বৰীয়ে গভীৰ শোক পালে। তাই শঙ্কৰীলৈ ফোন কৰি কলে—"আপুনি আৰু আপোনাৰ ভায়েকজনে মোৰ দাদাক মাৰিলে। আপোনালোকৰ অলপো দয়া মমতা নাই।"

শংকৰায়ে তাইক সান্ত্বনা দিবলৈ যত্ন কৰিছিল। "যদি তোমাৰ দাদাৰ গাত অকণমানো পবিত্ৰতা থাকিলহেতেন তেনেহলে এইয়া নঘটিলহেতেন। আমি প্ৰত্যেকজন মানুহেই আমাৰ কৃতকৰ্ম্মৰ ফল ভোগ কৰিবই লাগিব। আমি যেনে কাম কৰো তেনে ফলেই পাও। তোমাৰ যদি ভাল লাগে তেন্তে তুমি মোৰ ওচৰলৈ গুচি আহা।"

থিকুমুথিৰ ঘটনাবো তেওঁৰ লগে লগেই শেষ হ'ল। থিকগননমে দিল্লীৰ পৰা এটা জৰুৰী আহ্বান পাইছিল। তেওঁ শংকৰীৰ সৈতে নিৰলে অলপ কথা হোৱাৰ সুবিধাৰ বাবে আশা কৰি আছিল। তেওঁ দিল্লী যাত্ৰাৰ বাবে বিমানৰ টিকটটো কৰি আনিছিল। তেওঁ যাবলৈ ওলোৱাৰ দিনাহে তাইৰ লগত কথা হবলৈ সুবিধা পালে।

গধুলি সময়ত—শংকৰীয়ে তাইৰ ঘৰৰ সন্মুখৰ বাগিছাত—এজোপা গছৰ তলত বহি তেওঁৰ কথাকে ভাবি আত্মবিভোৰ হৈ আছিল। থিকগননমো তালৈকে গ'ল আৰু তাইৰ কাষতে বহিল। কিন্তু, প্ৰথমতে তেওঁ নো কেনেকৈ কথাবোৰ আৰম্ভ কৰিব তাক জনা নাছিল।

শংকৰীয়ে উপলব্ধি কৰিব পাৰিছিল যে—যি মুহূৰ্ত্তৰ বাবে তাই বাট চাই আছিল—সেই সময় এইয়া সমাগত।

তাই গভীৰভাৱে হুমুনীয়াহ কাঢ়িছিল। থিকগননমে অতি স্পষ্ট আৰু প্ৰত্যক্ষ ভাৱেই সুধিলে—"তুমি কৈছিলা যে—সাৰদা মোৰেই ছোৱালী। কিন্তু, মই নো কেতিয়াকৈ তাইৰ দেউতাক হম? তুমিয়ে নো কেতিয়াকৈ মোৰ পত্নী হবা গৈ?"

তাইৰ চকুহাল সেমেকি উঠিছিল।

'শংকৰী!' তেওঁ কৈছিল। "সমাজখনে কি কয় তাৰ বাবে আমি

বিশেষ ভাৱাৰ দৰ্কাৰ নাই। আমাৰ সম্মুখত বৈ আছে ভৱিষ্যত। মইয়ো সাবদাক আমাৰ সন্তানৰ বাহিৰে বেলেগ বুলি কেতিয়াও চিন্তা কৰিব নোৱাৰো।" শংকৰীৰ চকুৰ পৰা দুধাৰি চকুলো গালেৰে বৈ আহিছিল। তাই বাকৰুদ্ধা হৈ পৰিছিল।

"শংকৰী! কোৱা।"

"মোক ক্ষমা কৰা" তাই কান্দি কান্দি কৈছিল। "যদি তুমি আকৌ তেনে ধৰণৰ কথা কোৱা তেন্তে মোৰ বুকু ফাটি যাব।"

থিৰুগননমৰ নিজৰ মনৰ বেজাৰো যেন বিশালতৰ হ'ল। শংকৰীয়ে কৈ গ'ল—"মোৰ এই অন্তৰখন—যিখন অন্তৰত তোমাৰেই মন্দিৰ পাতি—তোমাকেই থাপনাত থাপিছো—তাক তুমি আৰু ভাঙি নিদিবা। তুমি মোৰ বাবে এজন দেৱতা। ওচৰত থাকিলেও দূৰ আকাশৰ তৰাৰ দৰে তুমি মোৰ ঢুকি পোৱাৰ উৰ্দ্ধত।"

থিৰুগননমৰ স্বপ্ন যেন নিমিষতে অতি নিকৰুণ ভাৱে ভাঙি চিঙি চুৰমাৰ হৈ পৰিল। চকুত চকুপানী লৈ তেওঁ কলে—"তুমি বৰ ভয়াতুৰা। তুমি সমাজক ভয় কৰিছা।"

"মই সমাজক ভয় কৰিছিলো ঠিক—কিন্তু সেইয়া বহুদিন আগতে। একমাত্র তুমিয়েই মোৰ সেই ভয় দূৰলৈ আঁতৰাই মোক সাজিছিলা এজনী অত্যন্ত সাহসী ছোৱালী স্বৰূপে। ৰুক্মণী অম্মালে যেনেকৈ কৈছিল ঠিক তেনেকৈয়ে—মই মোৰ সম্মুখত মোৰ জীৱনৰ বাবে এটা আদৰ্শ থাপন কৰি লৈছো—আৰু তাৰ বাবেই মই কাম কৰি আছো আৰু জীয়াইও আছো। মই মোৰ ওচৰত অহা ৰুগী বিলাকক ভালদৰে চিকিৎসা কৰাত আৰু তেওঁলোকক ভাল কৰাতে—জীৱনৰ সুখ আৰু শান্তি পাও। এতিয়া মাত্র এই এটা বস্তুকে ভয় কৰোঁ—সেইয়া হৈছে মোৰ নিজা বিবেক।"

"ছুটা বিভাগত সুকীয়া কৈ চাকৰি কৰা দুজন মানুহ জানো বিয়া নহয়; যুগ্ম জীৱনযাপন নকৰে?"

"মই যদি তোমাৰ জীৱনৰ অংশীদাৰ হব লাগে তেন্তে মই তোমাৰ

দায়িত্ব আৰু কৰ্ত্তব্যবো অংশীদাৰ হব লাগিব। তোমাৰ সকলো কামতে মই নিশ্চয় মোৰ সহায়ৰ হাত আগবঢ়াব লাগিব। তুমি যেতিয়া একেৰাহে পৰিশ্ৰম কৰি গোটেই দিনটো কটাই গধূলি ভাগৰে যুগৰে ঘৰলৈ উভতি আহিবা—তেতিয়া তোমাক মোৰ সেৱা আৰু সঙ্গ দিব নালাগিব জানো? তোমাক এনে এজনী তিৰোতাৰ দৰ্কাৰ—দিয়ে তাইৰ সকলো সময় অকল তোমাৰ সেৱাতে কটাব পাৰে। তোমাৰ চাকৰি বৰ বিপদ যুক্ত আৰু ব্যস্ততাৰে ভৰা এক ভীষণ দায়িত্বপূৰ্ণ চাকৰি।"

"এতিয়াও দেখোন তুমি মোক—তোমাক নোকোৱাকৈয়ে মোৰ কৰ্ত্তব্য সম্পন্ন কৰাত সহায় কৰি আছা? তুমিটো মোৰ জীৱনো ৰক্ষা কৰিছা।"

"ভগৱানে আমাক দুয়োকে দুটা সুকীয়া পথ দিছে।" হুমুনিয়াহ এটা কাঢ়ি শংকৰীয়ে উত্তৰ দিছিল। "তুমি তোমাৰ পথেৰে আৰু মইয়ো মোৰ পথেৰে আগবঢ়াই আটাইতকৈ ভাল। মই তোমাৰ জীৱনৰ অংশীদাৰ হবলৈ যোগ্যা নহও। ৰোগী বিলাকৰ বাবে কাম কৰোঁতেই মই জীৱনবো পূৰ্ণতা পাবলৈ শিকিছো। যেতিয়াই মোক নিঃসঙ্গতাই আগুৰি ধৰিব—তেতিয়াই মই মোৰ অন্তৰৰ দেৱতাকে পূজা কৰিম। তোমাৰ প্ৰতিনিধিত্ব কৰিবলৈ—মোৰ লগত—আমাৰ ছোৱালী-জনীও থাকিব। গতিকে মোক আৰু অন্য কি লাগে?"

"মই যেতিয়া বিদায় লম, তেতিয়া এই শিশুটো তোমাৰ কাষতেই এৰি যাম। ইতিমধ্যে তুমি কিন্তু বিয়া কৰাব লাগিব।"

"বিয়া!!"

"এৰা, বিয়া কৰাব লাগিব। কিমানদিন আৰু তুমি সমাজ-বিৰোধী বিলাকৰ পিছে পিছে খেদি অকলে খুজ কৰিবা? তোমাৰ হাঁহিত হাঁহিবলৈ আৰু তোমাৰ কান্দোনতে কান্দিবলৈ তোমাক এজনী সহৃদয়া জীৱনসঙ্গিনী আৰু ঘৰতো তোমাৰ আদৰ যত্ন লবলৈ তোমাক এজনী সমব্যথী তিৰোতা লাগে।"

"তেনে ধৰণে মোৰ কাম কৰিবলৈ আৰু কাকো মোক দৰ্কাৰ নহব। এইখন দেশটো ভগৱান বুদ্ধৰ দেশ—মহত্মা গান্ধীৰ দেশ—গীতাৰ দেশ—থিরুকুৰলৰ দেশ। যদিহে সবল বিলাকে দুৰ্ব্বল বিলাকক সহায় কৰে তেন্তে জীৱন কিমান সুন্দৰ হব। কিন্তু, কেতিয়া বাৰু জ্ঞানৰ পোহৰে দেশৰ মানুহক উদ্ভাষিত কৰিব?"

"আৰু তেতিয়ালৈকে—আমি অবিৰত ভাৱে সংগ্ৰাম কৰিব লাগিব। তুমি সেই মানসিক ৰোগী বিলাকৰ সৈতে আৰু মই দৈহিক ৰোগী বিলাকৰ মতে···। তথাপি তুমি টো এতিয়ালৈকে তোমাৰ বিয়াৰ সম্পৰ্কে একো কথা মোক কোৱা নাই।"

মইও মোৰ—চেনেহী শংকৰীক মোৰ অন্তৰৰ মাজতে বন্ধ কৰি ৰাখি থম।"

"নাই—নাই—নাই—সেইয়া হব নোৱাৰে। শংকৰীয়ে প্ৰতিবাদ কৰিলে।" তুমি ৰাজেশ্বৰীক কৈছিলা যে—শংকৰী তোমাৰ ভনী। মোৰে শপত—তাকেই সঁচা বুলি তুমি বিশ্বাস কৰা। আৰু তেনেকৈয়ে তুমি মোক কল্পনা কৰি লোৱা। যদিহে তেনে ধৰণৰ কল্পনাই আমাৰ কাৰণে মঙ্গলকামী হয়—আমাৰ জীৱনৰ গতিৰ বাবে শুভ হয়, তেন্তে তেন্তে কল্পনা নকৰা কিয়? আৰু তুমি যদি মাত্ৰ তাকে ধৰি লোৱা তেন্তে তুমি পাৰিবাও।"

শংকৰীয়ে তেওঁক অন্তৰেৰে মিনতি জনাইছিল। তেৱো তাইৰ অন্তৰৰ উপলব্ধিখিনি হৃদয়ঙ্গম কৰিব পাৰিছিল।

নিশা ভাত খোৱাৰ অন্তত তেওঁক বিদায় সম্ভাষণ জনাবলৈ তাই বিমান ঘাটীলৈকে গৈছিল। আৰু তাৰ সেই উন্মুক্ত বহল পথাৰত—দুখন অন্তৰ বৰ বেদনা সিক্ত হৈ বৈ আছিল—প্ৰতিজনেই ইজনে সিজনক লুকাই চকুপানী সংযত কৰিবলৈ আপ্ৰাণ যত্নও কৰিছিল।

আকাশী যানখন প্ৰায় এৰো এৰো হৈছিল। যাত্ৰীবিলাকে ততাতৈয়াকৈ বিমানখনৰ পিনে গতি কৰিছিল। হঠাতে শংকৰীয়ে থিকগননমক মাত লগাই মাজ বাটতে ধমাই—অতি করুণ আৰু যাচনা

কান্তৰা দৃষ্টিৰে তেওঁৰ চকুলৈ চালে। "আগতে তুমি তোমাৰ অন্তৰৰ পৰা শংকৰীক বাহিৰ কৰি দিয়া আৰু যোৱা। ৰাজেশ্বৰীহে তাত সোমাব লাগিব। সেই স্থান পাবলৈয়ে তাই উৎসুক হৈ আছে। প্লিজ, তুমি তাইৰ কথা মনত ৰাখিবা।"

থিৰুগননমক লৈ বিমানখনে আকাশত উৰা মাৰিলে। শংকৰীয়ে জাহাজখনৰ ফিচাৰ ৰঙা লাইটটোৰ পোহৰকণ সম্পূৰ্ণ অদৃশ্য নোহোৱা-লৈকে তাত থিয় দি ৰৈ থাকিল। আনকি তাৰ পিছতো সেই ঠাই এৰি অহাটো যেন তাইৰ অন্তৰখন ভাঙি যোৱাৰ দৰেই অতি কষ্টকৰ।

তেনেকৈ থাকোতে—সময় কিমান হৈছিল তাই নাজানিছিল—। ড্ৰাইভাৰ ৰঙ্গনে তাইক বিচাৰি ওলাই আহিল। সপোন বিভোৰ হোৱাৰ দৰে—তাই মাথো ৰঙ্গনৰ পিছে পিছে আহি গাড়ীখনত বহি পৰিল। গাড়ীখন নগৰৰ ভিতৰলৈ প্ৰত্যাগমন কৰিছিল; কিন্তু তাইৰ অন্তৰখন পাখি মেলি উৰি গৈছিল আকাশী যানখনৰ সতে।